# ডাৱৰ আৰু নাই

43

যোগেশ দাস

## আলোচনা

### (১)

'উপন্যাস'ৰ আভিধানিক অৰ্থত কোৱা হৈছে 'প্ৰকৃত জীৱনৰ চিত্ৰ থকা সজা গল্প'। অৰ্থটোৰপৰা এইকথা স্পষ্ট হৈ পৰে যে জীৱনৰ স'তে উপন্যাসৰ এক নিগূঢ় সম্পৰ্ক আছে। মানৱ জীৱনক বিভিন্ন ঘটনাক ৰূপ দিবলৈ যাওঁতে ঔপন্যাসিকৰ কলাসুলভ মনৰ সংস্পৰ্শেৰে সৰকি আহি উপন্যাসক এক কলাত পৰিণত কৰি তোলে। সাহিত্যকলাৰ ভিতৰুৱা উপন্যাস এনে এবিধ কলা যি শিথিল বন্ধনত আৱদ্ধ হৈও পাঠকৰ স'তে গঢ়ি তোলে নিকপ্‌কপীয়া সহৃদয়তা। উপন্যাসৰ মাজত পাঠকে দৈনন্দিন জীৱনৰ স্বাভাৱিক ঘটনা আৰু জটিল সমস্যাৰাজি প্ৰতিফলিত হোৱা দেখিবলৈ পায়। জীৱনৰ লগত ঘনিষ্ঠ সম্পৰ্ক থকাৰ বাবেই উপন্যাসৰ স'তে পাঠকৰ ভাৱৰ আদান-প্ৰদান সহজ হৈ পৰে। উপন্যাস বুলিলে আমি ইয়াৰ এটা নিৰ্দিষ্ট সংজ্ঞা দিব নোৱাৰোঁ যদিও এটা কথা স্পষ্টকৈ ক'ব পাৰোঁ যে উপন্যাস কথাত ৰচনা কৰা, বাস্তৱ জীৱনৰ ঘটনাৰ প্ৰতিফলিন ঘটা এক বিস্তৃত কাহিনী। ঔপন্যাসিকে নিজা দৃষ্টিভংগীৰে জীৱনক উপন্যাসত প্ৰতিষ্ঠাপিত কৰে। ঔপন্যাসিকে জীৱনক যেনেভাৱেই নাচাওঁক কিয়, জীৱনৰ চিত্ৰ অঙ্কনত তেওঁ এক সঙ্গতি ৰক্ষা কৰিব পাৰিব লাগিব। উপন্যাসৰ বিষয় বস্তুৰ ওপৰতে তাৰ কলা-কৌশল নিৰ্ভৰ কৰে। এইখিনিতে এটা কথা উল্লেখনীয় যে বিষয়বস্তু একে হ'লেও নাটক আৰু চুটিগল্পৰ স'তে উপন্যাসৰ পাৰ্থক্য আছে।

এখন উপন্যাস ৰচনা বাবে ঔপন্যাসিকজনে সাধাৰণতে ঘটনা, চৰিত্ৰ, সংলাপ পৰিস্থিতি , সময় আৰু জীৱন দৰ্শনৰ ওপৰত গুৰুত্ব দিবলগীয়া হয়। এইকেইটা বিষয়ত গুৰুত্ব দি উপন্যাস ৰচনা কৰিবলৈ ঔপন্যাসিকৰ প্ৰতিভা, জ্ঞান আৰু অন্তঃকৰণ লগতে জীৱন সম্বন্ধে গভীৰ অভিজ্ঞতাৰ প্ৰয়োজন হয়। বাস্তৱ জীৱনৰ অভিজ্ঞতাই উপযুক্ত চৰিত্ৰ সৃষ্টিত ঔপন্যাসিকক সহায় কৰিব পাৰে। সমাজ সম্বন্ধে, ইতিহাস সম্বন্ধে ঔপন্যাসিকৰ জ্ঞানৰ প্ৰয়োজন। লেখকৰ বৰ্ণনাশৈলী আৰু চৰিত্ৰৰ মুখত দিয়া সংলাপে ঔপন্যাসিকৰ জীৱনাদৰ্শ দাঙি ধৰে।

ঔপন্যাসৰ বাবে ঘটনা নিৰ্বাচন লেখকৰ এক গুৰুত্বপূৰ্ণ কথা। এই সম্পৰ্কতে ডেভিদ্ চিচিলে এষাৰ কথা কৈছিল যে উপন্যাসে আমাক জীৱিত পৃথিৱীখনৰ লগত চিনাকি কৰি দিয়ে। কিন্তু ইয়াৰ মাজতেই ঔপন্যাসিকে নিজৰ কল্পনা শক্তিৰ দ্বাৰা বাস্তৱক এনেকৈ দাঙি ধৰিব লাগিব যাতে উপন্যাসৰ ঘটনাৰ মাজত নতুন দৃষ্টি আমি দেখা পাওঁ। সাধাৰণতে ঔপন্যাসিকে তিনিধৰণে উপন্যাসৰ ঘটনা প্ৰকাশ কৰে। সেয়া হৈছে, লেখকে নিজে ঘটনাৰ বৰ্ণনা দি, আত্মজীৱনীৰ দৰে ঘটনা বৰ্ণনা কৰি আৰু চিঠি-পত্ৰৰ যোগেদি ঘটনাৰ

বৰ্ণনা প্ৰকাশ কৰি ঘটনা বা বিষয়বস্তুৰ ওপৰত গুৰুত্ব আৰোপ কৰি উপন্যাসক বুৰঞ্জীমূলক, সামাজিক, আঞ্চলিক, জীৱনীমূলক, ডিটেক্‌টিভ, ৰাজনৈতিক, মনস্তত্বমূলক আদি ভাগত ভাগ কৰিব পাৰি।। কথা সাহিত্যিক যোগেশ দাসৰ 'ডাৱৰ আৰু নাই' যুদ্ধৰ পটভূমিত ৰচনা কৰা এখন সামাজিক আৰু ৰাজনৈতিক ঘটনাৰ সংমিশ্ৰিত উপন্যাস।

২

উপন্যাস অসমীয়া সাহিত্যত পাশ্চাত্য সাহিত্যৰ প্ৰভাৱৰ ফল। পাশ্চাত্য সাহিত্যত প্ৰথম উপন্যাস হিচাপে ফৰাচী মহিলা Mme de La Fayette য়ে ১৬৭৮ খৃষ্টাব্দত ৰচনা কৰা 'La Princesse de Clives'ৰ নাম উল্লেখ কৰিব লাগিব। অসমীয়া সাহিত্যলৈ উপন্যাসৰ আমদানি হয় ঊনবিংশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত। এই খিনিতে উল্লেখনীয় যে ভাৰতীয় উপন্যাসৰ পোন-প্ৰথম সৃষ্টি হয় বঙ্গদেশত। প্ৰমথনাথ শৰ্মা ওৰফে ভবানীচৰণ বন্দোপাধ্যায়ৰ ১৮২৩ চনত প্ৰকাশিত 'নববাবু-বিলাস' বঙলা ভাষাৰ প্ৰথম উপন্যাস বুলি কোৱা হয় যদিও উপন্যাসৰ সকলো গুণ ইয়াত পৰিস্ফুট হোৱা নাই। ১৮৫২ খ্ৰীষ্টাব্দত প্ৰকাশিত শ্ৰীমতীহানা কেথাৰিন মুলেঞ্চৰ ফুলমণি ও করুণাৰ বিৱৰণ' কে বঙলা সাহিত্যৰ মৌলিক উপন্যাস বুলি কোৱা হয়। যি সময়ত অসমত অসমীয়া ভাষা এলাগী হৈ পৰিছিল সেই সময়ত (১৮৩৬ চন) আমেৰিকাৰ বেপ্তিষ্ট মিছনেৰীৰ দল এটাই অসমত খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য আগত ৰাখি অসমত ভৰি দিলেহি। সেই দলৰ ডঃ নাথান ব্ৰাউন, ডঃমাইলচ্ ব্ৰঞ্চন, ও, টি, কট্টাৰ, এ. এইচ্ ডেনফোৰ্থ, এছ. এম. হোৱাইটিং আদিৰ প্ৰচেষ্টাত ১৮৪৬ খ্ৰী.ত 'অৰুণোদই' নামৰ প্ৰথম অসমীয়া মাহেকীয়া কাকতখন প্ৰকাশ পায়। এই 'অৰুণোদই'ৰ বুকুতেই অসমীয়া উপন্যাসৰো বীজ অঙ্কুৰিত হয়। অসমীয়া ভাষাৰ উপন্যাসৰ শুভাৰম্ভ হয় ডঃ নাথান ব্ৰাউনে 'পিল্‌গ্ৰীম্‌ছ্ প্ৰগেছ'ৰ অসমীয়ালৈ অনুবাদ কৰি ৰচনা কৰা 'জাত্ৰিকৰ জাত্ৰা' নামৰ ৰূপকধৰ্মী উপন্যাসখনেৰে। ১৮৫৪ চন মানত বঙলা 'ফুলমণি ও করুণা'ৰ অসমীয়া অনুবাদ 'ফুলমণি আৰু কৰুণা' আৰু 'এলোকেশি বেশ্যাৰ বিষয়' প্ৰকাশ পায়। ১৮৭৭ চনত এ.কে. গাৰ্নিৰ পত্নী মেৰী এফ্, লৰেঞ্চে স্বামীৰ প্ৰেৰণাত 'ফুলমণি আৰু কৰুণা' পুনৰ অসমীয়ালৈ অনুবাদ কৰে।

এ. কে. গাৰ্নিৰ প্ৰথম অসমীয়া মৌলিক উপন্যাস 'কামিনী কান্ত' ১৮৭৭ চনত প্ৰকাশ পায়। খ্ৰীষ্টান ধৰ্ম প্ৰচাৰৰ উদ্দেশ্য ইয়াৰ সৈতে নিহিত হৈ থাকিলেও 'কামিনী কান্ত'ই অসমীয়া উপন্যাসৰ ভেটিটো নিৰ্মান কৰি দিয়ে। ১৮৭৭ চনতে কুমাৰী এম. ই. লেছলীৰ 'এলোকেশী বেশ্যাৰ বিষয়' আৰু ১৮৭৮ চনত এ.কে. গাৰ্নিৰ 'কনি বেহেৰুৱাৰ বিষয়' প্ৰকাশ পায়। মিছনেৰী সকলে 'বাৰীৰ মিত্ৰ', 'যোচেফৰ বিৱৰণ' আদি আন গ্ৰন্থও ৰচনা কৰিছিল যদিও এইবোৰত উপন্যাসৰ গুণ বিচাৰি পাবলৈ টান।

বেপ্তিষ্ট মিচনেৰীসকলৰ উপৰিও অসমীয়া উপন্যাসৰ আদি পৰ্বত কেইগৰাকীমান অসমীয়া লেখকেও উপন্যাস ৰচনা কৰাৰ প্ৰচেষ্টা চলাইছিল। এই সকলৰ ভিতৰত হেমচন্দ্ৰ

বৰুৱাই 'বাহিৰে ৰং চং ভিতৰে কোৱাভাতুৰী' নামৰ ব্যঙ্গাত্মক উপন্যাস এখন ৰচনা কৰে। ১৮৮৪ খৃঃত পদ্মাৱতী দেৱী ফুকননীৰ 'সুধৰ্মাৰ উপাখ্যান' প্ৰকাশ পায়। ১৮৮৫ খৃঃত গুণাভিৰাম বৰুৱা সম্পাদিত 'আসাম বন্ধু'ত করুণাভিৰাম বৰুৱাৰ 'প্ৰমিলা' নামৰ উপন্যাস প্ৰকাশ পাইছিল। ধাৰাবাহিক হিচাপে প্ৰকাশিত এই উপন্যাসখন সম্পূৰ্ণ নহ'ল। পদ্মনাথ গোহাঞিবৰুৱাৰ 'ভানুমতী' ১৮৯১ চনত 'বিজুলী'ত ছপা হৈ ওলায়। তেওঁৰ 'লাহৰী' ১৮৯২ চনত ছপা হৈ ওলায়। ইয়াৰ পিছত লক্ষ্মীনাথ বেজবৰুৱাৰ 'পদুমকুঁৱৰী' (১৯০৫), ৰজনীকান্ত বৰদলৈৰ 'মিৰিজীয়ৰী' (১৮৯৪), হৰেশ্বৰ শৰ্মাবৰুৱাৰ 'কুসুমকুমাৰী' (১৮৯৮), মহীৰাম দাসৰ 'হৰিদেউ কানীয়াৰ কথা', বৰদলৈৰ 'মনোমতী' (১৯০০) আদি উপন্যাসৰ নাম ল'ব পাৰোঁ। শতিকা হিচাপত এইখিনি অসমীয়া উপন্যাসৰ আদিপৰ্বৰ অমূল্য ফল।

(৩)

স্বাধীনতাৰ পিছৰ কালছোৱাত অসমীয়া উপন্যাস সাহিত্য সমৃদ্ধি আৰু বৈচিত্ৰ্যৰে পৰিপূৰ্ণ। স্বাধীনতাৰ পূৰ্বকালৰ উপন্যাস সমূহত বৈচিত্ৰ্যৰ অভাৱ আছিল। স্বাধীনতাৰ পিছত শিক্ষিত মধ্যবিত্ত শ্ৰেণীৰ উদ্ভৱ, বেপাৰ- বাণিজ্যৰ প্ৰসাৰ, নাগৰিক সভ্যতাৰ উত্থান, গণতান্ত্ৰিক ভাৱধাৰাৰ বিকাশ আদিৰ ফলত অসমীয়া উপন্যাসে দ্ৰুতিগতিত বিকাশ লাভ কৰিবলৈ সমৰ্থ হয়। ১৯৩৯ চনৰ দ্বিতীয় মহাসমৰৰ বৈপ্লৱিক চেতনাই সামাজিক, অৰ্থনৈতিক, মানসিক, ৰাজনৈকিক, নৈতিক সকলো দিশতে প্ৰভাৱ পেলায়। স্বাভাৱিকতে সাহিত্যতো তাৰ প্ৰতিফলন ঘটিল। অসমীয়া উপন্যাসত এই সময়তে এক নৱ-জাগৰণৰ সৃষ্টি হ'ল। বীণা বৰুৱাৰ ছদ্মনামত বিৰিঞ্চিকুমাৰ বৰুৱাই ৰচনা কৰা 'জীৱনৰ বাটত' উপন্যাসৰ জৰিয়তে অসমীয়া উপন্যাসৰ এক নতুন যুগ উন্মোচিত হ'ল। স্বৰাজোত্তৰ অসমীয়া উপন্যাসৰ ইতিহাসত কথা- সাহিত্যিক যোগেশ্ৰ দাসৰ 'ডাৱৰ আৰু নাই'ৰ এক বিশেষ স্থান আছে। প্ৰায় একুৰিখন উপন্যাস ৰচনাৰে অসমীয়া উপন্যাস সাহিত্যৰ ভৰাল চহকী কৰা যোগেশ দাসৰ এই উপন্যাসখন তেওঁৰ ডেকা বয়সৰ ৰচনা। ডঃ সত্যেন্দ্ৰনাথ শৰ্মাই 'অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত' গ্ৰন্থত কৈছে, " মানৱতাবাদ, দুৰ্বলৰ প্ৰতি সহানুভূতিশীলতা, আধুনিক সভ্যতাই সৃষ্টি কৰা সামাজিক আৰু ব্যক্তিগত সমস্যাৰ ৰূপায়ণ আৰু নিৰপেক্ষমূলক সমদৃষ্টি আৰু নিৰন্ত্ৰ কাহিনী ৰচনা শ্ৰীদাসৰ উপন্যাসৰ প্ৰধান বৈশিষ্ট্য।" যোগেশ দাসৰ প্ৰথম আৰু সাৰ্থক উপন্যাসখনেই হ'ল 'ডাৱৰ আৰু নাই' (১৯৫৫)।

উজনি অসমৰ ডুমডুমাৰ ওচৰৰ চুকেৰিটিং চাহ বাহিচাত বৃটিছ চৰকাৰে পতা সামৰিক বিমান ঘাটি আৰু তাৰ ওচৰতে থকা খেৰজান চাহ বাগিচা উপন্যাসখনৰ পটভূমি হিচাপে লেখকে বাছি লৈছে। চুকেৰিটিং চাহবাগিচাৰ সেই সামৰিক বিমান ঘাটিত লেখকে চাকৰি কৰিছিল আৰু তেতিয়াই তেওঁ দ্বিতীয় মহাযুদ্ধই জনসাধাৰণৰ ওপৰত পেলোৱা সামাজিক আৰু মানসিক প্ৰভাৱ প্ৰত্যক্ষ কৰিছিল। তদুপৰি গান্ধীজীৰ পৰিচালনাত চলা স্বাধীনতা আন্দোলন আৰু আন্দোলনৰ ফলত সৃষ্টি হোৱা ৰাজনৈতিক কৰ্মীৰ সশস্ত্ৰ বিদ্ৰোহ আদিৰ লগতে সমাজৰ সঙ্কটময় পৰিস্থিতি তেওঁ কলাসন্মতভাৱে উপন্যাসখনত দাঙি ধৰিছে।

উপন্যাসখনৰ 'পাতনিত লেখকে লিখিছে, " মই ডেকাকালৰ কোমল বয়সত নিজে এই মহাযুদ্ধৰ এটা ক্ষুদ্র অংশৰ মাজৰ সোমাই পৰিছিলোঁ। উজনি অসমৰ ডুমডুমা নগৰৰ ওচৰৰ, দুকুৰিখনমান চাহবাগিচাৰ মাজৰ, চুকেৰিটিং সামৰিক বিমান ঘাটিত তেতিয়া এটা সৰু চাকৰি কৰিবলৈ গৈ মই যুদ্ধখনত প্রত্যক্ষ কৰিছিলোঁ। ১৯৪৪-৪৫ চনত, হিৰোশ্বিমাত আনবিক বোমা পেলোৱা আৰু জার্মানীয়ে মিত্রশক্তিৰ ওচৰত আত্মসমর্পণ কৰা সময়ত, যুদ্ধখনৰ গতি প্রকৃতি আৰু সৈনিকসকল তথা আমাৰ জনসাধাৰণৰ মনোভাৱ আৰু প্রতিক্রিয়া লক্ষ্য কৰাৰ সুযোগ মই তেতিয়া পাইছিলোঁ। সেইবিলাকৰ মাজতে মই ব্যক্তিগতভাৱে ওপৰত কৈ অহা সামাজিক মানসিক পৰিৱৰ্তনৰ আভাস ৰিণিকি ৰিণিকি দেখিবলৈ পাইছিলোঁ। সেই সময়ত গান্ধীজীৰ প্রতি অসীম শ্রদ্ধা, তেওঁৰ দ্বাৰা পৰিচালিত স্বাধীনতা আন্দোলনৰ, বিশেষকৈ এদল ৰাজনৈতিক কর্মীৰ সশস্ত্র বিদ্রোহৰ প্রৱণতাই মোক আকর্ষণ কৰিছিল। তাৰ বাহিৰে তেতিয়া মোৰ কোনো বিশেষ ধৰণৰ ৰাজনৈতিক পক্ষাৱলম্বন নাছিল। মই এজন সাধাৰণ মানুহ হিচাপেই প্রতিক্রিয়া কৰিছিলোঁ। সেই বাবে মোৰ ব্যক্তিগত অভিজ্ঞতাৰ ওপৰত অৱলম্বন কৰি লিখা 'ডাৱৰ আৰু নাই' উপন্যাসৰ কোনো কোনো কথাৰ লগত কোনো কোনো পক্ষৰ মতৰ অমিল হোৱা পিছত দেখিবলৈ পালোঁ।" 'ডাৱৰ আৰু নাই' দ্বিতীয় বিশ্বযুদ্ধৰ পটভূমিত ৰচিত প্রথম অসমীয়া উপন্যাস।

(৪)

যুদ্ধৰ পটভূমিত ৰচিত হ'লেও উপন্যাসখনত যুদ্ধৰ ভয়ঙ্কৰী ৰূপৰ পৰিৱৰ্তে যুদ্ধৰ পৰোক্ষ প্রভাৱে আনি দিয়া কলুষতাৰ কথাহে লেখকে ঘাইকৈ প্রকাশ কৰিছে। 'ডাৱৰ আৰু নাই'ৰ কাহিনীভাগ সুসংহতভাৱে সজোৱা। উপন্যাসখন ৰচনাত লেখকে গতানুগতিক কৌশল আৱলম্বন কৰি কাহিনীক অগ্রগতিৰ পথত আগবঢ়াই নিছে। যুদ্ধৰ ফলত অভাৱ-অনাটনে গা কৰি উঠিছে। মুদ্রাস্ফীতিৰ ফলত এচাম লোকে দুর্নীতিত লিপ্ত হৈ নৈতিক আদর্শৰ স্খলন ঘটাইছে আৰু ইয়াৰ বিপৰীতে আন এচামে নৈতিক আদর্শক খামোচ মাৰি ধৰি ৰাখি পৰিস্থিতিৰ ওপৰত পৰাজয় স্বীকাৰ নকৰিবলৈ সংকল্পবদ্ধ হৈছে। সমাজৰ এই দুই শ্রেণী মানুহৰ দ্বন্দ্বৰ মাজেদি প্রৱাহিত হৈছে উপন্যাসখনৰ কাহিনীৰ নিৰৱছিন্ন সোঁত। কাহিনীৰ প্রথম শ্রেণীৰ মানুহে যুদ্ধকালীন অৱস্থাৰ মাজত অনায়াসে ধন ঘটাৰ পথ মুকলি কৰি লৈছে। কিন্তু উপন্যাসখনৰ মুখ্য চৰিত্র বাখৰ, নিজাম আৰু ভীমে ইয়াৰ বিৰোধিতা কৰি নৈতিক আদর্শক জীয়াই ৰাখিবলৈ চেষ্টা কৰিছে। বাখৰৰ পত্নী অনুপমাই প্রথমে বাখৰৰ আদর্শক সমর্থন কৰিলেও লাহে লাহে ভোগ বিলাসৰ আধিক্যই তেওঁৰ মন গ্রাস কৰাত বাখৰৰ ওচৰৰ পৰা আঁতৰি আহি চহকী দেউতাকৰ কাষ চাপিছে। আনহাতে বাখৰৰ ৰান্ধনি ভীমৰ ঘৈণীয়েক গৌৰীও ধন-সম্পদৰ প্রতি আকৃষ্ট হোৱাত দুয়োৰে মাজত বিচ্ছেদ আহি পৰে। তদুপৰি মার্কিন চিপাহীৰ পাশৱিক অত্যাচাৰৰ বলি হোৱা গৌৰীৰ অৱশেষত অপমৃত্যু হ'ল। মার্কিন চিপাহীৰ নাৰী ধর্ষণৰ কার্যত অতিষ্ঠ হৈ পৰা ভীমে এজন চিপাহীক হত্যা কৰি অন্তৰ্দ্ধান হ'ল। বাখৰক বিনা দোষত জেলত দিলে। ভীমৰ ওপৰত প্রতিশোধ ল'বলৈ তাৰ

থকা ঠাই বাখৰৰ ঘৰত মাৰ্কিন সৈনিকে জুই দিলে। জুইত পুৰি বাখৰৰ দেউতাকৰ চিকিৎসালয়ত মৃত্যু হ'ল। পোৰা ঘৰৰ মাজত বাখৰে হতাশমনেৰে অতীত আৰু দেউতাকৰ স্মৃতি ৰোমাস্থন কৰিলে। অনুপমাই নিজৰ ভুল বুজিব পাৰি বাখৰৰ ওচৰলৈ পুনৰ উভতি আহিল। সুখময় নৱ-জীৱনৰ পাতনিত কাহিনীৰ আঁৰ কাপোৰ তৰা হৈছে। থুলমূলকৈ উপন্যাসখনৰ কাহিনীভাগ এনে ধৰণৰ। ইয়াৰ পৰা সহজে বোধগম্য হয় যে উপন্যাসৰ কাহিনীভাগে সুখপাঠ্য হিচাপে পাঠকক সহজতে আকৰ্ষণ কৰিব পাৰে। বাখৰ আৰু অনুপমা মন-আকাশৰ ডাৱৰ আঁতৰি যোৱাৰ দৰেই নৈতিক আদৰ্শৰ প্ৰমূল্যও পুনৰ সংস্থাপিত হৈছে। কাৰণ, 'ভাস্কৰ থাকে মানে পৃথিৱীৰ মৰণ নাই।'

(৫)

কাহিনী আৰু চৰিত্ৰ উপন্যাসৰ দুটা স্বতন্ত্ৰ অঙ্গ। এটাক বাদ দি আনটোক প্ৰতিষ্ঠাৰে সাৰ্থক অথবা সফল উপন্যাসৰ সৃষ্টি হ'ব নোৱাৰে। 'উপন্যাসৰ প্ৰাণ হ'ল, কাহিনীৰ ভিতৰুৱা পৰিস্থিতিৰ লগত চৰিত্ৰৰ নিৰন্তৰ সংঘাত। সেই নিৰন্তৰ সংঘাতৰ শিল্পগত ৰূপায়ণে কাহিনী আৰু চৰিত্ৰ উভয়ৰে জেউতি চৰায়' 'ডাৱৰ আৰু নাই'ৰ মুখ্য চৰিত্ৰ দুটা হৈছে বাখৰ আৰু অনুপমা। নায়ক বাখৰ ত্যাগী, মানৱতাবোধ সম্পন্ন ব্যক্তি। বি. এ. পাছ বাখৰ ডুমডুমা চহৰৰ মাইনৰ স্কুলখনৰ প্ৰধান শিক্ষক। যুদ্ধৰ ঢৌত উটি-ভাঁহি নোযোৱা বাখৰ এজন আদৰ্শ যুৱক। প্ৰৱল আত্মচেতনা চৰিত্ৰটোৰ মুখ্য বৈশিষ্ট্য। বাখৰৰ দেউতাক যুদ্ধকালীন সমাজত মূৰ দাঙি উঠা দুৰ্নীতিৰ গৰাহত পৰিছে যদিও বাখৰ কিন্তু নিজ আদৰ্শৰ পৰা বিচলিত নহ'ল। বাখৰে আন্যায়ভাৱে দুৰ্নীতিৰ জৰিয়তে বহুতো ধন ঘটিব পাৰিলেহেঁতেন যদিও কিতাপ অনুবাদ কৰিহে উপৰুৱাকৈ ধন ঘটাৰ প্ৰয়াস কৰিছে। বাখৰৰ পত্নী অৰ্থাৎ অনুপমা প্ৰথমাৱস্থাত বাখৰৰ আৰ্দশৰ অনুৰাগী আছিল যদিও পিছলৈ তেওঁৰ আদৰ্শৰ পতন ঘটিছে। সেয়ে বাখৰৰ উপৰুৱা ধন অৰ্জাৰ কৌশলক অৱজ্ঞা কৰি অনুপমাই তেওঁক কৈছে, " কিতাপ অনুবাদ কৰি যে অসমত তথা ভাৰতত স্ত্ৰী কন্যাক খুৱাব পিন্ধাব নোৱাৰে সেইটো আপুনি অস্বীকাৰ কৰিব নোৱাৰে। মই দিনে দিনে নিৰাশ হৈ গৈছোঁ। খেৰজানলৈ আৰু উভতি যাব পাৰিম নে নোৱাৰিম ক'ব পৰা নাই। বোধহয় নোৱাৰিম।" অনুপমা কলেজীয়া শিক্ষাৰে শিক্ষিতা। সেয়ে উক্ত মন্তব্য অনুপমাৰ মুখত শোভা নাপায়। বাখৰ, শহুৰেক আৰু বাখৰৰ আদৰ্শৰ মাজত জীৱনৰ সুখ স্বাচ্ছন্দ্যক বিচাৰি পোৱা অনুপমাৰ চাৰিত্ৰিক পৰিৱৰ্তনৰ মূলতে আছিল তেওঁৰ বান্ধৱী ৰেণু, গিৰিৰ তাচ্ছিল্যসূচক মন্তব্য। অনুপমাই ক্ষোভেৰে সেয়ে কৈছে, "ৰেণুহঁতে মোক হীন জ্ঞান কৰে। সিহঁতৰ ভেমে মোক দেই-পুৰি মাৰিছে। সিহঁতৰ টকা আছে, গৰ্বও আছে। মোৰ নাই কিন্তু মোক কিয় হেয় কৰিব?"

উপন্যাসৰ আন দুটা উল্লেখযোগ্য চৰিত্ৰ হ'ল বাখৰৰ দেউতাক শইকীয়া আৰু গিৰীন। যুদ্ধৰ সুযোগ গ্ৰহণ কৰি শইকীয়া দুৰ্নীতিত লিপ্ত হৈছে যদিও পিছলৈ তেওঁৰ আত্মশুদ্ধি হৈছে। সেয়ে গিৰীনক কৈছে, " ........ মই বুঢ়া বয়সত পাপৰ বোকাত নামিলোঁ। তোক

জ্ঞান দিবৰ শক্তি মোৰ নাই, তথাপি মোৰ মনটোৱে কয়, পাৰ্থিৱ মোহবোৰ বৰ বেয়া, বৰ বেয়া। এইবোৰ জালত সোমালে অশান্তিৰ বাহিৰে একো নাপাৱ। জীৱনটো মোহৰ মাজতে গ'ল। আজি বৰ দেৰিকৈ এই কথা জানিব পাৰিলোঁ।" মানুহৰ জীৱনত যুদ্ধৰ প্ৰভাৱ সুদূৰ প্ৰসাৰী। যুদ্ধই সমাজত বিশৃঙ্খলাৰ সৃষ্টি কৰাৰ লগতে জীৱনতো প্ৰভাৱ পেলায়। উপন্যাসখনত গিৰীন এনে এটা চৰিত্ৰ, যিয়ে চাকৰি এৰি, যুদ্ধৰ ঠিকা লৈ দুৰ্নীতিৰ সহায়ত প্ৰচুৰ ধন উপাৰ্জন কৰি যুদ্ধৰ কুৎচিৎ প্ৰভাৱক স্বীকাৰ কৰি লৈছে। যুদ্ধই নৈতিক চৰিত্ৰত বলবান, ডেকা, কৰ্মঠ গিৰীনৰ জীৱনলৈ যি নৈতিক স্খলন আনি দিলে, তাৰ জৰিয়তে লেখকে সমাজত সচেতনাৰ সৃষ্টি কৰিছে।

বাখৰৰ ৰান্ধনি ভীম দোষ-গুণৰ সমাৱেশত সৃষ্ট এটা আদৰ্শ চৰিত্ৰ। জীৱনলৈ নামি অহা সংঘাতেও চৰিত্ৰটোৰ মানসিক দৃঢ়তা শিথিল কৰিব পৰা নাই। অৱশ্যে তাৰ পত্নী গৌৰীৰ অকাল মৃত্যুত ভীমৰ মনত মাৰ্কিন চিপাহীৰ বিৰুদ্ধে প্ৰতিহিংসাৰ দাবানল জ্বলি উঠিছে। বনুৱা ছোৱালী, অশিক্ষিতা গৌৰীয়ে দৈহিক তাড়না আৰু টকাৰ লোভত ভীমক এৰি গিৰীনৰ লগত পলাই গ'ল যদিও অৱশেষত অত্যাচাৰী মাৰ্কিন চিপাহীৰ হাতত ধৰ্ষিতা হ'ল। আন বনুৱাৰ স'তে খোজ নিমিলাই আদৰ্শগত জীৱন যাপন কৰাৰ প্ৰয়াস কৰিছে। গৌৰীয়ে ভীমক এৰি যোৱাতো সি বিচলিত হোৱা নাই; বিচলিত হৈছে নাৰীৰ ওপৰত চলোৱা অত্যাচাৰী মাৰ্কিন চিপাহীৰ পাশৱিক অত্যাচাৰ দেখিহে। দৰাচলতে ভীমৰ এই বিদ্ৰোৰ অনৈতিক আচৰণৰ বিৰুদ্ধেহে।

উপন্যাসখনৰ আন এটি চৰিত্ৰ দুৰ্য্যোধনে ভীম আৰু গৌৰীৰ মিলনত সহায় কৰি দিছে। বন্ধু ভীম ওচৰৰ পৰা গৌৰী আঁতৰি যোৱাত দুৰ্য্যোধনে প্ৰথমাৱস্থাত তাক সান্ত্বনা দিয়াৰ চেষ্টা কৰিছে যদিও পিছলৈ আদৰ্শৰ সংঘাতে দুয়োৰে মাজত ব্যৱধান আনি দিছে। এসময়ত ঘোৰ শত্ৰু বুলি ভৱা চিপাহী এতিয়া তাৰ জীৱিকাৰ উপায়। চিপাহী চাকৰী কৰি চিপাহীৰ অনিষ্টকাৰী প্ৰবৃত্তিবোৰ দুৰ্য্যোধনৰ চৰিত্ৰই গ্ৰহণ কৰিছে। দুৰ্য্যোধনে টকাৰ লোভত চিপাহী চাকৰি কৰিলেও বাখৰক সি অমান্য কৰিব নোৱাৰে। বাখৰৰ প্ৰতি তাৰ যথেষ্ট ভক্তি আছে। সেয়ে চিপাহী কাম কৰি কেনে লাগিছে বোলা বাখৰৰ প্ৰশ্নৰ উত্তৰত যি টপৰাই ভাল লগাৰ কথা নকৈ দোধোৰমোধৰত পৰি কৈছে, " কি ৰকম আৰ লাগিব বাবু? কাম কামেই, চব একেই।" দুৰ্য্যোধনে ভালদৰে জানে যে চিপাহীৰ দুৰ্নীতিপূৰ্ণ কামৰ প্ৰতি বাখৰৰ শ্ৰদ্ধা নাই। উপন্যাসখনত জীৱন বৰুৱা বোধন, মাংৰা, বিকল আদি চৰিত্ৰক লগ পাওঁ, যিবোৰে কম-বেছি পৰিমাণে কাহিনীৰ অগ্ৰগতিত অৰিহণা যোগাইছে। বাখৰৰ একালৰ প্ৰিয় ছাত্ৰ বোধনে টকাৰ লোভত মিলিটৈৰীক লাইনৰ গাভৰু যোগান ধৰি অসৎ কাৰ্যত লিপ্ত হৈছিল।

যুদ্ধৰ ঠিকা কৰি ধনী হোৱা পিতৃৰ মিছা গৌৰৱত উটি - ভাঁহি যোৱা দুটা চৰিত্ৰ হৈছে গিৰি আৰু ৰেণু। জীৱনৰ প্ৰকৃত অৰ্থ বুজি পোৱাত অপাৰগ গিৰি আৰু ৰেণুৱে কিন্তু আধুনিক আদৱ - কায়দা সকলো বুজি উঠিছিল। অনুপমাক কাঁটাচামুচ ধৰিবলৈ ৰেণুৱে শিকাই দিছিল।

সিহঁতৰ মাক আৰু অনুপমাৰ মাক দুয়োগৰাকী মধ্যযুগীয় ধ্যান - ধাৰণাৰ অনুগামী স্বামী অনুৰক্তা নাৰী। স্বামীৰ ভাল বেয়া কোনো কথাতে তেওঁলোকে আগ্ৰহ দেখুৱা নাই অথবা বিদ্ৰোহ কৰা নাই।

(৬)

'ডাৱৰ আৰু নাই' লেখক যোগেশ দাসৰ পৰিমাৰ্জিত ৰুচিৰ এখন সাৰ্থক উপন্যাস। লেখকৰ অভিজ্ঞতাপ্ৰসূত কাহিনীয়ে উপন্যাসখনক এক বিশেষ মৰ্যদা প্ৰদান কৰিছে। উপন্যাসখনৰ আৰম্ভণিৰ পৰা শেষলৈ অনুৰণিত হৈছে নৈতিকতাৰ সুৰধ্বনি। ধন সম্পত্তিৰ প্ৰতি জন্মা মানুহৰ সহজাত প্ৰবৃত্তিয়ে সাময়িকভাৱে আদৰ্শক গ্ৰাস কৰিলেও সৰ্বশেষত আদৰ্শৰে বিজয় ঘোষিত হৈছে। জীৱনৰ মূলবোধৰ প্ৰতি লেখক সদা সচেতন। জীৱনক গভীৰভাৱে অধ্যয়ন কৰাৰ মানসিকতা লেখকৰ আছে। সেয়ে এই উপন্যাসখনত নিম্নমধ্যবিত্তৰ জীৱনৰ বেদনা উপলব্ধি কৰি এক সহানুভূতিশীল পৰ্যায়ত চৰিত্ৰবোৰক উপনীত কৰাবলৈ সক্ষম হৈছে। লেখকৰ আদৰ্শ মহান লগতে নৈতিকতাৰ প্ৰতি তেওঁৰ গভীৰ আস্থা। সেয়ে যুদ্ধৰ পটভূমিত এনে এটা কাহিনী উপস্থাপন কৰি জনসাধাৰণক নৈতিকতাৰ প্ৰতি আকৃষ্ট কৰাৰ লগতে ক্ষন্তেকীয়া লোভৰ অৰক্ষয়ী ৰূপটোৰ প্ৰতি সচেতন হ'বলৈ সঁকিয়াই দিছে। যুদ্ধই ধ্বংস মাতি আনে যদিও তাৰ মাজতে মানুহৰ মনত সিঁচি থৈ যায় আত্মপ্ৰত্যয় আৰু সাহসৰ বীজ। 'ডাৱৰ আৰু নাই'ত এইকথাৰ প্ৰকাশ ঘটিছে। অন্যায় অবিচাৰৰ বিৰুদ্ধে চলি অহা সংগ্ৰাম মানুহৰ জীৱনৰ এক চিৰন্তন সত্য। এই সংগ্ৰামৰ মাজতে জীৱনৰ প্ৰকৃত অৰ্থ, আদৰ্শ প্ৰতিভাত হয়। এটা সাধাৰণ কাহিনীৰে উপন্যাসখনৰ জন্ম হ'লেও ইয়াৰ মাজত জীৱনৰ সুন্দৰ ৰূপটোৰ জিলিকনি তিৰ্‌বিৰাই আছে। বনুৱা শ্ৰেণীৰ দৈনন্দিন জীৱন ধাৰাৰ সহায়লৈও লেখকে উপন্যাসখনত যুদ্ধৰ সৰ্বগ্ৰাসী মূৰ্ত্তি আৰু সমাজৰ লগতে মানৱীয় সত্ত্বাৰ পৰিৱৰ্তনৰ ছবি 'ডাৱৰ আৰু নাই'ত অঙ্কিক কৰিলে। চাগবাগিচাৰ প্ৰকৃত জীৱনৰ স্বাদ লাভ কৰা আৰু বাগিচাৰ জীৱনধাৰাক প্ৰত্যক্ষ কৰা দাসদেৱে চাহবাগিচাক পটভূমি হিচাপে লৈ এখন সুকীয়া জগতৰ চিত্ৰ পোহৰলৈ আনিলে। উপন্যাসখনৰ ভাষা সৰল, পোনপটীয়া আৰু নিৰাভৰণ। ভাষাৰ এই বৈশিষ্ট্যৰ বাবেই উপন্যাসৰ কাহিনী হৈ পৰিছে সহজবোধ্য আৰু হৃদয়গ্ৰাহী। অমানুহৰ অনৈতিকতাৰ স'তে মানুহৰ মনুষ্যত্বৰ সংঘৰ্ষৰ মাজেদি মানুষ্যত্ব আৰু নৈতিকতাৰ বিজয় ঘোষণা কৰা 'ডাৱৰ আৰু নাই' অসমীয়া উপন্যাস সাহিত্যত এক উজ্জ্বল আদৰ্শ হৈ থাকিল।

ড° নমিতা ডেকা

# এক

## ১

পৃথিৱীত নিশ্চয় জুই লাগিছে।

নহ'লে ৰবাব টেঙা এটাৰ দাম পাঁচ টকা বুলি কোনে বিশ্বাস কৰিব? কথাবোৰ অফিচত শুনি খেৰজার্ন বাগিচাৰ বৰ কেৰাণী শইকীয়াই ঘৰত কয়হি। তেওঁৰ ৰান্ধনি - চাকৰ ভীমচন্দ্ৰই শুনি অবাক হয়। আৰু শইকীয়াৰ পুতেক বাখৰৰ আগত কয়। বাখৰে মাত্ৰ মন্তব্য কৰে, "দুনিয়াত জুই লাগিছে ভীম। চাৰিওফালে যুদ্ধ লাগিছে। মানুহৰ দাম সস্তা হৈছে, বস্তুৰ দাম বাঢ়িছে! মোক বেচিলে পাঁচ পইচাও নেপাব।"

পাঁচ টকীয়া ৰবাব টেঙাৰ দৰে আৰু বহুত গল্প ওলাইছে ঃ এজনী পোহাৰী বুঢ়ীয়ে হেনো দেওবৰীয়া হাটত বৰটেঙা আৰু ৰবাব টেঙা বেচিছিল। হটঙা মার্কিন চিপাহী এটা আহি ডাঙৰ চাই ৰবাব টেঙা এটা তুলি লৈ সুধিলে, "হাউ মাচ্?" অর্থাৎ " কিমান?" বিবুধি হৈ বপুৰী বুঢ়ীয়ে দুহাতৰ দহোটি আঙুলি দেখুৱাই ক'লে, "দেউ চাহাব দচ পইচা।" চিপাহীয়ে ক'লে " নেই ফাঁচ।" বচ পাঁচ টকীয়া নোট এখন পেলাই থৈ তেওঁ প্ৰস্থান কৰিলে।

মাগনী বঢ়ী এজনীয়ে হেনো এদিন ডুমডুমা ষ্টেশ্যনত ভিক্ষা পোৱা দেখি হেনো ষ্টেশ্যনৰ মুটীয়াবোৰৰ চকু ডাঙৰ ডাঙৰ হৈ গৈছিল।

চাবুৱা দিনজানত এটা কুকুৰাৰ বাবে সাত টকালৈকে দাম দিয়া কিছুমান মানুহে নিজ চকুৰে দেখিছে।

হয় পৃথিৱীত জুয়েই লাগিছে, ভীমে মনে মনে স্বীকাৰ কৰে। বার্দ্ধক্যৰ পৰিপক্ক হোৱা সাংসাৰিক অভিজ্ঞতাৰ বাবে বৰ কেৰাণী শইকীয়াক আজিকালি একো ঘটানাই উত্তেজিত কৰিব নোৱাৰে, যদিও এই কথাবোৰ ঠিকমতে বুজিব নোৱাৰি তেখেত মনে মনে কেতিয়াবা বিচলিত হৈ পৰে। ঘৰত অকলে বহি কেতিয়াবা তেখেতে সেইবোৰকে ভাৱি থাকে।

২।

এদিন সাঁজ লাগি ভাগিছে।

শইকীয়াই গধূলি ফুৰাৰ পৰা ঘৰত বহিলহি। তিতাবাহকৰ ডাঠ দেৱালে ঘেৰা প্ৰকাণ্ড এল-পেটাৰ্ণৰ পকী ঘৰটোত মানুহ থকাৰকোনো চিন নাই। নেথাকিবৰ কথাও। পৰিবাৰ ঢুকাবৰ আজি প্ৰায় তিনি বছৰ হ'ল একমাত্ৰ জীয়েকক দূৰলৈ দিছে। একমাত্ৰ পুতেক বাখৰ ৰাতি ন-দহ বজালৈকে ঘৰলৈ নাহেই। ঘৰত থাকে ৰান্ধনি ল'ৰা ভীমচন্দ্ৰ, সিও বৰঘৰলৈ নাহেই। পাকঘৰতে থাকে। ঘৰৰ সন্মুখৰ পিনে তেখেত প্ৰায়েই নেযায়, গধূলি গোপাল, খৰিকাজাইৰ জোপোহা আৰু দুজোপা শেৱালি গছ থকা মুকলি ফুলনিখন নিজান; পৰ্টিকোটো আন্ধাৰ আৰু নিৰল। তেখেত পাৰ ঘৰৰ ওচৰেদি থকা বাটেদিয়েই সদায় ভিতৰ সোমায়। লখিমা নোহোৱা ঘৰখন যেন তেখেতৰ মনত আস্বাভাৱিক ঘৰ।

আন্ধাৰে মুন্ধাৰে খেপিয়াই ভিতৰ ফালৰ বাৰাণ্ডাত থকা আৰামী চকীখনত তেখেত বহি পৰিল। হাতৰ লাঠীডাল বেৰত আওজাই থলে আৰু সেইদিনাৰ বাতৰি কাকতখন কোলাত ল'লে। তেখেতৰ সন্মুখত বৰঘৰৰ সমান্তৰালকৈ ৰান্ধনী ঘৰটো, সৰু চালি এখনেৰে সংযুক্ত। তাত ভীম থকাৰ উমান পোৱা যায়। কিন্তু পাকঘৰৰ এই সজীৱতাই শইকীয়াৰ মনত ৰং দিয়ক ছাৰি হুমুনিয়াহে পেলোৱালেঃ এই ৰান্ধনী ঘৰতে এদিন তেখেতৰ গৃহিণীয়ে বনবাৰী কৰি তেখেতৰ আলপৈচান ধৰিছিল যাৰ ঠাই আজি লৈছে বৰচাহাবক কৈ কল ঘৰৰ পৰা লৈ অহা ৰান্ধনী চাকৰ-ভীমচন্দ্ৰই, ভীমচন্দ্ৰৰ ওপৰত তেখেত অসন্তুষ্ট নহয়। তেখেত অসন্তুষ্ট বাখৰৰ মাকে তেখেতক এৰি যোৱাত। এনাজৰীৰ বান্ধোন বৰ টান, বৰ সুখৰ, বৰ দুখৰ। যুদ্ধৰ পৃথিৱীয়ে তেখেতৰ অবিচলিক মনক বিচলিত কৰি তোলাৰ আগজাননী স্বৰূপেই যেন বাখৰৰ মাকে তেখেতক আজি তিনি বছৰৰ আগতে এৰি গ'ল।

কিছু সময় বহি থকাৰ পিছত তেখেতে মাত লগালে, " ভীম" "দেওতা!" পাকঘৰৰ পৰা ভীমে সঁহাৰি দিলে।

" আন, ধঁপাত এচিলিম লৈ আহ।"

এলেহুৱা গাটো দাঙি তেখেতে বেৰত থকা ছুইচটো টিপি লাইটটো জ্বলালে আৰু চছমা যোৰ পিন্ধি বাতৰি কাকতখন মেলি ললে। দেশৰ বাতৰি মুঠেই ভাল নহয়। সীমান্তত ভীষণ যুদ্ধ লাগিছে। জাপানী বিমান বাহিনীয়ে মনে মনে ভাৰতৰ

সীমা অতিক্ৰম কৰি টিঘিল্ৰ-ঘিলাই গৈছেহি। বাস কৰা বহুত মানুহ পশ্চিমৰফালে প্ৰাণ ৰক্ষা কৰিবলৈ পলাই গৈছে।

ভীমে ধঁপাত এচিলিম যতনাই দিলেহি। তেখেতে সুধিলে, " কি ৰান্ধিছ অ'?"

"নাই একু। কণী।"

" মাছ শেষ হ'ল?"

"মাগুৰ মাছ এটি আছিল, মৰি পচি গ'ল, পেলাই দিলো।" ভীমচন্দ্ৰ আঁতৰি গ'ল, শইকীয়াই ধঁপাত হুপি ধোঁৱাৰ মাজেদে বাতৰি পঢ়িবলৈ ধৰিলে।

এচুকত বহি থকা কুকৰটোৱে হঠাৎ এবাৰ ভুকিবলৈ ধৰিলে। কোনোবামানুহ দুটা বাৰাণ্ডাত ফালে আগবাঢ়ি আহিছিল। সেইফালে মূৰ দাঙি চাই শইকীয়াই মাত লগালে, "কোন অ'?"

"হামৰা আছি মালিক," সিঁহতে ক'লে। অৰ্থাৎ " আমিহে দেউতা।"

"কোন, বিকল আৰু বুধু নেকি?"

মানুহ দুটাই একেলগে ক'লে "হয়।"

" কি লাগে তহঁতক এই ৰাতিখন"

বিকলে ক'লে, " অলপ কামত আহিছিলো মালিক। এটা কথা জানিবলৈ আহিলো। বুধু আহচোন আহ। মালিক, আমি এইখিনিতে অলপ বহো।"

"বাৰু বহ।"

বিকল আৰু বুধু দুয়ো বাৰাণ্ডালৈ উঠি গৈ শইকীয়া পৰা অলপ আঁতৰত মাটিতে বহিলগৈ। চোৰৰ গোন্ধ নেপাই কুকুৰটোৱেই বন্ধুতা কৰিবৰ মনেৰে নেজ জোকাৰি জোকাৰি ওচৰ চাপি আহিল। বুধুৱে তাক গাৰ ওচৰলৈ টানি ল'লে।

শইকীয়াই আকৌ কাকত আৰু ধোঁৱা-খোৱালৈ মন দি সুধিলে, "ক তহঁতৰ কি কাম?"

ইটোৰ মুখলৈ সিটোৱে চালে। পিছত বুধুৱে ক'লে, "মালিক 'ফিলত' বোলে মানুহ লৈছে?"

ফিলত মানে ফিল্ডত, অৰ্থাৎ বিমান ঘাটিত, অসমৰ উজনি অঞ্চলৰ সৰু চহৰ ডুমডুমাৰ ওচৰৰ চুকেৰিটিঙত নতুনকৈ বিমান ঘাটি পতা হৈছে।

শইকীয়াই সুধিলে, "পিছে?"

বুধৰে ক'লে, "মালিকে জানো তালৈ কুলী পঠোৱা নাই?"

"পিছে?"

বিকলে ক'লে, "আমাৰো নাম লিখি দে মালিক। আমিও ফিলত কাম কৰিম। গৰীবক তই অলপ দয়া কৰিলেই হ'ব।"

সৰৰ হোকাটোৰ পৰা শইকীয়াই নিৰৱে ধোঁৱা উলিয়াবলৈ ধৰিলে। তেখেতৰ ওচৰলৈ খেৰজান বাগিছাৰ মানুহ অহা আজিয়ে প্ৰথম নহয়। চুকেৰিটিঙত বিমান ঘাটি পাতিবলৈ বহুত বনুৱা লাগে। ওচৰ পাজৰৰ চাহবাগিছাবোৰেই সেই বনুৱাৰ যোগান ধৰিছে। মিত্ৰশক্তিৰ মহাৰণ, ইংৰাজ চাহ খেতিয়ক সকল বনুৱা দিবলৈ আগবাঢ়িল। খেৰজান বাগিচাৰ পৰা মানুহৰ নাম লিখি কৰ্মচাৰী আৰু চৰ্দ্দাৰৰ তলত বনুৱা পঠিয়াই বৰ কেৰাণী শইকীয়াই। মিলিটাৰীয়ে হাজিৰা বহুত দিয়ে। গতিকে ফিল্ডত কাম কৰিবলৈ বনুৱাবিলাকৰ হেঁপাহ বেছি, সেয়ে শইকীয়াৰ ওচৰলৈ লুকাই চুৰকৈ নাম লিখিবলৈ অহা মানুহৰ সংখ্যাও সৰহ।

বিকলে চুৰিয়াৰ খোচোনাৰ পৰা পাঁচ-টকীয়া নোট এখন উলিয়াই শইকীয়াৰ সন্মুখত থকা খালি মূঢ়াটোত থ'লে। শইকীয়াই চছমাৰ মাজেদিয়েই কেৰাহিকৈ সেইফালে চালে। বুধুৱে ক'লে, "মালিক আমাৰ ফালে চাবি আৰু আমাৰ নাম দুটা লিখি দিবি কোনোমতে । তয়ে আমাৰ মা-বাপ।"

"তহঁতে ফিল্ডত একো গোলমাল নকৰতো?"

" নাই নাই মালিক, কিয় কৰিম? তইতো আমাক জানই, ইমান দিন তোৰ নিমখ খাইছো, কোনোদিনে গোলমাল কৰা দেখিছ জানো?"

শইকীয়াই অৱশ্যে দেখিছে, বিকল আৰু বুধু দৰে মদ খাই কাজিয়া কৰা মানুহ খেৰজান বাগিছাত আৰু নাই। সিহঁতে তেখেতৰ নিমখ খোৱা কথাটোও যে গোকাট মিছা, সেইটোও তেখেতে জানে।

কুকুৰটোৱে আকৌ এবাৰ ভূকিবলৈ ধৰিলে। তিনিও মূৰ দাঙি চালে। চাইকেল এখন লৈ কোনোৱা সোমাই আহিছিলি। শইকীয়াই মাত লগালে, "কোন?"

"মইহে দেউতা।"

"অ বাখৰ।"

চাইকেলখন এপিনে আওজাই থৈ বাখৰ বাৰাণ্ডালৈ উঠি আহিল।

তাৰ হাতত এজাপ কিতাপ। দেউতাকে সুধিলে, "কলৈনো গৈছিলি?"

এই প্ৰশ্ন তাক তেখেঁতে সদায় কৰে। সিও সদায় দিয়া উত্তৰকে আজিও দিলে, "এই অলপ ফুৰি আহিলো গৈ। ডুমডুমাৰ পৰা কেইখনমান কিতাপ বিচাৰি আনিলোগৈ কি অ', তইঁতক হব পায় কাম লাগে ?"

মানুহ দুটাই হাঁহিলে। বাখৰ ভিতৰ সোমাই গ'ল। মূঢ়াটোৰ ওপৰৰ পাঁচটকীয়া নোটখন সি দেখিছিল। বিকলে সুধিলে, "মালিক আপোনাৰ ল'ৰাই পাছ কৰি আহিল হবপায় নহয়।"

শইকীয়াই আধা তৃপ্তি আৰু আধা নিৰ্লিপ্ত অৱজ্ঞাৰ সুৰত ক'লে, "অ সি বি-এ পাছ কৰি আহিল।"

"বিয়ে ? ইচ বহুত পঢ়িলে। হক হক। ভাল হৈছে।" আচলতে বি.এ, বুলিলে বিকলৰ একো ধাৰণাই নহয়। 'মালিক'ৰ ল'ৰাই কৰা কাম কাৰণেই সি 'ভাল হৈছে'। "সি এতিয়া কি কৰিছে?"

বুধুৱে উত্তৰ দিলে, "ডুমডুমাত মাষ্টৰ কৰিছে নহয়।"

বিকলে ক'লে, "অ' হয়নেকি, ভালে হৈছে।"

শইকীয়াই সিঁহতৰ বিদায় দিলে। সিঁহতে আকৌ এবাৰ চকু মেলি চাবলৈ বৰকেৰাণী বাবুৰ অনুৰোধ কৰি লাগে লাগে উঠি গ'লগৈ। হাত ভৰি ধুই বাখৰো শইকীয়াৰ ওচৰত বহিলহি আৰু কাকত খন লৈ চকু ফুৰাবলৈ ধৰিলে। টিপয় এখন ওচৰ চপাই ভীমে দুকাপ চাহ দি গ'লহি।

শইকীয়াই ক'লে তই এবাৰ ভনীয়েৰৰ তালৈ গৈ আহিব লাগিছিল। তাই বাৰে বাৰে চিটি লিখিছে। এবাৰ গৈয়েই আহ।"

"যাম কেতিয়াবা, "নিৰ্লিপ্ত সুৰত বাখৰে ক'লে। "মোৰ এতিয়া ছুটি নাই। স্কুলখনত মাষ্টৰ নায়েই, আমাৰ ষ্টাফত মাত্ৰ তিনিজনে কোনোমতে কাম চলাই আছো।"

শইকীয়াই একো নেমাতি চাহ কাপ হাতত তুলি ল'লে।

৩

দেউতাকক অকলে এৰিবলৈ টান পাই বাখৰে এম-এ পঢ়িবলৈ যোৱা নাই। বি-এ পৰীক্ষা দিয়াৰ পৰা আজি প্ৰায় এবছৰে ডুমডুমা মাইনৰ স্কুলতে কাম কৰি আছে। সৰু ঠাইৰ মাইনৰ স্কুলৰ হেড মাষ্টৰৰ দৰমহা বৰ লেখত লবলগীয়া নহয়;

কিন্তু টকাৰ কাৰণে মাষ্টৰী জীৱন লৈছে বুলি বাখৰে নেভাৱে, আনেও নেভাৱে। বিশেষকৈ যুদ্ধৰ দিনত মানুহৰ টকা পইচা হোৱাত সেই কথা কোনেও নেভাৱে।

শইকীয়াই তাক চৰকাৰী চাকৰী বিচাৰিবলৈ কৈছিল বা অন্য ঠাইত ভাল চাকৰিৰ চেষ্টা কৰি চাবলৈ উপদেশ দিছিল। কিন্তু সি সেইফালে বৰকৈ মন নকৰিলে। জাতীয় আন্দোলনত কেতিয়াবা যোগ নিদিলেও সি স্কুলত পঢ়াৰ দিনৰ পৰাই ভাৱি আহিছিল, চৰকাৰী চাকৰি কৰা বেয়া, অথচ সি ভালকৈয়ে জানে যে তাৰ নিচিনা অৱস্থাত চাকৰি কথা ওলালেও সি একো মন্তব্য নিদিয়ে। মনৰ কথা কবলৈকো তাৰ সঙ্কোচ হয়; অথচ মনোভাৱ পৰিত্যাগ কৰাও টান।

সি ভালকৈয়ে জানে, এদিন বিয়া-বাৰু কৰাই সি ঘৰ ধৰিব লাগিব। দেউঁতাক সদায় জীয়াই নেথাকে। আজীৱন বহি বহি খাই থাকিব পৰাকৈ ধনী মানুহো সিঁহত নহয়। গতিকে মাইনৰ স্কুলৰ চাকৰিৰে সি ভৱিষ্যতে কি কৰিব ভাবি নেপায়। ভাৱিলে তাৰ বৰ ভয়ো লাগে।

এনেকুৱা সময়ত তাৰ নিজকে বৰ দুৰ্বল দুৰ্বল লাগে সকলোৱে তাক উপদেশ দিয়ে আন ভাল চাকৰি কৰিবলৈ বা যুদ্ধৰ ঠিকা কৰিবলৈ। সি এটাও কৰিব নোখোজে। সকলোৱে কয়, "এই স্কুলখনত সোমাই থাকিলে তোমাৰ একো নহ'ব।" সকলোৰে যুক্তি তল পেলাবৰ বাবে সি ধেমেলীয়া সুৰত কয়, "মোৰ একো নহ'ল নাই ল'ৰা-ছোৱালীবোৰৰতো কিবা হ'ব?"

বয়োবৃদ্ধ আৰু জ্ঞানবৃদ্ধ সকলে কয়, "বুইছা বাখৰ, তুমি নেথাকিলেও স্কুলখন মৰি নেযায় মেনেজিং কমিটীতো আছে। তুমি শিক্ষিত ডেকা, এতিয়া কিবা ভাল কামত মন দিয়া উচিত। বেপাৰ বাণিজ্যত আমাৰ শিক্ষিত ডেকাসকল লাগি যোৱা উচিত।" ইয়াতো বাখৰে সসম্ৰমে ৰসিকতা কৰিবলৈ চেষ্টা কৰে — "বেপাৰ বাণিজ্য-মানে যুদ্ধৰ ঠিকাতো। যুদ্ধ হয় মানুহ মৰিবৰ বাবে। আগৰ দিনত যি হওক অকল সৈন্য সামন্তই মৰিছিল। আজিকালি আকৌ বোমা পৰিলে নিৰপৰাধী ৰাইজ আৰু কণ-কণ ল'ৰা ছোৱালীও মৰে, সিদিনা সেইয়া জাপানীয়ে বোমা পেলাওতে তাৰা বাগানত চাইকেলত উঠি যোৱা দোকানীজন মৰাৰ কথা শুনা নাই জানো? মোকনো এনে পাপ কামলৈ আগবাঢ়িবলৈ কয়নে।"

বাখৰৰ যুক্তিহীন কথাবোৰ শুনি বন্ধু- বান্ধৱে কয়, "বাখৰ, তোমাৰ কথা শুনি

অনুমান হৈছে বৈদিক যুগৰ ঋষি-মুনি শেষ হৈ যোৱা নাই।"

দেউতাকে বিশেষ একো কোৱা নাই। দহজনৰ কথাবোৰ তেখেতৰ মনত সঁচা যেনেই লাগে। অথচ পুতেকক তেখেতে আন্তৰিক শ্ৰদ্ধাৰে গ্ৰহণ কৰিছে। তেখেত সদায় নিৰৱ। সকলো মানুহৰ কথাতে কাণ পাতে। লাহেকৈ সাধাৰণভাৱে মন্তব্য দিয়ে; কাকো আঘাত দিয়া স্বভাৱ তেখেতৰ নহয়। টকা ঘটিব লাগে, এই কথাটো তেখেতৰ বাবে একেবাৰে সত্য কথা। যুদ্ধৰ সুযোগত মানুহে কম আয়াসতে অনেক টকা উপাৰ্জন কৰিব পৰা হৈছে, গতিকে বাখৰে যুদ্ধৰ ঠিকা ল'লে একো বেয়া নহ'ব বুলিয়েই তেখেতৰ ধাৰণা। কিন্তু শিক্ষিত পুতেকৰ মনতো যে কিবা সত্য চিন্তা থাকিব পাৰে, সেই কথাও তেখেতে অকাতৰে স্বীকাৰ কৰিছে। সেই বাবেই তেখেতে আন মানুহৰ দৰে জোৰ নকৰে।

৪

কুকুৰটোৱে তৃতীয়বাৰ ভুকিবলৈ ধৰিলে।

কোনোৱা মানুহ এটা আহিছিল। শইকীয়াই সেইফালে চাই সুধিলে "কোন?" মানুহটোৱে উত্তৰ দিলে, "হামি লাগি বৰকেৰাণী বাবু।"

"কোন মাংৰা?"

"হয় মালিক।"

"কি লাগে?"

"এই অলপ কামত আহিছোং"

বাখৰ বহাৰ পৰা উঠি ভিতৰলৈ গ'ল; কিতাপ এখন মেলি পঢ়িবলৈ যত্ন কৰিলে। কিন্তু নোৱাৰিলে। মাংৰা নামৰ মানুহটোৰ কি 'কাম' সি ভালদৰে বুজিছিল, তাৰ কথাই ভাৱিবলৈ ধৰিলেঃ

হিটলাৰে পোলেণ্ডৰ বিৰুদ্ধে যাত্ৰা কৰিলে। ইউৰোপৰ মহাসমৰৰ জুই জ্বলি উঠিল। ইটালীয়ে ধৰাশয়ী ফ্ৰান্সক দক্ষিণৰ ফালে আক্ৰমণ কৰিলে। যুক্তৰাজ্যই আমেৰিকাত থকা জাপানী সা-সম্পত্তি বাজেয়াপ্ত কৰাত জাপানে গোপনে জাৰ্মানী আৰু ইটালীৰ সৈতে মিত্ৰতাৰ চুক্তি সম্পাদন কৰি এদিন অকস্মাৎ মাৰ্কিন দখলাধীন পাৰ্লহাৰ্বাৰ আক্ৰমণ কৰিলে। এচিয়াতো যুদ্ধ লাগিল। যুদ্ধ বিশ্বযুদ্ধ হৈ পৰিল। গোটেই পৃথিৱীতেই জুই লাগিল। জাপানে চীনৰ বহুত ঠাই মাৰি ল'লে, ইণ্ডো-চীনত হানা দি

ঘাটি পাতিলে, ছিঙ্গাপুৰৰ পতন হ'ল, ব্ৰহ্মদেশ করতলগত হ'ল, বিশ্বযুদ্ধ ক্ষুদ্ৰ অসমৰ সীমা পালেহি।

গতিকে এদিন ডুমডুমা চুকেৰিটিং ঘোঁৰাদৌৰ পথাৰত আৰু গাতে লাগি থকা চুকেৰিটিং বাগিছাত বিমান ঘাটি বহিল। দিনজান আৰু নাদুৱাত সামৰিক বিমান ঘাটি বহিছেই। পশ্চিমৰ পছোৱা বতাহ লাগি পুৱ যেন হঠাৎ চঞ্চল হৈ উঠিল। ডুমডুমা কাৰ্যতঃ বিদেশী সৈনিকৰ নগৰ হৈ পৰিল। ইমানদিনে চাহবাগিছা চলোৱা চাহাবসকলেহে ইয়াত দেখা গৈছিল। ডুমডুমাৰ ইয়োৰোপীয়ান ক্লাৱত তেওঁলোকক একেলগ কৰিলেও কিজানি খুব বেচি ডেৰশ জনমান হ'ব। তেওঁলোকৰ দৰেই বগা মানুহ দলে দলে আহি ডুমডুমা গৰম কৰি তুলিলে। ঘাইকৈ বাগিছাৰ বনুৱা কৰ্মচাৰীৰ বাবে কৰা সৰু সৰু দোকান, কাঠ আৰু ঠিকাদাৰী কৰাবাৰ, এখন উৱলি যোৱা মাইনৰ স্কুল, ভাল চহকী মানুহৰ গেৰেজটোমান টাউন কমিটীৰ অফিচটো আৰু কেৰাচিনৰ চাকি জ্বলোৱা লোহাৰ লেম্প পোষ্টবোৰ, কুৰি মিনিটতে কেউটা আলি ঘূৰি শেষ কৰিব পৰা এই সৰু নগৰখনৰ কোনোমতে টিপটিপাই থকা প্ৰাণস্পন্দন যেন হঠাৎ বিৰাট সশব্দ হৈ উঠিল, প্ৰাণ প্ৰাচুৰ্যই যেন নগৰখনক বলিয়া কৰি তুলিলে। হটঙা-চাপৰ, ক'লা বগা হালধীয়া সকলো শ্ৰেণীৰ সৈনিকহঁতৰ লগে লগে আহিল নানান তৰহৰ সামৰিক সাজ-সজ্জাঃ জীপ, টেন হুইলাৰ,ক্ৰেন, এৰোপ্লেন, এন্টি-এয়াৰক্ৰাফ্‌ট টোপ, ঘৰ সজা সজুলি, আলকাতৰাৰ পিপা, শিলগুটি, খেৰ কুটাৰ-ছৱেল আৰু কত কি।

সকলোৰে চকু পৰিলে মিলিটেৰীৰ ধোঁৱাখুলীয়া স্বভাৱৰ ওপৰত। মাহে দহ বাৰ টকা পোৱা বাগিচাৰ বনুৱা আৰু মাহে ত্ৰিশ টকা পোৱা মহৰীয়ে অবাক হৈ শুনেঃ এটা ৰবাব টেঙাৰ দাম পাঁচ টকা, এটা কুকুৰাৰ দাম সাত টকা, মাগনী বুঢ়ীৰ ভিক্ষা লাভ এটকা। ইমান খৰচী সৈনিক চলোৱা গৱাকীৰ নিশ্চয় বহুত টকা আছে। ইতিমধ্যে বাতৰি ওলাইছেই ফিল্ডত কাম কৰা বনুৱাক এটকা চাৰি অনাকৈ দিব, ওপৰঞ্চি বক্‌চিচ আছেই, সস্তাদৰত ৰেশ্যন চাৰিও ফালৰ পৰা চাহ বাগিচা বিলাকৰ বনুৱা শ্ৰেণীৰ মানুহে চুকেৰিটিঙলৈ ঢাপলি মেলিছে।

"যাবই তো, নেযাব কেলৈ?" বাখৰে বহি বহি ভাৱিছিল। "বাগানত পায় দিনে ছ-অনা আৰু ফিল্ডত পায় এটকা-চাৰি অনা। আজীৱন এই ছ-অনাৰে সন্তুষ্ট হৈ আহিলেও সৰহকৈ পোৱাৰ হেঁপাহ জানো মানুহৰ হ'ব নোৱাৰে? ধনীৰ অন্তৰৰ পৰা

ধন অৰ্জাৰ হেঁপাহ জানো আঁতৰি যায়।"

দেউতাকো এই সাধাৰণৰ সোঁতত উটি গৈছে। শইকীয়াও এক শ্ৰেণীৰ মানুহ; হয়তো তেখেতো এদিন গৰীব দুখীয়াই আছিল, কিন্তু ন্যায়-অন্যায় সকলো উপায়ে অধ্যৱসায় কৰি তেখেতে চকুত লগা সংসাৰ গঢ়ি তুলিছে, সন্মান অৰ্জন কৰিছে; এখোপ ওপৰলৈ উঠিব পাৰিছে। লোভ-লালসা তেখেতে এৰিব নোৱাৰে, আৰু এৰিব নোৱাৰে আৰ্জিত সন্মান, গতিকে আঁৰ বেৰৰ আশ্ৰয় লৈ তেখেতে অপকৰ্মত লাগি গৈছেঃ অবাধে ভেটি খাই তেখেতে বুধু, বিকল, মাংৰাইঁতৰ উপকাৰ কৰি দিছে।

৫

ৰাতি খাই-বৈ উঠি ভীমচন্দ্ৰই বাখৰৰ ওচৰ পালেগৈ। সি তাৰ ওচৰত ৰাতি পঢ়া-শুনা কৰে আৰু ৰাতিও লাইনলৈ নগৈ শইকীয়াৰ ঘৰতে শুই থাকে। বাখৰে কিতাপ এখনৰ পাত এটা উলিয়াই দি ক'লে, "হোঁ, এই ডোখৰকে লিখ আজি।"

কিন্তু ভীমে সেমেনা সোমনি কৰি ক'লে "নাই ককাইদেউ, মই আজি লাইনলৈ যাওঁ।"

"কিয় ?" বাখৰে আচৰিত হৈ সুধিলে।

ভীমে গহীন হৈ ক'লে, "মই আৰু এতিয়া মাজে মাজে লাইনলৈ গৈ থাকিবই লাগিব। শুনিছো গোৰা চিপাহীবোৰে কেতিয়াবা কেতিয়াবা বৰ দিগদাৰী কৰি থাকে। আমি লাইন পহৰা দিব লাগিব।"

বাখৰৰ কিন্তু সন্দেহ হ'ল। আগতেও দুদিন এনে কাৰণতে সি লাইনলৈ গৈছিল। সি ৰহস্য বুজাৰ দৰে মিচিক ক'ৰে হাঁহি ক'লে, "নে সেই চুকুৰী ভনীৰ লগত চুপতি মাৰিবলৈ যাব ? কি নাম, গৌৰী নে কি ?"

ভীমে লাজত তলমূৰ কৰি ফুচফচাই উত্তেজিত সুৰত ক'লে "বেছি হালা নকৰিবি ককাইদেউ, দেউতাই শুনিব।" যেন দেউতাই শুনিব বুলি বাখৰৰ ভয় নায়েই। "তইতো জানই মই সেইবোৰত নাই, "ভীমে আত্মৰক্ষা কৰি ব্যাখ্যা কৰিলে, "কিন্তু মা-বহিনৰ ইজ্জৎ ৰাখিবলৈ আমি লাইন পহৰা দিবই লাগিব ককাইদেউ।"

বাখৰে জানে কথা সেইটোৱেই। গৌৰীক লগ পাবলৈকে সি আজি-কালি ঘনাই লাইনলৈ যায়; লাইনত হয়তো পহৰা দিয়ে কিন্তু ঘাই আকৰ্ষণ ইজ্জৎ ৰক্ষা নহয়,

১০।। ডাৱৰ আৰু নাই।।

গৌৰী দৰ্শনহে। যৌৱনৰ বা পোৱা শ্ৰমজীৱী ডেকা ভীমচন্দ্ৰক এই বয়সত লাইনৰ সমাজে ঘৰত বান্ধি থব নোৱাৰে, থোৱাৰ কথা চিন্তাও নকৰে। বতাহত গছৰ পাত লৰিবই। গৌৰী নামৰ ছোৱালী জনীৰ লগত বোলে ভীমৰ অলপ বেছি চিনাকি হৈছে। আগতে সি কাচিংহে লাইনলৈ গৈছিল। আজি- কালি কাচিংহে নোযোৱাকৈ থাকে। শইকীয়াই সেইবোৰ ভিতৰুৱা কথা নেজানে। বাখৰেহে কেনেবাকৈ কথাতো গম পালে.।

ভীমক লাইনলৈ পঠাই দি বাখৰে চিগাৰেট এটা লগাই খোলা খিৰিকিৰে বাহিৰৰ নিলগলৈ চাই থাকি কিছু সময় কটালে। তৰা এথুপিৰ মাজৰ ডাঙৰ উজ্জ্বল তৰা এটালৈ চাই থাকি তাৰ মনটো হঠাতে চঞ্চল হৈ উঠিল। ধুনীয়া মুখ এখনলৈ মনত পৰিল। অনুপমাৰ মুখ।

অনুপমাৰ লগত বিয়াৰ যা-যোগাৰ চলিছে। অলপতে সি তাইক চায়ো আহিলগৈ। দেউতাকৰ আগ্ৰহৰ আতিশয্যক সি বাধা দিব নোৱাৰিয়েই তাইক চাবলৈ গ'ল। অনুপমাৰ মাক-দেউতাকেও 'ফুৰি আহিবলৈ' তেওঁলোকৰ ঘৰলৈ বৰকৈ মাতি আছিল। শইকীয়াই মত দিছে; ছোৱালীৰ ঘৰত আদৰ-সাদৰ মাত্ৰাধিক্য দেখিলেই বুজিব পাৰি মত কি। মাত্ৰ বাখৰে খাটাং উত্তৰ জনালেই বিয়াৰ দিন থিৰ কৰিব পৰা যায়।

খাটাং কথা সি জনোৱা নাই। জনাব পৰা নাই। চুটকেছৰ পৰা খাম এটা উলিয়াই এবাৰ পঢ়া চিঠিখন আকৌ সি পঢ়িবলৈ ধৰিলেঃ

"শইকীয়া,

কি বুলিনো সম্বোধন কৰিম ভাৱি থিৰ কৰিব পৰা নাই। ক'ব নোৱাৰো 'শইকীয়া' সম্বোধনে আপোনাক সন্তুষ্ট কৰিব পাৰেনে নোৱাৰে। জনাবনে?

আমাৰ ঘৰলৈ ফুৰিবলৈ আহি আপুনি কেনে পালে নাজানো। কব নোৱাৰো কি ভাৱে আপুনি আমাক মনত লৈ গৈছে। আপুনি এসপ্তাহ থাকি গুচি যোৱাৰ পিছত ঘৰখন বৰ উৰুঙা উৰুঙা লাগিছে। কিয় বাৰু? ক'তা, আগতেতো তেনে লগা নাছিল। মাজনিশা পঢ়ি থকাৰ পৰা হঠাৎ আপোনালৈ চিঠি লিখিবলৈ মন গ'ল। আজি আবেলি অকলে অকলে মোৰ ৰুমৰ পশ্চিম ফালৰ খিৰিকি খনেদি দূৰৰ বেলিমাৰ চাই আছিলোঁ নিজেই ক'ব নোৱাৰাকৈ নিজকে পাহৰি গৈছিলোঁ বতাহ এচাটিয়ে কিবা অচিন বনৰীয়া ফুলৰ গোন্ধ এটা আনি দি মোক এক প্ৰকাৰ বলীয়া কৰি তুলিছিল। কিন্তু সেই ফুল জানো চিৰকাল অচিন হৈয়ে থাকিব? বহি বহি এই কেইদিন 'থেইছ' 'প্ৰাইড এণ্ড

প্রিজুডিচ', 'লষ্ট হৰাইজন' এইবোৰ পঢ়িছোঁ খাইছোঁ আৰু শুইছোঁ, সপোন দেখিছোঁ কিন্তু কাৰ? আমাৰ অৱচেতনাত কাৰ সপোন জাপ খাই আছে কেনেকৈ জানম। পাফনুচিয়াৰৰ বুকুত অৱচেতনাত থেইছ জনী লুকাই আছিল। সেইটো তেওঁ নিজেই জনা নাছিল। আপুনি চাগে কামৰ মাজত নিজকে বুৰাই ৰাখি বেছ আনন্দত আছে নহয়নে।ইতি-

'শ্রী অনুপমা'

আজি আৰু কিতাপ পঢ়িবলৈ মন নগ'ল। হঠাতে মনটোক যেনি- তেনি সোঁতৰ লগত উটুৱাই দিবৰ মন গ'ল।

যুদ্ধ আহিছে। ঠিকাদাৰসকলে অজস্র ধন ঘটিছে। বুধু-বিকল মাংৰাইতে ভেটী দিবলৈ আৰম্ভ কৰিছে। সেইটোৱেই আজিৰ পৃথিৱীৰ বাট। সেইটোৱেই নিয়ম। মাত্র সি সেই বাটে যাব নোৱাৰি ব্যতিক্রম হৈ আছে। যুদ্ধৰ ধামখুমীয়াৰ মাজত সি সোমাই পৰিব পৰা নাই। কিন্তু কোনেও একো মূল্য নিদিয়ে। সিও সেই মূল্য নিবিচাৰে। কিন্তু সিমানতে সন্তুষ্ট হব নোৱাৰাটোতহে তাৰ বৰ দুখ। অসাধাৰণ হোৱাৰ সন্মান তাৰ নাই। সাধাৰণ হোৱাৰ ইচ্ছা তাৰ নাই। সি মাত্র এটা ব্যতিক্রম।

অনুপমাই তাক পছন্দ কৰিলে কিয়? মাইনৰ স্কুলৰ হেড মাষ্টৰৰ কল্পনাতে উটি বুৰি তাই ভুল কৰা নাইতো? কিন্তু তাৰ কথাতো সি সকলোখিনিকে তাইক ভাঙি পাতি কৈছে। তাই মাত্র অভিমান কৰি উত্তৰ দিলে, "আপোনাৰ মূল্য আছে কিন্তু দাম নাই এই কথা মোক বিশ্বাস কৰিবলৈ নিদিয়ে কিয়?"

লাইটটো নুমাই দি সি বিচনাত পৰি মনে মনে মাতিলে, "অনুপমা, শ্রী অনুপমা! কুকি"

কুকি অনুপমাৰ ঘৰত মতা নাম.
বহুত ৰাতিলৈকে তাৰ টোপনি নাহিল।

*************

## দুই

১

পিচদিনা ৰাতিপুৱাতে বিপদৰ ভয়াবহ সঙ্কেত বাজি উঠিল। শইকীয়াই ছয় বজাতে শুদা চাহ একাপ খাই অফিচলৈ ওলাইছিল। আঠ বজা মানত আকৌ ভালদৰে চাহ খাবলৈ আহিব। ভীম পুৱতি নিশা ঘূৰি আহিছিল। ঠিক তেনেসময়তে কলঘৰত চাইৰেণ বাজি উঠিল। ছাইৰেণৰ কঁপি কঁপি উঠা শব্দটোৱে এনেয়ে মানুহৰ মনত ভয়ৰ সঞ্চাৰ কৰে। বাৰী- চুকৰ কঠাল জোপাৰ তলত থকা ট্ৰেঞ্চটোৰ ভিতৰলৈ শইকীয়া বাখৰ, ভীম তিনিও সোমাই গ'ল।

ট্ৰেঞ্চৰ আন্দাৰৰ তলত ভালদৰে চকুৰ চিনাকি হ'বলৈ নোপাওঁতেই চতুৰ্থ মানুহ এজন তেওঁলোকৰ পাচে পাচে সোমাই গ'ল। কোনোবা এজন সোমাইছে বুলি তিনিও গম পালে, কিন্তু কোন চিনি নাপালে।

ভীমে ক'লে, "ডাঙৰ ইৰুপ্লেনবোৰ বৰকৈ উৰুতেই জানিছিলো জাপানী আহিছে বুলি।"

বাখৰে মাত্ৰ 'হু' বুলি আন্ধাৰতে হাঁহিলেঃ ৰেড ছিগনেল পৰাৰ লগে লগে চুকেৰিটিঙৰ ট্ৰেন্সপৰ্টাৰ বিমান বিলাক নিৰাপদ ঠাইলৈ আঁতৰাই নিয়া হয়।

শইকীয়া ক'লে, "ৰাতিপুৱাই বিঘিনি, দিনটোত কি হয় কোনে জানে? ক'তা জাপানী প্লেন আহিছে নেকি?"

চতুৰ্থ আশ্ৰয় প্ৰাৰ্থীয়ে একো মতা নাছিল।

শত্ৰু অহাৰ একো উম-ঘামেই পোৱা নগ'ল। পাঁচ মিনিট মানৰ পিচতে বিপদ মুক্তিৰ দীঘলীয়া সঙ্কেত চাইৰেণত বাজি উঠিল। মানুহটোৰ পাচে পাচে তিনিও বাহিৰলৈ ওলাই আহিল। মুকলিলৈ আহিহে তেওঁলোকে আগন্তুকক ভালকৈ চাবলৈ ধৰিলে।

আশ্ৰয়প্ৰাৰ্থী ডেকা বয়সৰ। গাত খুব ডাঠকৈ গোটানীল বোলোৱা এখন মলিয়ন চুৰিয়া, এটা সস্তীয়া ৰেডিমেড কামিজ, ভৰিত জোতা নাই। মুখখন হোজা, গিৰিহঁতৰ সন্মুখত সি সেমেনা সেমেনি কৰিবলৈ ধৰিলে। বুজা গ'ল যে সি চাইৰেণ বজা শুনি

2800৪



আশ্ৰয় লবলৈ অহা বাটৰুৱা নহয়; শইকীয়াৰ ঘৰলৈ অহা আলহীহে।

"কোন হে?" বুলি শইকীয়াই চকুত চছমাজোৰ লগাই ল'লে। ডেকাই প্ৰশ্নকাৰীৰ চকুলৈ পোনাই চাব নোৱাৰি কোনো মতে উত্তৰ দিলে, "মইহে পেহাদেউ।"

"কোন গেৰেলা নেকি?" শইকীয়াহ যেন এতিয়াহে অলপ চিনি পালে। "হয়"

"তই ৰাতিপুৱাতে এইখিনি কেনেকৈ পালিহি?"

'ইয়ালৈকো আহিছিলো ৰাতি ষ্টেশ্যনতে থাকিলো।"

"বাৰু আহ বহহি।"

শইকীয়াৰ মাতত অলপো আত্মীয়তা নাছিল। তথাপি ধৰিবৰ উপায় নাছিল যে আলহী সুধিবলৈ তেখেতে বেয়া পাইছে। মানুহৰ সোধ পোচ কৰাত তেখেতে অভ্যস্ত হৈ গৈছে, পেটে পেটে বেয়া পালেও মুখখন সদায় সংযত হৈ থাকে। আলহী চালহী তেখেতে বৰ ভাল নেপায় বিশেষকৈ অদৰকাৰী মানুহ। কিন্তু গাঁৱৰ সমাজখনৰ লগত সম্পৰ্ক বজাই ৰাখিবই লাগিব। চাকৰি এৰিলে সেই গাঁৱলৈকেতো ঘূৰি যাব লাগিব। কিবা দূৰ সম্পৰ্কত লগা বাবে বা এনেয়ে গাঁৱত মতা গতেৰে ডেকাই তেখেতক পেহাদেউ বুলি চিনাকি দি আলহী হৈ আহিছে, সোধ পোচ নকৰিলে হবনে?

গতিকে বহিবলৈ দি, দুই এটা ভাল বেয়াৰ খবৰ থিয়ৈ থিয়ৈ সুধি, অফিচলৈ পলম হৈছে বুলি কৈ তেখেতে বাখৰৰ হাতত আলহীক গতাই থৈ গ'লগৈ।

২

বাখৰে আলহীৰ ওচৰতে বহি ক'লে, "মোক চিনি পোৱা পোৱা যেন লাগিছেনে বাৰু?"

ডেকাই টপৰাই ক'লে, "তোমাক আৰু চিনি পাব লাগিছেনে? বাখৰ ককাইদেউ নহয় জানো?"

"অ। মই আক' তোমাক আৰু চিনিকে পোৱা নাই ভালদৰে।গাঁৱলৈ কমেই গৈছোঁ নহয়, সেই কাৰণে ভালদৰে মানুহবিলাকক চিন ৰাখিবই নোৱাৰোঁ। কি নাম বাৰু তোমাৰ?"

"গিৰীন"

"অ'। পিচে কি বুলিনো আহিলা? অ' ভীম, দেচোন দুকাপ চাহ দে।"

গেৰেলা ওৰফে গিৰীনে সংকোচত ইফালে সিফালে চাবলৈ ধৰিলে। চকুৰে - মুখে লাজৰ চিন ফুটি উঠিল। বাখৰে কিতাপ এটা পাত লুটিয়াই তাৰ ফালে কেৰাহীকৈ চাবলৈ ধৰিলে। চোকা ৰ'দ আৰু কলহৰ কাণে ঢলা বৰষুণৰ অত্যাচাৰ সহা এটাক'লা পৰি যোৱা শৰীৰ, মঙ্গহৰ মাত্ৰা কম হ'লেও অঙ্গ প্ৰত্যঙ্গ বেছ আটিল, ভৰিৰ আঙুলিৰ নখবোৰ পথাৰৰ বোকাই খাই অন্ত কৰা, আঠুলৈকে ভৰি দুটাত কিহবাৰ ক'লা চামনি এখন বন্ধা যেন দেখি! বাখৰে মনতে ক'লেঃ গৰু নাঙলেৰে দেশৰ মাটিত বোকা খচি খচি কবিৰ সপোনৰ সোণালী ধাননি ৰচনা কৰা আচল শিল্পী।

"ক'তা নক'লা দেখোন গিৰীন?" বাখৰে সুধিলে।

"মই কাম চাম পালে কৰিম বুলি আহিছো ককাইদেউ।"

"মিলিটেৰীৰ কাম নেকি?"

এইবাৰ অলপ সহজ হব পাৰে গিৰীনে ক'লে "হয়।"

বাখৰে হাঁহিলে। পিচত সুধিলে, "তেন্তে যুদ্ধৰ বতাহ গাঁৱো পাইছেগৈ নহয় নে?"

গিৰীনে ক'লে, "হয়। এৰোপ্লেনবোৰ আমাৰ গাঁৱৰ ওপৰেদিয়েই উৰি যায়। প্ৰথম দিনাখন মানুহে জুম পাতি পাতি চাইছিল। আমাৰ গাঁৱত প্লেনক এতিয়াৰ ৰথ কয়। বাঁহ আনিবলৈ চিপাহীবোৰো মাজে মাজে গৈ থাকে গাঁৱলৈ।"

ভীমে চাহ-জলপান দিলেহি। গিৰীনৰ বৰ সংকোচ হ'ল। ছিঃ এই বঙালী চাকৰটোৱে কৰা চাহ-জলপানো খাব পাৰিনে? অৱশ্যে ভীমৰ গাৰ কাপোৰ কানি তাতকৈ বেছি চাফ-চিকুণ আৰু পৰিপাটি আছিল।

কিন্তু বাখৰক খাব ধৰা দেখি সিও খাবলৈ বাধ্য হ'ল। সংকোচ দেখুৱাই গিৰিহঁতৰ মন ভাঙিবলৈ সি মূৰ্খ হ'ব নোৱাৰে। চাহ খাই সি বটাটো বিচাৰি আনি তামোল কাটি সুধিলেঃ

"ককাইদেউ কলেজ পাছ কৰিলে হব পায় নহয়?"

"এৰা বি-এ টো পাছ কৰিলো।"

"আকৌ পঢ়িবলৈ যাবনেকি?"

"নাই, আকৌ নেযাওঁ বুলি ভাবিছো। দেউতাৰ বয়স হৈ আহিছে, অকলে এবি

যাবলৈ ভাল নেলাগে।"

অলপ সময় নীৰৱে তামোল কাটি থাকি গিৰীনে ক'লে "ময়ো ছেভেনলৈকে পঢ়ি এৰি দিলো।"

"কিয় ?"

"এ নকব আমাৰ গাঁৱলীয়া মানুহৰ কথা। ঘৰুৱা লেঠাত পঢ়াকে এৰি দিলো।" গিৰীনৰ হুমুনিয়াহ এটা ওলাই আহিল।

বাখৰে সুধিলে, "কেনেকুৱা ঘৰুৱা লেঠা ? বিয়া বাৰু নেকি ?"

"নাই নাই বিয়া কৰোৱা নাই। খেতি বাতিৰহে কথা। খেতিত লাগোতা মানুহেই নোহোৱা হ'ল ঘৰত। ককাইদেউজন বিয়া কৰাই বেলেগ হ'ল।"

তাৰ পিছত দুয়োৰে মাজত আৰু কিবা-কিবি কথা ওলাল। মিলিটাৰীৰ কামৰ বিষয়ত বাখৰে ক'লে, "দেউতা আঠবজা মানত এবাৰ আহিব চাহ খাবলৈ। তুমি কবা, চাহাবক কৈ চাকৰি এটা দিয়াবও পাৰে। মানুহ দেখোন লৈয়ে আছে।"

শইকীয়া আহিল। গিৰীনৰ লগত ঘৰুৱা কথা পাতিলে। বাখৰে কাম বিচৰা কথাটো দেউতাকক কৈ দিলে। শইকীয়াই অলপ ভাবিচিন্তি ক'লে, "বাৰু চাওঁচোন কি কৰিব পাৰো ! তই আবেলিকৈ অফিচলৈ যাবি এবাৰ। মই আমাৰ বৰ চাহাবক কথাটো কম বাৰু।"

শইকীয়া চাহ খাই অফিচলৈ গ'ল। বাখৰেও গা-পা ধুই গিৰীনৰ লগত ভাত খাই স্কুললৈ গ'ল।

ভীমচন্দ্ৰই ভাত ৰান্ধি-বাঢ়ি দিয়া দেখি গিৰীনৰ পেটৰ ভিতৰখন ওকট-পাকট কৰিবলৈ ধৰিছিল। ৰাম ৰাম, কুলী-মালীৰ হতুৱাই ভাত ৰন্ধাই খায়নে ? কিন্তু ছিঃ ছিঃ বোৰ জোৰ কৰি আঁতৰাই থৈ আনন্দ মনেৰে খোৱাৰ দৰে ভাত খাবলৈ বাধ্য হৈছিল কাৰণ জাত মৰি হ'লেও স্বাৰ্থ বজাই ৰাখিব তথাপি বপুৰাৰ পেট নভৰিল। এসাজত এসেৰ চাউলৰ ভাত খোৱা মানুহটোৱে আজি এপোৱা চাউলৰ কাঁহীখনকে অন্ত কৰিব নোৱাৰিলে। বাখৰ স্কুললৈ যোৱাৰ পিছত ফুৰিবলৈ যোৱা ছঁলেৰে ষ্টেশ্যনৰ ওচৰত থকা চাহ দোকান এখনত চাহ-মিঠাই খাইহে গিৰীনে তৰণি পাইছে। কিন্তু সি টলকিবই নোৱাৰিলে যে দোকানৰ আলপৈচান ধৰা ল'ৰাটো ভীম শ্ৰেণীৰ মানুহ। বাখৰে খোজ কাঢ়িয়েই স্কুললৈ ওলাইছিল। চাইকেলখন ৰাতিয়ে ফুটি আছিল, স্কুললৈ ওলাবৰ সময়তে দেখিলে মেৰামতিৰ ভাৰ ভীমৰ হাততে দি সি বেগাবেগিকৈ খোজ ললে।

কিন্তু মিলিটেৰী গাড়ীবোৰৰ বাবে সুকলমে খোজকাঢ়ি যোৱাই টান। দুখোজৰ পিচতে এখন টেন হুইলাৰ বা এখন জীপ ওলায়হিয়েই। কনভয়ৰ পিচত কনভয় আহিবই লাগিছে। পশ্চিমীয়া কথাছবিত কল্পিত প্ৰক্‌ঐতিহাসিক দীঘল ডিঙীয়া অতিকায় জন্তু একোটা অকস্মাৎ ওলোৱা দৰে কেতিয়াবা পাছ ফালৰ পৰা অকস্মাৎ একোখন ভয়ঙ্কৰ ক্ৰেনসংযুক্ত গাড়ী বিকট শব্দ কৰি ওলায়হি। অসামৰিক যান-বাহনৰ চিন মোকামেই নাই বুলিব পাৰি। আলি বাটবোৰ যেন মিলিটাৰিৰ সুবিধাৰ কাৰণেহে ন-কৈ তৈয়াৰ কৰি লোৱা হৈছে।

ডুমডুমাৰ দোকান-পোহাৰবোৰ সৈনিকৰ বাবেই নতুন ৰূপত, নতুন নতুন বস্তুৰে জাকজমককৈ সজাই তোলা হৈছে। সাধাৰণ মানুহৰ দৈনন্দিন কামত সেইবোৰ কাহানিও লগা নাছিল। দোকানে দোকানে ইমানবোৰ চিগাৰৰ বাকচ মানুহে আগতে দেখা নাছিল। ছটাছটে চকলেটবোৰ, বিধে বিধে ৰাইটিং পেড আৰু চিএগ্ৰহিৰ বটলবোৰ নতুন নতুন যেন লাগে। ৰবাব টেঙাৰে দোকান পতা আৰু নাৰিকল কাটি বিক্ৰী কৰাটোও বোধহয় এয়ে প্ৰথম।

গাড়ীবিলাকৰ লগত মানুহৰ খোজ কাটলো যেন খৰতকীয়া হৈ গ'ল। আৰু মানুহৰ সংখ্যাও হঠাতে ইমান বাঢ়ি গ'ল যে দেওবাৰে হাট বহিলেহে আৰু ভাল ফুটবল মেচ হ'লেহে মানুহ গোট খোৱা আগৰ বজাৰ প্ৰধান নিজান নগৰখনৰ কথা এতিয়া মনলৈকে নাহে। হটঙা হটঙা কৃষ্ণাঙ্গ আৰু শ্বেতাঙ্গ সৈনিকহঁত, ঢিলা খাকী অভাৰ - অল দাঙিব নোৱাৰি চোচোৰাই ফুৰা বুট পিন্ধা চেৰেলা চেৰেলা ভাৰতীয় চিপাহীবিলাক আৰু চুটি-চাপৰ পীতাভ ঘুৰণীয়া চেপেটা মুখ মণ্ডলত অকণি অকণি চকু কাণ নাকেৰে চীনা যুজাৰুহঁতৰ ওপৰতহে মানুহবিলাকৰ মাজত সততে চকু পৰে।

এই বিলাকৰ মাজেদি বাখৰ আগবাঢ়ি গৈ আছিল। কোনোবাই তাৰ পাচফালৰ পৰা মাতিলে, "হেই জ,' হেই!" অৰ্থাৎ হেৰা ভাই,হেৰা!

যুদ্ধৰ দিনত ৰাজত্ব সৈনিকৰ। গতিকে ভদ্ৰতাসূলভ ব্যৱহাৰ কমেইহে পোৱা যায়। বাখৰে উভতি চাই দেখে কেইখোজ মানৰ পাছতে দুজন মাৰ্কিন চিপাহী; তাৰে এজনক অফিচাৰ যেনেই লাগে। সি একো মাত নিদি গৈ থাকিল। বজাৰৰ মাজেদি সি স্কুলৰ পিনে আগুৱাই গ'ল।

"হেই, ' হেই।" চিপাহীটোৱে আকৌ মাত লগালে।

বাখৰে তথাপিও মাত নিদিলে। চিপাহীটোৰ ধৈৰ্য্যচ্যুতি ঘটিল। সি আগবাঢ়ি আহি বাখৰৰ কান্ধত থাপ মাৰি ধৰিলেহি। বাখৰ বৈ গ'ল, চিপাহীয়ে ক'লে, "তুমি কেনে মানুহহে? ইমানকৈ মাতিছো, তথাপি উত্তৰ নিদিয়া?" ক্লাছ থ্ৰীৰপৰা পঢ়া ইংৰাজী ভাষাও প্ৰথম ভালদৰে বুজিব নোৱাৰি সি অবাকেই হৈছিল। অলপ পৰ টলকা মাৰি ভাবিহে বুজিব পাৰিছে। তাৰ হাঁহি উঠিব খুজিছিল এই ভাবি যে ইমান দিনে ইংৰাজী পঢ়িলেহে, শুনা নাই, আজি শুনিলে।

ইতিমধ্যে অফিচাৰ জনো ওচৰ পালেহি। বাখৰে তেওঁৰ ফালে চালে। এজন ডেকা ল'ৰা। বাখৰৰ বয়সৰে, মুখত নিষ্পাপ শিশুৰ চিন, ডাঙৰ নীলা চকু দুটা গভীৰ শৰীৰৰ গঠন পুৰঠো আটিলো। ইমান ভাল মানুহৰ ইমান বেয়া ব্যৱহাৰ কিয়?

চিপাহীয়ে তাৰ কান্দত তেতিয়াও ধৰি আছিল। সি তৰা ফালে চাই ক'লে, স্পষ্ট ইংৰাজীত, "মোৰ গাত ধৰিবলৈ আপোনৰ সাহ হ'ল কেনেকৈ?"

অফিচাৰে তৎক্ষণাৎ ক'লে, "জেমি, ছিঃ এৰি দিয়া নেপায়!"

"ইয়েছ লিউটেনান্ট।" জেমিয়ে তৎক্ষণাৎ বাখৰক এৰি দিলে, যেন অজ্ঞতাবশত বৰ ডাঙৰ ভুল এটাহে কৰি পেলাইছিল।

বাখৰে সুধিছিল, 'আপোনক কি লাগে?"

অফিচাৰে ক'লে, "ক্ষমা কৰিব, আমি আপোনক এটা কথাহে সুধিব খুজিছিলো।"

"ভাল কথা, সোধক স্বচ্ছন্দে। কিন্তু ভদ্ৰলোকৰ লগত এনেদৰে ব্যৱহাৰ কৰিলে জানো কিবা সহায় পোৱা আশা কৰিব পাৰি?"

অফিচাৰজন লাজত ৰঙা পৰিছিল। তলমূৰ কৰি বৰ নম্ৰভাৱে ক'লে, "মই জেমিচ ব্যৱহাৰত বৰ দুখ পাইছো ডাঙৰীয়া, তাৰ হৈ মই আপোনৰ ওচৰত ক্ষমা প্ৰাৰ্থনাহে কৰিছোঁ।"

"আহক, যোৱা যাওক, "আগবাঢ়ি যাব বাখৰে ক'লে, "কওক আপুনি কি ক'ব খুজিছিল।"

অফিচাৰে ক'লে "বিশেষ একো নহয়। মাত্ৰ মই জানিব খুজিছিলো আপোনাৰলোকৰ দেশ সম্বন্ধে জানিব পৰা কিবা কিতাপ- পত্ৰৰ সন্ধান আপুনি দিব পাৰে নেকি?"

বাখৰে টলকা মাৰি ভাৱিছিল, অফিচাৰৰ কথা-বতৰা বেচ ভদ্ৰ কিন্তু এনে ব্যৱহাৰ তেওঁ কিয় কৰিলে বা কৰিবলৈ দিলে? এখন দেশ সম্বন্ধে জানিবলৈ কিতাপ বিচাৰিছে, এনে পণ্ডিত মানুহো অভদ্ৰ হয়নে?

তাৰ মনোভাব ধৰিব পাৰিয়েই হবলা অফিচাৰে ক'লে, "আপুনি বোধহয় জেমিৰ ব্যৱহাৰৰ কথাকে ভাবি আছে। মই সঁচাই অত্যন্ত বেজাৰ পাইছোঁ যে জেমিয়ে সৈনিকৰ বে-পৰোৱা স্বভাৱটো লুকুৱাই ৰাখিব নোৱাৰিলে। ময়ো তাৰ সহায় ল'বলৈ বাধ্য হৈছো কাৰণ সি মোতকৈ বহুত আগতে ইয়ালৈ আহিছে।"

বাখৰে সুধিলে, "আপুনি তেনেহ'লে ইয়ালৈ নতুনকৈ আহিছে?"

"হয়, মই মাত্ৰ পৰহি পাইছোহি।"

অলপ সময় মনে মনে থাকি বাখৰে ক'লে, " বাৰু আপুনি যদি মোৰ লগত আহে তেন্তে মই আপোনাক সহায় কৰিব পাৰিম।"

"থেঙ্কছ এ লট!" বহুত ধন্যবাদ!

জেমিয়ে একো নামাতি তেওঁলোকৰ পাছে পাছে গৈ আছিল।

পশ্চিম মূৰৰ পৰা পাঁচ মিনিট লাহে লাহে খোজ কাঢ়ি গ'লেই নগৰৰ পূৱ মূৰ পায়গৈ; তাতে ডুমডুমা মাইনৰ স্কুলখন। স্কুললৈ সোমোৱা বাটটো লৈ বাখৰে সুধিলে, "আপুনি আমাৰ দেশ সম্বন্ধে জানিবলৈ বৰ আগ্ৰহ কৰে নেকি?"

"তেনে বেছি একো নহয়। মই আমেৰিকাত নানা দেশ সম্বন্ধে বিশ্ববিদ্যালয়ত পঢ়ি আছিলো। গতিকে যেই কোনো সমাজ সৰ্ম্পকে জানিবলৈ মই ভাল পাওঁ। ভাৰত সম্বন্দে মই যে পঢ়া নাই এনে নহয়। তথাপি স্থানীয় আচাৰ-ব্যৱহাৰ বিষয়ে কিতাপ পালে পঢ়িবলৈ ইচ্ছা কৰো! বিদেশলৈ আহি অলপ-অচৰপ জানি ন'গলে স্বদেশত মানুহে আমাক কি বুলিব?"

"স্বাভাৱিক।" বাখৰে হাঁহি ক'লে।

তিনিও স্কুল পালেগৈ। বাখৰে তেওঁলোকক নি সৰু লাইব্ৰেৰীটোত বহুৱালেগৈ। স্কুলৰ ল'ৰা ছোৱালীবোৰে আমেৰিকান সৈনিক দুজনলৈ খুব চাইছিল; দুই এজনে লুকাই- চুৰকৈ ফিচিঙা ফিচিঙো কৰিছিল, কিন্তু হেড্‌মাষ্টাৰৰ সমুখত দেখা দেখিকৈ দুষ্টালি কৰিবলৈ কোনেও সাহ কৰা নাছিল।

কিতাপ বিচাৰি ক'লে, "আমাৰ দেশ সম্বন্ধে জানিবলৈ মই এটা উপমা দিব খুজিছো।"

"হয়, কওকচোন।" অফিচাৰে আগ্ৰহ দেখুৱালে।

"আমাৰ স্কুলখন ওপৰে ওপৰে দেখিলেই।"

"আপোনালোকৰ স্কুলবিলাকৰ লগত আমাৰবোৰ মিলাই চাওকঃ আমাৰ দেশখনো তেনেকুৱাই।"

অফিচাৰে ক'লে "মই বোধহয় বুজিব নোৱাৰিলোঁ।"

"ইয়াৰ মাজত ৰহস্য একো নাই. মোৰ কথাৰ অৰ্থ এই আমাৰ স্কুলৰ অৱস্থা শোচনীয়, আমাৰ দেশখনৰ অৱস্থাও শোচনীয়।"

"কিন্তু বোধহয় এই দেশৰ মানুহবিলাকৰ মনবোৰ শোচনীয় নহয়।"

"আমি আশাধাৰী জাতি।"

তাৰ পিছত বাখৰে তিনিখন কিতাপ উলিয়াই দি ক'লে, "ইয়াৰে আপুনি অলপ সহায় পাব বুলি মই আশা কৰিলোঁ।"

"ধন্যবাদ, ধন্যবাদ।' অফিচাৰে বৰ আগ্ৰহেৰে কিতাপ কেইখন লৈ মেলি চাবলৈ ধৰিলে. জেমিয়েও এখন লৈ চকু ফুৰাবলৈ দৰিলে। অফিচাৰক ইমান নম্ৰ হৈ কথা পতা দেখি সি একেবাৰে নীৰৱ হৈ গৈছিল। কিতাপ খন হাতত লৈয়ো সি অকবাৰ দৰে এবাৰ কিতাপৰ ফালে আৰু এবাৰ বাখৰৰ ফালে চাবলৈ ধৰিলে।

অফিচাৰে ক'লে, "মই এই কিতাপ কেইখন নিব পাৰিমনে?"

"পাৰিব।"

"কিমান দিনলৈ ৰাখিব পাৰিম? কথাবোৰ বুজিবলৈ স্বাভাৱিকতে মোৰ কিছু সময় লাগিবতো।"

"এই কেইখন মোৰ ব্যক্তিগত বস্তু। মই আপোনাক উপহাৰ দিলোঁ। অনুগ্ৰহ কৰি গ্ৰহণ কৰিব।"

"থেঙ্কছ এ লট, থেঙ্কছ এ লট।"

যাবলৈ উঠি অফিচাৰে ক'লে, "আজি আপোনাৰ পৰা মই ভালেমান উপহাৰ ল'লো। ইয়াৰ বাবে মই আপোনৰ ওচৰত কৃতজ্ঞ হৈ থাকিলোঁ। আপোনাৰ ওচৰলৈল মাজে মাজে আহি থাকিলে বেয়া পাব নেকি?"

"নিশ্চয় নেপাওঁ। আপুনি স্কুল বহি থকা সময়ত আহিলে হেড্ মাষ্টৰক বিচাৰিছো বুলি ক'লেই মোক পাব।"

"ধন্যবাদ, ধন্যবাদ।"

জেমিয়ে বহাৰ পৰা উঠি বিনয়ৰ সুৰত ক'লে, "মহাশয় মই আপোনাৰ প্ৰতি কৰা ব্যৱহাৰ বাবে বৰ লজ্জিত হৈছোঁ। হাতখন দিবনে?"

"নিশ্চয় নিশ্চয়" বাখৰে সোঁহাতখন আগবঢ়াই দি হাঁহি ক'লে, "মই আপোনাৰ প্ৰতি একো বিৰূপ মনোভাৱ ৰখা নাই। আপুনি একো নেভাবিব।"

দুয়ো হাত মিলালে' অফিচাৰেও হেণ্ডশ্বেক কৰি বিদায় ল'লে।

৪

স্কুলৰ পৰিস্থিতি দেখি বাখৰ সঁচায় চিন্তিত হৈ পৰিল। দিনক দিনে ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কমি আহিছে। যুদ্ধৰ হুলস্থুলত অভিভাৱকসকলে ভয় খাই ল'ৰা - তিৰোতা নি গাঁৱে ভূঞে সুমুৱাইছে গৈ। চাকৰিটো বজায় ৰাখিবলৈকে নিজৰ প্ৰাণকো তুচ্ছ কৰি মাত্ৰ নিজে ৰৈ গৈছে।

বাখৰে ষষ্ঠমান শ্ৰেণীত সোমাই এজন ছাত্ৰক সুধিলে, "গজেন, তোমাৰ লগৰ দুজন আজি কলৈ গ'ল, ৰমেন আৰু বিকাশ?"

ছাত্ৰই উত্তৰ দিলে, "তাহাত শিৱসাগৰলৈ গুছি গ'ল ছাৰ।"

"কিয়"

"যুদ্ধৰ বাবে ছাৰ! দেউতাকে মাকহঁতক নি ঘৰত থৈ আহিলেগৈ।"

"হুঁ" বুলি বাখৰে আন এজন সুধিলে, "মঙ্গল, বোধন ক'ত? মঙ্গল চাহ বনুৱাৰ ল'ৰা। সি ক'লে, "সি বোলে আৰু নপঢ়ে।"

"কিয়?"

" সি বোলে মিলিটেৰীত কাম কৰিব। ফিল্ডত।"

"তাৰ দেউতাকে যাবলৈ দিলে?"

"একো নক'লে ছাৰ।"

বাখৰৰ মনত পৰিল, বোধনৰ বাপেক চকীদাৰজনে পঢ়া-শুনাত অগাধ বিশ্বাস ৰাখি মাষ্টৰৰ হাততে পুতেকক গতাইছিল আৰু মাহেকত দুবাৰ পুতেকৰ পঢ়া কেনে হৈছে খবৰ কৰিবলৈ আহিছিল।

তাৰ বৰ বেয়া লাগিল। বোধন পঢ়া শুনাত তেনে বেয়া ল'ৰা নাছিল। ঘৰলৈ আহিয়েই হাঁহি হাঁহি তালৈ চাই থকা গিৰীনক বাখৰে সুধিলে, "কি হ'ল গিৰীন?"

"মই আজি গধূলিৰ গাড়ীতে ঘৰলৈ যাওঁ ককাইদেউ।"

"মানে?" বাখৰ অবাক।

"খেৰজান বাগিচাৰ কুলী চলাবলৈ মই এটা কাম পাইছো। এই মাত্ৰ বৰ চাহাবৰ লগত দেখা কৰি আহিলো। চ'থা দিনা পৰা মই কামত জয়েন কৰিব লাগিব।"

চকি এখনত বহি বাখৰে ক'লে, "বাঃ কমটো নহয় তোমাৰ কপালখন। আজি আহিলা, কাম এটা পালাই।"

গিৰীনে লাজ লাজ ভাৱত ক'লে, "যি বোলে আৰু, পেহাদেৱে তেওঁক কৈ মেলি দিলে বুলিহে।"

"তুমি জানো মানুহ কেনেকৈ চলাব লাগে জানিবা?"

"মই সেইবোৰ জানো নহয়?" নিজৰ ক্ষমতা সম্পৰ্কে গিৰীনৰ অকনো সন্দেহ নাছিল। "মই আমাৰ গাওঁৰ ওচৰত সেই নেটিভ গাৰ্ডেনখনত ছমাহ কাম শিকিছিলো নহয়? কাম নেপাইহে এৰি দিলো।"

বাখৰে ক'লে "হয় নেকি? বেছ বেছ।"

চাহ-জলপান আনি দিওঁতে ভীমে জনালে, সি আজিও লাইনলৈ যাব। কাৰণ এতিয়া পহৰা দিয়াটো দৰকাৰ হৈ পৰিছে। গিৰীনৰ গাড়ী সাত বজাত, ভাত খুৱাই পঠাব লাগিব যেতিয়া একেবাৰতেই সি ভাত ৰান্ধি পেলালে।

"তই আৰু দেউতাই ভাত উলিয়াই খাবি।"

ভাত-পানী খাই গিৰীন গ'লগৈ। তাক আকৌ এবাৰ ভাত বাঢ়ি খাবলৈ কৈ ভীমো মুনি-চুনি বেলিকা লাইনলৈ গ'লগৈ।

অকলশৰীয়া ঘৰটোৰ আন্ধাৰত নিশ্চল হৈ বাখৰ থাকিল। তাৰ অনুমান হ'ল চাৰিওফালৰ পৃথিৱীখন চঞ্চল হৈ উঠিছে, মাত্ৰ সিহে নিথৰ হৈ আছে।

*************

## তিনি

### ১

দুৰ্য্যোধন, মিনি আৰু গৌৰীৰ কথা ভাৱি ভাৱি ভীম আন্ধাৰে আন্ধাৰে লাইনলৈ গৈ আছিল।

দুৰ্য্যোধন তাৰ ডাঙৰ বন্ধু? দ্বাপৰ যুগত ভীম-দুৰ্য্যোধন আছিল পৰম্পৰৰ ভীষণ শত্ৰু। কিন্তু এই যুগত সেই দুটা নামকে লৈ ইহঁত দুটাই প্ৰগাঢ় বন্ধুত্ব স্থাপন কৰিছে। আজৰি সময়ত দুয়োকে একেলগে দেখা যায়। চিনেমা থিয়েটাৰ চাবলৈও দুয়ো একেলগে যায়।

নানান কাৰণৰ ভিতৰত এটা হৈছে যে সিহঁত দুটাৰ মাজত আছে গৌৰী। গৌৰী দুৰ্য্যোধনৰ সম্বন্ধত কিবা লাগে আৰু দুৰ্য্যোধনৰ ভনীয়েক মিনি হ'ল গৌৰীৰ সখীয়েক। গৌৰীৰ লগত ভীমৰ চা-চিনাকি হোৱাৰ মুলতো আছে মিনি। তায়ে জোকাই জোকাই সুযোগ সুবিধা কৰি দি, ভীমে দিয়া উপহাৰ বহন কৰি দুয়োৰে মাজত আকৰ্ষণ আনি দিছে। গৌৰী মিনিহঁতৰ ঘৰলৈ গ'লেই ভীম ওলায়গৈ। আৰু আজি-কালি যে গৌৰী ঘনাই সিহঁতৰ ঘৰলৈ অহা হৈছে সেই কথা দুৰ্য্যোধনে লক্ষ্য কৰিছে।

দুৰ্য্যোধনে বন্ধুক উৎসাহ দিলে। গৌৰীৰ আৰু ভীমৰ বিয়া হ'লে ভাল যোৰা মিলিব, বন্ধু আৰু আপোন হ'ব, এই সপোন দুৰ্য্যোধনে দেখিছিল। দ্বাপৰ যুগৰ দুৰ্য্যোধনৰ দৰে সি অকল মদগৰ্বী নহয়, অকল কিয় সি মুঠেই মদগৰ্বী নহয়। ভীম পাতল লিকলিকীয়া চেহেৰাৰ সুদৰ্শন ডেকা ল'ৰা।

### ২

ভীমে গৈ লাইন পাওঁ পাওঁ হওঁতেই শুনিবলৈ পালে, এমূৰেদি আলিৰ দাঁতিত মাৰ মাৰ ধৰ ধৰ চিঞৰৰ বাখৰ শব্দ উঠিছে, মানুহ দুনুহে লৰা ধপৰা কৰিছে, কোনোবা তিৰোতা মানুহে কোনোবা তিৰোতা মানুহক চিঞৰি মাতিছে।

তাৰ ওচৰেদি লৰ মাৰি যোৱা মানুহ এটাক ভীমে সুধিলে কি হৈছে। মানুহটোৱে ফোপাই কৈ কৈ গ'ল দুটা গোৰা চিপাহীয়ে লাইনত সোমাব খুজিছিল, লাইনৰ মানুহবোৰে সিহঁতক মাৰিবলৈ খেদি গৈছে। ভীমে খৰখেদাকৈ ঘটনাস্থলীলৈ আগবাঢ়ি গ'ল কিন্তু অলপ দূৰ গৈয়ে সি দুৰ্য্যোধনক লগ পালে। হাতত এপাট মাছ খোচা শেল লৈ সি

লাহে লাহে আহি আছিল।

ভীমে কৈ উঠিল, "আৰে বাপৰে, যোধন, মানুহ মাৰিলি নেকি"

"নাই চালা পলাল, "দুৰ্য্যোধনে ক'লে। "নহ'লে মজা দিলোহেঁতেন।"

"ধেৎ মানুহ মাৰিবি নেকি?"

"আৰে বেটাক নেপালো নহ'লে দেখুৱালোহেঁতেন।" দুৰ্য্যোধনে ক'লে পিচত ভীমে লাহেকৈ সুধিলে "যোধন, গৰী আছে নেকি তহঁতৰ ঘৰত?"

দুৰ্য্যোধনে হাঁহি পেলাই ক'লে, "বদমাচ। নাই"

৩

প্ৰকাণ্ড দীঘল দীঘল ঘৰ একোটা ভাগ ভাগ কৰি বনুৱাক থাকিবলৈ দিয়া লাইনটো। তাৰ এমূৰে এচুকত দুৰ্য্যোধনহঁতৰ ঘৰ; মানে দীঘল ঘৰ এটাৰ দুটা কোঠালি, সমুখত নিজ হাতেৰে চলি তুলি লৈছে।

ভীমৰ চোতালতে টুল এখনত বহিবলৈ দি দুৰ্য্যোধন ভিতৰ সোমাই গ'ল। দুৰ্য্যোধনৰ বাপেক মাংৰা ভিতৰৰ পৰা ওলাই আহিল, ভীমক মাত লগায় কেনিবা ওলাই গ'ল। মিনি আহি মাত দিলে, " কে লাগিচ, দাদা?" অৰ্থাৎ কোন ককাইদেউ নেকি?

ভীমে ক'লে, "অঁ মিনি ময়েই। ভাত খালি নেকি?"

"নাই ক'তনো এতিয়াই ভাত খাম?" মিনিয়ে কলে, "ক'লে বহাইছোহে চাউল ধুবলৈ যাওঁতে সেই গোৰা পল্টনৰ গোলমাল লাগিল। শুনি একেবাৰে নকবি আৰু চালা এনে বেইমান।"

"এৰা ভাই, ইহঁতৰ কাৰণে দেখিছো লাইনত থকা মস্কিল হ'ল", ভীমে এইকণ পাতনিৰে তাৰ আচল কথাটো উলিয়ালে, প্ৰায় ফুচফুচাই সুধিলে, "হেৰি নহয় মিনি তহঁতৰ ঘৰলৈ হেৰি আহিছিল নেকি।"

"কোন?" মিনিয়ে যে নেজানেহে।

"গৰী?"

মিনিয়ে ইচ্ছা কৰিয়ে খং কৰা যেন দেখুৱাই ক'লে - "যা তোৰ খালি গৰীৰ

কথা”

“কনা, ক চোন।”

“নাই নাই, মই গৰীৰ কথা ক'ব নোৱাৰো।” মিনিয়ে খোচ এটা মাৰিলেঃ “ গৰীৰ লগত আমি আজি-কালি কথা নেপাতো, কাজিয়া কৰিছো।”

ভীমে কিবা এটা ক'ব খুজিছিল। কিন্তু এনেতে দুৰ্য্যোধন ভিতৰৰ পৰা ওলাই আহিল, তাৰ আৰু কোৱা নহ'ল। দুৰ্য্যোধনে ক'লে, “মিনি, ভীমেও ইয়াতে ভাত খাব। তই ৰন্ধা বঢ়া কৰগৈ। মই মুৰ্গী এটা বিচাৰি আনোগৈ। কাকাৰ ঘৰতে পাম কিজানি। ভীম তই অলপ বহ দেই।”

দুৰ্য্যোধন ওলাই গ'ল।

ভীমে আকৌ কাকুতি মিনতি আৰম্ভ কৰিলে, “ক না মিনি।”

“কি অ'?”

“বেছি হাল্লা নকৰিবি, মাৰে শুনিব।” ভিতৰত মিনিৰ বেমাৰী মাকজনী শুই আছিল। নেদেখিলেও, সেইফালে এবাৰ চাই ভীমে ফুচফুচাই সুধিলে - 'গৰী আহিছিল নেকি?”

“নাই অহা।”

“আহিব নেকি?”

“মই কি জানো?”

“তই নেজানিলে আৰু কোনে জানিব?” ভীমে তেল ঘঁহিবলৈ আৰম্ভ কৰিলে, “তহঁত দুজনী সখীক খেৰজান বাগানত কোনে নেজানে? তহঁতৰ দৰে 'ফুল' এই দুনিয়াত আৰু দুজনী আছে নেকি?”

“ওঁহ্ কথাৰ বাহৰ কি চাবি? খুব মোলায়েম মোলায়েম কথা কবলৈ শিকিছ দেখোন? ক'ত শিকিলি? কোনে শিকালে?”

ভীম মনে মনে থাকিল।

নৰিয়া মাক ভিতৰত অকলে থকাৰ কথা মনত পৰাত মিনি উঠিল। এৰি অহা ভাতৰ চৰুটোও চাবগৈ লাগিল। কিন্তু ভীমক মন মাৰি পেলোৱা দেখি তাইৰ অলপ বেয়া লাগিল। ভিতৰলৈ যোৱাৰ আগতে তাই ক'লে, “দাদা কাকাৰ ঘৰলৈ গৈছে। মুৰ্গী বিচাৰি গৈছে নহয় দেখা নাই জানো? তই মহাদেৱ বহি থাক, গৰী আহিব কিজানি।”

কাকা মানে বিকল, কিবা সূত্ৰে দুৰ্য্যোধনহঁতৰ লগত দাদায়েকৰ সম্বন্ধ লাগে। বিকলৰে জীয়েক গৌৰী।

৪

বাহিৰতে বহি বহি ভীমে ভাৱিবলৈ চেষ্টা কৰিলে, কি উপায়েৰে মিনিজনীৰ পৰা কাম আদায় কৰিব পৰা যায়। দুৰ্য্যোধনৰ লগত গৌৰী নাহিলে মিনিয়ে বাৰু মাতি আনিবগৈনে।

মিনিয়ে আকৌ বাহিৰলৈ আহি ভীমক এখন তামোল দিলে, নিজেও এখন খালে।

ভীমে ক'লে, "মিনি তই এবাৰ গৰীক মাতি আনিব পাৰিবিনে? তোক যিহকে লাগে, মই এইবাৰৰ দৰমহাৰে বজাৰত কিনি দিম।" যোৱা বাৰ দৰমহাৰে পষেকীয়া বজাৰত সি গৌৰীক উপহাৰ দিয়াৰ কোবত মিনিক দিম বোলা কাপোৰ এগজ দিব নোৱাৰিলে।

তাই দুষ্টালিৰ হাঁহি মাৰি মন্তব্য কৰিলে, "তই বৰ পাঁজী হৈছ দাদা।"

এনেতে কৰক-কৰকৈ মাতি থকা কুকুৰা এটা হাতত লৈ দুৰ্য্যোধন পালেহি। তাৰ পিছে পিছে এজনী ছোৱালী। সি ক'লে, "ভীম আছ? মিনি মই মুৰ্গীটো মাৰো তই চব ঠিক কৰিবি।"

সি চোতালৰ এমূৰলৈ গৈ কুকুৰাটোৰ হত্যাকাণ্ড সমাধা কৰাত লাগিল। ছোৱালীজনীয়ে আন্ধাৰতে অলপ আঁতৰত থিয় হৈ আছিল। মিনিয়ে ক'লে, "সেইয়া সেইজনী গৰী আহিল ল এতিয়া।"

"ভাগ বেটী," বুলি ছোৱালীজনীয়ে কৃত্ৰিম খং দেখুৱাই আগবাঢ়ি আহি মিনিৰ চুলিত ধৰিলেহি।

"আৰে ছাৰ ছাৰ।" মিনিয়ে মেলি থোৱা চুলিকোচা এৰুৱাবলৈ চেষ্টা কৰি ক'লে, "তোৰ কাৰণে দাদাই মোক হায়ৰাণ কৰি মাৰিলে গৰী। হৰদম তোৰ কথা কৈ থাকে ভাই। তহঁতে কথাপাত, মই ভাত বহাই এৰি থৈ আহিছো।"

তাই যাবলৈ উঠিল। কিন্তু গৌৰীকো পাচ ল'ব ধৰা দেখি মিনি পিৰালিতে বহি পৰিল। তাই ক'লে, "আহ তেনে বহ মাটিতে, ইমানটো লাজ, ইছ।'

ভীমে সুধিলে, মিনি তহঁতৰ বা কেনিবা ওলাই গৈছে নেকি।"

"তই যে কি ৰকম পেৰমিক দাদা, দুনিয়াত আৰু কথা ক'বলৈ একো বিচাৰি নেপালি?"

তাই জানিছিল যে বাপেকক ওলাই যোৱা ভীমে দেখিছিল।

ভীমে ক'লে, "তই বৰ দুষ্ট হৈছ অ'।"

মৰা পাখি গুচোৱা কুকুৰাটো হাতত লৈ দুৰ্য্যোধন ওচৰ চাপি আহিল। সি ভনীয়েকক ক'লে, "মিনি তই চৎপৎ বাকী চব কাম্ম কৰি পেলা। ৰাতি হৈ যাব ধৰিছে। মই চাওঁগৈ বুঢ়া ক'ত পৰিছে গৈ। কাৰোবাৰ ঘৰত জৰুৰ মদত ধৰিছেগৈ।"

দুৱাৰ মুখতে কুকুৰাটো পেলাই ঘৈ সি ব্যস্ত মানুহৰ দৰে লাইনৰ মাজলৈ সোমাই গ'ল। নৰিয়া মাকৰ মাত শুনি মিনিও ভিতৰলৈ গ'ল। যাওঁতে কুকুৰাটো লৈ গ'ল। তাই আৰু ওলাই নাহিল।

এইবাৰ অৱশ্যে প্ৰেমিকা গৌৰী নুঠিল।

৫

গৌৰীৰ সাহ এইবাৰ অলপ গোট খাইছিল। এৰা, প্ৰেমত আকৌ ভয় কিহৰ।

অলপ সময় দুয়ো নিমাত। গোটেই লাইনটোৰ ব্যস্ততা এটা অস্পষ্ট গুম গুমনিৰ দৰেহে শুনি, সি ৰাতিৰ নীৰৱতাক বেছিহে নীৰৱ কৰি তুলিছে।

ভীমে লাহেকৈ মাত লগালে "গৰী!

কিন্তু গৌৰী নিমাত

সি আকৌ মাতিলে, "গৰী! নেমাত কেলৈ?"

"কি?" তাই এইবাৰ চেপা মাতেৰে সঁহাৰি দিলে।

ভীম কঁপি উঠিল। ক'লে, "তোৰ বা-মা আমাৰ চব কথা জানিছে নেকি?"

উত্তৰ "নাই।"

"গৰী?"

"নাই জনা"

"তই মোৰ লগত কথা পতা বুলিও নেজানে নে?"

"নেজানে।"

অভয় দি সি ক'লে, "আচ্ছা মই সিহঁতক ক'ম। মোৰ লগত ছাদী সোমাবলৈ খুচী আছেতো?"

মুখেৰে এটা শব্দ কৰি তাই জনালে, তাইৰ সন্মতি আছে।

সি প্ৰেমিকৰ ভাও দিয়াৰ দৰে ক'লে, "মই কিন্তু তোৰ বাবে পাগল হৈ গৈছোঁ। সঁচা কৈছো, আজি-কালি ৰাতি বাবুঘৰত থাকি একদম ভাল নেলাগে। খালি লাইনলৈ আহিবৰ মন যায়। তোক চাবৰ মন যায়।"

নিজান আন্ধাৰ। লাইনৰ ঘৰবোৰত যদিও মানুহ থকাৰ উমান পোৱা যায়, তথাপি বাহিৰত সিহঁতৰ বাহিৰে আৰু কোনো নাছিল। মিনিহঁতৰ ঘৰটো লাইনৰ এমূৰত। সেইফালে মানুহৰ বৰকৈ আহ-যাহো নাই। যৌৱনৰ বা পোৱা সিহঁতৰ খকুৱা প্ৰাণ দটা এই নীৰৱতা অন্ধকাৰৰ সুযোগ পাই হঠাতে অন্ধ হৈ পৰে।

ভীম গৈ গৌৰীৰ ওচৰত বহিলেগৈ।

ভিতৰত মিনিয়ে মঙহ কুটিছে। তাই সতকাই ওলাই নাহিব। বেমাৰী মাকতো বিচনাৰ পৰাই নুঠে। বুঢ়া মাংৰা কৰবাত লাওপানী খাই হৈ আছেগৈ। বাপেৰক বিচাৰি যোৱাৰ অজুহাতত বন্ধু দুৰ্যোধনো আঁতৰি গৈছে; সিয়ো হয়তো সোনকালে উভতি নাহিব।

ভীমে উঠি গৈ গৌৰীৰ ওচৰত বহে। যৌৱন উছলি পৰা, পিছল ৰূপহ নাৰী দেহটো সি বুকুৰ মাজত সাৱটি ধৰে। নিস্তেজ প্ৰতিৰোধ আৰু কঁপি উঠা বুকুৰে গৌৰী নিশ্চল হৈ বহি থাকে। ইচ্ছা কৰা-নকৰাৰ মাজত তাই অলস শৰীৰটো ভীমৰ পিনে এৰি দিয়ে। সজাগ ইন্দ্ৰিয়ৰ তাহাঁতৰ দেহ দুটা কান্দি উঠে, অন্ধ হৈ যাব খোজে। কিন্তু সিহঁত মানুহ দুটা অন্ধ হৈ নাযায়। আতুৰ প্ৰাণ দুটাৰ মনত পৰি থাকেঃ মিনি, মাক, দুৰ্যোধন, লাইন পথিক। প্ৰেমত ভয় নাই হয়, কিন্তু অবিধিত ভয় আছে।

দুয়ো নীৰৱে ফোঁপায়।

৬

"ভীমৰে!" দূৰত দুৰ্যোধনৰ চিঞৰ শুনা যায়।

ভীম চক খাই উঠিল। সি গৌৰীৰ ওচৰৰ পৰা থিতাতে আঁতৰি আহি টুলখনত বহিল। তেতিয়া সি ঘামি জুৰুলা হৈ পৰিছে। শৰীৰৰ ভিতৰত এনে তাপ সি কাহানিও অনুভৱ কৰা নাছিল।

"এ ভীম" দুৰ্যোধনে আকৌ চিঞৰিলে।

"কি?" ভীমেও চিঞৰি উত্তৰ দিলে।

"চাওঁ এইফালে আহচোন জলদি।"

"ৰ!"

ভীমে গৌৰীৰ ওচৰলৈ আহি ক'লে, "গৰী তই ভিতৰলৈ যা দেই।" এই বুলি সি তাই গাল এখনত জোৰকৈ টিপা মাৰি দুৰ্য্যোধনে চিএৰা ফালে আগুৱাই গ'ল।

গৌৰী ভিতৰ সোমাই গৈ মাংস কুটি থকা মিনিৰ ওচৰত বহিল। কুকুৰাৰ পিৰা এটাৰ ওপৰত ঘাপ মাৰিবলৈ বল দি দাখন দাঙি লোৱাৰ মাজতো তাই মিচিক কৰে হাঁহি পেলোলে।

ভীমে দুৰ্য্যোধনৰ ওচৰ পাই সুধিলে, "কিৰে যোধন কি হ'ল?"

দুৰ্য্যোধনে দুষ্টামি কৰি ওলোটাই প্ৰশ্ন কৰিলে, "হৈ গ'ল

"কি?"

"প্ৰেম?"

"ধেৎ।"

"চালা ধেৎ চেলাইছ্। আহ আমাৰ বুঢ়াক লৈ আহোগৈ। ৰামদাসৰ ঘৰতে খাই একদম পগলা হৈ আছে।"

দুয়ো আগবাঢ়ে।

প্ৰকাণ্ড দীঘলীয়া ঘৰবোৰৰ ভাগ ভাগ কৰা একোটা কোঠালিত একোটা বনুৱা পৰিয়াল থাকে।

প্ৰত্যেক ঘৰৰে সমুখত একোখন চালি কৰি বেৰ দি বঢ়াই লোৱা নহ'লে কোম্পানীৰ অকণমানি ঘৰটোত ল'ৰাই তিৰোতাই একোটা মানুহক থাকিবলৈ নোজোৰে। দীঘলঘৰবোৰৰ সমান্তৰালকৈ পকী নলা আৰু তাৰ গাতে লগাকৈ বেৰ দি বনুৱাসকলে চোতাল বঢ়াই লৈছে। প্ৰত্যেকৰে চুৱা ধোৱা গা ধোৱাৰ কাৰণে এচুকত এড়োখৰ নিৰ্দিষ্ট ঠাই আছে, কাৰোবাৰ ঘৰত এজোপা মহানিমৰ পুলি, কাৰোবাৰ বা অমিতা গছ, কাৰোবাৰ একোৱেই নাই।

লাইনটোৰ শাৰী শাৰী ঘৰবোৰৰ ভিতৰত নানান তৰহৰ ব্যস্ততা। কোনোবা কোনোবাই বহি মদ খাইছে। ক'ৰবাত এজুম বহি তাচ বা জুৱা খেলিছে। তিৰোতাবিলাকে ভাত ৰান্ধিছে। কেনিবা কেনিবা কাজিয়াও হৈছে। দুই এঠাইত দুই এজনে বহি, দুটা কথা আলোচনাও কৰিছে। হাড়িয়া আৰু কাজিয়া এই দুটাৰে আড়ম্বৰ বেছি।

এটা ঘৰৰ ভিতৰত ল'ৰা এটাই চিএৰি চিএৰি পঢ়িছিলঃ গগৈদেউ, অসহনি,

গামখাৰু, ওলগনি।

এইবোৰৰ মাজত ভীম দুৰ্য্যোধনৰ জন্ম হৈছে আৰু সিহঁত তাতে ডাঙৰো হৈছে। সেইবাবে সিহঁত এইবোৰৰ লগত অভ্যস্ত। সিহঁতে এইবোৰক সহজভাৱে লৈ আগবাঢ়ি গৈ থাকে।

লাইনটোৰ মাজ ভাগৰ ঘৰ এটাৰ সমুখত সিহঁত ৰ'লগৈ। ঘৰটোৰ ভিতৰত তেতিয়া ঢোল বাজিছিল আৰু কোনোবা ৰগৰ উঠা মদপীয়ে সুৰ ধৰি চিঞৰি চিঞৰি গাইছিলঃ

"ইংৰাজৰ বৰ বুধি
বানাইল চা ঘৰঃ
ছোৰাৰ পাতা মাৰা কাম দিনে ৰাইতে।" অৰ্থাৎ, ইংৰাজৰ ইমানেই বুধি যে চাহঃঘৰ হেন প্ৰকাণ্ড ঘৰ সাজি উলিয়াইছে, আৰু বনুৱাবোৰ ইমান শক্তিহীন যে সিহঁতৰ ছোৰা বা ডেকাবোৰে দিনে-ৰাতিয়ে কেৱল পাত মৰা কামকে সেই চাহ-ঘৰত কৰিব লাগে।

ঢোলৰ চেও আৰু গীতৰ সুৰৰ মাজে মাজে কোনোবাই কৈ উঠিছে, অ' হ'হ'হ', আহ। আড্ডটো যে ভালমান মানুহৰ সন্দেহ নাই। দুৰ্য্যোধনে ভিতৰলৈ গৈ মদৰ ৰাগীত মাতাল হৈ লেতু-সেতু হৈ পৰা মাংৰাক ধৰি ক'লে, "উঠ, উঠ, ঘৰলৈ যাওঁ।"

বুঢ়া মাংৰাই দোৰোল খোৱা জিভাৰে আধাফুটাকৈ উচাৎ মাৰি ক'লে, "আৰে ভাগো হিয়াছে। হাম নাই জায়েগা। তুম ক'ন হাই? চোৰ দো হামকো।" লগৰে মদপী এটাই চিনাকী কৰি দি ক'লে, "আৰে যা যা মাংৰা, তোৰ বেটা আহিছে, যোধন আহিছে তোক ঘৰলৈ লৈ যাবলৈ যা।"

মাংৰাই যেন তেতিয়াহে অলপ চেতনা পালে। ক'লে, "আহ বেটা যোধন? চল বাপ চল। ধৰ মোক ধৰ। নহলে মই যাব নোৱাৰিম নহয়, ধৰ। এই চালা ৰামদাস, মই যাওঁ ঘৰলৈ। মোৰ বেটাৰ কাম দেখিছ? বাপক লৈ যাবলৈ আহিছে, দেখিছ?"

দুৰ্য্যোধনে তেতিয়া বাপেকক তুলি ধৰি বাহিৰলৈ খোজ কঢ়াই আনিবলৈ ধৰিছে। এনেতে ৰামদাসে ক'লে " আৰে চালা কপালৰ গুণত গুণী বেটা পাইছ। এতিয়া যা বাৰু ঘৰলৈ।"

"অঁ তোৰ বেটীক দিবি মোৰ বেটালৈ।"

দুৰ্য্যোধনে খৰ খেদাকৈ মাংৰাক ধৰি বাহিৰলৈ আনিলে আৰু ভীমৰ লগ লাগি দুয়ো একপ্ৰকাৰ বুঢ়াক কঢ়িয়াই নিয়াৰ দৰে নিবলৈ ধৰিলে। মাংৰাই মাত লগালে, “ই কোন বেটা মোক ধৰিছে?”

“ভীম” দুৰ্য্যোধনে ক’লে।

“ভীম নেকি? তই হ’বলা বৰ কেৰাণী বাবুৰ পৰা পলাই গৰীক চাবলৈ আহিছ? চালা জুৱাছোৰ, বেইমান কাঁহাকা।”

বুঢ়াৰ মুখত অকথ্য কথাবোৰ এই অসংযত মুহূৰ্তত ওলাই পৰা শুনি দুয়ো লাজতে তলমূৰ কৰিলে।

মাংৰাই আকৌ ক’লে, “আচ্ছা, বুঢ়াটোক পগলা হোৱা দেখি তই ধৰি নিবলৈ আহিছ, বৰ ঠিক কাম কৰিছ, তই বৰ ভাল ল’ৰা। বাৰু বেটা মই তোৰ ছাদী দিয়াম, তই ভয়েই নকৰিবি। বিকলৰ বেটীতো? বিকলতো মোৰ ভাই, আপোন ভাই। বিকলৰ বেটী মোৰ বেটী! তই কুছ পৰোৱাই নকৰিবি।”

মাতাল মাংৰাক সিহঁত দুটাই ভিতৰলৈ নি খাটীয়াত শুৱাই দিলেগৈ। গৌৰী তেতিয়াও যোৱা নাই। ভীমৰ ভয় লাগিল জানোচা বুঢ়াই আকৌ তাইৰ কথা উলিয়ায়। কিন্তু মাংৰাই শুই শুই গীত গাবলৈ আৰম্ভ কৰি দিলে। দুটা মান গীতৰ অলপ অলপ গাই সি বলকিবলৈ ধৰিলে, “কা পৰৱাহ হায়? ফিলমে কাম কৰতা হায় আৰু হাড়িয়া-চাৰপ খাতা হায়। হমকো ৰামদাস কাহেকো বেছি নাই বেছি নাই খানেকো বলেগা? এই ৰামদাস’ তুমকো হাম মাৰেগা, তুমকো হাম জৰুৰ পিটেগা।” শেষত কেতিয়াবা মাংৰা অৱশ হৈ শুই পৰে। মিনিৰ বেমাৰী মাকজনী নীৰৱে এচুকত পৰি আছিল।

মিনি আৰু গৌৰীয়ে ভাত আনি দিয়ে। ভীম আৰু দুৰ্য্যোধনে খাবলৈ বহি যায়। মিনিয়ে দুয়োলৈকে দুৱাটি মদ আনি দিয়ে।

খাই উঠি দুৰ্য্যোধনে সুধিলে’ “ভীম, কীৰ্তনলৈ যাবিনে অলপ শুই লবি?”

“আমাৰ পহৰা কেইবজাৰ পৰা?”

“বাৰ বজাৰ পৰা।”

“কীৰ্তনলৈ যাওঁ বল। কিনো শুবি আৰু? কীৰ্তনৰ পিচত পহৰা দি অলপ শুই ললেই হ’ব। মই ছয় বজাতে বাবুঘৰ পাবগৈ লাগিব।”

দুৰ্য্যোধনে গৌৰীক ঘৰত থৈ আহিলগৈ। তাৰ পিছত দুয়ো ওলাই গ’ল! মিনিয়ে দুৱাৰ মাৰি শুই থাকিল।

***************

# চাৰি

১

সত্যযুগ আকৌ আহিছে বুলি প্ৰচাৰ হৈ গৈছে। কিতাপ এখনত ওলাইছে, তাত লিখা আছে কল্কি অৱতাৰ হ'ব আৰু ম্লেছবোৰক কাতি মাৰি খাস্তাং কৰিব। আনকি কল্কি অৱতাৰৰ ছবিও ওলাইছে। দীঘল দড়ীয়া অৱতাৰে ঘোঁৰাত উঠি হাতত খোলা হেংদান লৈ পৃথিৱী ভ্ৰমণ কৰিব! কোন দিনা তেওঁ ওলাব, তাৰ তাৰিখো নিৰ্দিষ্ট কৰি দিয়া হৈছে।

মৎস অৱতাৰ হ'ল, কূৰ্ম গ'ল বৰাহ গ'ল — নৰসিংহ, পৰশুৰাম, শ্ৰীৰাম, শ্ৰীকৃষ্ণ-বলৰাম, গৌতম বুদ্ধ সকলো যোৱাৰ পিচত কলিযুগ আৰম্ভ হ'ল। কলিযুগত মানুহৰ বহুত পাপ হৈছে। সেই পাপ নাইকিয়া কৰিবলৈ ভগৱানে কলিযুগৰ শেষত কল্কি অৱতাৰ ধাৰণা কৰিব। সেইদিন অচিৰেই আৰম্ভ হ'ব।

সেই দেখি খেৰজান বাগিচাত নাম কীৰ্তন গোৱা আৰম্ভ হ'ল। সত্যযুগ আৰু কল্কিদেৱতাক আদৰিবলৈ মানুহবোৰ সাজু হ'ল। ভীম আৰু দুৰ্যোধনহঁতে সভা সমিতি পাতি কোম্পানীৰ ওচৰলৈ প্ৰতিনিধি পঠিয়াই কীৰ্তনঘৰ সজাই দিয়াৰ দিহা কৰিলে। কোম্পানীৰ কৰ্মকৰ্তাসকলে ঘৰ সাজি দিলে। অন্যান্য বাগিচাৰ দৰে খেৰজানৰো লাইনে লাইনে কীৰ্তন ঘৰ উঠিল আৰু ৰাতি খোল, তাল, হাৰমণিয়ামৰ ৰোল উঠিল। কীৰ্তনত মানুহবোৰ মতলীয়া হৈ উঠিল। সিহঁতে পাপো কৰিব পাৰে, পুণ্যও আৰ্জিব জানে। কলিযুগ গোটেইটোতে সিহঁতে পাপ কৰি আহিল, এতিয়া সত্যযুগত নাম লগাবলৈ অন্তৰ নিকা কৰি লবলৈ লাগিব। দোষ-গুনেই মানুহ।

বহুতৰে আকৌ বিশ্বাস মহাত্মা গান্ধীয়েই কল্কি অৱতাৰ। এখন গাঁওত নাদ এটাত পানী নাছিল, কিন্তু গান্ধীজী তালৈ যোৱাৰ পিচতে নাদটোৰ পানী ওলাল। তেওঁ দেৱতা নহ'লে এনে আচৰিত ঘটনা ঘটিব পাৰেনে? মহাত্মা গান্ধীয়ে তেওঁৰ সন্মুখ ওলোৱা সাপ এটাকো নমৰাকৈ এৰি দিবলৈ কৈছিল। পথালি চকুৱা মানুহে এইবোৰ আচৰিত কামৰ মহিমা কেনেকৈ বুজিব?

কিন্তু অহিংসাৰ মন্ত্ৰ গোৱা মহাত্মাই এনেকৈ যে অস্ত্ৰ-শস্ত্ৰ লৈ ম্লেছক কাটি-

মাৰি বুন্দামাৰ কৰিব সেইটো তৰ্কৰ বিষয় আছিল। গান্ধীৰ ছবিৰ লগত কল্কিৰ ছবিও নিমিলে। সেইবোৰ যিয়েই নহওক দুৰ্য্যোধনহঁতে নিয়মিত ৰূপে কীৰ্তন ঘৰলৈ গৈছিল। গান্ধীয়েই কল্কি হওক বা হাফলু ফালিয়েই কল্কি এজন ওলাওক সিহঁতৰ কাম্য আছিল অৱতাৰৰ পুজা কৰা। মাজনিশালৈকে সিহঁতে বৰ ভক্তিভাৱে কীৰ্তন কৰে। বুঢ়া বোৰৰ দুই এজন যায় কিন্তু সোনকালেই উলটি আহে। ডেকা আৰু চেমনীয়া সৰু সৰু ল'ৰাবোৰেই কীৰ্তন কৰি মানুহক উদ্ধাৰৰ ব্ৰতত ব্ৰতী হৈছিল।

ভীম আৰু দুৰ্য্যোধন গৈ কীৰ্তন ঘৰত সোমাল আৰু আনবোৰৰ লগতশাৰী মিলাই বহি কীৰ্তন গাবলৈ ধৰিলে। তালে তালে বাজিছিল খোল, খুঁটিতাল আৰু হাৰমণিয়াম। থাপনাত আছিল ৰঙা কাপোৰ, ৰঙা সেন্দুৰ আৰু ৰঙাজবা ফুল। বন্তি এগছে সেইবোৰ আৰু ৰঙা কৰি তুলিছিল, দেখিলেই ভয় লাগে। ভীম আৰু দুৰ্য্যোধনে ভয় মিহলি ভক্তিৰে সেইফালে চাই চাই কীৰ্তন কৰে। বাখৰ ককাইদেৱে কোৱা কথা এবাৰলৈ ভীমৰ মনত পৰিলঃ "বুজিছ, এইখনেই এখন আচৰিত দেশ। ইয়াত পাবি এফালে লাইনৰ মদ চৰাপ খাই কৰা হাই-কাজিয়া হুলস্থুল আৰু আনফালে এই কীৰ্তন ঘৰত ঈশ্বৰ পূজা।"

সি হ'লে কথাটো বুজি পোৱা নাছিল; এতিয়াও ভালদৰে পোৱা নাই। বাখৰ ককাইদেৱে আৰু কৈছিল— "তথাপি তহঁতে কীৰ্তন ঘৰলৈ যোৱা উচিত। তাত তহঁতে ভাল - বেয়া চিনিব পাৰিবি। কীৰ্তন ঘৰত বেয়া- কাম কৰা কথালৈ বৰ ভয় কৰে। সেইবাবেই তহঁতে কীৰ্তন ঘৰলৈ যাব লাগে।"

কীৰ্তন ভগাৰ পিছত ভীমহঁতে লাইনত পহৰা দিছিল। দলটোত মুঠতে দহজন। সিহঁতে হাতত দীঘল দীঘল লাখুটি লৈ গোটেই লাইনটো ঘুৰি ফুৰিছিল। বিৰি হুপি হুপি কথা পাতি আৰু গান গাই সিহঁতে পহৰা দিয়ে। সিহঁতৰ মাত শুনি কোনেও ভয় নেখায়। সিহঁতৰ নিৰ্ভয় কথা বতৰাবোৰ শুনি মানুহবোৰৰ টোপনি গাঢ় হৈ আহে। লাইনৰ সজাগ কুকুৰ বোৰেও সিহঁতক দেখিলে নুভুকে।

বিজ্ঞ ভীমে কয়, "লড়াই হ'লে ঘৰতেই দুয়মুন।"

এবা ঘৰ আৰু তিৰোতাৰ ৰক্ষাৰ বাবেই সিহঁত পুৰুষে এইদৰে পহৰা দিব লগাত পৰিছে।। আগতে এনে নাছিল।

## ২

ৰাতি ডেৰমান বাজিছিল। আকাশত কৃষ্ণ পক্ষৰ ক্ষীণ জোন। কোনোবা মানুহ এটাক সিহঁতে আগবাঢ়ি এহা দেখিলে। সিহঁত চঞ্চল হৈ উঠিল ইমান ৰাতি কোন? মানুহটো ওচৰ চাপি আহিছিল, খোজত ভয়ৰ চিন মুঠেই নাছিল। সেইটোহে আচৰিত।

"কোন হায়?" এটাই সুধিলে।

"মই" — আগন্তুকে অসমীয়াতে উত্তৰ দিলে।

"তুম কোন হায়?" ডেকাই দাবী কৰিলে।

"ভয় নাই, মই চোৰ বা ডাকু নহও" — তেওঁ কয়।

ভীমে মাত লগালে, "কি লাগে ইয়াত?"

"কোন ভীম নেকি? মই বাখৰ ককাইদেউহে ভীম।"

"বাখৰ ককাইদেউ?" ভীম অবাক। "তই ইমান ৰাতি ইয়াত? ভাইচব আহচোন আহ সি বাখৰ ককাইদেউ, বৰকেৰাণীৰ বেটা।"

দলটো বাখৰৰ ওচৰ পালে গৈ। দুৰ্য্যোধনে সুধিলে, "কি হ'ল বাবু? তই ইমান ৰাতি ইয়ালৈ কেনৈ আহিছ?"

বাখৰে হাঁহি ক'লে, "নকবি আৰু। দুটা আমেৰিকানে মোক ধৰি লৈ আহিছে। তাহাঁতক বোলে কিবা বিচাৰি দিব লাগে। মই আজি ফুৰি আহোতে ইমান ৰাতি হ'ল বাটতে সিহঁতে পাই মোক জোৰ কৰি লৈ আহিছে।"

দলটো নিৰ্বাক।

বাখৰে ক'লে, "সিহঁত দুটা সেই তাতে ৰৈ আছে। মোৰ চাইকেলখনো ৰাখি থৈছে। পাৰ যদি তহঁতে কিবা এটা কৰ। মই আহিব নোখোজাত মোক মাৰেই আৰু?"

দলটোৰ ইটোৱে সিটোৰ মুখলৈ চাবলৈ ধৰিলে। দুৰ্য্যোধনে সুধিলে "তোৰ মুখত লাইট মাৰিছিল নেকি বাবু?" "নাই সিহঁতৰ হাতত লাইট আছে কিন্তু মৰা নাই"- - বাখৰে ক'লে "মোৰ মুখ সিহঁতে দেখা নাই।"

দুৰ্য্যোধনে ক'লে, "আহ ভাইচব, চালাহঁতক মজা দিওঁ।"

তৎক্ষণাৎ দলটো আগবাঢ়ি গ'ল। ভীম আৰু বাখৰ তাতে থিয় দি থাকিল। কেই মিনিটমানৰ পিচত দূৰত হৈ চৈ কৰাৰ আৰু কোনোবাই কাৰোবাক খেদি দিয়াৰ শব্দ শুনা গ'ল। পাঁচ মিনিটমানৰ পিচত চাইকেলখনি লৈ দলটো ঘুৰি আহিল।

বাখৰে সুধিলে, "মাৰিলি নেকি?"

এটাই ক'লে, "দুইটাই অলপ অলপ পাইছে?"

আন এটাই ক'লে "যি জোৰে পলাইছে, বাপৰে।"

দলৰ তিনিটা ডেকাই আন এটা বাটেদি বাখৰক ঘৰত থৈ আহিবলৈ ওলাল।

**************

## পাঁচ

### ১

এদিন গিৰীনে ক'লে, "বাখৰ ককাইদেউ ফিল্ডখন চাবলৈ যোৱা নাই নহয়! ব'লক এদিন চাই আহিবগৈ। এৰোপ্লেন চাবলৈ ইমান যে মানুহবোৰ গৈছে, একেবাৰে পৰুৱাৰ লানি। মোৰ লগতে ওলাব, মই লৈ যাম।"

"হয় নেকি?" বাখৰে ক'লে, "বাৰু দেখা যাব।" গিৰীন আজিকালি ব্যস্ত মানুহ; ধলপুৱাতে নিজহাতে চাহ-জলপান কৰি খাই কামলৈ ওলাই যায়, দুপৰীয়া নাহে, আহে সেই গধূলি আন্ধাৰে আন্ধাৰে, দুপৰীয়া ক'ত খায় বাখৰে নেজানে। এদিন দেউতাকক কোৱা শুনিছিল, "হয়নে ঐ-গিৰীন, তইচোন কেম্পৰ খানা খাই জাতটোকে মাৰিলি।" প্ৰথম দিনা কামলৈ ওলাওঁতে তাৰ চেহেৰা দেখি বাখৰৰ হাঁহি ফাটো ফাটো হৈছিল; চুৰীয়া এৰি সস্তীয়া ৰেডিমেদ হাফপেন্ট এটা পিন্ধি আগৰ কামিজটোক তাত সুমুৱাই লৈছে, ভৰিত দীঘল সূতাৰ মোজা আৰু কাপোৰৰ জোতা, মূৰটো সৰহকৈ মিঠাতেল দি চপচপীয়া পানীৰে মিহিকৈ ফনিওঁৱা হাতত হাজিৰা বহীটো আৰু মুখত বিড়িটো লৈ যেতিয়া সি মহাসমৰৰ যুদ্ধক্ষেত্ৰলৈ ওলাই গ'ল তেতিয়াহে বাখৰে কোনোমতে হাঁহি সামৰিব পাৰিছে।

ৰাখি খাই বৈ গিৰীনে সদায় টকাৰ হিচাপ কৰে। নোটৰ খচখচনি আৰু মুখৰ পুটপুটনি বাখৰে নিজৰ কোঠাৰ পৰা শুনি থাকে আৰু মনে মনে হাঁহি থাকে। ভীমে কৈছিল, ফিলবাবুৰে বোলে খুব পইটা মাৰে, কামলৈ নোযোৱা কুলীক হাজিৰা দিব পাৰিলে বা মিছাকৈয়ে উপৰি সময়ৰ কাম দেখুৱাব পাৰিলে 'ঘোচ' দিয়ে। গিৰীনে আজিকালি কাপোৰ-কানিও ভাল ভাল লৈছে। এদিন বাখৰক ধৰি বান্ধি নিয়াদি তি নিচুকীয়ালৈ নি কাপোৰ আৰু জোতা কিনিলেগৈ। দিনে দিনে তাৰ চেহেৰা সলনি হৈ আহিবলৈ ধৰিছে। মাছৰ ব্যৱস্থা সি অকলেই কৰে হয় বজাৰৰ পৰা কিনি আনে, নহয় কোনোৱা কামলৈ নোযোৱাকৈ হাজিৰা পোৱা এটাই দি থৈ যায়হি। ৰাতিপুৱাতে কামলৈ যাব লগা হোৱা বাবে সি জলপান কৰি সদায় খাই যাব নোৱাৰে, গতিকে ভীমে বিচাৰি থোৱা পাওৰুটিকে প্ৰায় খাই যায়। লগত খাবৰ বাবে, সি মিলিটাৰী গুদামৰ পৰা সৰকাই মাখন, পনীৰ আদি আনে, নহ'লে বজাৰৰ পৰাই মাখনৰ টিন

অথবা জামৰ টিন কেইটামান কিনি আনে। বাখৰে নীৰৱে লক্ষ্য কৰে কেনেকৈ দিনে দিনে মানুহ পৰিবৰ্তন হ'ব ধৰিলে।

শইকীয়াৰ ঘৰৰ দাঁতিতে প্ৰায় তিনি মাইল দীঘল আৰু ডেৰ মাইল বহল প্ৰকাণ্ড খালৰ দৰে দ ঠাই এডোখৰ আছিল, মাজেদি এখন সৰু নৈ আৰু দুকাষে-দ পথাৰ, শইকীয়াহঁতে ঠাইডোখৰক খাল বুলি কয়। চাহ বনুৱাই তাত ধান ৰোৱে বাৰিষা নৈত উজান পৰে। ডাঙৰ ডাঙৰ চেনি, কুঢ়ি আদি মাছবোৰ মানুহে মাৰি নিয়ে, বুৰ যোৱা পানীত শাৰী পাতি মৰঠিবোৰ পোৱালী লৈ চপ চপকৈ দলৰ কোমল গজালি খাই ফুৰে। এৰালিবোৰ পানীৰ ওপৰলৈ লহপহকৈ বাঢ়ি আহে পানীৰ জীৱ পাই কেনেকৈ এই সকলোবোৰ নতুন জীৱন পোৱাৰ দৰে হৈ উঠে, বাখৰে মাজে মাজে ভাবে। মহাযুদ্ধৰ পুষ্টিৰ জীপ পাই হাড়ে চালে লগা গিৰীনো ঠিক এইদৰেই মূৰ দাঙি উঠিছে।

২

গিৰীনৰ এৰ'ড্ৰোম চাবলৈ যোৱাৰ প্ৰস্তাবটো তাৰ বেয়া লগা নাছিল। ফিল্ড চাবলৈ যোৱা মানুহ মুখত আমেৰিকানসকলৰ আচৰিত আচৰিত যন্ত্ৰ পাতিবোৰৰ কথা শুনি তাৰো এদিন চাই আহিবলৈ মন গৈছিল, তাতে ভীমেও এদিন ক'লে, "ককাইদেউ' আমিও যাওঁ ব'ল ফিল্ড চাই আহোঁগে। ফিল্ডবাবুৰ লগতে যাম।"

বাখৰে ক'লে, "এৰা অ' যাবই লাগিব এদিন। হেৰা ফিলবাবু। আমাক জ্বানো ফিলৰ ভিতৰলৈ নিব পাৰিবা?"

"কেলৈ নোৱাৰিম? নিশ্চয় পাৰিম" — গিৰীনে ক'লে।

গতিকে যোৱাই থিৰ হ'ল। যে এদিন দুপৰীয়া চেগ চাই গিৰীন ঘৰলৈ ভাত খাবলৈ আহিব আৰু বাখৰহঁতক লৈ যাব। বাখৰৰ স্কুল এদিন কিবা কাৰণত বন্ধ আছিল, সেইদিনাই যোৱাটো ঠিক হ'ল। কিন্তু গৈহে গেটৰ মুখত লাগিল মস্কিলঃ মিলিটাৰী পুলিছে বাট ভেটি ধৰিলেঃ ভিতৰলৈ যাকে তাকে যাবলৈ দিয়া বন্ধ হৈছে, মাত্ৰ কাম বিচৰা আৰু চিনি পোৱা মানুহকহে যাবলৈ দিব। গিৰীনে হিন্দী, অসমীয়া, ইংৰাজী মিহলাই এবিধ ভাষা তৈয়াৰ কৰি চিপাহীক বুজাবলৈ চেষ্টা কৰিলে যে সি ফিল্ডত কাম কৰে, খেৰজান বাগিচাৰ লেবাৰ চলায় গতিকে গ'লে একো অপকাৰ

নহ'ব। কিন্তু চিপাহীয়ে কাটাং জবাব দিলে যে তেওঁ তাক চিনি জানি নেপায়। বাখৰে ভয়ানক লাজ পাইছিল; সি ক'লে, "গিৰীন থক আহা নেলাগে।" গিৰীনে ক'লে, "নহয় ৰবচোন, মইতো যাব পাৰিম যেনে তেনে, এম্-পি দুটা আজি নতুনকৈ আহিছে, সেইবাবে মোক চিনি পোৱা নাই।"

এনেতে জীপ এখন আহি সিহঁতৰ ওচৰত ৰ'ল, দুজন সামৰিক কৰ্মচাৰী নামিল এজন শ্বেতাঙ্গ আৰু আনজন নিগ্ৰো। নিগ্ৰোজনে গিৰীনক দেখিয়েই আগবাঢ়ি আহি মাত লগালে, "হেলাউ জৰ্জ ? কি খবৰ ?" গিৰীনে হাজৰিকা লিখে, গতিকে অসমীয়া শব্দ আমেৰিকা মুখত মুঘূৰাত হাজৰিকাক 'জৰিকাৰ' মাজেদি নি জৰ্জ কৰি আমেৰিকান কৰি লোৱা হৈছিল। এইবাৰ গিৰীনৰ মুখত হাঁহি বিৰিঙি উঠিল; সি কথাটো বুজাই দিবলৈ ওলাল।

শ্বেতাঙ্গজন বাখৰৰপৰা কিতাপ অনা সেইদিনাৰ অফিচাৰজন। তেওঁ বাখৰৰ ওচৰলৈ আহি হাত জোকাৰি সুধিলে, "কি খবৰ আপোনাৰ ? ফিল্ড চাবলৈ যায় নেকি ?"

"হয়" বাখৰে হাঁহি গিৰীনলৈ আঙুলিয়াই ক'লে, "এই ভদ্ৰলোকজনে ইয়াত কাম কৰে। তেওঁ আমাক ফিল্ড দেখুৱাবলৈ লৈ আহি এই গেটত বিপদত পৰিলহি। এম পিয়ে যাবলৈ নিদিয়ে। গতিকে আমি উভতি যাবলৈকে ওলাইছোঁ।"

"নহয় নহয়," অফিচাৰে ক'লে "উভতি যাব কিয় ? মই এটা সুবিধা কৰি দিব নোৱাৰিম জানো ? চাৰ্জেন্ট আহচোন।"

নিগ্ৰো ছাৰ্জেন্টজনে অফিচাৰৰ লগ লাগি এম্- পিৰ ওচৰলৈ গ'ল আৰু অলপ পাচতে ঘূৰি আহি বাখৰহঁতক জীপত উঠিবলৈ ক'লে। ছাৰ্জেন্টজনে ভীম আৰু গিৰীনক লৈ বেকছিটত উঠি ক'লে, "ডাঙৰীয়া আপুনি লিউটেনান্টৰ লগত আগত বহক, মই মোৰে বন্ধু জৰ্জৰ লগত ইয়াতে বহিম।"

৪

জীপ চলিল। মানুহ আৰু যান-বাহনৰ ভয়ানক ভিৰ, তাৰ মাজেদি অফিচাৰে দক্ষতাৰে জীপখন চলাই নিছিল। বেকছিটত ছাৰ্জেন্ট আৰু গিৰীনে কিবা এটা বিষয়ে ফুচফুচীয়া মেল পাতিছিল আৰু খুকখুককৈ হাঁহিছিল। ভীমে অবাক হৈ ফিল্ড চাইছিল।

অফিচাৰে ক'লে, "মই আপোনাক বিচাৰি স্কুললৈ গৈছিলোঁ।"

"হয় নেকি ? আজি আমাৰ স্কুল বন্ধ।"

"সেইদিনাৰ কথাটো সম্বন্ধে মই পিছত বহুত বাৰ ভাবিছোঁ। সেই সম্বন্ধে আপোনাক কোৱাটো উচিত বুলি মই বিবেচনা কৰিছো।"

"কোন কথাটো ?" বাখৰে সুধিলে।

"সেই জেমিৰ কথাটো। সি মোক কৈছিল 'লিউটেনেন্ট চাব দেই, এই মানুহজনৰ লগত মই মজা কৰিম।" মই নতুন মানুহ, সি কি কৰিব খুজিছে বুজিবই পৰা নাছিলোঁ। জেমি একেবাৰে অনভিজ্ঞ, সি ভাৰতবৰ্ষৰ সকলো মানুহকে একে বুলি ভাবে। বিশেষকৈ আজি প্ৰায় ছমাহে সি আপোনালোকৰ বনুৱাবোৰৰ বাহিৰে আন আন মানুহৰ সংস্পৰ্শলৈ অহাই নাই। তাক মই পিচত যথেষ্ট গৰিহণা দিছো।" ভৰতবৰ্ষ সম্বন্ধে মই যিমানখিনি জানিছোঁ, তাক বুজাই দিছো।"

তেওঁলোক এঠাইত নামিছিলগৈ।

এমাইলমান দীঘল আৰু প্ৰায় এক ফাৰ্লংমান বহল ঠাই এটুকুৰা শিলকঙ্কৰ দি পকা কৰিবলৈ লোৱা হৈছে। তাতে আকাশী জাহাজ নামে। কাম কৰি থকা মানুহবোৰ দেখিলে অনুমান হয় যেন সিহঁতে হাউলি কিবা তন্তহে বুটলিছে। পিঠিত এটা টেঙ্ক লোৱা গাড়ী এখনে পগোৱা আলকাতৰা ডালিছে আৰু দম হৈ পৰি থকা শিলৰ টুকুৰাবোৰ আনি কিছুমান বনুৱাই তাত ছটিয়াই ছটিয়াই দিছে। আলি দাঁতিতে ডাঙৰ শিলবোৰ হাতুৰিৰে কোৱাই কোৱাই ভাঙিবলৈ বহি গৈছে বনুৱা মাইকীবোৰ। কিমান ধৰণৰ যান-বাহন আহিছে তাৰ ঠিক নাই, কিছুমানক অকল আহি থকাকে দেখা গৈছে।

গিৰীনে কামকৰা ঠাইলৈ বুলি ছাৰ্জেন্টজনৰ সৈতে শাৰী-শাৰীকৈ বহি বহি শিল ভাঙি থকা ছোৱালীবোৰৰ ফালে গুচি গ'ল। বাখৰ, অফিচাৰ আৰু ভীমে তাতে থিয় হৈ মানুহবোৰে কাম কৰা চাবলৈ ধৰিলে। হঠাৎ মানুহবোৰে এবাৰ প্ৰায় একেলগে কাম এৰি ফিল্ডৰ দাঁতিলৈ লৰ ধৰিলে। কি দেখি বা কিহৰ ভয়ত সিহঁতে এইদৰে লৰি পলাইছিল বাখৰে প্ৰথমে বুজা নাছিল। অফিচাৰে বুজাই দিলে যে ছিগনেল দিয়া বাবে সিহঁত আঁতৰিছে, এৰোপ্লেন নামিব। অলপ পিচতে বস্তুবাহী বিৰাট এৰোপ্লেন এখন পশ্চিমফালৰ পৰা প্ৰথমে এটা বিন্দুৰ দৰে দেখা দি ক্ৰমাৎ ডাঙৰ হৈ আহি নামি পৰিল। তাৰ বতাহৰ বাত কাপোৰ-কানিৰে সৈতে চাই থকা মানুহবোৰক উৰুৱাই নিব খোজে।

তিনিও জীপত উঠি আগবাঢ়ি গ'ল। মানুহবোৰে তেতিয়া আকৌ কামত

লাগি গৈছে। কোলাহলত কোনেও কাৰো মাত নুশুনে। মহৰীসকলে মাজে মাজে ঘুৰি কাম চাই ফুৰিছে, চৰ্দ্দাৰ সকলে লাঠি দাঙি দাঙি গালি পাৰি ফুৰিছে। ঠিকাদাৰসকলে বৰ বৰ পেটেৰে ছাৰ্জেন্ট- অফিচাৰ সকলৰ লগত কথা পাতিছে, মিলিটাৰী কৰ্মীবোৰে হৈ চৈ কৰি কোনটো কাম কেনেকৈ কৰিব লাগিব নিৰ্দেশ দি ফুৰিছে।

জীপখন এডোখৰ আহল-বহল ঠাইৰ মাজেদি পাৰ হৈ গৈছিল, তাৰ দুয়োফালে ভগা ছিগা নানা তৰহৰ যান-বাহনবোৰ পৰি আছে। সামৰিক অসামৰিক কাৰিকৰবোৰে তলে ওপৰে শুই বহি থিয় হৈ কাম কৰিছে। অফিচাৰজনে ক'লে, "মেৰামতি।" বাখৰে মূৰ দুপিয়াই হাঁহিলে। এঠাইত জীপ ৰাখি তিনিও নামি পৰিবলৈ বাধ্য হ'ল। এফালৰ খোল হেন ঠাই এডোখৰৰ পৰা বিৰাট এৰোপ্লেন এখন কেনিবা যাবলৈ ওলাই আহিছিল। বিৰাট 'ডেউকা এখন বাখৰহঁতৰ ওপৰেদি পাৰ হৈ গ'ল। আকৌ জীপত যাওঁতে বাওঁফালৰ ঘৰ এটা দেখুৱাই অফিচাৰে ক'লে, "এইটো পাকঘৰ।" তাৰ ভিতৰত ৰন্ধা বঢ়া চলিছিল; বগা পোচাক আৰু মূৰত বগা মিলিটাৰী টুপী পিন্ধা আমেৰিকান বান্ধনি বাপুবোৰক দেখি বাখৰে মিচিকিকৈ হাঁহিলে। অনেক ভাৰতীয় বনুৱাই সিহঁতক সহায় কৰিলে। কিছুমানে আলু উৰহি, মটৰ আদি পাচলি ধুইছে আৰু বাচিচে। কিছুমানে কাহী বাটিবোৰ গৰম পানীত ধুইছে।

জীপখন গৈ গৈ আধামাইলমানৰ পিচত আন এঠাইত ৰ'লগৈ। সোঁফালে এটা দীঘল অফিচ ঘৰৰ সমুখত অসংখ্য মানুহ ৰৈ আছে, ভাৰতীয় বিলাকে এলাহ ভাৱত আৰু বাকীবিলাকে বৰ ব্যস্ত ভাৱত। মাৰ্কিন চিপাহী একোজন অফিচৰ পৰা একোবাৰ ওলাই ভাৰতীয়সকলৰ লগত বাহিৰত কিবাকিবা বিষয়ে আলোচনা কৰিছে। অফিচাৰে ক'লে, "সেইটো আমাৰ লিয়াইছন অফিচ। তাত নতুন নতুন মানুহ ভৰ্ত্তি কৰিছে। আমাক এতিয়া বহুত চিভিল মেকানিক লাগে আৰু শ্যে ক্লাৰ্কো লোৱা হৈছে। সেইটো এটা মিলিটাৰী কেন্টিন, আলিটোৰ সিপাৰে সেইটো থিয়েটাৰ, তাত চিনেমা দেখুৱা হয়।" চাপৰ খিৰিকীয়েদি কেন্টিনৰ ভিতৰত কাম কৰি তকা শ্বেতাঙ্গ মহিলাসকলক দেখা যায়। কেন্টিনৰ ভিতৰত ভয়ানক ভিৰ। থিয়েটাৰটোৰ ভিতৰৰ পৰা এবাৰ এযোৰ মিলিটাৰী ডেকা গাভৰু হাতত ধৰাধৰিকৈ ওলাই আহিল। ভীমে মিচিক কৰে হাঁহি পেলালেঃ ধেৎ লাজ কাম। সি তলমূৰ কৰিলে।

তেওঁলোক আকৌ জীপত উঠি আগবাঢ়ি যাবলৈ ধৰিলে। দুশাৰী ছাউনিৰ

মাজেদি বাটটো, দুটা মেছ হল বা পাকঘৰ তেওঁলোকে পাৰ হৈ গ'ল। দুয়োটাৰে আগতে দেখা ধৰণৰ লৰা-ধপৰা আৰু কাম কৰি থকাৰ ব্যস্ততা! অফিচাৰে ক'লে "এইবোৰ ছাউনিত দুটা স্কোৱাড্রন থাকে। যাৰে তম্বু আটাইতকৈ চাফ-চিকুন হৈ থাকে মাহটোৰ ভিতৰত সেই যে দেখিছে কাঠৰ খুটাৰ ছিলটো সেইটো দিয়া হয়। মই জনাত সেই এশ নম্বৰ তম্বুটোৱেই দুবাৰ এই চিন পাইছে। এঠাইত এখন ময়দানত এদল দিগম্বৰপ্ৰায় সৈনিকে ছানগ্লাছ পিন্ধি এটা বল দলিয়াদলি কৰি খেলি আছিল। অফিচাৰে ক'লে, "দূৰ বিদেশত ইহঁতে এইবোৰকে লৈ ঘৰৰ কথা পাহৰি থাকে।"

বাখৰে একো নক'লে।

অফিচাৰে ক'লে, "এই ফালেদি হেড-কোৱাৰ্টাৰৰ পাচ ফালেদি পাৰ হৈ যাওঁ আহক।"

হেড- কোৱাৰ্টাৰৰ অফিচটো চেৰাই চমকা চমকে ঘাঁহনি থকা আলিৰ মাজেদি তেওঁ জীপখন চলাই নিবলৈ ধৰিলে। তেওঁ ক'লে "আপুনি দেখোন তেনেই নীৰৱ হৈ আহি আছে। ফিল্ডখন চাই কেনে লাগিল?"

বাখৰে হাঁহি ক'লে, "ভাল লাগিল, কিন্তু মই অন্য কথা ভৱিহে নীৰৱ হৈ আছোঁ। ভাবিছোঁ, আজিৰ এই ডুমডুমাৰ ব্যস্ততা, সেইটো আমাৰ নিজা নহয়, সেইটো আপোনাৰহে। মই ভাৱিছোঁ ইয়াক আমাৰ মানুহে হজম কৰিব পাৰিব নে নোৱাৰে।"

৪

তেওঁলোকে আকৌ এৰোড্রোম ওলালগৈ। সিটো দাঁতিত থকা এটা বঙলা ঘৰলৈ অফিচাৰে জীপখন চলাই নিলে। বাখৰে চিনি পালে এইটো ঘৰত আগতে চুকেৰিটিং বাগিচাৰ কাম কৰা এজন কৰ্মচাৰী আচিল। ওচৰৰ কলঘৰ আৰু চাংঘৰবোৰত এম-ই-এছৰ অফিচ আৰু গুদামঘৰ বহিছে।

"হেলউ চিক'!" আফিচাৰে বঙলাত উঠি চাকৰ ধৰণৰ ল'ৰা এটাকে মাতিলে। লংপেন্ট, নিকা কামিজ, পলিচ জোতা আৰু মোজাৰে ফিটফাট ল'ৰাটোৱে প্ৰায় মাৰ্কিন মাতেৰেই উত্তৰ দিলে, "হেলউ লিউটানেন্ট!" বাখৰে তাক প্ৰথমে চিনিবই পৰা নাই, সিহে আগবাঢ়ি আহি চিনাকি দিলে।

"নমস্কাৰ ছাৰ।"

"কোন, বোধন দেখোন।" বাখৰ অবাক।

"হয় ছাৰ।"

অফিচাৰে সুধিলে, "আপুনি তাক চিনি পায় নেকি?"

বাখৰে ক'লে, "পাওঁ। তেওঁ মোৰ ছাত্ৰ আছিল।"

"অ' হয় নেকি? বেছ বেছ, আহক মোৰ কোঠালৈ। চিক' দিচ মেনকো এক চেয়াৰ। আউৰ আফটাৰ এ ফিউ মিনিটছ ইদৰ আউ।" অৰ্থাৎ ছোকৰা এই মানুহজনক এখন চকী দি কেইমিনিটমানৰ পিচত আহি যাবা।

লিউটেনান্টৰ পৰিপাটি কোঠাটোলৈ বাখৰ সোমাই যায়। ৰিভল ভাৰ বেল্ট, ষ্টিল হেলমেট, খাকি কাপোৰ- কানি, কলপতীয়া কম্বল ইত্যাদি বস্তুবোৰে সহজেই ৰণুৱা থকাৰ চিনাকি দিয়ে, কিন্তু বাখৰৰ মনলৈ আহিছিল মিলিটাৰী অফিচাৰ থকা আগৰ বঙলা ঘৰটোৰ কথা আৰু এম-ই-এছৰ কাম কৰা আগৰ ঘৰবোৰৰ কথা। দেশৰ ৰক্ষাৰ নামত, সাম্ৰাজ্য ৰক্ষাৰ নামত চক্ৰশক্তিৰ কবলৰপৰা পৃথিৱী আৰু সভ্যতাক জীয়াই ৰখাৰ নামত যিহৰ নামতে বোলা নহওঁক বহুত দিন ধৰি নিৰ্বিঘ্নে চলি অহা চাহখেতি বন্ধ হৈ গ'ল, চাহ বাণিজ্যৰ নামত পানী এচলু দি থোৱা হ'ল। ঘাঁহনিবোৰ উভালি পেলোৱা হ'ল, বনুৱাবোৰক সংশ্লিষ্ট কোম্পানীয়ে অন্যান্য বাগিচাবোৰত সুমুৱাই ল'লে। চাহকৰ্মচাৰীসকলৰ কোম্পানীয়ে সুবিধা কৰা মতে কিছুমানে কাম ল'লে, বাকীবোৰ পৈতৃক প্ৰাণবস্তু কেইফেৰী লৈ গাঁৱে- ভূঞে সোমালগৈ, বহুতৰে জীৱনৰ গতি সলনি হৈ গ'ল। বহুতদিন অবিৰাম বৈ থকা বোঁৱতী সুঁতিটোৰ গতিপথ যেন এদিন অকস্মাতে সলনি হৈ গ'ল! আন এটা নতুন আগে নভৱা পথেদি ইচ্ছা কৰিয়ে হওক অথবা বাধ্য হৈয়েই বৈ যাবলৈ ধৰিলে। এই সলনিয়ে কেনে কেনে ধৰণৰ ভৱিষ্যতৰ সূচনা কৰিব কোনেও নেজানে।

৫

বাখৰে টেবুলত পৰি থকা কিতাপ এখন মেলি চাইছিল। প্ৰথমে গৰাকীৰ নামটো চাইছিল। লিউটেনান্ট ডি. গ্ৰেব্ৰিলছ, ১৩৩৭ বেছ ইউনিট, ইউ-এছ আৰ্মি। অফিচাৰে ওচৰত বহি হাঁহি ক'লে, "মোৰ নামটো চাইছে নেকি? পুৰা নামটো হ'ল ডেভদ গ্ৰেব্ৰিলছ। অ' ঠিক কথা মনত পৰিছে, আপোনাৰ নাম ঠিকনা মোক লিখি

দিয়ক।”

তেওঁ অকনমানি বহী এখন উলিয়াই দিলে আৰু বাখৰে তাৰ নাম ঠিকনা লিখি দিলে। সিও এটুকুৰা কাগজত গ্ৰেব্ৰিলছৰ নাম ঠিকনা লিখি ল'লে।

এবাৰ বাখৰে মাত লগালে, “বাৰু মিঃ গ্ৰেব্ৰিলছ - অহ আপোনাৰ নামটো মাতিবলৈ বৰ টান দেখোন।”

“কিয় আপুনিটোন মোক অকল ডেভি বুলি মাতিব পাৰে, সেইটো বোধকৰো অতি সহজ হ'ব। মোক ঘৰত আটায়ে ডেভি বুলি মাতে আৰু আমি আমেৰিকানসকলে বন্ধুত্ব সূত্ৰত বান্ধ খালে প্ৰথম নামটোৰ মাতলেই ভাল পাওঁ।”

“হয়নেকি?”

“হয়, কিন্তু তোমাৰ কোনটো নাম মাতিম। ছাইকীয়ে টো নে বাক্অৰ টো? আমেৰিকানসকলে বন্ধুক যিটো নামেৰে মাতি ভাল পায়।”

ডেভিদে হাঁহিলে।

বোধনে কাগজৰ কাপত এবিধ ফলৰ ৰস আনি দিলে, ডেভিদে ভীমকো কিবাকিবি খুৱাবলৈ বোধনক হুকুম দিলে। ৰস খোৱাৰ পিচত চিগাৰেট হুপি হুপি দুয়ো নানান ধৰণৰ কথা পাতিবলৈ ধৰিলে। ডেভিদে ফটোৰ এলবাম এটা উলিয়াই ঘৰৰ সকলোবোৰকে দেখুৱাই দিবলৈ ধৰিলে আৰু পিচত বংশৰ পৰিচয়ো দিলে। তেওঁলোকে আদিতে অষ্ট্ৰিয়াৰ মানুহ আছিল। ককাক বুঢ়ীমাকেই তেওঁলোকৰ যৌৱনত আমেৰিকালৈ পাৰি দি নিগাজিকৈ বহি গ'ল। ডেভিদ নামটো ককাকৰ। তেওঁলোকৰ ইলিনইছৰ ঘৰত বৰ্তমান বুঢ়ীমাক, এজন বিবাহিতা ভায়েক, এজনী কলেজত পঢ়া ভনীয়েক আৰু এটা স্কুলত পঢ়া ভায়েক আছে। দেউতাক এটা ডাঙৰ বেঙ্কৰ খাজাঞ্চী, ককায়ক কলেজৰ প্ৰফেছৰ, ডেভিদ নিজে এম- এ-পাছ। ভনীয়েক কেৰলিন বৰ বুদ্ধিমতী ছোৱালী, ডেভিদৰ বিশ্বাস তাই সময়ত বুদ্ধিজীৱীনী হ'বগৈ। সৰু ভায়েক হেৰী পঢ়া শুনাত বৰ মন নাই, খেল আৰু কেমেৰা লৈয়েই সি বলিয়া। এমা নামৰ ছোৱালী এজনীৰ লগত ডেভিদ ঘূৰি গ'লে তেওঁৰ বিয়া হ'ব। এমা নিউইয়ৰ্কৰ এজন সামান্য কেৰাণীৰ জীয়েক। লছ এঞ্জেলিছত এদিন হঠাতে বুঢ়ীমাকক লগ পাবলৈ গৈ বিপদত পৰা এমাক ফুৰিবলৈ যোৱা ডেভিদে ৰক্ষা কৰিছিল, তাতে তেওঁলোকৰ প্ৰথম চিনাকি। তাৰ পিচত চিঠিৰ আদান-প্ৰদান, তাৰ পিচত ডেভিদৰ মনে মনে নিউ ইয়ৰ্ক গমন,

ইত্যাদিৰে পৰা দুয়ো ঘৰতে কথাটো ৰাষ্ট্ৰ হৈ গ'ল। শেষত খাজাঞ্চী আৰু প্ৰফেছৰে নিউ ইয়ৰ্কলৈ গৈ কেৰাণীৰ লগত কথা পকা কৰি পেলালে। অৱশ্যে যুদ্ধৰ বাবে ডেভিদ সাগৰ পাৰ হৈ ভাৰতবৰ্ষলৈ আহিব লগাত পৰিল।

"মই তোমাৰ কথা কেৱলিন আৰু এমালৈ লিখিম, বাখৰ," ডেভিদে কৈ গ'ল, "তাহাতে চাৰা খুব ভাল পাব। মায়েতো মোৰ বন্ধুসকলক খুব মৰম কৰে, নিজৰ সন্তানৰ দৰে। মই দুই এদিনতে তোমাৰ ফটো এখন পঠাই দিম।"

তাৰ পিচত ডেভিদে জীপত তুলি বাখৰ আৰু ভীমক ডুমডুমাত থৈ গ'লহি। খেৰজানলৈকে আহিব খুজিছিল, কিন্তু বাখৰে অলপ কাম আছে বোলা বাবে ডুমডুমাৰ পৰাই গ'লগৈ।

*************

# ছয়

## ১

ভীমক ঘৰলৈ পঠাই দি এবটল চিয়াঁহী কিনিবলৈ বাখৰ এখন মনিহাৰী মালৰ দোকানত সোমাল। দোকানখন নতুন, সৰু কোঠা এটাত দামী-সস্তীয়া অসংখ্য বস্তু হুলস্থুলকৈ পেলাই থৈছেঃ আৰ্চী-ফনি, লিখাৰ সঁজুলি, মূৰৰ তেল, প্ৰসাধনৰ সম্ভাৰ, জোতা-মোজা, ঊণী কাপোৰ ভালেমান খেলাৰ সামগ্ৰী ইত্যাদি। সমুখৰ কাউন্টাৰত পেকেটে পেকেটে চিগাৰেট সজাই থোৱা আছে। দোকানৰ গৰাকী বাদৰুদ্দিনক বাখৰে চিনি পায়। তাহানি স্কুলত একেলগে পঢ়িছিল। ইংৰাজী ব্যাকৰণ নোহোৱা বাবে স্কুলৰ চেকেণ্ড মাষ্টৰে বদৰক বৰকৈ মৰিওৱাৰ কথা বাখৰৰ এতিয়াও বেছ মনত আছে। পঞ্চম মানৰ পৰাই বদৰে স্কুল এৰে। এতিয়া তেওঁ বাখৰৰ বয়সীয়া ডেকা ল'ৰা। বাখৰে বদৰক মাজতে লুঙি গেঞ্জি পিন্ধি চাইকেল এখনত ঘূৰি ফুৰাহে দেখিছিল বহুত দিনলৈ। আজি বদৰুদ্দিন ফিটফাট টাউজৰ্ছ, কম্বিনেশ্যন জোতা আৰু ফুটা-নুফুটা ইংৰাজী ভাষাৰে ব্যৱসায়ী, চিগাৰেটৰ ধোঁৱাৰ প্ৰকোপত এটা চকু প্ৰায়েই মুদি থাকিব লাগে এনে অৱস্থা।

দোকানত তেতিয়া এজাক মাৰ্কিন সৈন্য সোমাই আছিল, কৃষ্ণাঙ্গ শ্বেতাঙ্গ দুয়োবিধ। বাহিৰত ৰৈ থকা বাখৰক দেখিছিল যদিও মাত লগাবৰ অৱসৰ বদৰুদ্দিনৰ তেতিয়া নাছিল। মহাসমৰৰ ব্যস্ততাবোৰ তেনেকুৱাই। কিন্তু অপেক্ষা কৰিবৰ ধৈৰ্য্য বাখৰৰ যথেষ্ট আছিল আৰু মানুহৰ বেহৰূপ চায়ো ভাল লাগে। ভালেমান পৰৰ মূৰত এজাক সৈনিকেই ওলাই আহিল। কাৰোবাৰ হাতত ঘূৰণীয়া আৰ্চী, কাৰোবাৰ হাতত কাঁচৰ গিলাচ, কাৰোবাৰ কাষলতিত চিগাৰেট পেকেট আৰু কাৰোবাৰ চিঠি লিখা পেড। দোকানৰ বস্তুবোৰলৈকে ঘূৰি চাই চাই সিহঁত ওলাই আহিছিল। কোনোটোৱে মূৰ দাঙি বাখৰৰ পিনে একোবাৰ চাইছিল। কোনোটোৱে আকৌ আগতে কৰ'বাত এবাৰ দেখাৰ দৰে চকু টিপিকিয়াই মাতকে লগাই পেলাইছিল "হেলউ !"

সিহঁত গৈ শেষ হোৱাৰ পিচতো বাখৰে বাহিৰত ৰৈ একান্ত মনে টকা লেখি থকা বদৰলৈ আপেক্ষা কৰি আছিল। সি ইচ্ছা কৰিয়েই মাত দিয়া নাছিল! মগজ খটাই হিচাপ কৰোতে একো একোবাৰ মূৰ তুলি চাবলগীয়া হোৱাত বদৰে বাখৰক যদিও

দেখিছিল তথাপিও মাজতে মাত দি তাৰ হিচাপত ভুল কৰাৰ ইচ্ছা সি কৰা । নাছিল। প্ৰায় পোন্ধৰ মিনিট মানৰ পিছত বদৰে মাত লগালে, " কি লাগিব ?"

যেন বাখৰৰ নামটোও সি পাহৰি গৈছিল, বাখৰে ভাৱিলে।

কিন্তু সি মিচিক কৰে হাঁহি দিলে, বদৰক ৰঙা নপৰিবলৈ চেষ্টা কৰি বহাৰ পৰা উঠা দেখা গ'ল। বাখৰে দোকানৰ ভিতৰ সোমাই ক'লে "মোক এবটল চিয়াহী দিয়াহে বদৰ।"

"চি-বি-টি আছে, " বদৰে ক'লে, "তিনিটকা লাগিব, দিম নেকি ?"

"দিয়া বাখৰে তিনিখন এটকীয়া নোট উলিয়াই দিলে

চিয়াঁহী এবটল উলিয়াই দি বদৰে ক'লে, "তোমাক বুলিহে তিনি টকাত

দিলো। আমেৰিকানবোৰৰ পৰা পাঁচ টকাকৈ লওঁ।"

"লোকচান নকৰিবা আক' মোৰ নামত" --বাখৰে ক'লে।

"নাই নাই, তুমিতো আৰু আমেৰিকান নোহোৱা।" বদৰে শুধৰাই দিলে।

"অঁ ঠিকেই কৈছা" -- বাখৰে স্বীকাৰ কৰিলে, "বাৰু যাওঁ দেই।"

"নবহা নেকি ?"

"নাই, যাওঁ।"

বাখৰে বাটৰ ওচৰ পাওঁতেই বদৰে পাচফালৰ পৰা চিঞৰি মাতিলে, "বাখৰ চিগাৰেট খোৱা নেকি ? আহাঁ আহাঁ।"

"থক নেলাগে এতিয়া।"

২

বাটে বাটে বাখৰে বদৰৰ কথাকে ভাবিছিল। মানুহৰ চেতনাবোৰ কেনেকৈ অৱস্থাই সলনি কৰে। বদৰৰ বাবাকৰ উপাৰ্জন আছিল সামান্য এখন বিড়ি-জুইশলা-ধপাতৰ দোকানৰ পৰাই, সামান্য লিখা পঢ়া জানিছিল বাবে আৰু কিছুমান হেকিমী ঔষধ জানিছিল বাবেই কোনোমতে ঘৰখন মধ্যবিত্তিয়া কৰি ৰাখিছিল নহ'লে কাহানিবাই খাটি খোৱা শ্ৰেণীত নামি পৰিলহেঁতেন। পাঠশালা আৰু মাইনৰত পঢ়োতে বাখৰে

অনেকবাৰ বদৰক দেখিছে, ফটা কামিজ আৰু টাপলি মৰা হাফপেন্ট পিন্ধি, স্বভাৱজাত গৰীৱ মুখখন নুলুকুৱাকৈয়ে স্কুললৈ অহা যোৱা কৰা। বজৰুৱা ল'ৰাবোৰৰ লগত খেলাধূলা কৰাত সামাজিক, আৰ্থিক পাৰিবাৰিক কোনো ফালৰ পৰাই বাধা নথকাত বদৰৰ চৰিত্ৰত লিখা-পঢ়ালৈ ধাউতিও কম আছিল। তাৰ পিছত, পঞ্চম মানতে স্কুলৰ নিয়মানুৱৰ্তিতাত বৰ্তিব নোৱাৰি, ববাকৰ পিনৰ পৰাও আৰ্থিক অনাটনৰ হেচাত পঢ়াৰ তাগিদা নাপাই বদৰুদ্দিনে স্কুল এৰি দিয়ে আৰু ইটা শিল আৰু টিনপাতৰ শুকান নগৰতে বনৰীয়া বিহঙ্গম হৈ বিচৰণ কৰিবলৈ ধৰিলে। ববাকৰ দাবি ধমকি খাই কোনোমতে ভাতকিটা পেটত ভৰাই ঘৰৰ বাহিৰত থকাই আছিল বদৰৰ কেইবছৰমানৰ জীৱন। হাফপেন্ট এৰি সৰহভাগ লুঙি আৰু পায়জামা পিন্ধিবলৈ লোৱাৰ পৰা ভালেমান দিন বদৰে স্থানীয় চিনেমা হলত গেটকিপাৰৰ কাম কৰিছিল, মাহে- পোন্ধৰ টকা দৰমহাত। শৈশৱৰ বন্ধু বাখৰক মাজে মাজে দেখিছিল যদিও মাতিবলৈ সি সঙ্কোচ কৰিছিল। নিকা কাপোৰৰ- কানি পিন্ধা, ভদ্ৰৱেশত চলন-ফুৰণ কৰা স্বাস্থ্যবান কলেজীয়া ডেকা বাখৰক এদিনৰ শৈশৱৰ বন্ধু হলেও লুঙি পিন্ধি বজাৰত টহল দিয়া গেটকিপাৰ বদৰে মাতিবলৈ সঙ্কোচ কৰিছিল।

আৰু আজি? আজি বদৰে,বাখৰক মাতিবলৈ টান পাইছে। বজৰুৱা জীৱনৰ মাতিব নোৱাৰা সঙ্কোচখিনিৰ বেদনাই যেন আজি প্ৰতিশোধ লব খুজিছে। পৃথিৱীৰ গতি আজি সলনি হৈ গৈছে। বদৰুদ্দিনৰ সংসাৰত আজি উভৈনদীৰ বানপানী। বাখৰ কিমান ধনী? কাৰ কিমান টকা আছে। খেৰজান বাহিছাৰ কেৰানীতো? ফুঃ! বাখৰ চাকৰ' স্কুলৰ চাকৰি কৰে। বদৰ স্বাধীন ব্যৱসায়ী। সি ভাবিছে, দোকানত ববাকক থৈ নিজে মিলিটাৰী ঠিকা কৰিব। ডিব্ৰুগড়ৰ বেঙ্কত থোৱা টকা কেইহেজাৰ উলিয়াই আনিব। যুদ্ধৰ বজাৰত আজি সামান্য ঘেৰামী কুলীয়েও হাবিত এনেয়ে পোৱা বজাল বাহঁৰ ঢাৰি বৈ লাখপতি হৈ গৈছে। বদৰ বহি থাকিব কিয়? মহাসমৰ জিন্দাবাদ।

৩

"বাখৰ, চাইকেল নিনিয়া নেকি।" পাচফালৰ পৰা কোনোবাই মতা শুনি সি উভতি চাই দেখে চাইকেল দোকান এখনৰ পৰা নিজামে মাতিছে। তাৰ তেতিয়াহে মনত পৰিল, চাইকেলখন ইয়াতে থৈ গৈছিল। বদৰুদ্দিনৰ কথা ভাবি ভাবি আহি থাকোতে নিজামৰ দোকানত চাইকেল থোৱা কথালৈ সি পাহৰিয়ে গৈছিল। সি উভতি গৈ নিজামৰ দোকানত সোমাল।

"এৰোপ্লেন চালা?" নিজামে ক'লে, "বহা।"

দোকানৰ একমাত্ৰ চকীখনত বাখৰ বহে। দীঘল ঘৰ এটাৰ সৰু কোঠা এটা ভাড়ালৈ নিজামে দোকান খুলিছে, আজি প্ৰায় চাৰিমাহমানহে হৈছে। আগতে টাঙ্ক ৰোডত থকা মোমায়েকৰ ডাঙৰ চাইকেল দোকানত কাম কৰিছিল। ডেকা নিজামৰ দোকানত মেৰামতিয়ে সৰহভাগ হয়, নতুনবস্তু কমেই আছে - মাত্ৰ কেইখন মান মাডগাৰ্ড, কেইটামান টায়াৰ টিউব, দুকোচা স্প'ক আৰু অলপ অচৰণ চাইকেলৰ দৰকাৰী বস্তু। ফ টা টায়াৰ টিউব, মেৰামতি কৰা ৰেঞ্চ আদি সিচৰিত হৈ পৰি আছে। এখন আধা ভগা টেবুল আৰু এখন হাত নোহোৱা চকী, এয়ে তাৰ দোকান।

বাখৰে ক'লে "চালো দেও"

"কেনেকুৱা লাগিল?"

নিজামে মিক্‌চাৰৰ টিনটো জুইশলা আৰু পেপাৰেৰে সৈতে উলিয়াই আগবঢ়াই দি চুকৰ পৰ্দাখনৰ ফালে চাই মাত লগালে, "মাই অ' দুখন তামোল দিবিচোন।"

ভিতৰৰ পৰা এগৰাকী বুঢ়ী মানুহে ক'লে, "দিওঁ"

বাখৰে ক'লে, "কিনো কবা, কাহানিও নেদেখা নুশুনা বস্তু দেখিলো। আমাৰ কালা আদমীবোৰে মন লগাই পৰা দেখি ভাবিছোঁ মিলিটাৰীবোৰ গ'লে আমি জানো এইবোৰ মানুহক লৈ কি কৰিম।"

"কিয়?"

"গোটেইবিলাক মানুহ মিলিটাৰী ফেছ্নৰ হৈ পৰিছে। ইহঁতে জানো যুদ্ধ শেষ হ'লে আমাক কেয়াৰ কৰিব আৰু?"

নিজামে চাইকেল এখনৰ চকা খুলিবলৈ ৰেঞ্চ লগাইছিল ক'লে, 'যুদ্ধ যাওকচোন আগতে পিচতো দেখা যাব।"

পৰ্দাৰ সিফালৰ পৰা নিজামৰ মাকে মাত লগালে, "পাণ নে অ' নিজাম।"

নিজামে তামোল আনি বাখৰক দিলেহি। তামোল খাই বাখৰে ক'লে, "নিজাম তুমিচোন দোকান নুখুলি ফিল্ডত মেকানিকৰ কাম লব পাৰিলাহেঁতেন। ফিল্ডত পইচা বহুত।"

নিজামে হাঁহি ক'লে, "হয় নেকি? থক দিয়া, অকল মিলিটাৰীৰ কাম কৰিলই হ'ব জানো? চিভিল মানুহৰ চাইকেলবোৰকে মই ৰিপিয়াৰ কৰি দিম। বেয়া হব জানো?"

"এৰা নহ'লে চিভিলবোৰক মানুহে পাহৰিছেই।"

"আক তেনে?" চকাটো সোলোকাই মাটিত থৈ নিজামে ক'লে, "মই অলপ ধাৰ্মিক মানুহ। মদ খোৱাটো আমাৰ এটা হাৰাম। মদ খোৱা চিপাহীৰ কাম কৰিলে হাৰাম খাওঁতাৰ চাকৰি কৰা নহ'ব জানো? আৰু আমাৰ ধৰ্ম মতে সুতো লব নেপায়। মোৰ বহুত টকা হ'লে বেঙ্কত থব লাগিব, বেঙ্কত থলে সুত লব লাগিব— সেইটোনো কেনেকৈ কৰিম?"

বাখৰে হাঁহিলে। ক'লে তুমি মহা ধাৰ্মিক।"

বাখৰৰ অন্তৰখন শাঁত পৰি গ'ল। বদৰৰ ব্যৱহাৰে তাক মনত দুখ দিছিল, কিন্তু নিজামৰ মুখৰ হাঁহি কেই মোকোৰা দেখি তাৰ ভাল লাগি গ'ল। হক তেওঁ সকলো মানুহ যুদ্ধত হেৰাই যোৱা নাই, সকলো মানুহে মানুহ মৰা যুদ্ধত উটুৱাই দিয়া নাই।

তাৰ মনত পৰে সৰুৰে পৰা নিজামে মোমায়েকৰ দোকানত কষ্টেৰে কাম শিকিছিল; বায়েকৰ ল'ৰা বুলি মোমায়েকে অনিচ্ছা সত্বেও নিজামক দোকানত ৰাখিবলৈ বাধ্য হৈছিল; নিজামে মোমায়েকৰ চৰ গালি হজম কৰিও পেটৰ দায়ত পৰি, বুঢ়ী মাকজনীৰ মুখলৈ চাই মোমায়েকৰ দোকানত দিন কটাই আহিছিলি; অনাদৰ অৱহেলা কি বস্তু নিজামে জানে। মিলিটাৰীৰ চাকৰি চিৰদিনীয়া নহয়, সি উপলব্ধি কৰিছিল। সেইবাবেই সামান্য দোকান খুলি নিজৰ আত্মসন্মান জীয়াই ৰাখি চৰিবলৈ চেষ্টা কৰিলে।

৪

চাইকেল লৈ বাখৰ নিজামৰ দোকানৰ পৰা ওলাল। কিন্তু অলপদূৰ যোৱাৰ পিচতেই গিৰিৰ সমুখৰ পৰিলগৈ। তাই তেতিয়া ঘৰৰ সমুখৰ ফুলনিত চাকৰ এটাক ফুলগছৰ গুৰি চিকুনুৱাত পৰিচালনা কৰি আছিল। তাই মাতিলে, "কেনি যায় বাখৰদা? নামকচোন নামক।"

সি চাইকেলৰ পৰা নামিল আৰু গিৰিয়ে লৰালৰিকৈ আগবাঢ়ি আহি গেটখন খুলি দিয়ে। সি চাইকেলখন এঠাইত আওজাই থৈ গেটৰ ভিতৰলৈ সোমাই গ'ল আৰু যাওঁতে ক'লে, "এৰোদ্ৰোমখন আজি চাই আহিলো।'

সিহঁতে পট্ৰিকোটোৱেদি ভিতৰ সোমাই গ'ল। তাত গিৰিৰ দেউতাক নৱকান্ত

বৰুৱাৰ সৈতে বহি ভালেমান মানুহে উচ্চস্বৰত কথা পাতি আছিল মাৰোৱাৰী মহাজন, বঙালী ঠিকাদাৰ, বিহাৰী বনুৱা, যোগানধাৰী ইত্যাদি। বাখৰক ভিতৰত বহুৱাই, গিৰিয়ে ক'লে, "এইমখাৰ কথা নকব আৰু। দেউতাই মিলিটাৰী কনট্ৰেক্ট লৈছে, তাৰে চৌব্বিশ ঘন্টা আলোচনা। ইমান যে গণ্ডগোল কৰি থাকে দিনৰ দিনটো, আনকি ৰাতি দুপৰলৈকে। মই সেই দেখি পৰাপক্ষত পাৰ্টিকোলৈ নাহোঁৱেই।"

বাখৰে মাত্ৰ হাঁহিলে; হঠাতে তাৰ চকুত পৰিল যে গিৰিৰ নতুন ৰূপ এটা সি ইমান দিনে লক্ষ্যই কৰা নাছিল। স্বাস্থ্যবান বগা শৰীৰত কলা জৰ্জেট, ভৰিত গুথা চেণ্ডেল, এলবাৰ্ট ফেছনত আবেলি এবাৰ বন্ধ ধুনীয়া চুলিটাৰী এতিয়া পৰিশ্ৰম কৰা বাবে মুকলি হওঁ হওঁ। তাইৰ মুখমণ্ডলত কিহবাৰ ৰঙচুৱা মাদকতা। ওঠ দুটাই সময়ে-অসময়ে হাঁহিয়েই থাকিব খোজে। কাণৰ পাচফালে একো চমকা পাউদাৰ বৈ গৈছে হয়তো নেদেখাত। গাৰ ওচৰৰ বতাহত কিহবাৰ এবিধ উৎকট গোন্ধঃ সেই গোন্ধ বনৰীয়া ফুলত পোৱা নাযায়, চহৰৰ ফুলনিত ৰোৱা প্ৰাচ্য-প্ৰতিচ্য কোনো ঠাইৰে ফুলগছত পোৱা নাযায়, গধূলিৰ পিচত বলা বতাহ জাকেও নেদেখা ঠাইৰ পৰা সেই গোন্ধ বোকোচাত লৈ নাহে। সেই গোন্ধ প্ৰস্তুত পদাৰ্থ, পশ্চিমৰ কোনোবা এখন ৰাসায়নিক শিল্প প্ৰতিষ্ঠানত অনুপাতিক মিশ্ৰণৰ দ্বাৰা তাৰ জন্ম।

বাখৰৰ চকুত পৰে, বেৰত আগেয়ে নেদেখা এজন ধুনীয়া ডেকাৰ এখন ফটোগ্ৰাফ।

পঢ়া টেবুলখন এনেয়ে লাৰিচাৰি গিৰিয়ে কয়, "আহক বাখৰদা ইয়াতে বহকহি। আজি কিন্তু আপোনক এক ঘন্টা ডিটেন কৰিম। বহক মই চাহৰ খবৰ কৰোঁ।" তাই ওলাই গ'ল। তাই নিৰ্দিষ্ট কৰা চকীখনত বহি বাখৰে দেখিলে আলফুলকৈ এখন বহীৰ তলৰ পৰা ওলাই আছে এখন চিঠিৰ এটুকুৰা "......খিনি নেপাহৰিবা। উত্তৰলৈ বৰ হেপাঁহেৰে বাট চালো। চুমা ইতি — তোমাৰেই — জয়ন্ত।"

সি বহীখন টান মাৰি চিঠিখন ঢাকি থলে।

চাহ খোৱৰ পিচত চ'ফৰ বটাটো আগবঢ়াই দি গিৰিয়ে ক'লে. "এটা নতুন গান শিকিছিলোঁ। শুনিব নেকি বাখৰদা?"

"আহা আগতে পঢ়াহি," সি অলপ টান মাতেৰে ক'লে। বাধ্য ছোৱালীৰ দৰে তাই কিতাপ এখন মেলি লয়হি। কিছু সময় বলকি থকাৰ পিচত তাৰ খং পৰি আহে

আৰু সি ভাৱিবলৈ ধৰে, তাই আগ্ৰহ কৰি গানটো গাব খুজিছিল, সেইদৰে কৈ বেয়া কৰিলে। গতিকে আৰু আধা ঘন্টামান কোনো মতে ধৈৰ্য্য ধৰি পঢ়াই তাইৰ হাতত ধৰি ক'লে, "বাৰু আহাচোন ভাই এতিয়া গাম বোলা গানটো গাই পেলোৱাগৈ। ৰ'দত শুকাই অহা মনটো অলপ তিয়াই লওঁ।"

হাঁহি হাঁহি উঠি তাই এচুকত থকা অৰ্গেনটোত ওচৰত বহেগৈ।

ওলাই আহিবৰ সময়ত নৰকান্ত বৰুৱাই তাক পৰ্টিকোত বহুৱাই কথা পাতিবলৈ ধৰিলে। "দেউতাৰাক কবাচোন, বুলি পুৰণি বন্ধুবোৰক পাহৰি যাব নেপায়। মোৰতো সময়েই নাই, মিলিটাৰী কন্ট্ৰেক্টৰবোৰ লৈ মহা জঞ্জালত পৰিলোঁ। দহটা বেৰেক চুকেৰিটিঙত পোন্ধৰ দিনৰ ভিতৰত সাজি দিব লাগে। এই ঠিকাদাৰ পোৱালীবোৰ লৈ মহা মস্কিলত পৰিলোঁ, সিহঁতেই আলি বন্ধা বাঁহ অনা হেন তেন কৰা কৰি কৰি কুলীবোৰ সুমুৱাই থৈ হাঙ্গামাত পেলালে। ছুবৃজী ছাপ্লাইটো একেবাৰে মেনেজাৰৰ হাততে ছমজি দিছোঁ। কি কৰিম মই হেল্পলেছ। অকলে নোৱাৰা। নতুন ঘৰটোও আৰম্ভ কৰিলোঁ। মোৰ ঘৰটো চাইছাগৈনে নাই, সেই তোমালোকৰ স্কুলৰ ওচৰতে। নাই চোৱাগৈ? যাবা চাই আহিবা। দুমহলীয়া কৰিব লাগিব। মেটেৰিয়েল পোৱা বৰ মস্কিল। কি ক'লা? লোকেলিটিটো বেয়া? নহয়, নহয়, মোৰটোৰ নিচিনা আৰু কেইটামান ঘৰ হ'লে লোকেলিটি এনেয়ে ভাল হৈ যাব।"

৫

ঘৰত বহি বাখৰে সেইদিনাৰ আটাইবোৰ মানুহৰ কথা চিন্তা কৰিছিলঃ ফিল্ডত ব্যস্ত চিপাহী বনুৱাবোৰ, বদৰুদ্দিন, নিজাম, গিৰি আৰু নৰকান্ত বৰুৱা! কাতিমহীয়া কুঁৱলীয়ে অস্পষ্টকৈ পোহৰ দিয়া এটা ৰাতিপুৱাত জীৱন কটোৱা এদল মানুহ, হঠাৎ উজ্জ্বল সূৰ্যৰ পোহৰত নিজক পাই আত্মহাৰা হৈ উঠিছে। মানুহে অনন্দ কৰা বাবে তাৰ ভালেই লাগিছিল, কিন্তু তাৰ অনুমান হৈছিল, নিজাম এতিয়াও সেই ৰাতিপুৱাৰ ধুঁৱলী কুঁৱলী অৱস্থাতে আছে। তথাপি মনে মনে তাৰ নিজামকহে ভাল লাগিল। কিয়, সি ক'ব নোৱাৰে।

*************

ANANDARAM DHEKIAL PHOOKAN COLLEGE LIBRARY
Acc. No.
Date.

# সাত

১

যিখন সমাজত ভীমৰ জন্ম, যিখন সমাজে তাৰ মনত সাঁচ বহুৱাইছে, তাত মানুহৰ ধৈৰ্য্যৰ লগত পৰিচয় খুব কমেই ঘটে। সেই সমাজৰ মানুহে জানে শৰীৰে কাম কৰিব আৰু দুহাতেৰে খৰচ কৰিব। ভাৱিবৰ আৱশ্যক তাত নাই, অৱসৰো নাই। হুকুম তামিল কৰাই তাত একমাত্ৰ কাম।

সেই কাৰণে অতি কম দিনৰ ভিতৰতে ভীমৰ লগত গৌৰীৰ বিয়াৰ বন্দবস্ত হৈ গ'ল। সিহঁতৰ অন্তৰত প্ৰেম বোলা পদাৰ্থই জন্ম লভিছিল নে নাই জনা নেযায়, দৰকাৰী বস্তুৰ ভিতৰত সিহঁতে কেৱল জানে যে জন্ম ললে বিয়াও এদিন কৰাব লাগে, নকৰোৱাৰ মানে নাই, অন্তত তাকে সিহঁতে ইমান দিনে দেখি আহিছে। আৰু জানে সিহঁতে দেহ দুটাৰ ক্ষুধা; দুটা মন ওচৰা উচৰি কেনেবাকৈ হ'লেই সিহঁতৰ আৰু তাৰ পৰা পলায়ন কৰাৰ উপায় নেথাকে। ডেকা-গাভৰুৰ অভিজ্ঞ অভিভাৱকে জানে জীয়েক পুতেক হৈছে যেতিয়া বিয়া দিবই লাগিব, সেইটো সিহঁতৰ পূৰ্ব পুৰুষৰ ধৰ্ম।

ধৰ্মই সমাজৰ শৃঙ্খলাক কেতিয়াবা ৰক্ষা কৰে।

বিয়া কৰালেও ভীম শইকীয়াৰ ঘৰতে থাকিব। তাৰ বাবে শইকীয়াই পাকঘৰৰ ওচৰতে খেৰী ঘৰ এটা ততাতৈয়াকৈ তুলি দিছে. বাখৰে সুধিছিল, "তইনো ঘৰত নেথাক কেলৈ?"

"এ নকবি," ভীমে কৈছিল, "আমাৰ লাইনত থাকি মোৰ একদম ভাল নলগা হৈছে। দিনে ৰাতিয়ে কিমান চাবি কাজিয়া, গোলমাল, মদ খোৱ -- এইবোৰ।"

বাখৰৈ হাঁহি সুধিছিল, "মাৰ - বাপেৰে কি কয়?"

"কিটো ক'ব আৰু? একো নক'লে। মোকনো সিহঁতে কিবা ক'ব পাৰেনে?" ভীমে গৰ্বেৰে উত্তৰ দিলে।

"কিন্তু ছাদীৰ বন্দবস্ত কোনে কৰিলে?"

লাজতে ভীমে তলমূৰ কৰিলে। পিচত লাহেকৈ ক'লে, "তই হালা নকৰিবি

ককাইদেউ, দেউতাই শুনিব, মই বাৰু আজি ৰাতি তোক চব কথা কম।"

সেই ৰাতি বাখৰৰ কোঠাতে ভীমে তাৰ প্ৰেমৰ কাহিনী কৈছিল;

২

আগতে যোৱাৰ নিচিনাকৈ সেই দিনাও ভীমে লাইনলৈ গৌৰীক লগ পাবলৈ গৈছিল। তেতিয়া মাত্ৰ গধূলি হৈ গৈছে। সেইদিনা বাখৰহঁতৰ ৰাতিৰ সাজৰ নিমন্ত্ৰণ আছিল গতিকে সি ভাত ৰান্ধিৰ লগাত পৰা নাছিল।

বাৰটো আছিল শনিবাৰ। লাইনটোত তেতিয়া ৰাতিটোৰ বাবে সাজু হোৱাৰ ব্যস্ততা; কৰবাত মদ খোৱাৰ আৰম্ভ, কৰবাত জুৱা খেলৰ আড্ডা; কৰবাত ডেকাল'ৰাৰ মেল; প্ৰত্যেক ঘৰতে বোৱাৰী জীয়াৰীহঁতে ভাত ৰান্ধিছে, দুই এঠাইত সৰু ল'ৰা কেইটাই 'ক'মানৰ কিতাপ পঢ়িছে-কিবাকিবি হাবিয়নি, তিৰবিৰ, জিলিকনি। ভীমে ঘৰত চেঁচা পানী এবাতি খাই গাত চেলেং এখন পেলাই লৈ লাইনত ফুৰিবলৈ ওলাই গ'ল। গৌৰীহঁতৰ ঘৰৰ ওচৰত এঘৰে বিড়ি জুইশলা বেচে। ভীমে বিড়ি বিচৰাৰ চলেৰে তালৈকে গ'ল আৰু বিড়ি বেচা মানুহটোক অলপ ডাঙৰকৈয়ে মাতত লগাই বিড়ি এমুঠি খুজিলে। তাৰ উদ্দেশ্য আছিল, তাৰ মাত গৌৰীয়ে শুনি বাহিৰলৈ ওলাই আহক। সেয়ে হ'লো। বিড়ি লৈ দোকানীৰ লগত সি এনেয়ে অলপ পৰ কথা পাতি থাকিল। তাৰ পিচত আন্ধাৰৰ মাজতে সি অকলে অলপ পৰ অপেক্ষা কৰি থাকিল। বিড়ি হুপিছে আৰু গৌৰীহঁতৰ দুৱাৰ মুখলৈ চাইছে। এনেতে হাতনি বাটিটো লৈ পানী পেলোৱাৰ ছলেৰে গৌৰী বাহিৰলৈ ওলাই আহিল. সি ওচৰ চাপি ফুচ-ফুচাই মাত লগালে, "গৰী তোৰ বা আছেনেকি?"

"নাই," তায়ো চেপা মাতেৰে উত্তৰ দিলে।

"যোধনহঁতৰ ঘৰলৈ যাবি নেকি এতিয়া?"

"চাম বাৰু।"

"নহয় যাবিয়েই। মই তাতে থাকিম।"

দূৰত বিকলৰ মাত শুনা গ'ল সি বাহিৰৰ পৰাই কাৰোবাক চিঞৰিছে. "এই বেটা ৰামদাস! আছে নেকি?" অৰ্থাৎ মদ আছে নেকি?

ভীমে ক'লে, "যা যা মই যাওঁ দেই। তই যাবি কিন্তু।" কৈয়েই সি কেনিবা নেদেখা হৈ গ'ল। তাইৰ গাত তেতিয়া কুহুমীয়া উত্তেজনা। বাপেকৰ মাত শুনি ভীমৰ

দৰে ভয় লগা নাই। বৰং ভীমৰ খৰখেদাকৈ কৰা প্ৰস্তাৱত তাইৰ বুকুৰ মাজত এটা কঁপনিৰ উপস্থিতি অনুভৱ কৰিছিল। তেতিয়াৰে পৰা তাইৰ একমাত্ৰ ধ্যান হ'ল কেনেকৈ ভাত - পানী ৰান্ধি মিনিহঁতৰ ঘৰলৈ যাব পাৰি। ক্ষন্তেকতে তাই পাহৰি পেলালে সমাজৰ বাধা, মাক-বাপেক আৰু নিজৰ লাজ, ধৰ্মৰ শৃঙ্খলা, অন্তৰৰ সতীত্ব। তাই তেতিয়া কেৱল জানে তাই ঘৰৰ পৰা আঁতৰি যাব আৰু ভীমক লগ ধৰিবগৈ।

সেই আন্ধাৰৰ আঁৰ লৈ ভীম আৰু গৌৰীয়ে মিনিহঁতৰ পিৰালিত বহি প্ৰেমালাপ কৰিছিল; মিনি ভিতৰত, মাংৰা ঘৰত নাই, দুৰ্য্যোধন বিড়ি আনিবলৈ গৈছে। হঠাৎ বিকল ওলালহি। বিকলে মাংৰাক মাত দি টৰ্চলাইট জ্বলাই দিলে। পোহৰত ওলাই পৰিল ভীম, বুকুত গৌৰী। গৌৰী উঠি ভিতৰলৈ লৰ মাৰিলে। ত্ৰাহি মধুসুদন সুঁৱৰি ভীম ঘপহ কৰে থিয় হ'ল।

"কোন তই।" কৰ্কশ মাতেৰে বিকলে সুধিলে।

"মই।"

"তই কোন?"

"ভীম।"

প্ৰেমিক প্ৰেমিকাৰ গুপ্ত প্ৰণয়ৰ কথা ওলাই পৰিল। সন্দেহ কৰি বিকলে মাত দি জীয়েকক আৱিষ্কাৰ কৰিলে। সি আগৰ পৰা ঘুনুকঘানাককৈ ভীমে - গৌৰীৰ কথা অলপ অচৰপ শুনিছিল, কিন্তু সি মন কৰা নাছিল। কিন্তু আজি হঠাতে তাৰ চকুত এই অবিধিটো পৰি যোৱাত তাৰ ভয়ানক খং উঠিল। সি চিঞৰি উঠিল, "চালা বেইমান! তোৰ এনে কাম? তোৰ ইমান তাকৎ? তই মোৰ বেটীক জোকাব? তই বিকলক চিনি পোৱা নাই? তোৰ খুন মই খাম, তোৰ জান খাম।"

টৰ্চটো দাঙি সি ভীমৰ ফালে চোঁচা ললে।

ক্ষন্তেকতে হুৱা-দুৱা লাগি গ'ল। ছোৱালী দুজনীয়ে ঘৰৰচুকত সোমাই থৰ থৰকৈ কঁপিছে। ভীমে বুজোৱাৰ চলেৰে কিবা কব খুজিছিল। কিন্তু বিকল অগ্নিশৰ্মা, ভীমক প্ৰহাৰ কৰেই আৰু। তাৰ সন্মানী জীয়েকক কুকুৰে বেইজ্জতী কৰে? সি কিয় সহ্য কৰিব?

দুৰ্য্যোধনে লৰ দি আহি "কাকা কাকা" বুলি বিকলক ধৰি পেলালে। অলপ পিচত মাংৰাও অবাক হৈ কৰবাৰ পৰা ওলালহি। ওচৰ-পাজৰৰ মানুহবোৰ আহিও জুম বান্ধিলেহি। বিকলক ধৰি ৰখাই টান হ'ল। সি দুৰ্য্যোধনৰ শকত বাহু দুখনৰ পৰা

মুকলি হ'বলৈ বৃথা চেষ্টা কৰি খুব চিঞৰিছে "এৰ এৰ যোধন মোক এৰি দেনা। মই তাক চাই লওঁ। চালা ৰজ্জাৎ। মোৰ বেটীক জোকায়। তোৰ খুন খাম মই, তোক খণ্ড খণ্ড কৰিম। চিনি পোৱা নাই মোক?

মানুহবোৰে লাহে লাহে ঘটনাটো বুজি পালে। তেতিয়া সিহঁতৰ সৰু সৰু থুপৰ মাজত সেই সম্বন্ধে আলোচনা হ'বলৈ ধৰিলে। সি ঘটনাটো নঘটিবলৈ বিকলে ইমান তীব্ৰ প্ৰতিবাদ কৰিছিল, তাৰ প্ৰতিবাদৰ ধৰণ- কৰণে তাৰে আলোচনা বিয়পি যোৱাত সহায়হে কৰিলে।

ভীমে লাজত তলমূৰ কৰি একাষৰীয়াকৈ থিয় দি থাকিল।

"কি গোলমান কৰিছ তহঁতে?" চকীদাৰ ওচৰ চাপি আহি বিচাৰ কৰিলে, "ক কি হৈছে, ইমান গোলমাল কিহৰ?"

জনতাৰ মাজৰ পৰা কোনোবাই ক'লে, "বিকলৰ জীয়েকৰ লগত ভীম একেলগে এইখিনিতে আন্ধাৰতে বহি আছিল। সেইবাবে বিকলৰ খং।"

বিকলে চিঞৰি চিঞৰি ক'লে, "তই ঠিক ঠিক খবৰ ৰাখ চৌকিদাৰ মই ৰাতিপুৱাই অফিচত বৰ চাহাবৰ আগত মোকৰ্দ্দমা কৰিমগৈ, তই খবৰ দি দিবি। এই চালাকো খবৰ দি দে আপিচ যাবলৈ।"

জনতা লাহে লাহে ভাগি গ'ল। চকীদাৰ গ'লগৈ। মিনিয়ে গৌৰীক কনিবা লৈ গ'ল। ভীম তাৰ পৰা আঁতৰি গুছি গ'ল। কীৰ্তন ঘৰৰ এন্ধাৰ চুক এটাত সি অকলে বহি লুকাই থাকিল। মাংৰা আৰু দুৰ্য্যোধনে বিকলক নি ভিতৰত বহুৱালেগৈ। মাকৰ বেমান বেছি হোৱা বাবে হাস্পাতালত বন্ধ আছিল। তিলকতে দুৰ্য্যোধনে ক'ৰবাৰ একলহ মদ আনি হাজিৰ কৰিলেহি। জীয়াই থোৱা গৰৈমাছ আছিল তাৰে ডাঙৰ চাৰিটামান পুৰি আনি নিমখ জলকীয়াৰে বিকলহঁতৰ সন্মুখত দিলেহি।

বহুত দিন ঘৰৰ চুকত চেঁচা হৈ থকা মদৰ ঢোকবোৰ ডিঙিয়েদি বাগৰি যোৱাৰ লগে লগে বিকলৰ খং পৰি আহিবলৈ ধৰিলে। চেগ চাই মাংৰাই কোমল কোমল কথাৰে বিকলৰ ওচৰত ভীম আৰু গৌৰীৰ বিয়াৰ প্ৰস্তাৱ দাঙি ধৰিলে, এখন চুৰ্চুৰীয়া তৰ্ক হৈ গ'ল। শেষত বিকলে ক'লে, " আচ্ছা দেখা যাব।"

"নহয় ভাই বিয়া পাত। ভীম বেয়া ল'ৰা নহয়।" 'কি জানি।'

"আহা, তাৰ নিচিনা ভাল ল'ৰা আৰু দুটা নাপাবি, মদ নেখায়, বেয়া কথা নাপাতে, কীৰ্তন কৰে, ৰাতি নিয়মমতে লাইন পহৰা দিয়ে। বাবু ঘৰত লিখা - পঢ়া

শিকে। তাৰ নিচিনা জামাই ক'ত পাবি অ'? যুৱান ল'ৰা অপল স্ফুৰ্তি কৰেই আৰু তয়ো জানো কব পাৰিবি, কেতিয়াবা বেয়া কাম কৰা নাই বুলি?"

উচিত উত্তৰ বিকলে বিচাৰি নেপালে, মাত্ৰ পৰাজয় স্বীকাৰ কৰি ক'লে, আচ্ছা তেন্তে কাইলৈ ছাদী পাক্কা কৰি পেলাম।"

মাৰ দিয়া বাজী!

দুৰ্য্যোধনে তেতিয়াই ঘৰৰ পৰা ওলাই চকীদাৰক লগ ধৰি মোকৰ্দ্দমা কৰিব নেলাগে বুলি ক'লেগৈ। বিকলৰ ঘৰত বহি থকা গৌৰী আৰু মিনিক খবৰটো দি তাৰ পিচত সি বহুত বিচাৰি কীৰ্তন ঘৰৰ চুকটোৰ পৰা ভীমক টানি উলিয়ালেগৈ।

৩

তাৰ পিচত এদিন দেওবাৰে সিহঁতৰ বিয়া হৈ গ'ল। ভীমে সপৰিবাৰে কৰ্মক্ষেত্ৰৰ নতুন ঘৰত থাকিবলৈ ললে। তাৰ সৰু সুৰা কামত এতিয়া সহায় হ'ল গৌৰী। তাই চাহ- বাগিচাৰ বনুৱা, কলঘৰৰ ছুটিং ৰূমত কাম কৰে। সেইবাবে পুৱা-গধুলি অলপ অলপ কামতহে গিৰিয়েকক সহায় কৰিব পাৰে।

বয়স ভাটি দিয়া শইকীয়াৰ শুকান মুখত আজি ভালেমান দিনৰ মুৰত হাঁহিয়ে দেখা দিলে। তেখেতে ওলাওঁতে সোমাওঁতে গৌৰীৰ লগত চুপতি কৰি ৰহইচ কৰিবলৈ ধৰিলে। বুঢ়াই যেতিয়া তাইৰ লগত চুপতি কৰে তেতিয়া ঘৰৰ কেউতা অংশতে লুকাই লুকাই হাঁহি আনন্দৰ জোৱাৰ উঠে।

নাৰী সান্নিধ্যৰ এনেহে গুণ, নাৰীৰ পৰশৰ এনেহে মহিমা! মাতৃ হওক ভাৰ্যা হওক, ভনী হওক, প্ৰেমিকা হওক, নাৰীৰ এই সকলো ৰূপৰ সমন্বয়ত যিটো প্ৰকৃতিৰ সৃষ্টি হয় সি অপূৰ্ব, তাৰ পৰশত শুকানে কুঁহি মেলে তাৰ বা লাগি বনৰীয়া ফুলৰ গোন্ধ বৈ আহে, তাৰ প্ৰভাৱত পুৰুষৰ প্ৰাণত জাগি উঠে জীৱনৰ আঁচল ৰূপটো।

শইকীয়াৰ শুকান হিয়াত অনন্দৰ জোৱাৰ উঠিছিল নিশ্চয় কিন্তু তাৰ অন্তৰালত লুকাই আছিল এটি বেদনা- এটি হেঁপাহ, গৌৰীৰ উপস্থিতিয়ে তেখেতক সোঁৱৰাই দিলে, তেখেতৰ নিজৰ বোৱাৰীয়েকে আলপৈচান ধৰি আৰু আনন্দ দিব পাৰিব। অনুপমা আহি তেখেতৰ গৃহিণীবিহীন ঘৰৰ জেউতি চৰাব, বিশৃঙ্খল ঘৰত সাজ- সৰঞ্জামত লখিমীৰ পৰশ লাগি জীৱনৰ সৃষ্টি হ'ব।

তেখেতে গিৰীনৰ লগ লাগি তলে তলে পৰামৰ্শ কৰিলে বাখৰৰ বিয়া

পাতিবলৈ।

"গেৰেলা বাখৰৰ বিয়া পাতো বুলিছো।"

"বৰ ভাল কতা পেহাদেউ।"

"এৰা এই উকা ঘৰখনত থাকি মোৰ আৰু ভাল লগা নাই। মোৰ জীৱনটোৱেই গ'ল এই চাহ বাগিচাৰ চাকৰিত। গাঁৱৰ মাটিসোপাত হাত দিবৰ হ'ল আৰু । তাৰ আগতে মই ল'ৰাটোৰ জীৱনটো থিতাপি লগাই ল'ব খুজিছো। তাৰ বিয়াখন হৈ গ'লেই সি এটা বাট ল'ব। মোৰ তেতিয়া আৰু চিন্তা নাথাকে।"

বাখৰে জানিছিল, দেউতাকে মনে মনে তাৰ বিয়াৰ বিষয়ে চিন্তা কৰি আছে. সেইবাবে গিৰীনে এদিন তাৰ আগত বিয়াৰ বিষয়ে প্ৰস্তাৱ কৰাত সি আচৰিত হৈ নগ'ল। অৱশ্যে অলপ চিন্তিত হ'ল। বিয়াৰ কথাটো সি সহজে ল'ব পৰা নাছিল। তাৰ দায়িত্বলৈ সি অলপ ভয় কৰিছিল।

গিৰীনে ক'লে, "পেহাদেউৰ মনত আৰু দুখ নিদিবা ককাইদেউ। বোৱাৰী ছোৱালীৰ সেৱা শুশ্ৰূষা পাবলৈ বুঢ়া মানুহে হেপাঁহ কৰেই। আৰু তুমিওতো বিয়া কৰাবই লাগিব। তেখেতক এইবয়সত সুখ দিয়াতো তোমাৰ কৰ্তব্য।"

বাখৰে কেৱল ভাৱে, উত্তৰ দিব নোৱাৰে গিৰীনে সদায় তাগাদা দিয়ে।

শইকীয়া গহীন হৈ থাকে। বাপেক পুতেকৰ মাজত কথা-বতৰা বন্ধ হয় । গিৰীন ব্যস্ত হৈ পৰে। ভীম চিন্তিত হৈ পৰে। বপুৰী গৌৰীয়ে বাখৰক কাকুতি মিনতি কৰিবলৈ ধৰে।

বাখৰে অনুপমাৰ চিঠিবোৰ ৰাতি ৰাতি উলিয়াই পঢ়েঃ

"-ইতি। আপোনাৰ (?) শ্ৰীঅনুপমা।"

"ইতি আপোনাৰ অনুপমা।"

"-ইতি। আপোনাৰ কুকি।"

এদিন বাখৰে ক'লে, "গিৰীন দেউতাক কবা মোৰ মত আছে।"

শইকীয়া ব্যস্ত হৈ পৰিল। ভীমৰ গা পাতল লাগিল। গৌৰীৰ আনন্দ চায় কোনে? গিৰীনৰ গাতে সকলো যা- যোগাৰৰ ভাৰ পৰিল। গোটেই বিয়াৰ দায়িত্ব সি ল'ব লাগিব। সি হাঁহিমুখে কামত লাগি গ'ল।

*************

# আঠ

১

বাখৰৰ বিয়া সুকলমে হৈ গ'ল।

খদমদকৈ পতা বিয়াৰ উলহ- মালহবোৰ সেই অঞ্চলত বৰ চকুতলগা হৈছিল। যুদ্ধৰ মহঙা বজাৰত শ্ইকীয়াই ইমান ডাঙৰ বিয়া এখন কেনেকৈ পাতিছিল মানুহে ভাৱি নেপালে। বজাৰত নিমখ পোৱা টান, মিঠাতেলৰ চৰা দাম, কেৰাচিন তেলৰ নিয়ন্ত্রণ হৈছে, চেনি দৰবলৈকো পাবলৈ নাই। তথাপি বাখৰৰ বিয়ালৈ অহা নিমন্ত্রিতসকলে লুচি ভাজি মিঠাইৰ বিৰাট আয়োজন দেখি তবধ নেমানি নোৱাৰিছিল। খেৰজান বাগিচাৰ কেৰাণীৰ যে শক্তি আৰু প্রতিপত্তি আছে মানুহে তাক স্বীকাৰ কৰিলে। খেৰজান বাগিছাত বিয়াৰ পূজাৰ দৰে ব্যস্ততা, অকণমানি চহৰ ডুমডুমাতো অসমীয়া মানুহ আটাইবোৰে বাখৰৰ বিয়া সম্বন্ধে আলোচনা কৰিছিল।

ডেভিদ আৰু জেমি দুয়ো এখন জীপ লৈ চুকেৰিটিঙৰ পৰা আহিছিল। আৰম্ভৰ পৰা শেষলৈ বিয়া চালে। কইনা ঘৰলৈ ল'ৰা ছোৱালী লৈ গ'ল।

"বাখৰ মই হ'লে তোমাৰ বিয়াখন খুব হেঁপাহেৰে চাম দেই। তোমালোকৰ বিয়া চাবলৈ এনে সুযোগ হয়তো আৰু নেপাম।"

"নিশ্চয় আহিবা, ডেভি।"

"আৰু এটা কথা, তুমি মোক মানুহ এজন লগলগাই দিবা। তেওঁ মোক কথাবোৰ সকলো বুজাই যাব লাগিব।"

"বাৰু বাৰু চিন্তা নকৰিবা।"

"আৰু তোমালোকৰ বিয়াত আমি নিমন্ত্রিতসকলে কি কৰিব লাগিব বুজাই দিবা।"

গিৰি আৰু ৰেণু আহিছিল। হাতৰ উপহাৰতো কাষলতিৰ তলত লুকুৱাই গিৰিয়ে কৈছিল, "বাখৰদা মই কিন্তু আপোনাৰ গাড়ীতে উঠিম। কইনাৰ ওচৰত নবহাকৈ মই নাহিমেই।"

"তোমাক কইনাৰ ওচৰত কিয় বহিবলৈ দিমহে?"

"বাৰু তেন্তে আপোনাৰ ওচৰত।"

"মোৰ ওচৰত কইনা।"

"বাৰু দেখা যাব। মই কিন্তু কইনা ঘৰৰ ছোৱালীবোৰক আপোনৰ বিৰুদ্ধে নাম গাবলৈ শিকাই দিম। আপোনাৰ মজা উলিয়াম নহয় ৰবচোন।"

বহুত দিনৰ মূৰত নৰকান্ত বৰুৱাই শইকীয়াক লগ পাই এচুকত বহি কথা পাতিবলৈ ধৰিলে।

বদৰুদ্দিন আহিছিল। গাত দামী কাপোৰৰ ক্ৰীজনভঙা ট্ৰাউজাৰ্চ, মূৰত ফেল্ট, মুখত চিগাৰেট, হাতত এটা দামী প্ৰেজেন্ট, ৰভা ঘৰত বহি ধোঁৱা উৰুৱাই বৰ গহীন ভাব এটা লৈ সি অকলে বহি আছিল। কোনো ভদ্ৰলোক আহিলেই কেৰাহিকৈ সি অলপ চায়। গাভৰু ছোৱালী আহিলে যে সি প্ৰায় নেদেখেই।

সি কৈছিল, "বাখৰ, কইনা ঘৰলৈ যাবৰ বৰ ইচ্ছা আছিল। পিচে কি হ'ব, জানাই কাৰবাৰী মানুহ কোনোমতেই নোৱাৰিম, বেয়া নাপাবা দেই। আৰু এদিন আহি বাৰু তোমাৰ ওৱাইফৰ হাতৰ চাহকে একাপ খাই যামহি, এতিয়া যাওঁ।"

যেন বাখৰ বৰ্তি আছে বদৰৰ বদন্যতাতহে। টাকুৰী ঘূৰা দিছিল গিৰীনে, তাৰ খোজত ব্যস্ততা, কামত ব্যস্ততা, মানুহ আদৰাত ব্যস্ততা, আনকি মুখতো এটা ব্যস্ততাৰ চিন। বিয়াঘৰৰ মানুহে কেৱলই দেখিছিল- সি এবাৰ সোমাইছে এবাৰ ওলাইছে, ইটো ছুইছে, সিটো ছুইছে। কাম যে তাৰ পৰা একো হোৱা নাছিল এনে নহয়। সচাঁ কথা ক'বলৈ গ'লে বস্তু বাহানি গোটোৱাৰ পৰা বিয়াৰ প্ৰায় আটাইখিনি কামকে সি অকলে কৰিছিল। সি নোহোৱা হ'লে ইমান ডাঙৰকৈ বিয়াখনৰ আয়োজন বুঢ়া শইকীয়াই কেতিয়াও অকলে কৰিব নোৱাৰিলেহেঁতেন। কিন্তু সেইখিনিকে সি যদি ধীৰে শাঁতে কৰি গ'লহেঁতেন তেন্তে সি মানুহৰ চকুত নপৰিলহেঁতেন।

দুৰ্যোধন, মিনি, মাংৰা আৰু বিকলে আহি দুদিনৰ কাৰণে ভীমৰ ঘৰটোত বহি গৈছিল। দিনে ৰাতিয়ে সিহঁতে বিয়াঘৰৰ কাম কৰিছিল। পানী অনা, খৰি যোগোৱা, কাঁহিবাটি ধোৱা, এইবোৰ কামত সিহঁত লাগি গৈছিল। সিহঁতৰ জিৰণি নাছিল, জিৰাবলৈ ইচ্ছাও সিহঁতে কৰা নাছিল। বিয়াৰ সমাৰোহৰ ভাগ লবলৈ সিহঁতে এটি বাৰো চোৱা নাছিল। তলমূৰকৈ কাম কৰি যোৱাই সিহঁতৰ কাম্য আছিল।

ডেভিদে কৈছিল, "বাখৰ, তোমালোকৰ বিয়া দেখিছো এটা বিৰাট কাৰবাৰ।"

২

বাখৰৰ পেটে পেটে এটা ভয় আছিল। অনুপমাৰ মাজত নিৰাশাক আৱিষ্কাৰ কৰিব বুলি সি ভয় খাইছিল। কিন্তু সেই ভুল ভাগিবলৈ বেছি সময় নেলাগিল। শিক্ষিতা, প্রেমপত্র লিখা অনুপমা বৰ পাকৈত গৃহিণী হৈ তাৰ ওচৰত ধৰা দিলে।

ৰাতিপুৱাতে শহুৰেকক কয়, "দেউতা, আপোনালৈ চাহ বাকোনে?"

ভাত পানী ৰান্ধি তাই বাখৰক সোঁৱৰাই দিলে, "গা ধোৱক গৈ ন বাজি গ'ল নহয়।"

ভীমক চিঞৰে, ভীম আহ অ' চাহ টোপা খাই লহি। অকল বাৰী খনতে লাগি থাকিলেই হ'বনে? চাহ খাই মোক চাবোন এডোখৰ আনি দিবিহি।"

এদিন ৰাতি বাখৰে ক'লে, "কুকি, কাইলৈ বোলে ডেভিদ আহি আমাৰ এখন ফটো তুলিবহি।"

"কিনো কৰিব?"

"আমেৰিকালৈ পঠিয়ায় বোলে। ডেভিদে ভনীয়েকলৈ আমাৰ কথা লিখিলেই হেনো। সি মানুহটো এক ফেছুনৰ। মাক আৰু কেৰলিনৰ চিঠিবোৰ মোক সদায় দেখুৱায়। বিশেষকৈ মোৰ কথা থকাবোৰ।"

লাইটটো নুমাই যায়।

খোলা খিৰিকিখনত আউজি বাখৰে বহে। সি অনুপমাক বুকুৰ মাজলৈ টানি লয়। তাই আবেগত স্বামীৰ বুকুলৈ নিজৰ কোমল চুলি কোচৰে মূৰটো এৰি দিয়ে। বাখৰে মাতে "কুকি।"

"ওঁ?"

"এটা কথা কমনে?"

এটা কিয়? কৈ থাককচোন যিমান পাৰে।"

"মই কিবা এটা ভাবিছিলোঁ।"

"কেনেকুৱা?"

"তোমাৰ সম্বন্ধে।"

"যেনে?"

"তোমাৰ সম্বন্ধে মোৰ এটা ভুল ধাৰণা আছিল। মই ভাবিছিলো হয়তো তোমাৰ

মাজত মই আন ধৰণৰ ছোৱালী এজনীহে বিচাৰি পাম।"

"পিচে?"

"এতিয়া দেখিছো তুমিহে।"

"নিৰাশ হোৱা নাইতো?"

"নিৰাশ? ভাবিছো তোমাক পোৱাটো মোৰ সৌভাগ্যইনে আৰু কিবা বেছি।"

"মই ইমান ভাল নে?"

"বোধহয় তাতকৈ।"

"মোৰ কিন্তু ভয় লাগে।"

"কিয়?" সি সোধে।

"মোক ভাল বুলি ভাৱি থাকোতে কেতিয়াবা একেবাৰে বেয়া হৈ যাম বুলি।"

"ভাল গান এটা ভালেই হৈ থাকে।"

"কিন্তু তাৰ সুৰটো পুৰণি হ'লে শুনি আমনি লাগে।"

"কিন্তু কবিতাটো কবিতা হৈয়েই থাকে।"

"কবিতাৰ দাম থাকে যেতিয়ালৈকে কিতাপটো মেলি লৈ থকা হয়।"

"কিন্তু কিতাপটো জপাই থোৱাৰ পিচতো কবিতাৰ মৰ্মই পাঠকৰ মনত যি ভাৱ ওপজায় সি চিৰদিন থাকে।"

তথাপি মানুহে কবিতা সদায় নপঢ়ে

"কাৰণ মানুহে কবিতাৰ আদৰ কৰিব নাজানে।"

৫

পিচদিনা ডেভিদ আহিছিল।

তাৰ পিচদিনা গিৰি আৰু ৰেণু। বিবাহিত বাখৰৰ প্ৰতি স্বাভাৱিক কৌতুহল থাকিলেও ছাত্ৰী ৰেণুৰ কিন্তু সঙ্কোচ নেভাগিল। ছাৰৰ সন্মুখত মূৰ তুলি মুঠেই কথা কব নোৱাৰিলে। গিৰিবালাই 'নবউ'ৰ লগত অতি অলপ সময়ৰ ভিতৰতে বন্ধুত্ব স্থাপন কৰি পেলালে। আনকি তাই পিচদিনালৈ নবউক ডুমডুমালৈ জ্বৰুল যাবলৈ নিমন্ত্ৰণো কৰি পেলালে। ৰেণুৱে অকনমান কিতাপ এখন উপহাৰ পালে। পিচদিনা বাখৰ আৰু অনুপমা ডুমডুমালৈ গৈছিল।

গিৰি আৰু অনুপমাৰ মাজত বন্ধুত্ব গাঢ়তৰ হৈ আহিল। গিৰিয়ে প্ৰায়েই মটৰেৰে

আহে আৰু ডিব্ৰুগড় তিনিচুকীয়া আদি ঠাইলৈ ফুৰিবলৈ অনুপমাক লৈ যায়। কেতিয়াবা সি যাব-নোৱাৰিলে শইকীয়া নিজে যায়। বাখৰ যাব নোৱাৰা হ'লেও ৰাংঢালী গিৰিৰ উদ্যম কমি নেযায়। তাই গৈ শইকীয়াক ধৰেগৈ, খুড়াদেউ, বলক আপুনিয়েই যাব লাগিব।

"কলৈ?"

"ডিব্ৰুগড়লৈ।"

"হৰি হৰি, বুঢ়া মানুহটোক মাৰিব খুজিছানে?"

"ই নহ'ব, বুঢ়া বুলিয়ে সাৰিব নোৱাৰে। আজি ডিব্ৰুগড়ত ভেৰাইটিশ্ব' এখন হ'ব। আমি তালৈ যাবেই লাগিব। ৰেণু আৰু মোৰ গান আছে। আপুনি ওলাওক। ৰাতি আঠ বজামানতহে ঘূৰি আহিম।"

শইকীয়াই ওলাবলৈ বাধ্য হয়। ভিতৰত অনুপমাই চেলেঙৰ চুক এটা কামুৰি কামুৰি হাঁহে। ওচৰত থকা ৰেণুয়ে তাৰ অৰ্থ উলিয়াবলৈ যত্ন কৰে। অলপ পিছতে আগ চিটত শইকীয়া আৰু ৰেণু আৰু পাচ চিটত গিৰি আৰু অনুপমা বহি মটৰত ওলাই যায়। ক'ৰবাৰ পৰা আহি বাখৰে হয়তো আন্ধাৰ ঘৰটোকে পায়হি। হাঁহি এটা মাৰি সি চকী এখনতে বহে। অনুপমাই তাক এৰি যোৱাৰ বাবে সি অলপো বেয়া নেপায়। বৰং তাইৰ মনযোৱা কামবোৰত সি বাধাৰ সৃষ্টি নকৰাৰ বাবে মনে মনে ভালেই পায়। ঠিকেইতো' কুকিৰ যদি আজি ডিব্ৰুগড়ৰ ছাত্ৰীসভালৈ যাবলৈ মন গ'ল তেন্তে তাৰ বাবেই তাই বন্দিনী হৈ ঘৰত বৈ যাবনে? আৰু স্কুলখনৰ কামত তাৰ আজি কালি সময়েই নাইকিয়া হৈ পৰিল। কোনোমতে স্কুলখনক জীয়াই ৰাখিবলৈকে সি খাটিব লগাত পৰিছে।

বাহিৰৰ জুহালত চাহ একাপ কৰি আনি গৌৰীয়ে তাৰ ওচৰত দিলেহি।

৬

শইকীয়াৰ অন্তৰত বোৱাৰীয়েকৰ প্ৰতি অপত্য স্নেহ লাহে লাহে বাঢ়ি আহে। অনুপমাৰ মাজত এনে এজনী মানুহক তেখেতে বিচাৰি পাইছে, যাৰ অভাৱকে যেন পৰিবাৰ ঢুকোৱাৰ পিচৰপৰা আৰু জীয়েকক দূৰলৈ দিয়াৰ পৰা তেখেতে অনুভৱ কৰি আহিছিল। তেখেতৰ বিশেষ ভাল লাগে বোৱাৰীয়েকৰ সঙ্কোচ বিহীন চালচলনত। আন দহজনী বোৱাৰীৰ দৰে অনুপমাই এহতীয়া ওৰণি লৈ শহুৰেকক দেখিলে আঁৰ নলয়; দেউতাকৰ সমুখলৈ অবাধে আৰু নিঃসঙ্কোচে ওলাই সোমাই কামবন কৰে

আৰু কথাবতৰা পাতে। বোৱাৰীয়েকৰ কথাবোৰো তেখেতৰ মনৰ লগত মিলি যায়। অনুপমাই যদি ক'লে, "দেউতা, এই তিতাবাহক গছবোৰ কলম কৰি দিলে ভাল নহবনে?" — তেন্তে পিচদিনাই দুটা মানুহ আনি তিতাবাহক কলম কৰাত লাগি যাব। অনুপমাই যদি ক'লে -"দেউতা কালি অনা কাপোৰ টুকুৰাৰে ৰুমাল দুখন কৰিমনে? আপোনৰ ৰুমাল নায়েই দেখোন?" — তেন্তে শইকীয়াই চাই দেখিব যে হয়েই, ইমান দিনে পুৰণি ৰুমাল দুখনকে তেখেতে ব্যৱহাৰ কৰি আহিছে।

*************

ন

১

দুটা কথা শুনি বাখৰে ভাল নাপালে।

প্ৰথম দুৰ্য্যোধনে ইমান দিনে বাগিছাৰ কামতে থাকি অলপতে ফিল্ডৰ কামলৈ গ'ল। ভীমে এই খবৰটো তাক দি ক'লে, "মই তাক কৈছিলো ককাইদেউ। কিন্তু সি মোৰ কথা নুশুনিলে। আনবোৰক বহুত পইচা কমোৱা দেখি সিও মন ভাঙি পেলালে।

দ্বিতীয়, গিৰীন্দ্ৰই হেনো চাকৰি এৰি ঠিকা কৰিব। অনুপমাই এদিন ক'লে, "তেওঁ দেউতাকৰ আগত কৈছে বোলে এই সময়তে সুবিধা পাই ঠিকা কৰি নললে মানুহে হাঁহিব। আৰু বোলে দেউতায়ো তেওঁক সহায় কৰিব লাগিব — অলপ অচৰপ টকা দি।"

২

বাখৰে ৰেজাৰ পালে যুদ্ধৰ এই মোহবোৰ তাৰ মুঠেই ভাল নেলাগে, নহ'লে ইমান দিনে সি নিজে ঠিকা কৰি লাখে লাখে টকা আৰ্জিব পাৰিলেহেঁতেন। তাৰ বিশ্বাস, যুদ্ধৰ এই মিছা মোহে মানুহৰ মন ভাঙি দিব, জীৱনলৈ সুখ নাহিব, শান্তি নাহিব। তদুপৰি, সি ইমান দিনে যিবোৰ কামক আদৰ্শস্থানীয় বুলি ভাবি আহিছে, সেইবোৰৰ প্ৰতি মানুহে আওকাণ কৰা দেখি তাৰ মনৰ অশান্তি আৰু বাঢ়ি গ'ল।

সি আন্ধাৰত অকলে অকলে বহি ভাৱে, যুদ্ধখনে পৃথিৱীলৈ এটা চাঞ্চল্য আনি দিলে। অকল বাহিৰতে এই চাঞ্চল্যই কাম কৰা নাই, মানুহৰ ভিতৰতো ই আলোড়ন তুলিছে। মানুহবোৰ আৰু আগৰ সামান্য খাটিখোৱা মানুহ হৈ থকা নাই। সকলোবোৰ বেপৰোৱা হৈ পৰিছে। দুটামান টকাৰ মোহ, দুখিলামান নোটৰ খচমচনি তাকে লৈ সিহঁত বলিয়া হ'ল। সিহঁত ঘূৰিব পাৰিবনে? বোধনে আকৌ স্কুললৈ উলটি যাব পাৰিবনে? পৃথিৱীলৈ আকৌ শৃঙ্খলা আহিবনে? সন্দেহ।

তাৰ সন্দেহ আছিল।

তাৰ মনৰ কথা কেতিয়াবা অনুপমাৰ আগত কয়। তাই প্ৰশ্ন কৰে, "আপুনি যুদ্ধ নেলাগে বুলি কব খোজে নেকি?"

"চোৱা কুকি, সাধাৰণতে মানুহে যুদ্ধ নিবিচাৰে, শান্তিহে বিচাৰে। আৰু শান্তি মানে হৈছে যুদ্ধৰ বিৰাম। কিন্তু মই অস্বীকাৰ নকৰো এই শান্তিৰ বাবে কেতিয়াবা যুদ্ধ লাগে। তথাপি কব লাগিব আমাক যুদ্ধ নালাগে, লাগে শান্তিহে। কিন্তু কুকি, এই যুদ্ধৰ লগতে আমাৰ দেশৰ এই মানুবোৰৰ মনবোৰ যে ভাগি গৈছে তাৰ প্ৰতিকাৰ কোনে কৰিব? এই যে আমাৰ সমাজখন ভাগি যাব ধৰিছে তাক কোনে গঢ়ি তুলিব? বনুৱাই আঠ অনাৰ কাম কৰি দাম লয় ফাকি-ফুকাকৈ এটকাৰ। খদু খুদ ঠিকাদাৰবোৰ চিপাহীৰ চকুত ধূলি মাৰি হেজাৰে হেজাৰে টকা উপাৰ্জ্জন কৰিছে। বাগিছাৰ মহৰীয়ে এৰোড্ৰামত বনুৱা চলাই দিনে পঞ্চাশ ষাঠি টকাকৈ এনেয়ে খাব ধৰিছে। এই মানুহবোৰ আকৌ ভাল হবনে?"

অনুপমাই একো নেমাতি আঁতৰি যায়।

তাৰ এটা সাধু মতবাদ তাই মনে মনে বৰ ভাল নেপায়। যেতিয়া পৃথিৱী সকলো মানুহ এটা সোঁতত উটি গৈছে তেতিয়া তাত দোষণীয় একো তাকিব নোৱাৰে, এয়ে তাইৰ ধাৰণা। সৰুৰে পৰা তাই দেউতাকক সুযোগ সুবিধা লৈ ধন অৰ্জন কৰা দেকি আহিছে, তেখেতে এতিয়াও মিলিটাৰীৰ ঠিকা কৰি অজস্ৰ ধন ঘটিছে। গতিকে বাখৰেও যুদ্ধৰ ঠিকা লোৱা হ'লে তাই সুখীয়েই হ'লহেঁতেন। যদি কুৰুক্ষেত্ৰত ভগৱানৰ মুখেদি গীতা ওলাই আহিব পাৰে তেন্তে চুকেৰিটিং এয়াৰফিল্ডত আকৌ এবাৰ অৰ্জ্জুন ওলোৱাৰ কি আৱশ্যক? তাইৰ কেতিয়াবা এনেকৈ তৰ্ক কৰিবলৈ মন যায়। কিন্তু বাখৰক মুখ খুলি এইবোৰ কথা কবলৈ তাই ভাল নেপায়। বিশেষকৈ সি এইবোৰ ভাল নেপায় বুলি জানিও তাই তেনে কাম কেনেকৈ কৰিব?

তথাপি বাখৰে মনে মনে স্বীকাৰ কৰে এই যুদ্ধৰ আৱশ্যক আছে। অকল অত্যাচাৰী ৰণনেতাৰ হাতত পৃতিৱীক এৰি দিব নোৱাৰি। তাত অশান্তিৰ বাহিৰে একো হব নোৱাৰে। হিটলাৰক ইউৰোপ দখল কৰিবলৈ এৰি দিয়া মানে সভ্যতাক বলিদান দিয়া। অথবা ইহুদিসকলক যি ইচ্ছা তাকে কৰিবলৈ এৰি দিয়াৰ নাম সভ্যতা হব নোৱাৰে। এফালে প্ৰাচ্যৰ নেতৃত্ব কৰিবলৈ ওলাইছে জাপান, সম্মিলিত এচিয়াৰ সপোন জাপানে দেখিছে। বিদেশী হ'লেও নিৰাপৰাধী ভদ্ৰলোকক নঙঠা কৰি বেতোৱাৰ নাম যদি সভ্যতা হয় তেন্তে সভ্যতাই অসভ্য, বৰ্বৰ। নতুন জীৱন পোৱাৰ পৰা মহাচীনে শান্তি

কি বস্তু তাৰ স্বাদ নেপালে। জাপানক সহাইবা মহাচীনে কিয় কৰিব। জীয়া সুৰুযৰ উজ্জ্বল পোহৰৰ তলত লোক চক্ষুৰ অন্তৰাল নোলোৱাকৈয়ে নানকিঙৰ পথে-ঘাটে জাপানী সৈনিকে মহাচীনৰ মাতৃজাতিক লাঞ্ছনা কৰিলে। বেয়নেটৰ আগত নিষ্পাপ শিশুক খুচি আনন্দ উপভোগ কৰিলে।

বাখৰ দোমোজাত পৰিল।

যুদ্ধ লাগে। এই বৰ্বৰ মানুহবোৰক বন্দুক বেয়নেটেৰে শিক্ষা দিবলৈ যুদ্ধৰ প্ৰয়োজন। হুলেৰে হুল কাঢ়িব নোৱাৰিলে আন উপায় নাই। কিন্তু ভাগি যোৱা মনবোৰেৰে মানুহে পৃথিৱীত কেনেকৈ সুখত বাস কৰিব? ইয়াৰ মাজত কোনটো পথ সত্য?

তাৰ অন্তৰৰ এই দ্বন্দ্ব বাহিৰতো পৰিলক্ষিত হৈছিল। অনুপমাই মন কৰে, সি চেষ্টা কৰিয়ে হাঁহিছে। শইকীয়াই দেখে, সি ঘৰৰ ভিতৰৰ পৰা নোলায়। এদিন ডেভিদে ক'লে, "বাখৰ তোমাৰ কিবা এটা হৈছে। আজি কালি তুমি বৰকৈ চিন্তা কৰি থাকা।"

হাঁহিবলৈ চেষ্টা কৰি সি কয়, "একো নাই ডেভি। এনেয়ে কেতিয়াবা মনটো বেয়া লাগি থাকে দেখোন। তোমাৰ জানো কেতিয়াও এনেয়ে মন বেয়া নেলাগে?"

"নে কুকিৰে সৈতে কিবা লাগিছে?"

"নাই নাই, সেইবোৰ একো নহয়।" ডেভিদৰ অজ্ঞতা বাখৰে চেষ্টা নকৰাকৈয়ে হাঁহে। কুকিৰ লগত তাৰ সম্পৰ্ক কিমান গভীৰ, কুকি তাৰ কিমান আপোন, সি নিজে কিমানখিনি কুকিৰ হৈ গৈছে ডেভিদে তো নেজানে।

ঐকান্তিক ভাৱেই এদিন ডেভিদে অনুপমাক সুধিলে, "বাৰু কুকি, তুমি ক'ব পাৰানে, বাখৰ এইদৰে দিনে দিনে নিৰৱ হৈ গৈছে কিয়?

বাখৰো ওচৰতে আছিল, সি কৈ উঠিল, "অ" ডেভি, তুমি মিছাই ব্যস্ত হৈ পৰিছা। মোৰ একো হোৱা নাই। কাইলৈ আহি হয়তো দেখিবা, মই বেছ ফুৰ্তি কৰি আছোঁ।"

ডেভিদে ক'লে, "তেনেকুৱা কাইলৈ কেইবাটাও পাৰ হৈ গ'ল কাৰণেই মই অলপ চিন্তিত হৈছো। কুকি?"

অনুপমাই ক'লে, "ক'তা মইতো বেছ ভালেই দেখিছোঁ। সদায় নিয়মমতে খাইছে, স্কুললৈ গৈছে, ঘূৰি আহিছে, তোমাৰ লগত যুদ্ধৰ বিষয়ে আৰু আমেৰিকা

আৰু ভাৰতৰ বিষয়ে কথা পাতিছে। ইয়াৰ ভিতৰতো মই একো গোলমাল দেখা নাই?”

“তুমি কথাটো পাতল ভাৱে লৈছা।” ডেভিদে ক'লে, “তেওঁৰ মনটো দিনে দিনে কেনেকৈ শুকাই যাব ধৰিছে তুমি জানো দেখা নাই।”

“অ মনটোৰ কথা কৈছা?” কুকিয়ে ক'লে, “মোৰ মত যদি তুমি শুনিব খোজা, তেন্তে কওঁ,, লোকৰ মনটো জুখি চাবৈলৈ চেষ্টা নকৰাই ভাল। ভিতৰত কি আছে বিচাৰি চাবলৈ যোৱাটো হ'ব পণ্ডশ্ৰম। আনকি সাগৰৰ তল পালেও মনৰ তল নোপোৱা।”

কুকি যোৱাৰ পিছত ডেভিদে ক'লে, “কুকিয়ে ঠিক কথাই কৈছে বাখৰ।”

“বোধহয়।”

অলপ পৰ মনে মনে থাকি ডেভিদে সুধিলে, “তুমি বাৰু কি ভাবি থাকা?”

“তুমি মনস্তত্ত্ববিদ হ'লা নেকি?” বাখৰে হাঁহি ক'লে, “মই কি ভাৱো? তুমি যি ভাৱা, ময়ো তাকেই ভাৱো। তুমি এমাৰ কথা ভাৱা, মই কুকিৰ কথা. তুমি আমেৰিকাৰ কথা ভাৱা, মই ভাৰতৰ কথা। তুমি হয়তো ফ্ৰন্টলৈ যাব লাগিব বুলি ভয় কৰি থাকা আৰু মই, মই—”

“আৰু তুমি স্কুললৈ যাবলৈ মুঠেই ভয় নকৰা।” ডেভিদে হাঁহি যোগ কৰি দিলে, “দেখিলা, তোমাৰ আৰু মোৰ মাজত সকলো সময়তে চিন্তাৰ মিল নাই।”

“অৱশ্যে! এই ধৰা, মোক দেশত স্ত্ৰী লৈ সুখেৰে বাস কৰা তুমি দেখি আছা আৰু হয়তো হয়তো কিয় নিশ্চয়েই ভাল পাইছা। কিন্তু তুমি দেশৰ পৰা ইমান দূৰত এমাৰ পৰা দূৰত আছাহি, কাহানিকৈ যুদ্ধৰ শেষ হ'ব তাৰ ঠিক নাই, কাহানিকৈ তুমি এমাৰ ওচৰলৈ উলটি যাব পাৰিবা ঠিক নাই, আৰু এইবোৰকে ভাৱি তোমাৰ কাৰণে মোৰ প্ৰাণটোৱে কেতিয়াবা বৰকৈ কান্দি উঠে। কিমান ডেভিদে যে কিমান এমাৰ ওচৰলৈ উলটি যাব নোৱাৰিব তাৰ লেখ কোনে লৈছে?”

বাখৰৰ কৰুণ মুখখনলৈ ডেভিদে একে থৰে চাই থাকে।

*************

## দহ

১

কিন্তু বাখৰে এদিন তাৰ মনৰ প্ৰশ্নৰ উত্তৰ পালে। সেইদিনা মুনিচুনি বেলিকা সিহঁতৰ ঘৰৰ পাৰ্টিকোৰ পিনে কোনোবা এজনে মাত লগালে,

"কুকি?" বুলি বহাৰ পৰা বাখৰে উঠি বাহিৰলৈ ওলাই আহিল। সি লাইটৰ পোহৰত দেখিলে, চাহাবী সাজ পাৰ পিন্ধা স্বাস্থ্যৱান ডেকা এজন। মুখত হাঁহি, হাতত এটা সৰু ছুটকেছ। তেওঁ সুধিলে, "আপুনি বাখৰ শইকীয়া নহয় নে। কুকি আছেনে, অনুপমা?"

"হয় আছে। আহক।" — বাখৰে ক'লে।

দুয়ো দুখন চকীত বহা লগে লগে অনুপমা সোমই আহিল। ডেকাই কৈ উঠিল, "এইয়া? চাচোন তোক বিচাৰি মই একেবাৰে হায়ৰাণ হৈ গ'লো।"

ভালদৰে চাই তাই সঙ্কোচেৰে ক'লে, "কোন জীৱন-দা?"

"অ' জীৱন-দা জীৱন দা" জীৱন দাদাই বেচ পৰিচিতৰ দৰেই ক'লে, "হক তেওঁ তই যে চিনি পালি। আন্ধাৰে মুন্ধাৰে মই কোনোমতেহে তহঁতৰ ঘৰটো বিচাৰি পাইছো। জাৰ্মানীত হোৱা হ'লে কিজানি ইমান পৰে গেষ্টাপোৱে গুলীয়াই মাৰিলেহেঁতেন।"

বাখৰে নীৰৱে বহি জীৱন-দাদাৰ ফালে চাই আছিল। তেওঁক সি চিনি নেপায়। গতিকে অনুপমাহঁতৰ কথাৰ মাজলৈ যাব পৰা নাছিল। তাৰ অৱস্থাটো বুজিব পাৰি তাই চিনাকি কৰি ক'লে, "অ' আপুনিতো জীৱনদাদাক কাহানিও দেখা নাই নহয়? আমাৰ বৰদেউতাৰ ডাঙৰ ল'ৰা, বংশটোতে ডাঙৰ আৰু। এওঁৰ ঘৰত থকাৰ নিয়ম নাই।"

জীৱন দাদাই হাঁহি ক'লে, "আপোনাৰ জেঠেৰী। নমস্কাৰ।"

"নমস্কাৰ।" বাখৰে হাঁহিলে। অনুপমা ভিতৰলৈ গ'ল।

জীৱনদ দাদাৰ প্ৰতি কোনো কাৰণ নোহোৱাকৈয়ে বাখৰে এটা আকৰ্ষণ অনুভৱ কৰিলে। মানুহজনৰ স্বাস্থ্য, সঙ্কোচবিহীন কথা বতৰা, প্ৰাণখোলা হাঁহি, অস্বাভাৱিক আৰু অসামাজিক আদব-কায়দা এইবোৰে বাখৰৰ মনত এটা ভাৱ খেলাইছিলঃ জীৱন-

দাদাৰ জীৱনৰ এটা ৰহস্য আছে; ভালো হ'ব পাৰে, বেয়াও হ'ব পাৰে। নিজকে আকৰ্ষিত হোৱা দেখি যুক্তিৰে জুখি বাখৰে থিৰাং কৰিবলৈ যত্ন কৰিলে, বেয়া হ'ব নেলাগে, বেয়া হ্ব নোৱাৰে।

শইকীয়াই আহি চা-চিনাকি ললে। ঘৰুৱা নানান গতানুগতিক প্ৰশ্নোত্তৰ হোৱাৰ পিচত তেখেতে সুধিলে, "বোপা, তুমিনো এতিয়া কি কৰিছা? পঢ়িয়েই আছা নেকি?"

জীৱনে ক'লে, "মই পঢ়ি থকা নাই। কাশীত এম-এ আৰু ল পঢ়িছিলোঁ, এতিয়া এৰি আহি ঘৰতে আছোঁহি।" ক্ষন্তেক ৰৈ ক'লে, "মই এতিয়া একো কৰা নাই বুলিয়েই আপুনি ধৰিব।" তেওঁ যেন সকলোৰে দৃষ্টি এৰাবলৈ য ত্ন কৰিলে।

এই শেষৰ বাক্যটোত কিবা অৰ্থ আছে যেন বাখৰৰ অনুমান হ'ল। "মই এতিয়া একো কৰা নাই বুলিয়েই আপুনি ধৰিব।" কিন্তু শইকীয়াই তাৰ একো সুকীয়া অৰ্থ উলিয়াবলৈ যত্ন নকৰিলে। ইয়াকে লৈ খোৱা বোৱাৰ পিচত বাখৰে কথা বতৰা আৰম্ভ কৰিছিল আৰু তাৰ মহা প্ৰশ্নৰ উত্তৰ পাইছিল।

অনুপমাই দাদাক্‌ৰ আলপৈচানত লাগি গৈছিল। বাকচৰ পৰা বাখৰৰ চুৰিয়া এখন উলিয়াই দি ক'লে, "দাদা কাপোৰ কানি সলাই লোৱাহি। চাহ হ'ল, হাত ভৰি ধু লোৱাহি।"

চুৰিয়াখন হাতত লৈ জীৱনে ক'লে, "হেৰ কুকি, ডিব্ৰুগড়ৰ গাড়ী ৰাতিপুৱা কেইবজাত যায় অ'?"

"নিচেই ৰাতিপুৱাতে যায়। পাঁচটা দহত।"

"তেন্তে এই কেইঘন্টাৰ বাবে ধুতিখন লেতেৰা"—

"তোমাৰ কথাৰ বকলাখন এতিয়া আৰু মেলিব নেলাগে। বিমলাৰ আগতো সেইবোৰ কৈ থাকিব পাৰিবা। এতিয়া ভৰি ধোঁৱাগৈ।" বিমলা নামৰ ছোৱালী এজনীৰ লগত জীৱন দাদাৰ বিয়া হোৱাৰ কথা আছিল।

বাখৰ আৰু জীৱনে হাঁহে। জীৱনে ক'লে, "ধেৎ দুষ্টা দেউতা নাই নেকি ঘৰতে?"

বাখৰে ক'লে, "নাই, কেনিবা ওলাই গৈছে।"

ভাত খাই উঠাৰ লগে লগে জীৱন দাদাৰ বাবে অনুপমাই বিছনা ঠিককৈ দিলে। তাই সুধিলে, "এৰি চাদৰ এখন থৈছো হ্বনে দা? বৰ বেছি জাৰ হওঁতে নেলাগে আজি-কালি।"

"হ'ব হ'ব দে।" জীৱন দাদাই তেওঁৰ নিৰ্দিষ্ট বিছনাত বাগৰ দি ক'লে। বাখৰে চিগাৰেট উলিয়াই তেওঁৰ আগত দিলে। অনুপমাই ক'লে, "দা তোমাৰ চুটকেছটো ভিতৰত থৈছো দেই, কাপোৰবোৰো। মচলাৰ বটাটো পাইছানে? অ' আজিকালি হবপায় তুমি তামোল খোৱা?"

কিবা এটা যেন ভাৱি অলপ পৰ টলকা মাৰি থাকি জীৱন দাদাই ক'লে, "ছুটকেছটো খুলি টকা-পইছা সোপাকে হাত নকৰিবি আকৌ।"

জীৱন আৰু বাখৰৰ মাজত নানা কথা ওলাল।

এবাৰ বাখৰে ক'লে, "বাৰু বৰুৱা, এটা কথা আপোনক সুধিব খুজিছো। যেন বেয়া নেপায়। আপুনি যে অথনি দেউতাক কৈছিল, আপুনি একো কৰা নাই বুলিয়েই ধৰিব পাৰি বুলি, তাৰ কিবা অৰ্থ আছে নেকি?"

মিচিকৈ হাঁহি মাৰি জীৱন দাদাই ক'লে, "আপুমি বৰ চেঞ্জিটিভ, শইকীয়া। মোৰ কথাৰ সুৰটোত আপুনি মোক ধৰা পেলাইছে। কিন্তু আপোনাৰ দেউতাকে ধৰিব নোৱাৰিলে। ভালে হৈছে। আপোনাকো একো নকলোহেঁতেন। যেই হওক, আপুনি কুকিৰ স্বামী, আজি চিনাকিহ'লেও আপোনাক মোৰ বহুত দিনৰে বন্ধু যেন লাগিছে। মোৰ কথাৰ এটা অৰ্থ আছে।"

বাখৰে অপেক্ষা কৰিলে জীৱন -দাদাই লাহে লাহে কৈ গ'লঃ

২

"দেশৰ ৰাজনৈতিক পৰিস্থিতিৰ কথা জানেই শইকীয়া। মতামত অমিলতাৰ অভাৱ মুঠেই নাই। আপোনাৰ লগতো মতৰ অমিল হ'ব পাৰে।" জীৱন দাদাৰ মুখখনত হঠাতে এটা আচৰিত গাম্ভীৰ্য আহি পৰিল। "নিষ্ক্ৰিয় প্ৰতিৰোধৰ দিন উকলি অহা যেন আমাৰ অনু মান হয়। বিশেষকৈ আধুনিক গোলা বাৰুদৰ সন্মুখত। এদল মানুহে অস্ত্ৰ-শস্ত্ৰ লৈ গোপনে শাসন-যন্ত্ৰ ওফোৰাই দিব খুজিছে। দিল্লীৰ প্ৰচাৰ বা অপ্ৰচাৰ বিভাগত তাৰ নাম ছেবটেজ, ধ্বংস কাৰ্য্য। ময়ো কওঁ সেয়া ধ্বংস কাৰ্য। কিন্তু তাক অকল "ধ্বংস কাৰ্য বুলিলে মানি ল'ব নোৱাৰোঁ। মই ভাৱো সেয়া সৃষ্টিৰ বাবে ধ্বংস। ডাঙৰ বস্তু এটা সমানে ভগাই খাবলৈ হ'লে তাক ভাঙিবই লাগে। মই ডেকা ল'ৰা, শিক্ষাও সমাপ্ত নহ'ল বুলিব পাৰি। অন্ততঃ ধন উপাৰ্জন কৰিব পৰা নাই। আমাৰ নিচিনা ডেকা ল'ৰাক কোনেও দেখিব নোৱাৰে। আমি কোৱা সকলো কথা নিৰৰ্থক, আমি কৰা

কলো কাম অপকৰ্ম, আমি কৰা সকলো প্ৰচেষ্টা পণ্ডশ্ৰম। আপোনাৰ দেউতাকৰ াগত সেই বাবে একো কৰা নাই বুলি কলোঁ।

বাখৰ স্তব্ধ হৈ গ'ল।

পৃথিৱীৰ সৰহভাগ মানুহৰ মতৰ বিৰুদ্ধে এই যে এদল মানুহে তলে তলে ৰতবৰ্ষত ধ্বংস-কাৰ্যত ধৰিছে, তাৰ কথা বাখৰে মাত্ৰ চেগা চোৰোকাকৈ শুনিছিল। ৰি মাজত এজন কৰ্মীক এইদৰে ঘৰতে আলহী পাব বুলি সি ভৱা নাছিল। জীৱন দাৰ ফালে সি নিৰ্মিষ নেত্ৰে চাই থাকিল।

"শইকীয়া, বেয়া নাপাব, মই ভাল আলহী নহওঁ। তথাপি আপুনি মোক ধৰা াপেলোৱা হ'লে মোৰ এই ফালটো কোনেও ইয়াত নেদেখিলেহেঁতেন। মই এটা বস্তু গৰিহে ডুমডুমালৈ আহিছিলো। দুটা স্পায়ে পিছে পিছে অথনি গাড়ীত আহিছিল। গৎ কুকি ইয়াত থকা কথালৈ মনত পৰি যোৱাত নামি পৰিলো। আন্ধাৰতে যাবলৈ গিব।"

বাখৰে একো নামাতিলে, সি মাত্ৰ জীৱন-দাদাক উপলব্ধি কৰিবলৈ চেষ্টা ৰিলে।

জীৱনে কৈ গ'ল, "আমি ভুল কৰা নাই শইকীয়া, সুযোগৰ সুবিধা লব লাগে।। ামি যি ভাৱিছিলো সি আৰু হৈ নুঠে। দিল্লী আৰু আমি নেপাওঁগৈ। আমাৰ ক'ত ত বৈ গ'ল তাৰ বিচাৰ বুৰঞ্জীয়ে কৰিব। আমাৰ আৰু সময় নাই। আমি এতিয়া কাই পৰিম। জাৰ্মানীয়ে আত্মসমৰ্পণ কৰিব লাগিব, জাপানেৰো দিন চমু চাপি আহিছে। নস্থুলেই আমাৰ সুযোগ আছিল। সেই সুযোগ আমি হেৰুৱালো। কিন্তু ইয়াৰ পিছত াম হ'ব। মানুহৰ মনত যি এটা আলোড়নৰ সৃষ্টি হ'ল - তাৰ পৰা ভাৰতৰ লাভৰ হিৰে একো নহয়। পৃথিৱীত যি অশান্তিৰ জুই জ্বলিল, সি সতকাই নুনুমায়। আমিও বিচাৰো নুমাওক বুলি। নিষ্পেষিত মানুহ অশান্ত হৈ উঠক, আঘাত তেহে দিব পাৰিব। ান্ধীজীয়ে আমাক বেয়া বুলিব পাৰে মোক ঘৰত কোনেও দেখিব নোৱাৰিব পাৰে, থাপি স্বাধীনতাত আমি সহায়হে কৰিছোঁ। এই অশান্তিৰ আঘাতেই হব আচল সংগ্ৰাম। সেই সংগ্ৰামৰ পিছত হয়তো শান্তি আহিব তাৰ আগতে নহয়।

জীৱনক শুবলৈ কৈ বাখৰ বিচনাত পৰিলগৈ। পানী দিবলৈ অহা কুকিক ীৱনে ক'লে, "কুকি, মই পাঁচ বজাৰ গাড়ীত যাব লাগিব দেই। তই পাৰ যদি জগাই

দিবি, নহ'লে মোৰ বৰ মস্কিল হ'ব।

তেতিয়া মাজ নিশা। অশান্ত মানুহজনৰ কথা ভাৱি বাখৰৰ হুমুনিয়াহ ওলাল। তাৰ মহা প্ৰশ্নৰ উত্তৰ জীৱনদাদাই অজ্ঞাতেই দি গ'ল। পৃথিৱীৰ গতি সলনি হৈ গৈছে। ভগা মন এতিয়া যোৰা দিবৰ আৱশ্যক নাই। এই ভগা মনৰ অশান্তিৰ নতুন পৃতিৱী গঢ় লৈ উঠিব। শান্ত হৈ দাবী কৰিলে কোনেও কাণ নকৰে। নিষ্ক্ৰিয় হ'লেও কংগ্ৰেছৰ আন্দোলন আশান্তিৰ মাজেদিয়েই আৰম্ভ হৈছিল। মানৱ মনত অশান্তি পথেদি আহিব পৃথিৱীৰ দৰকাৰী পৰিৱৰ্তন। তাৰ পিছত শান্তি।

মনৰ এই শান্তি উপলব্ধিৰ পিচত বাখৰে গভীৰ টোপনিত লালকাল দিলে।

৩

পুঁৱতি চাৰি বজাতে সাৰ পাই অনুপমা উঠিল। তাই মুখ -হাত ধুই জুই ধৰিলেগৈ। চাহৰ পানী বহুৱাই তাই জলপান এটা কৰিবলৈ ল'লে। এনেতে বাখৰো উঠি আহিল। দাঁত ঘঁহি ঘঁহি সি সুধিলে, "কুকি, বৰুৱাক জগাই দিমগৈ নেকি?"

বিছনাৰ পৰা জীৱনে মাত লগালে, "কুকি অ', উঠিবৰ হ'ল নেকি?"

তাই ওচৰ চাপি আহি আঁঠুৱা দাঙি জীৱন দাদাৰ মূৰত হাত বুলাই ক'লে, "চাৰি বাজিছে দা। শুবলৈ জুৰিলে জানো?"

"অঁ জুৰিলে।" তেওঁ বিছনাত উঠি বহিল। "মই কেতিয়াবাৰে পৰা সাৰ পাই আছোঁ, লৰা-ধপৰা কৰি মই বুঢ়া মানুহৰ দৰে হৈ পাইছোঁ। টোপনি খুব কমেই দৃৰে অ'।"

কিবা এটা ভাবি তাই দাদাকৰ ফালে কৰুণ চাৱনিৰে চাই থাকিল। বাখৰে আহি দীৱন দাদাৰ ফালে টুথ পাউদাৰৰ টেমাটো আগবঢ়াই দি ক'লে, "উঠিলে বৰুৱা? ধোৱক, দাঁত ঘঁহক।"

হাত- মুখ ধুই জীৱন দাদা কাপোৰ কানি পিন্ধি আজৰি হ'ল। বাখৰে সৰু চুটকেছটো আনি দিলেহি। সেইটো খুলি সন্তৰ্পণে জীৱন দাদাই বাখৰৰ চকুৰ আগলৈ দাঙি ধৰিলে, তাত দুটা পিষ্টল আছিল। সি একেথৰে সেই দুটাৰ পিনে চাই থাকিল। হাঁহি মাৰি লাহেকৈ ছুটকেছটো জপাই জীৱন দাদাই চকী এখনত থ'লে। তাৰ পিচত বাখৰৰ পিঠিত চপৰিয়াই ক'লে, "শইকীয়া দেখিছেই মই সাংঘাটিক মানুহ। কুকিজনীৰ

মুখলৈ চাই ইয়াৰ পৰা যাবলৈ ইচ্ছা নথকাতো মই পলাই যাবলৈ বাধ্য হৈছোঁ। ইয়াত আপোনালোকৰ উপকাৰৰ বাহিৰে আন একো নহয়। আজি নিশাটো বৰ আৰামেৰে শুলোঁ! বহুত দিন এনেদৰে নির্ভয়ে শুব পৰা নাই। ধন্যবাদ, শইকীয়া।"

তিনিও চাহ খালে। বাখৰে কুকিৰ পিনে এবাৰ চাল, তাই জীৱন দাদাৰ কথা একো নাজানে। সি শইকীয়াক জগাই দিলে। জীৱন দাদাই বিদায় লোৱাৰ পিচত তিনিও ষ্টেচনৰ পিনে খোজ ল'লে। শইকীয়াই দুৱাৰখন এনেয়ে আউজাই থৈ আকৌ বিছনাত পৰিলগৈ।

প্ৰায় আন্ধাৰৰ মাজতে ৰেলখন আহি ষ্টেচনত ৰ'লহি। অনুপমাই থোকা থুকি মাতেৰে ক'লে, "দাদা চিঠি দি থাকিবা। তোমাকতো সতকাই লগ পোৱাই টান।"

তাই আঁচল এটা চকুলৈ নিলে।

তাইৰ গাত মৰমেৰে হাত ফুৰাই জীৱন দাদাই ক'লে, "ছিঃ নেকান্দিবি কুকি। মই আহিব নোৱাৰি জানো কম বেজাৰ পাইছো? মই বাৰু চিঠি লিখিমগৈ, দেই। শইকীয়া নমস্কাৰহে। কুকিক মোৰ কথাবোৰ ক'ব। যাওঁ দেই কুকি।"

গাড়ী গুচি গ'ল।

উলটি আহি থাকোঁতে বাখৰে অনুপমাক জীৱন দাদাৰ সম্বন্ধে সকলো কথা কৈ আহিল। তাই অৱাক হৈ গৈ থাকিল, একো মন্তব্য নকৰিলে। তাইৰ মনত এনেয়ে এটা ভয়ৰ ভাৱ সোমল। বাখৰে ক'লে, "বৰুৱাৰ পৰা ময়ো এটা ডাঙৰ সম্বাদ পালো কুকি। তুমি জানাই যুদ্ধ সম্বন্ধে ভাৱি ভাৱি মোৰ মনটো বেয়া হৈ গৈছিল।" বাখৰে তাৰ মহাপ্ৰশ্নৰ উত্তৰৰ কথাটো কুকিক বুজাই দিলে।

অনুপমাই দ্বিতীয়বাৰ অবাক হৈ তাৰ ফালে চাই থাকিল।

তাই তৃতীয়বাৰ অবাক হৈ গ'ল যেতিয়া ৰাতিপুৱা আঠমান বজাত এজন চোৰাংচোৱা বিষয়া আহি সিহঁতৰ ঘৰত উপস্থিত হ'লহি। অৱশ্যে বাখৰে সজাই-পৰাই কথাবোৰ কৈ যোৱাত তেওঁলোক নিৰাশ হৈ গুচি যাবলৈ বাধ্য হ'ল। যাওঁতে চোৰাংচোৱা বিষয়াজনে কৈ গ'ল, "ইচ, ইচ? সেই মানুহজনক বিচাৰি মই যোৰহাটৰ পৰা এইখিনি পাইছোহি। ভাল সৰকি গ'ল। আপুনিও শইকীয়া, তেনে মানুহক চিনি পোৱা উচিত। কেতিয়াবা কি হয় ক'বতো নোৱাৰি।"

*************

## এঘাৰ

### ১

গিৰীনে কাম এৰি ঠিকা কৰিবলৈ ধৰিলে। বাখৰে জানে দেউতাকেও যথেষ্ট টকা দিছে। গিৰীনৰ অংশীদাৰ হ'ল বদৰুদ্দিন। বদৰৰ বাঢ়ি অহা দোকানখন এতিয়া বয়স বাঢ়ি অহা ববাকে চলাব।

গিৰীনৰ জীৱনলৈ পৰিৱৰ্তন আহিছে। তাৰ ওচৰলৈ আজিকালি বহুত মানুহ আগে। কোনোবাই কাম বিচাৰি আৰু কোনোবই স্ফুৰ্তি বিচাৰি। তাৰ গাত আজিকালি আপুৰুগীয়া কাপোৰ-কানি, ছিল্কৰ মিলিটাৰী ছুক, স্যুৱেদৰ জোতা আৰু মুখত লাকী ষ্ট্ৰাইক। মহাযুদ্ধৰ হেঁচাত ইংৰাজী ভাষাতো হাৰ মানি পেলালে।ছেভেনলৈকে পঢ়া গিৰীনৰ মুখত ইংৰাজী আখৈ ফুটাদি ওলায়। ব্যাকৰণ স্কুলৰ বস্তু, মহাযুদ্ধৰ শিক্ষা জীৱনত; গতিকে গিৰীন্দ্ৰ আৰু বদৰুদ্দিন কোনেও ইংৰাজী-অসমীয়া কোনো ব্যাকৰণৰে ধাৰ নাখায়।

গিৰীনৰ গাত মঙহ ধৰিছে। সি আজিকালি বেচ ভব্যগব্য হৈ পৰিছে। কথা-বতৰাত গাম্ভীৰ্য বেছি হৈ আহিছে. খোজ-কাটলত চঞ্চলতা কমি আহিছে। টেবুলৰ ওপৰত কাগজ পত্ৰৰ দ'ম ওখ হৈ আহিছে। আগৰ বিড়িৰ ঠাইত এতিয়া খোৱা লাকীষ্ট্ৰাইকবোৰ কেতিয়াও ওঁঠত পোন হৈ নাথাকে।

বহুতবোৰ নাম শুনা আৰু কেতিয়াও নাম নুশুনা নানান ধৰণৰ ঠিকাদাৰসকলে আহি বাখৰহঁতৰ পটিকটো আবেলি গৰম কৰি তোলেহি, আনকি কেতিয়াবা নৰকান্ত বৰুৱাও। বদৰুদ্দিনতো অংশীদাৰেই। আজি কেইদিন মানৰপৰা শইকীয়াই খৰি থবলৈ সজোৱা টিনপাতৰ ঘৰ এটাকে ভীমৰ হতুৱাই বেৰ দি অফিচ ঘৰ কৰি লৈছে। হাজাৰ হওক ভব্যগব্য মানুহ, কিছুমান প্ৰকাশ্য অনুভূতি আছে, যেনে লোকৰ ঘৰটোকে ব্যৱসায়্য কামত খটালে নবউৱে অসুবিধা পাব পাৰে। বিশেষকৈ যেয়ে আহে তাকে চাহ দিয়াত আমনিও পাব পাৰে।

বদৰে কয়, "ঠিকেই কৰিছা হাজৰিকা। বাহিৰত অফিচ কৰিলে আমি যেতিয়াই তেতিয়াই আলোচনা কৰিম; বিজিনেছৰ কথাতো।"

শইকীয়াই কয়, "গিৰীন্দ্ৰ আৰু এটা ঘৰ তেন্তে সাজি দিওঁ। লৰী এখন লোৱা, কিমাননো আৰু ভেৰোনীয়া লৰীৰে কাম চলাবা।"

অনুপমাই কয়, "তোমাক দেখিছো আজি কালি মাতিবলৈকে ভয় লগা হৈ পৰিছে। আৰু দিনে দিনে চেহেৰাৰ যি সলনি হৈ আহিছে, দুদিনমান একেলগে নেদেখাকৈ থাকিলে কিজানি চিনিয়েই নাপাম।"

বাখৰে কয়, "লাগি যোৱা ডেকা লৰা।"

ভীমে কয়, " ফিল্ডবাবুক আজি-কালি ফিল্ডবাবু কবই নিদিয়ে। এতিয়া হেনো ফিল্ডবাবু কাম নকৰে। এতিয়া ঠিকাদাৰ" --গৌৰীয়ে সুধৰাই দিয়ে, "ঠিকাদাৰ নহয়, কন্‌ট্ৰাক্টৰ।"

২

সকলোৰে চকুৰ আগত গিৰীনৰ খৰধৰ, লৰফৰ, স্ফুৰ্তিবাজ চেহেৰাটো পলাই পত্ৰং দিলে। আগতে সি কথাই কথাই বাখৰ, অনুপমা, ভীম, গৌৰী সকলোৰে লগত ধেমালি কৰিছিল, গৌৰীৰ লগত চুপতিও কৰিছিল। শইকীয়াৰ লখিমীবিহীন ঘৰলৈ বহুত দিনৰ মূৰত নাৰী আহিছিল গৌৰীৰয়েই। সেই বাবে শইকীয়া, বাখৰ আৰু গিৰীন তিনিও তাইৰ লগত কথাই কথাই চুপতি কৰিছিল, পিছত অনুপমা অহাত তাৰ মাত্ৰা আপোনা আপুনি কমি আহিল, বাখৰ আৰু শইকীয়া আঁতৰি গ'ল।

বয়সৰ পাৰ-পত্ৰ থাকিলেও চক্ষুলজ্জা আৰু বাঢ়ি অহা বয়সৰ প্ৰভাৱত শইকীয়াই নীৰৱতা অৱলম্বন কৰিছিল; বিশেষকৈ বোৱাৰীয়েকৰ প্ৰতি অপত্য স্নেহত তেখেত বিগলিত হৈ গৈছিল। মনোমত জীৱন সঙ্গিনী পাই বাখৰৰ আৰু সুকীয়া চুপতিৰ আৱশ্যক নাথাকিল। অনুপমাই তাৰ শাৰীৰিক মানসিক দুয়োটা অৱয়ব জুৰি তাক আপ্লুত কৰিছিল।

কিন্তু গিৰীন গিৰীন হৈয়েই থাকিল বাহিৰত ঠিকাদাৰ, পইচা ওৱালা হলেও, অন্তৰত অকলশৰীয়া গিৰীনেই থাকি গ'ল। কঠিন পৰিশ্ৰমৰ মাজত ৰ'দ আৰু বৰষুণৰ অত্যাচাৰ সহ্য কৰি থকাত তাৰ প্ৰাণক জীপ দিব পৰা নাৰী জীৱনৰ সান্নিধ্য, মাতৃ জাতিৰ সিক্তস্নেহ, বাই-ভনী সংস্পৰ্শৰ দৰকাৰ আছিল। সেইবাবে তাৰ মনৰ পৰা গৌৰী আনসকলৰ পৰা যোৱাৰ দৰে আঁতৰি নগ'ল। তাৰ মনৰ পৰা গৌৰী আঁতৰি

যোৱাৰ দৰকাৰো নাছিলঃ পৰিশ্ৰম কৰা মানুহৰ বহুত পিনৰ নাৰীৰ দৰকাৰ হয়।

"ফিল্ডবাবু, গিৰীন" ফিল্ডবাবু হৈ থাকোতে গৌৰীয়ে কেতিয়াবা কেতিয়াবা কৈছিল, "তহঁতৰ ফিল্ডত কাম কৰিলে বহুত টকা পায় নেকি? কিমান পায়?"

"বহুত পায়, বহুত পায়। তই যাবি নেকি? কলঘৰত নো কিমান পাব অ'? ছ অনা। তাকো দিনৰ দিনটো চালানী বাংলাত সোমাই ধূলিৰ মাজত চাহপাত জৰা ধেৎ; ফিলত কাম কৰিলে বহুত টকা পাবি দিনে তিনি টকা, চাৰি পাঁচ টকা।"

গৌৰীয়ে ভাৱে বহুত টকা পোৱা যাব। কিন্তু তাই উত্তৰ দিয়ে, "নেলাগে দে আমাৰ টকা। ছ অনাতে হব, টকা লৈনো কি কৰিম? এনেয়ে জুৰিছে।"

"ইঃ কিটো জুৰিছেঅ? গৰী, সাত টকা বা আঠ টকাৰে কিমান খাবলৈ পাব? চাউল কিনোঁতেই যায় আধা পইচা, দাল চাউদা আছেই আৰু মুৰ্গী কিনিলেই বচ পইচা খতম।" তাৰ পিচত গিৰীনে চুপতি আৰম্ভ কৰে, "ফিল্ডত কাম কৰিলে তাৰ টকাৰে বঢ়িয়া বস্তু কিনিব পাৰিবি। মেচী ৰুমাল, ফুলতেল, ফুলচাবোন, লাল নীলা শাৰী, ব্লাউজ, পাউদাৰ জোৱান ছুকৰীক সেইবোৰ লাগেই।"

মনত ভাল লাগিলে গৌৰী আঁতৰি যায়গৈ?

তেনেকুৱা সৰু-সুৰা ধেমালি-চুপতি সিহঁতৰ মাজত প্ৰায়েই চলিছিল।

কিন্তু গিৰীনৰ এতিয়া পৰিৱৰ্তন হৈছে। সি ফিল্ডবাবুৰ পৰা কনট্ৰেক্টৰ হৈছে, নগণ্য মহৰীৰ পৰা গণ্য-মান্য ঠিকাদাৰ। ঠিক আজিকালি আগৰ দৰে গৌৰীৰ লগত তেনে চুলুং ধেমালি নকৰে। আগৰ দৰে পাতল চুপতি নামাৰে। সি যাৰে তাঁৰে আগত গৌৰীক নেমাতেও। আনকি আজিকালি অলাগতিয়াল কথাও চোবাই নেথাকে। সেইবোৰলৈ তাৰ ময়ো নাই। মহাযুদ্ধৰ ঠিকাদাৰৰ সময়ৰ মূল্য যথেষ্ট আছে।

গৌৰী তথাপি গিৰীনৰ অন্তৰৰপৰা আঁতৰি নগ'ল। বৰং গোপনতাৰ আঁৰবেৰত গৌৰীৰ অৱস্থানটো আৰু ৰহস্যময় হৈ উঠিলঃ কুক-ভা খেলিলে লুকাই থকা জনকহে বিচাৰি ভাল লাগে, ওলাই থকা জন সিমান ৰহস্যময় নহয়। ৰহস্যৰ পিছে পিছে মানুহ বলিয়া হৈ ঘূৰে। আগৰ গৌৰী আছিল সৰল ধেমালিৰ পাত্ৰী, দুই এটা মুখ চুপতি কৰি অলপ সময়ৰ কাৰণে মনত থাকে। কিন্তু আঁৰৰ ভিতৰলৈ গৈ গৌৰীৰ সান্নিধ্য আৰু সংস্পৰ্শ গিৰীনৰ বাবে আৱশ্যকীয় হৈ পৰিল।

৩

সেইবাবে গিৰীনে কেতিয়াবা কয়, "গৰী তই ওলা! ফিল্ডত কাম কৰিবি। তইঁতে নুশুন, তোৰ নিচিনা ছুকৰীবোৰে বহুত চকা কমাইছে আজিকালি। তইহে বুৰবক হৈ আছ। ওলা, মই তোৰ কামৰ বন্দবস্ত কৰি দিম।"

কেতিয়াবা গিৰীনে মাৰোৱাৰী গোলাৰ পৰা কিবা আনিবলৈ দিলে যদি পইচা বাকী থাকে তেন্তে গৌৰীক কয়, 'লদে তোৰ হ'ল সেইখিনি।"

গিৰীন আৰু গৌৰীক একেলগে নিৰলে কথা পাতি থকা দুদিন অকস্মাতে অনুপমাই দেখিছে গৈ, দুয়োদিনে লিহঁত ধৰাপৰা অপৰাধীৰ দৰে স্যাউৎ কৰে আঁতৰি গৈছে। দুয়োদিনে অনুপমাৰ মনত কেনেবা কেনেবা লাগিছে। দ্বিতীয় দিনা তাইৰ বুকু চিৰিংকৈ উঠিল। কিন্তু সেই কথা তাই বাখৰক ক'ব নোৱাৰিলে। গিৰীনক কিবা কবলৈ সি আজি-কালি কথা কবলৈকে ভয়ানকভাৱে কমাই পেলাইছে. গৌৰীৰ লগত সেই বিষয়ে তাই আলোচনা কৰিব নোৱাৰে।

এদিন ৰাতি শুবৰ সময়ত বাখৰে স্পষ্টৰূপে শুনিলে, ঘৰৰ ভিতৰত ভীম আৰু গৌৰীয়ে কাজিয়া কৰিছে। কথা কটাকটিৰ পিচত ভীমে ভয়ানক ভাৱ গৰ্জিবলৈ আৰম্ভ কৰিলে আৰু গৌৰীয়ে আৰম্ভ কৰিলে কান্দিবলৈ। অনুপমা বিছনাত পৰি আছিল, কিন্তু টোপনি যোৱা নাছিল। তাই বাখৰৰ চকুলৈ চালে, বাখৰেও তাইৰ ফালে চালে! সম্ভৱ দুয়ো কথাটো বুজিছিল, কিন্তু ফুটাই কবলৈ কোনো কথা বিচাৰি পোৱা নাছিল। শইকীয়াও টোপনি যোৱা নাছিল, তেখেতে দুৱাৰ খুলি বাহিৰলৈ আহি ডাঙৰকৈ দুটামান গল খেকাৰি মাৰি আকৌ দুৱাৰ দি শুই থাকিলহি। ভীমহঁত লাহে লাহে নিৰৱ হৈ গ'ল।

এদিন ভীমে অকলশৰীয়াকৈ বাখৰক লগ কৰি ক'লে, "বাখৰ ককাইদেউ, এইবোৰ ভাল কথা নহয়। তই কিবা এটা কৰ। নহ'লে মই কাহানিবা কিবা কৰি পেলাম। তেতিয়া বেয়া হব। মান ইজ্জৎতো আছে।"

বাখৰ ভাৱনাত পৰিল। শইকীয়াই ঘৃণাৰ চকুৰে গিৰীনৰ ফালে চাবলৈ ধৰিলে।

এদিন দুপৰ নিশা সাৰ পাই বাখৰ বাহিৰলৈ আহিছিল। বাহিৰৰ বাৰাণ্ডাৰ লাইটটো জ্বলাই সি অবাক হৈ গ'লঃ গিৰীনৰ কনট্ৰেক্টৰী অফিচৰ পৰা লৰমাৰি গুচি গ'ল গৌৰী, বিবস্ত্ৰ বুকুখনৰ ওপৰত লৰা-ধপৰাৰ মাজতে শাৰীৰ আঁচলটো দি যাবলৈ তাই বৃথা চেষ্টা কৰিছিল। লাহে লাহে আঁতৰি যাব খোজা গিৰীনক বাখৰে পাচ ফালৰ পৰা

মাতিলে,

"গিৰীন।"

গিৰীন ৰৈ গ'ল।

বাখৰে ক'লে, "তুমি এতিয়াই মোক পাৰ্টিকোত লগ ধৰিবা।"

গিৰীন গ'ল। বাখৰ ভিতৰলৈ আহিল। ভীমে বোধহয় তেতিয়া লালকাল দি শুইছিল। বপুৰা অপমানিত স্বামী, মনৰ ক্ষোভত ভালেমান পৰ টোপনিৰ লগত যুঁজি যুঁজি হয়তো সি শুই পৰিছিল। সি কব নোৱাৰে তাৰ দুশ্চৰিত্ৰা স্ত্ৰীয়ে লোভ-লালসাৰ সাগৰত নিজকে উটুৱাই দি কাহানিবাই বহুত দূৰ পালেগৈ।

৪

পাৰ্টিকোৰ পিনে দুৱাৰ মেলি বাখৰ ওলাই গ'ল। বাহিৰৰ ফালৰপৰা গিৰীন আগতেই বহি আছিলহি। আন্ধাৰৰ মাজত সি চিগাৰেট হুপি আছিল। ভয়ানক কিবা এটা যে হব সি তাকে আশংকা কৰিছিল; কিন্তু নিৰৱে চিগাৰেট হুপি হুপি সি শান্তভাৱে ইচ্ছা কৰিয়েই তাৰ মাত্ৰা কমাবলৈ যত্ন কৰিছিল। লাইট নজ্বলোৱাকৈ বাখৰ এখনি চকীত বহিল।

পাঁচ মিনিটমান নিৰৱেই পাৰ হৈ গ'ল। দুয়ো ভাৱিছিল। বাখৰে ভাৱিছিল কেনেকৈ কথাটো নিষ্পত্তি কৰিব। গিৰীনে ভাৱিছিল কেনেকৈ উত্তৰ দি সি অতি সোনকালে গুচি যাব আৰু ডুমডুমাৰ কোনখিনিত থাকিবগৈ।

অৱশেষত বাখৰে ক'লে "গিৰীন, তুমি বৰ বেয়া কাম কৰিছা।" গিৰীনে অস্বীকাৰ নকৰিলে; প্ৰতিবাদ কৰিবলৈও তাৰ একো নাছিল।

অলপ ৰৈ বাখৰে ক'লে, "আমি গোটেই ঘৰখনে তোমালোকক লক্ষ্য কৰি আছিলোঁ। তোমাৰ পৰা আমি এনে আচৰণ আশা কৰা নাছিলোঁ। অন্ততঃ তুমি ইয়ালৈ প্ৰথমে অহাৰ কথা মনত ৰখা উচিত আছিল। তোমাক উপদেশ দিবলৈ মই মতা নাই। তাৰে কাম নহব বুলিও মই জানো। তুমি কাইলৈ বা পৰহিমানতে এই ঘৰ এৰি যাবা। দেউতাই এই কথা জানে নে নাজানে কব নোৱাৰো। তেখেতক কোৱাৰ আৱশ্যকো মই দেখা নাই। তুমি আমাক এৰি যোৱা।"

গিৰীনে একো নেমাতিলে। বাখৰে অলপ হুটা মাতেৰে মাতিলে,

'গিৰীন!'

"ওঁ," গিৰীনে সহাঁৰি দিলে; সেয়ে তাৰ সন্মতিও সূচালে।

গিৰীনে এক মাতেৰে ক'লে, "এতিয়া যোৱা।"

গিৰীনে লাহে লাহে পকী খটখটীয়েদি নামি গ'ল। অলপ পৰ একে ঠাইতে বহি থাকি বাখৰেও খং দমাই লবলৈ যত্ন কৰিলে। তাৰ পিচত সি উঠি ভিতৰ সোমাই যাওঁতে কাৰোবাৰ গাত খুন্দা খালে। আন্ধাৰ হ'লেও অনুমান কৰি সি মাতিলে, "কুকি।"

অনুপামই তাৰ হাতত ধৰি ক'লে "আহক এতিয়া শুই থাককহি।" তাই আহি দুৱাৰৰ সিফালৰ পৰা বাহিৰৰ অকণমানি ঘটনাটো চাই আছিল। সি অনুভৱ কৰিলে, কিবা এটা দুৰ্ঘটনা ঘটিব বুলি শঙ্কা কৰি তাই ওচৰতে বৈ আছিলহি। সি তাইৰ গাত লাহে লাহে চপৰিয়াই ক'লে, "ব'লা।"

গাঁৱৰ খেতিয়ক ল'ৰা গিৰীন, সুশৃঙ্খলিত আৰু পৱিত্ৰ ভাৰত কামনা মনৰ মাজত ঠাই দিয়াই তাৰ সম্প্ৰাদায়ৰ ৰীতি। সৰুৰে পৰা সমাজ আৰু বৰজনাৰ পৰা এই শিক্ষা সি পাই আহিছে। তাৰ বাহিৰলৈ যাবলৈ সি সদায় ভয় কৰিছিল আৰু যোৱা নাছিল। বিৱাহ বন্ধনৰ বাহিৰত কামনাৰ কল্পনা কৰিবলৈ সি আসৈ পোৱা নাছিল। সমাজত এই নৈতিক চৰিত্ৰত বলবান ডেকা, কৰ্মঠ গিৰীন বহুতৰে প্ৰিয়পাত্ৰ হৈ উঠিছিল। কিন্তু মিহলি মনৰ পৃথিৱীলৈ অহাৰ পিছত পৰা আৰু মহাসমৰৰ পৰশ লগাৰ পিছৰপৰা তাৰ এই বান্ধোন লাহে লহে ছিগি আহিছিল। তাৰ সেই নৈতিক চৰিত্ৰৰ মৰণ মিলিছিল। খেতিয়কৰ ল'ৰা গেৰেলাৰ সমাধিত কনট্ৰেক্টৰ, গিৰীন । হাজৰিকাৰ জন্ম। ৰণুৱা-চিপাহীৰ অত্যাচাৰৰ কাহিনী বাতৰি কাকতত নহ'লেও মানুহৰ মুখে মুখে প্ৰচাৰিত, সিহঁতৰ দুৰ্দম, উদ্দাম, দুৰ্দান্ত জীৱনৰ সংস্পৰ্শলৈ আহি এদিন গিৰীনে সম্পূৰ্ণৰূপে নিজক হেৰুৱাই পেলালে। তাৰ জীৱনলৈ আহিল কাহানিও নজনা এক ৰহস্যময় সুখৰ আহ্বান আৰু তাৰ বাবে অবান্তৰ খৰচ, স্বাস্থ্যৰ নামত কাহানিও নাম নুশুনা খাদ্যৰ সৰবৰাহ, লজ্জা নিবাৰণৰ নামত বিলাসৰ সামগ্ৰীৰ প্ৰাচুৰ্য, অন্তৰ বাহিৰ জুৰি অৱশ কৰিব পৰা নাৰী জীৱনৰ অভাৱ।

তৃতীয় দিনা গিৰীন গুচি গ'ল; ডুমডুমাৰ কলীয়াপানীৰ ফালে সি এটা ঘৰ পাইছে। যাবৰ সময়ত বাখৰ আৰু শইকীয়া কাকো সি লগ নেপালে। অনুপমাৰ হাতত এটা লেফাফা দি ক'লে, "নবউ, পেহাদেউক এইখিনি দিব। টকা এহেজাৰ আছে। মই যাওঁ। পাৰো যদি মই কাইলৈ এবাৰ আহি যাম।"

অৱশ্যে সি অহা নাছিল।

তাৰ পিছত এদিন কাজিয়া কৰি গৌৰীও লাইনলৈ গুচি গ'ল। গিৰীয়েক-ঘৈণীয়েকৰ মাজত এবাৰ যি মনোমালিন্য ঘটিল, সি নাইকিয়া নহ'ল। যিহৰ বাবে এই কাজিয়াৰ সূত্ৰপাত হ'ল, সি মাৰ যাব পৰা বিধৰো নহয়। গিৰীন যোৱা কথা বাদ দিও সি যোৱাৰ পিছতো সদায় সিহঁত দুটাৰ মাজত খুট-খাটকৈ লাগি আছিল। অৱশেষত এদিন গধূলি কাজিয়া কৰি তাই অকলশৰে লাইনৰ পিনে খোজ ললে।

পিছদিনা ৰিকল আহি ভীমক লাইনলৈ বৈ গ'ল। কিন্তু ফল একো নহ'ল। ভীমে নিজেও কৈ মেলি চালে। তাইক আৰু ঘূৰাই আনিব পৰা নগ'ল। তাই বোলে আৰু গিৰিয়েকৰ লগত ঘৰ নকৰে।

ভীম ঘূৰি আহিল। সি গাৰ কাপোৰ-কানি জোকাৰি জোকাৰি ক'লে; "যা বেটী তই নেতাকিলে মই অকলে থাকিব নোৱাৰিম নেকি? মৰগৈ ক'ত মৰ। মোৰ কি?" সি কাপোৰ-কানি জাৰি-জোকাৰি এনেকৈয়ে ক'লে যেন গাত লাগি থাকা গৌৰীৰ মলিবোৰো জোকাৰি পেলাব খুজিছে।

পণ্ডিতসকলে কয়, স্ত্ৰীচৰিত্ৰ আৰু পুৰুষৰ ভাগ্যৰ কথা মানুহ কিয় দেৱতায়ো বুজিব নোৱাৰে। বাখৰ আচৰিত হয়, গৌৰীৰ এনে অধঃপতন কিয় হ'ল! কি নাছিল তাইৰ? তাই জানো ভীমৰ প্ৰেমত বলিয়া হোৱাদি হোৱা নাছিল? ক'লৈ গ'ল সেই প্ৰেম? সি প্ৰেম হবই নোৱাৰে? সি মোহ, মঙহৰ মোহ, নোপোৱাৰ মোহ, ৰহস্যৰ মোহ।

হয়তো মোহেই। মোহৰ দ্বাৰাই অভিভূত হৈ এদিন গৌৰীয়ে ভীমৰ ওচৰত আত্মসমৰ্পণ কৰিছিল। হয়তো তাৰেই তাই এদিন ভীমৰ মাজত নিজক হেৰুৱাই পেলাব পাৰিলেহেঁতেন। কিন্তু কেতিয়াবা মানুহে মোহত পৰি আগৰ কথা পাহৰি যায়- আৱিষ্কাৰ কৰে নতুন টান। তেতিয়া পিচলি পৰে। ভীমতকৈ গিৰীন বেছি আকৰ্ষণীয়; গিৰীনৰ ধন, মান, স্বাস্থ্য যৌৱন, ফুচুলনি সকলো প্ৰৱলতৰ। হ'ব পাৰে সিও মোহ, কিন্তু তাৰ বল বেছি। এই বলবান মোহৰ হাতত পৰাজিত হোৱাৰ যি আনন্দ সেই আনন্দৰ অবিৰাম সোঁতত নিজকে উটুৱাই দিওঁতে নিজৰ জীৱনৰ অন্তত থকা নৈতিকতাৰ কথা আৰু মনত নেথাকে। থাকিলেও তালৈ ভ্ৰূক্ষেপ কৰিবৰ মন নেযায়।

**************

## বাৰ

১

এদিন ৰেণুৰে সৈতে আহি গিৰিয়ে অভিযোগ কৰিলে, "নবউ আপুনি বৰ বেয়া মানুহ। আজি এমাহমান হৈ গ'ল আমাৰ ঘৰলৈ যোৱা নাই। আমাৰ নতুন ঘৰটো লোৱাও এসপ্তাহ হৈ গ'ল। আপুনি এবাৰ চাওঁ বুলি যাবলৈ মন কৰা নাই।"

অনুপামই হাঁহি কথাটো পাতল কৰিবলৈ যত্ন কৰিলে। গিৰিহঁতৰ নতুন ঘৰ লোৱা উৎসৱলৈ অৱশ্যে মাতিছিল, কিন্তু তাই যাব নোৱাৰিলে। ক'লে, "নকবা গিৰি। যাম যাম বুলিও সময় কৰিব নোৱাৰো। যাম কাহানিবা এদিন।"

গিৰি কিন্তু আজি শেনৰ এজাত হৈ আহিছে। ক'লে. "কাহানিবা, এদিন নহয়, আজিয়েই যাব লাগিব।"

গতিকে তাই ডুমডুমাৰ পালেগৈ।

দুমহলীয়া নতুন ঘৰৰ বহল ড্ৰইংৰুমত সোমায়েই গিৰিয়ে তাইক দুহাতেৰে ধৰি চোফা এখনত বহুৱাই দিলে। তাৰ পিচত ক'লে, "আপুনি অনুগ্ৰহ কৰি ইয়াতে বহি থাকক। অনুগ্ৰহ কৰি ইয়াৰ পৰা উঠিবলৈ মুঠেই যত্ন নকৰিব। ৰেণু, তই ইয়াত থাক, মই এতিয়াই আহিছোঁ।"

তাই ভিতৰ সোমাই গ'ল। যোৱাৰ আগতে, যেন অনুপমাক দেখুৱাইহে, তাই বাখৰে দেখা ফটোগ্ৰাফখনৰ ফালে এবাৰ চাই দুৱাৰ মুখত ড্ৰয়াৰ এটা এনেয়ে মেলি ওলাই গ'ল।

নতুন ঘৰটোত অনুপমাই সচাঁকৈয়ে সকলো নতুন নতুন যেন অনুমান হ'ল। চোফা ছেটটো নতুন। ষষ্ঠ জৰ্জৰ পুৰণি ছবিখনৰ ওচৰত গান্ধীৰ ডাঙৰ ছবি এখন আঁৰা হৈছে। অৰ্গেনটো এটা চুকত, তাৰ বিপৰীত ফালে আন এটা চুকত নগা যাঠী এপাট আৰু খাছীয়া ধনু-কাড় এযোৰে সাৰটা-সাৰটিকৈ অবাক হৈ ফটোৰ ফালে চাই আছে।

অলপ পিচতে ৰেণুও ওলাই গ'ল।

গিৰিয়ে ইংগিত কৰা ফটোখনৰ ডেকাজনৰ ফালে এবাৰ চাই অনুপমাই ড্ৰয়াটোৰ ওচৰলৈ আহিল। খোলা ড্ৰয়াৰটোত ওপৰমুৱাকৈ আৰু এখন ফটোগ্ৰাফ আছিল-

মিলিটাৰী সাজত এজন ডেকা, সেই একেজনেই। তাই যেন বুজিব পাৰিলে। খোলাকৈয়ে দ্ৰয়াৰটো এৰি আগৰ ঠাইত বহিলহি।

গিৰিয়ে মাকক লৈ সোমালহি, তাই কৈ আহিছে, "চাচোন মা, নবউক আমাৰ ইয়ালৈ আহিবলৈ মই একেবাৰে খাটিৰ কৰি কৰি হায়ৰান হৈ গ'লো, আজি তেওঁক ধৰি-বান্ধিহে আনিব পাৰিছো।"

মাকে ক'লে, "যা অ' এইজনী, যিহকে তিহকে কৈ নেথাক।"

অনুপমাই ক'লে "তেওঁৰ কথা শুনক, 'মই বোলে এমাহ ইয়ালৈ অহা নাই। সেইবাবে আহিব লাগে।"

"নহয় নেকি?"

অনুপমাই দেখিলে গিৰিয়ে কাপোৰ কানি সলাই আহিছে। মূৰৰ চুলি মেলা পাউদাৰ সমা মুখখন চেচা পানীৰে ধোৱা। ভৰিত একো নাই, তাইৰ গোটেই গাতে যেন সনা আছে কিহবাৰ মাদকতা। সেই মাদকতা কাপোৰৰ নহয়, প্ৰসাধনৰ নহয় সেই মাদকতা মানুহনীৰ ভিতৰত পৰা যেন বাট মুকলি কৰি নিগৰি ওলাই আহিব খুজিছে। তাৰ প্ৰভাৱত যেন তাই বতাহৰ দৰে এটা শক্তি আহৰণ কৰিছে। তাই তৎক্ষণাত দ্ৰইংৰুমৰ পৰা ওলাই গ'ল।

২

মাকে অনুপমাক ওচৰত বহুৱাই লৈ নানান কথা পাতিবলৈ ধৰিলে। তেখেতৰ পৃথিৱীখন সীমাবদ্ধ আছিল; সেইবাবে কথা-বতৰাও আঞ্জা, চাউল, ৰ'দ বৰষুণ এইবোৰতে শেষ। অৱশ্যে সীমাবদ্ধ পৃথিৱীত তেখেত অসুখী নাছিল, সুখৰ পিচে পিচে তেখেত লৰি ফুৰা নাই- স্বামী আৰু জীয়েক দুজনীক সময় মতে খুৱাব পিন্ধাব পাৰিলেই তেখেতৰ আৰু একো নেলাগে। জাপান আৰু জাৰ্মানীৰ বিৰুদ্ধে তেখেতৰ কোনো দ্বেষ আক্ৰোশ নাই। চুকেৰিটিঙৰ বিখ্যাত কনট্ৰেক্টৰ নৰকান্ত বৰুৱাৰ লগতো তেখেতৰ পৰিচয় নাই। সেই বাবেই ধুনীয়াকৈ সজোৱা দ্ৰইং ৰুমৰ বিলাস সামগ্ৰী কোমল চোফাখনত বহিও তেখেতে ভিতৰৰ ফালে চাই চিঞৰিলে, "ৰেণু, বটাটো লৈ আহ।"

ৰেণুৱে বটাটো দি গ'লহি। বটাটো কোলাতে লৈ তেখেতে তামোল কাটিবলৈ ধৰিলে। আঁতৰত চকুত পৰা খাচীয়া ধনুকাঁড়ে মিচিকিয়াই হাঁহিলে, নগা যাঠীপাটৰ

মুখৰ পৰা পানী পৰিবলৈ ধৰিলে।

তেখেতৰ দাঁত আৰু ওঁঠলৈ চাই অনুপমাই বুজিলে তেখেত তামোলৰ ডাঙৰ ভক্ত।

তাই ক'লে, "ঘৰটো এনেকৈ নতুন বস্তুৰে সজাই থৈছে মই জনাই নাছিলো।"

তেখেতে [illegible], "এ নকবা। এই গিৰিজনীৰ পৰা আৰু উপায় নাইকিয়া হেছে। ডিব্ৰুগড়ত বোলে সেই ৰাইচাহেবৰ ঘৰত একছেট চোফা দেখি আহিল কলিকতাৰ পৰা অনা, তাই আহি দেউতাকক ধৰিলেহি বোলে আমাৰো আনিব লাগে। আগতে অনা সেই বাঘজানৰ চাহেবৰ পুৰণি ছেটটো বেছি পেলালে। সেই সোপা এতিয়া আনিছে। এই মাহটো তাই সেইবোৰকে কৰি আছে।"

তাই লাহেকৈ ক'লে, "ভালেই হৈছে।"

"তাইৰ বিয়াখন সোনকালেই পাতি পেলাওঁ বুলি ভাবিছোঁ। তেজপুৰৰ ল'ৰা এটা পাইছোঁ! ঘৰ-বাৰী ভালেই। সিবাৰ যোৰহাটলৈ যাওঁতে লগো পাইছিলোঁ। দেউতাক গৈয়ো আহিল এবাৰ।"

"হয় নেকি?" অনুপমাই গাটো লৰাই-চৰাই বহিল।

"ল'ৰাটোৱে এম- এ পঢ়িছিল। পিছে যুদ্ধৰ সময়ত পঢ়া-শুনা এৰি এতিয়া মিলিটাৰীত সোমাইছে। এতিয়া ঘৰত নাই। সিদিনা কৰাচীনে ক'ৰপৰা বোলে চিঠি আহিছে।"

অনুপমাই ডেকাৰ ছবিখনৰ পালে চাই আছিল। সোধো নোসোধোকৈ ক'লে, "এই – এখেত কোন? মানে ক'ৰ?"

"তেৱেঁই। ল'ৰাটো তেৱেঁই। নামটো জয়ন্ত।" তেখেতে ডাঙৰকৈ তামোল এখন মুখত ভৰাই অনুপামৰ ফালেও এখন আগবঢ়াই ক'লে, "তাই আকৌ মেট্ৰিক দিবলৈ ওলাইছে নহয়। দেউতাকেও কৈছে মেট্ৰিক পাছ কৰি লওঁক, তেতিয়া বিয়াখন পাতি পেলাব। পিছে মেট্ৰিক দিয়া হবলৈ আৰু পঢ়া শুনাত মন থাকিলেহে। খালি গান বাজনা কৰি থাকিলেনো পঢ়া হয়নে? মাহটোত চাৰি-পাঁচবাৰ ডিব্ৰুগড় তিনিচুকীয়া কৰিবই।"

৩

আগফাল আওহতীয়া কোঠা এটা আলহী অতিথিক চাহ দিবলৈ গিৰিয়ে ঠিককৈ থৈছে। সৰু সৰু চকীবোৰ বেঙেনা বুলীয়া, টেবুলবোৰ নিকা কাপোৰেৰে ঢকা, তাত

গিৰিৰ বেজীৰ কামৰ নিৰ্দশন।

দুৱাৰমুখলৈকে আগবঢ়াই থৈ মাক গুচি গ'ল। অনুপমা, গিৰি আৰু ৰেণু খাবলৈ বহিল। ৰান্ধনিটোৱে আলপৈচান ধৰিলে। চীনামাটিৰ ফুলাম বাচনত প্ৰথমে দিলে উৎকৃষ্ট গৰু ঘিউৰে ভজা ভাল ময়দাৰ লুচি, হাতেৰে ছুলে ভাগি যায়, মুখত পেলাই দিলে গলি যায়। বৰফেৰে আৰু চেঁচা কৰা কাচৰ গিলাচত ফটফটীয়া পানী। তাৰ পিচত আহিল অমলেট আৰু আলুৰ চিপছ; কাঁটা চামুচ ধৰা শিক্ষা ৰেণুৰ পৰা পাইহে তাইৰ মৰি যোৱা যেন লাগিল। তাৰ পিচত আহিল চাহ।

অনুপমাই ক'লে, "গিৰি, ইমানবোৰ খালে অত্যাচাৰ নহ'বনে?" গিৰিয়ে ক'লে, "হ'ক অত্যাচাৰ। আজি আপোনাক অত্যাচাৰ কৰিম বুলিয়ে লৈ আহিছো।"

তাৰ পিচত নকৈ সজাই থোৱা কোঠালিবোৰ এটা এটাকৈ গিৰিয়ে অনুপমাক দেখুৱাই নিয়ে, আন কি পাকঘৰটোও। আটাইবোৰ ঘৰতে কাৰ্পেট পৰা, ড্ৰইং ৰুমৰখন কাৰ্পেট আটাইতকৈ ধুনীয়া। বৰুৱাৰ কোঠাত মহাৰাণী এলিজাবেথৰ ছবিখন প্ৰথমেই চকুত পৰে। কালি অনা নেহেৰুৰ ছবিখন এতিয়াও আঁৰাই নাই। কস্তুৰবাৰ ছবিখনো টেবুলত পৰি আছে, আঁৰিবলৈ সময় পোৱা নাই। লক্ষ্মীদেৱীৰ ছবি হ'লে অনুপমাই এখনো নেদেখিলে। তাই ভাবিছিল, দেৱীয়ে তেন্তে ইমানবোৰ ধন নৱকান্ত বৰুৱাক কিয় দিছে? তাই অৱশ্যে সিদ্ধান্ত কৰিলে, দেৱীৰ পূজা বৰুৱাই কৰা নাই, কৰিছে গোসাঁনীৰ বিপক্ষে মহাৰণ।

ঘৰ চোৱাৰ পিছত ড্ৰইং ৰুমত গিৰি ৰেণুৰ নৃত্য গীত।

অফিচ ৰুমত নৱকান্ত বৰুৱাই এজাক ঠিকাদাৰৰ লগত গগণ ফালি তৰ্ক কৰিছে। বিষয়বস্তু হৈছে, জাৰ্মানীয়ে আত্মসমৰ্পণ কৰিলেও জাপানক সতকাই হৰুৱাব পৰা নহ'ব; কাৰণ ৰবীন্দ্ৰনাথে কৈছিল, জাপানে পশ্চিমৰ স্পিৰিটটোও নিজৰ ভিতৰত সুমুৱাই থৈছে আৰু সেই গতিকে জাপান সমানে পশ্চিমৰ নিচিনা শক্তিশালী।

৪

ঘৰলৈ আহি অনুপমাই কাঁটা চামুচ ধৰা শিক্ষাৰ কথাকে ভাবিছিল। ৰেণুৱে তাইক এইদৰে অপমান কৰাৰ কথা তাই কোনোমতে সহ্য কৰিব নোৱাৰিলে। লাজত তাই ভিতৰি ভিতৰি দেই পুৰিবলৈ ধৰিলে।

গিৰিহঁতৰ নতুন ঘৰ, দামী আচবাব, জলপানৰ আড়ম্বৰ, ড্ৰইংৰুমত নৃত্য-

গীত এইবোৰেই তাইৰ মূৰত ঘূৰি ফুৰিবলৈ ধৰিলে। হঠাতে তাইৰ চকুত পৰিল বাখৰৰ পঢ়া টেবুলৰ ওপৰত পৰা টেবুল ক্লথখনৰ ফুলো একেবাৰে বেয়া, দুৱাৰৰ পৰ্দাখন বৰ লেতেৰা হৈছে, পৰ্টিকোৰ দীঘল আৰ্মবেঞ্চখন পুৰণি হৈছে।

ৰাতি বাখৰৰ আগত তাই দিনটোৰ অভিজ্ঞতাকে বৰ্ণনা কৰিছিল। বাখৰে লক্ষ্য কৰিলে. তাইৰ উছাহ অপল অস্বাভাৱিক ভাৱে বাঢ়িছিল। সি ক'লে, "কথা কি জানা কুকি? নৰকান্ত বৰুৱাই যি সোপা ছপা কাগজ আনিছে সেইসোপা এইদৰে খৰচ নকৰিলে উয়ে খাব পাৰে, গিৰিয়ে বতৰৰ ফালে ফল বতৰতে ভোগ কৰি ভালেই কৰিছে।"

তাই ভাল নেপালে। তাই কলেজত পঢ়া ছোৱালী । মাৰ্জিত ঘৰ দুৱাৰত থকা হেঁপাহ তাই কৰিছিল, এই কথা তাই যেন আজি ডুমডুমালৈ ফুৰিবলৈ গৈহে আৱিস্কাৰ কৰিলে। কিন্তু বাখৰৰ নিৰ্লিপ্ত "মোহময় মায়াময় সকলো মাথোন" মনোভাৱ তাই ভাল নেপালে। কিয়, সংসাৰৰ মাটিত গজা ফল ফুল যোগ কৰাৰ পৰা তাই কিয় বঞ্চিত হ'ব? গিৰিৰ এমব্ৰইডাৰীতকৈ বাখৰৰ টেবুল ক্লথখনৰ ফুলটো কিয় বেয়া হ'ব? পৰ্দাখন কিয় লেতেৰা হ'ব?

কিন্তু বাখৰক তাই ভালদৰে জানে, সি যুদ্ধৰ ঠিকা নকৰে, টকা উপাৰ্জন নকৰে। টেবুল ক্লথৰ ফুল ভাল নে বেয়া তাৰ খবৰ নাই। মোহৰ মাজলৈ নগৈ আনন্দেৰে জীয়াই থকাই বাখৰৰ জীৱন দৰ্শন। তাই আজি অলপ অনুতাপ কৰিলে।

তাই মনে মনে বাখৰৰ ফালে চালে। সি শান্তভাৱে টোপনি গৈছে; স্বাস্থ্যবান মুখখনত প্ৰশান্তি। টোপনি যোৱা মানুহটোৰ বহল বুকুখন উঠা-মনা কৰিছে। সেইখন বুকুত ৰাজ্যৰ মৰম সোমাই আছে; নিজৰ চিন্তা নাই, কিন্তু তাৰ কুকিক দিব পৰা মৰম উপচি আছে। এজন মানুহকো দাৰে দিব পৰা ধন নাই, কিন্তু জগতখনকে ভাল পাব পৰা মন আছে।

তাইৰ ওঁঠ দুটা কঁপি উঠে। তাৰ প্ৰতি অন্যায় চিন্তা তাই মনত ঠাই দিয়াৰ অপৰাধ এটা অনুভৱ কৰিলে। মনে মনে "দেৱতা মোৰ" বুলি বাখৰৰ বুকুৰ মাজলৈ সোমাই গ'ল! তাই পৃথিৱীৰ চিন্তা পাহৰি যাবলৈ যত্ন কৰিলে, গিৰি ৰেণুক পাহৰি যাবলৈ যত্ন কৰিলে। তাই বাখৰৰ পৰা আঁতৰি থাকিব নোৱাৰে।

*************

## তেৰ

১

ৰাতিপুৱা শুই উঠি তাই পৰ্দাখন খুলি পেলাই থলে। ধুব লাগিব। টেবুল ক্লথখন গুচাই আল্‌নাডালৰ তল খাপত পেলাই থলে আৰু আধাকৰা নতুন টেবুল ক্লথখন আজিৰ ভিতৰতে শেষ কৰিবলৈ বেজী আৰু ডি-এম-চি সূতা যতনাই থলে। বাহিৰৰ আৰ্ম বেঞ্চখন আঁতৰাই তাৰ ঠাইত ভাল চকী দুখনমান থব পাৰি নেকি চালে।

গিৰীন আহিছিল। সি টকা এহেজাৰ অনুপমাৰ হাতত দিলে, শইকীয়াক দিবলৈ। সি ক'লে, "নবউ, পেহাদেউক কব, মোক দৰকাৰ হ'লে যেন কেতিয়াবা সহায় কৰে। তেখেতৰ মূলধনৰ বাবে এইখিনি লাভ দিলো।"

তাই গিৰীনক চাহ খুৱাই পঠালে। হাজাৰ হওক গিৰীন একেবাৰে অকৃতজ্ঞ হৈ যোৱা নাই। শইকীয়াই কৰা এদিনৰ উপকাৰৰ কথা সি পাহৰি যোৱা নাই। তাৰ চেহেৰাটো এই কেইদিনতে আৰু ধুনীয়া হৈ উঠিছে। কাপোৰ-কানি পৰিপাটি, খোজ-কাটলত গাম্ভীৰ্য্য আৰু কথা-বতৰাত বেছ ভদ্ৰতা। তাই ভাৱিলে, গাঁৱৰ সামান্য হোজা খেতিয়কৰ ল'ৰা হৈ অধ্যৱসায় কৰি গিৰীন্দ্ৰই নিজৰ উন্নতি কৰিছে। তাক ধন্যবাদ দিয়াহে দৰকাৰ।

নিজামে বাখৰৰ পৰা চাইকেল মেৰমতি কৰা টকা নিবলৈ আহিছিল, প্ৰত্যেক মাহত একোবাৰ আহেই। তাই শুনিলে নিজামে কৈছিল, "বুইছা বাখৰ, ভুলেই কৰিলো যেন পাওঁ। কেইহাজাৰ মান টকা গোটাই থব পাৰিলে যুদ্ধৰ পিচত ডাঙৰকৈ দোকান এখন পাতি লব পাৰিলোহেঁতেন।"

বাখৰে ক'লে, "এটা কথা নহয়, আমি চাওঁ কোনে কিমান আৰ্জে আৰু অৰ্জা টকাৰে সিহঁত কেনে মানুহ হয়গৈ। সকলোৱে আৰ্জিলে কথাটোৰ গম কোনেও লব নোৱাৰিব।"

"এৰা, এৰা।" নিজামে খুব হাঁহিছিল।

তাই আঁতৰি যায়। শইকীয়াৰ হাতত টকা হেজাৰ দি কয়, "দেউতা গিৰীনে এই হেজাৰ টকা দি থৈ গৈছে। আপোনাৰ লাভৰ অংশ বোলে।"

শইকীয়া অলপ আচৰিত হৈছিল। 'পাপী' গিৰীনৰ টকা লবলৈ তেখেতে

অলপ সঙ্কোচ কৰিছিল। তাই ক'লে, "দেউতা পৰ্টিকোৰ বেঞ্চখন বৰষুণৰ এচাৰকণিত তিতি একেবাৰে বেয়া হৈ গ'ল। দুখনমান নতুন চকী আনিব নোৱাৰিনে? খোলা পৰ্টিকোটোত বাঁহৰ চিলিঙ দিলেও ভাল হ'ব।"

অলপ চিন্তা কৰা যেন দেখুৱাই শইকীয়াই ক'লে, " এৰা আই কথাটো মিছা নহয়। দেশৰ মানুহবোৰ আহি থাকে, দেখিবলৈকে বেয়া হৈছে। আমাৰ বুঢ়া চকুত আক' সেইবোৰ নপৰেই নহয়। মই বাৰু কাইলৈ কেইখনমান চকীৰ অৰ্দাৰ দিম।

তাই চৰ্পত এগিল্যাচ কৰি আনি শইকীয়াৰ ওচৰত থৈ ক'লে, "পৰ্দা কৰিব পৰা কাপোৰ অফিচৰ গুদামত নাই জানো দেউতা? আমাৰ পৰ্দা দুখন দুখন থাকিলে ভাল হয়।"

"এ ঢেৰ আছে। পৰ্দা লাগে নে কি এতিয়া মোৰ মনত পৰিলেহে। কাইলৈকে এক থান পঠাই দিম। ই বাখৰটোৱে সেইবোৰ খবৰকে নেৰাখে।"

বোৱাৰীয়েকৰ আৱিস্কাৰবোৰ তেখেতে অকাতৰে সত্য বুলি মানি লয়। ঠিকেইতো, ঘৰটো, অলপ চকু লগা কৰি ল'লে দেখিয়েই ভাল লাগিব। অৱশ্যে টকা খৰচ হব। গিৰীনৰ টকাখিনি ? বেয়া মানুহৰ টকা।

অনুপমাই ক'লে, "গিৰীনে একেবাৰে নষ্ট হৈ যোৱা নাই, মই যি দেখিলোঁ। আপুনি কৰা উপকাৰৰ কথা সি পাহৰি যোৱা নাই। আজি আহোতে কৈছিল দৰকাৰ হলে আপুনি তাক সহায় কৰিব লাগিব বুলি। আপোনাক ভক্তি কৰিবলৈ পাহৰা নাই বাবেহে সি তেনেকৈ কব পাৰিছে।"

শইকীয়াই চিন্তা কৰি চালে হয়, অনুপমাৰ কথাই ঠিক। নহ'লে ব্যৱসায়ৰ লাভ বুলি এহেজাৰ টকা গিৰীনে কেতিয়াও নিদিলেহেঁতেন। দৰকাৰ পৰিলে তেখেতে তাক আকৌ সহায় কৰিব। তদুপৰি বাকচৰ টকা কেইটা দুদিনমানৰ কাৰণে উলিয়াই দিওঁতে যদি শতকৰা চাৰি পাঁচ গুণ লাভ হয় তেন্তে ক্ষতি কি? ব্যৱসায়ত পাপ থাকিব নোৱাৰে, নহ'লে সকলো ব্যৱসায়েই পাপ হ'লহেতেন।

কিন্তু অনুপমাৰ কথাবোৰ আজি অলপ বেলেগ সুৰৰ। কিবা এটা দুখ পাইছে যেন তাই এনে সাৰুৱা গম্ভীৰ কথা কৈছে, শইকীয়াৰ এনে অনুভৱ হ'ল। তেখেতে ভাবিলে, বাখৰৰ লগত কিবা কাজিয়া অভিমান কৰিছে হ'ব পায়।

২

ভীমে কাৰো লগত কথা নেপাতি নিৰৱে কাম কৰি ফুৰে। ৰাতি লেম জ্বলাই আখৰ লিখে আৰু পঢ়ে! নোৱাৰা কথাবোৰ গম্ভীৰ ভাৱে বাখৰৰ পৰা সুধি-পুচি লয়। সি মনত বৰ আঘাত পালে। তাৰ ঘৈণীয়েকে এনে অপকৰ্ম কৰিব নেলাগিছিল। তাৰ মান ইজ্জৎ সকলো ধুই খালে তাই। যুদ্ধৰ বতাহ লাগি তাৰ মানুহজনী উৰি গ'লগৈ। তাৰ বন্ধু দুৰ্য্যোধন বেয়া কামত সোমাই পৰিলেগৈ। দুৰ্য্যোধনে কিমান দিন ধাৰ্মিক ডেকা ল'ৰা হৈ থাকিব পাৰিব ভীমে চিন্তা কৰিবলৈ ধৰিলে। তাক সকলোৱে এৰি থৈ গ'ল। একমাত্ৰ বাখৰ ককাইদেৱে তাক এতিয়াও মৰম কৰি আছে। বাখৰক এৰি সি যাব নোৱাৰে। পৃথিৱীৰ পাপ-পূণ্য বাখৰেই তাক দেখুৱাই দিছে। বাখৰেই তাক লিখিব পঢ়িব পৰা কৰিছে, বাখৰৰ ওপৰত তাৰ অগাধ বিশ্বাস। গৌৰী যক, কিন্তু সি নিজৰ পথ নেৰে।

অশান্ত অনুপমাই গম্ভীৰ ভীমক লক্ষ্য কৰে। বেচেৰাই সঁচাকৈয়ে বেজাৰ পাইছে। নহ'লে ইমান স্ফুৰ্তিবাজ মানুহটো এনে গহীন হৈ নপৰে।

বাখৰেও সকলো লক্ষ্য কৰিছিল। ভীমৰ প্ৰতি সহানুভূতিত সি মনে মনে গলি যায়। কিন্তু অনুপমাই বেজাৰ কৰি মন মাৰি থকাৰ সি কাৰণ নিৰ্ণয় কৰিব নোৱাৰে। ঘৰৰ সকলো কামকে তাই আগৰ দৰে কৰে, কিন্তু আজি দুদিনমানৰ পৰা সেই কামবোৰত স্বাভাৱিকতা নোহোৱা হৈ পৰিছে। সি যেতিয়াই ঘৰলৈ আহে তেতিয়াই দেখে তাই কিবা নহয় কিবা এটা চিলাই লৈ বহি আছে আৰু মনটো মৰা।

৩

কেইদিনমানৰ ভিতৰতে শইকীয়াই পাঁচখন চকী, দুখন টেবুল, দুখন টিপয় আৰু একথান কাপোৰ ঘৰলৈ আনি অনুপমাৰ হাতত দিলেহি আৰু দুটামান মানুহ আহি পৰ্টিকটোত দীঘল বাঁহৰ চিলিঙি বৰলৈ আৰম্ভ কৰিলে। চিলিঙ বৈ তাত সেউজীয়া ৰং সনা হ'ল. অনুপমাই টেবুল চকী পৰ্টিতোটোত নতুনকৈ পাৰিলে; আটাইতকৈ ভাল টেবুল ক্লথ খন তাত পাৰিলে, নতুন পৰ্দা চিলাই কৰি আঁৰিলে। কেইটামান কুঞ্জলতাৰ পুলি চিলিঙত বগাব পৰাকৈ ৰুই দিলে।

ৰেণু আৰু গিৰি আহিছিল। তাই তাহাঁতক ভাল ব্যৱহাৰ কৰিব নোৱাৰিলে। অন্তৰত তাই হিংসাৰ ভাৱ এটা পোষণ কৰি থাকিল। ৰেণুহঁতক তাই ভাল পাব

নোৱাৰিলে? সিহঁতৰ ওচৰত সেও হৈ থাকিল নোৱাৰে, সিহঁতৰ বিলাসিতাৰ মাজত নিজক শাস্তি দিব নোৱাৰে। ৰেণুৰ পৰা কাঁটা-চামুচৰ শিক্ষা লব নোৱাৰে। তাইৰ গর্ব কৰিব পৰা সত্বা এটা আছে, সিহঁতৰ লগত ফেৰ মাৰিব নোৱাৰা দোষ তাইৰ নহয়, তাইৰ স্বামীৰ আদর্শৰ দোষ। বাখৰে মানুহক ভাল পাবলৈ নলৈ টকা উপার্জনত ধৰা হ'লে তায়ো দুমহলীয়া ঘৰ তুলি মটৰ দৌৰাব পাৰিলেহেঁতেন। য'ত, দুমহলীয়া ঘৰ নাই, সেই বুলি তাই কাৰো অনুকম্পাৰ পাত্ৰী হৈ থাকিব নোৱাৰে।

সেইবাবে গিৰিয়ে ডুমডুমালৈ কৰা নিমন্ত্ৰণ তাই অগ্ৰাহ্য কৰিলে। ৰেণুহঁতে একো বুজি নেপালে।

৪

কেইবাদিনলৈকে অনুপমাৰ মনমৰা ভাব নুগুচা দেখি বাখৰ চিন্তিত হৈ পৰিল। সি সুধিবলৈকে সিদ্ধান্ত কৰিলে। এদিন আবেলি স্কুলৰ পৰা আহি সি দেখিলে অনুপমাই খিৰিকি এখনেদি বাহিৰলৈ উদাস চকুৰে নিলগলৈ চাই আছে। সি জোতাৰে শব্দ কৰি তাইৰ সম্বিত ফিৰাই আনিবলৈ চেষ্টা কৰি ভিতৰলৈ গ'ল।

তাই চাহ জলপান আনি যতনাই দিলেহি। সি সুধিলে, "কুকি, গিৰীন বোলে মাজে মাজে আহি থাকে হয়নে?"

তাই আচৰিত একো নেদেখাৰ দৰে উত্তৰ দিলে, "আহেতো আপুনি জানো লগ পোৱা নাই?"

"নাই পোৱা। কিন্তু সি আমাৰ ঘৰলৈ অহাৰ কোনো কাৰণ মই নেদেখো।"

"কিয়?"

"সি যি দৰে আমাৰ ঘৰত কেলেঙ্কাৰী কৰি গ'ল তাৰ পৰা সি জানো ইয়ালৈ অহাৰ দৰকাৰ থাকিব পাৰে?"

তাই লাহেকৈ ক'লে, "ক'ব নোৱাৰো। কিন্তু দেউতাই গিৰীনৰ লগত কাৰবাৰ কৰে। তেখেতে টকা খটাই লাভৰ অংশ পাইছে। সি যে দেউতাক নঠগি লাভৰ টকা দি আছে, সেইটো মন কৰিবলগীয়া কথা। অলপ বেয়া কাম কৰিব পাৰে, কিন্তু তাক একেবাৰে বেয়া বুলিব নোৱাৰি।"

বাখৰে একো নেমাতিলে। কুকিৰ কথাত যুক্তি আছিল। গিৰীনৰ এফাল বেয়া হব পাৰে, কিন্তু দেউতাকৰ পক্ষৰ পৰা সি অকৃতজ্ঞতাৰ কাম কৰা নাই। গিৰীনৰ দোষ

আছে, কিন্তু তাৰ মাজত "গেৰেলা"টো মৰিযোৱা নাই। গৌৰী নোহোৱা হ'লে গিৰীনৰ বেয়া ফালটো মানুহে দেখিকে নেপালেহেঁতেন। শইকীয়াৰ ভেটী খোৱা ফালটো মানুহে দেখা নাই।

কিন্তু অনুপমাই কথাৰ সুৰটো শুনি আৰু থিৰেৰে থাকিব নোৱাৰিলে। ৰাতি সি খোলাখুলিকৈ কথাটো সুধি পেলালে। ভাত খাই উঠি তাই খোলা খিৰিকিত আউজি কাপোৰত ফুল তুলিছিল। সি কিতাপ এখন চাই আছিল। শইকীয়া শুই পৰিছে। সি এবাৰ সুধিলে, "তোমাৰ কি হৈছে কুকি?" তাই ফুল বচাৰ পৰা হঠাৎ ৰৈ গ'ল। একো নামাতিলে।

সি কিতাপখন জপাই থৈ ক'লে, "মই দেখিছোঁ আজি কেইদিন মানৰ পৰা তুমি একেবাৰে মন মাৰি ফুৰিছা। কি কথা ভাৱি থাকা মই কব নোৱাৰোঁ। মই কেতিয়াবাই সুধিম বুলি ভাবিছিল। কিন্তু এনেয়ো এদিন মান মন বেয়া লাগিব পাৰে বুলি সোধা নাছিলো। কিন্তু আজিলৈকে মন মাৰি থকা দেখি মই আৰু নোসোধাকৈ থাকিব নোৱাৰিলোঁ।"

"কত নো কিটো হোৱা দেখিলে? একো হোৱা নাই।" তাই আকৌ ফুল বচাত মন দিলে।

বাখৰে বহাৰ পৰা উঠি অনুপমাৰ সন্মুখত থিয় দিলেগৈ, "কুকি, মোৰ আগত তুমি লুকুৱাব নোৱাৰিবা। তুমি মুখেৰে একো হোৱা নাই বুলি ক'লেও, তোমাৰ মাত কথা, চাল-চলনত কিবা হোৱা আটায়ে দেখিছে।"

তাই তাৰ চকুলৈ চালে। তাৰ সমবেদনা ভৰা চকুযুৰিৰ উদগ্ৰীৱ দৃষ্টিটোত তাই কঁপি উঠিল। তাইৰ দেৱতাই তাইৰ দুখ হিয়াত অনুভৱ কৰিছে, আজি নহয়, তাই প্ৰথম দিনা নিজৰ আৱিষ্কাৰ কৰাৰে পৰা। তাই চকু নমাই ল'লে, আকৌ বেজিত মন দিলে। বাখৰে কাপোৰখন টান মাৰি লৈ টেবুলত থ'লে আৰু তাইৰ হাতত ধৰিলে। "কুকি, নোকোৱা কিয় তোমাৰ কি দুখ হৈছে? মোৰ মনত দুখ দি তুমি ভালপোৱা নেকি?"

তাই তাৰ বুকুত মূৰ গুজি কান্দি পেলালে। তাইৰ "দেৱতা'ক দুখ দি তাই ভাল পাব? তাতকৈ তাইৰ মৰণেই ভাল। তপত মৰমৰ পৰশত তাই কন্দাৰ বাহিৰে আন উপায় নেদেখিলে। কেনেকৈ বুজাব তাইৰ বেদনা কি? বুজাবলৈ যত্ন কৰিলেও বাখৰ সন্তুষ্ট হব নোৱাৰে।

বাখৰে হাত বঢ়াই লাইটটো নুমাই দিলে। অনুপমাক মৰমেৰে সাৱটি ধৰি তাইৰ শকত বাহুখনত হাত বুলাবলৈ ধৰিলে। তাইৰ কান্দোন চৰি গ'ল। চেনেহ উপচি পৰা বহল বুকুখনত তাই চকুলোৰে নৈ বোৱাই দিয়ে। তাই কিয় ইমান প্ৰেমতো সন্তুষ্ট হ'ব পৰা নাই? বাখৰৰ প্ৰেম ভৰা হাতৰ পৰশত তাই কঁপি উঠে। ক'ত জনমৰ তপস্যাৰ ফলত এনে স্বামী, যি অন্তৰ উজাৰি ভাল পাব পাৰে।

বাখৰে ক'লে, "কুকি, সোণ, ছিঃ নাকান্দিবা। মই হয়তো তোমাক নুসুধিলোহেঁতেন। কিন্তু তোমাৰ দুশ্চিন্তা দেখিলে মই সহ্য কৰিব নোৱাৰো। মোৰ লগত থাকি তুমি যদি কষ্ট পোৱা তেন্তে তাৰ প্ৰতিকাৰ কৰা মোৰ প্ৰধান কৰ্তব্য।"

কিন্তু তাইৰ দুখৰ কথা মৰিলেও জনাব নোৱাৰে। অথচ বাখৰক কিবা এটা উত্তৰ নিদিলেও নহয়। তাইৰ মনোকষ্ট আৰু লুকাই থকা বস্তু নহয়। উচুপি উচুপি তাই কোনোমতে ক'লে, "কেনেকৈ বুজাওঁ মোৰ কি হৈছে!"

"কি হৈছে তাক ক'লেই হ'ব। মইতো নুবুজা নহওঁ।"

তাই আকৌ ভালেমান পৰ কান্দি থাকি শেষত ক'লে, "মই — মই মা হ'ম।" বাখৰৰ অনন্দত পুলকিত হৈ উঠিল। মা, কুকি সন্তান সম্ভৱা। তেন্তে দুখৰ অন্য একো কাৰণ নাই? সি আৰু মৰমেৰে কুকিক সাৱটি ক'লে, "কুকি ক্ষমা কৰিবা, মই এই কথা আগতে লক্ষ্য কৰা উচিত আছিল। কিন্তু সেই বুলিয়েই তুমি এনেকৈ মন মাৰি থকাৰ এনে কি কাৰণ থাকিব পাৰে বাৰু? হুঁ? মোক ক'লেই হ'ল। তুমি বৰ কিবা!"

তাই বেছিকৈ কান্দে। জীৱনত এনেদৰে প্ৰৱঞ্চনা কৰিব লাগিব বুলি তাই ভৱা নাছিল। মাতৃ তাই হ'ব ঠিক, কিন্তু তাই সেই কাৰণে দুখ কেতিয়াও কৰা নাই। তথাপি তাকেই আজি অজুহাত দেখুৱাব লগাত পৰিল।

৫

পিছদিনাৰ পৰা বাখৰ ব্যস্ত হৈ পৰিল। ভীমৰ হতুৱাই দেউতাকক কথাটো কোৱালে আৰু বান্ধনি এটা যোগাৰ কৰিবলৈ ক'লে। শইকীয়াও সৰ্তক হৈ উঠিল। ঠিকেইতো — অনুপমা অহা আজি ছমাহ হৈ গ'ল। কথাটো আগতেই চকুত পৰিব লাগিছিল। অভিজ্ঞ বৃদ্ধৰ এনে প্ৰকাণ্ড ভুল হৈ যোৱাৰ বাবে তেখেতে নিজকে ক্ষমা কৰিব নোৱাৰিলে। তেখেতে বাখৰক বান্ধনি এটা সোনকালে বিচাৰিবলৈ ক'লে।

বাখৰে ফুৰা-চকা কৰা বন্ধ কৰি দিলে। অনুপমাক বহুৰাই লৈ নানান ধৰণৰ কথা কৈ স্ফুৰ্তিত ৰাখিবলৈ যত্ন কৰে গৰ্ভত সন্তান থাকিলে মাকে কেনেদৰে থাকিব লাগিব আৰু মাকৰ মনৰ অৱস্থাৰ পৰা কেনে সন্তান জন্ম হ'ব সি সেই সম্পৰ্কীয় কিতাপ পঢ়ে। তাই মনৰ অশান্তি পাহৰি যাবলৈ যত্ন কৰে। বাখৰ ওচৰত থাকিলে তাই পৃথিৱীখন পাহৰিব পাৰে। কিন্তু সি কামলৈ যাওঁতে তাই অকলে অকলে বহি আকৌ মনৰ অশান্তিত দিন কটায়। তাইৰ ভয় হয় পেটৰ সন্তান তেন্তে তাইৰ দৰে অসুখী হব নেকি? সেয়ে হলে বাখৰৰ প্ৰতি মোৰ অন্যায় কৰা হ'ব। বাখৰে এনে কোনো অন্যায় কৰা নাই যাৰ বাবে তাই মুজুৰা সন্তান উপহাৰ দিব।

ৰান্ধনি এটা আহিল। অনুপমাই এতিয়া একো কৰিব নেলাগে। তাইৰ মনৰ অস্থিৰতা বাঢ়েহে। আগতে তেওঁ কামবনতে ব্যস্ত থাকি নিজকে পাহৰিব পাৰিছিল। এতিয়া বাখৰ স্কুলৰ পৰা নহালৈকে তাই উদাস হৈ চিন্তাত ছটফটাই থাকে। ভীমটো - ভাল হৈ থকা হলেও তাই তাৰ লগতে কথা পাতি থাকিব পাৰিলেহেঁতেন। কিন্তু তাক মহাযুদ্ধৰ কালে পালে।

*************

ANANDARAM DHEKIAL PHOOKAN COLLEGE LIBRARY NAGAON
Acc. No.
Date.

# চৈধ্য

## ১

বাখৰে দেখিলে দুৰ্য্যোধনো ভীমৰ ওচৰলৈ আহে। সিও হেৰাই যোৱা নাই। অনুপামই ঠিকেই কৈছে, গিৰীনৰ ভাল ফাল এটা আছে।

দুৰ্য্যোধনে বন্ধু ভীমক সান্ত্বনা দিবলৈ বাখৰহঁতৰ ঘৰলৈ মাজে সময়ে আহে। ভীমক সি ভাল পায়। তদুপৰি গৌৰীৰ বিয়াৰ বাবে সিয়ো ভালেমান দূৰ দায়ী। সিহঁত দুটাক মিলাই দিবলৈ সি কম 'ষড়যন্ত্ৰ' কৰা নাছিল। ভীম ঠগত পৰিছে, কিন্তু অলপ ঠগত সিও পৰিছে। কাৰণ গৌৰীজনী এনে হ'ব বুলি তাৰ ধৰাণা নাছিল। ভীমৰ বাবে তাৰ বেয়া লাগে। সেইদেখি মাজে - সময়ে আহি ভীমক সান্ত্বনা দিবলৈ চেষ্টা কৰে।

কিন্তু আগৰ ভীমতো ঘূৰি নাহে। সি যেন হেৰাই গ'ল। সি দুৰ্য্যোধনক ভাল নোপোৱা নহয়। কিন্তু হাঁহি মাতি সি থাকিব নোৱাৰে। এটা পৱিত্ৰ আদৰ্শ লৈ সি জীৱনৰ বাটত খোজ দিছিল; গৌৰীয়ে সেই বাটত হেঙাৰ পুতি গুচি গ'ল। তথাপি সি নিজৰ বাট নেৰিলে। সেই কাৰণে আগৰ আনন্দ সি আৰু ফিৰাই নেপালে।

আৰু দুৰ্য্যোধনো অলপ ফালৰি কাটি গৈছে। গোৰা চিপাহীৰ বিপক্ষে লাইন ৰক্ষা কৰিবলৈ সিহঁত দুয়োটাই একেলগে পহৰা দিছিল। তেতিয়া সিহঁতে চিপাহীক দেখিবই নোৱাৰে। চিপাহী তেতিয়া দুৰ্য্যোধনৰ ঘোৰ শত্ৰু। কিন্তু এতিয়া সি চিপাহীৰ চাকৰি কৰিছে। হাজিৰা বহুত পায়। বকচিচো মাজে-সময়ে পায়। চাৰি-পাঁচ টকা ঘোচ দিলেও গাত নেলাগে হাজিৰা কেইদিনমানলৈ লিখাই লবলৈ। চিপাহীৰ আদব কায়দা সি ভাল পাই পেলাইছে। ৰাতিপুৱাতে মিলিটাৰী ট্ৰাকত কামলৈ যোৱা, চকু টিপ মৰা, চুইংগাম আৰু চিগাৰেট খুজি লোৱা, দুপৰীয়া মেছহলত খানা, আকৌ গধূলি ট্ৰাকত উঠি একেবাৰে ঘৰলৈ আহা! বেছ স্ফূৰ্তিত দিনবোৰ যায়। অৱশ্যে ভীমলৈ তাৰ মনত পৰে। ভীমে মিলিটাৰীৰে কাম নকৰে। সি চিপাহীক ভাল নেপায়। চিপাহী আৰু সিহঁতৰ কামে মানুহক নষ্ট কৰিব, তাত ভীমৰ দৃঢ় বিশ্বাস। ঠিক বুজিব নোৱাৰিলেও দুৰ্য্যোধনেও এসময়ত তাকেই মানি চলিছিল। কিন্তু এতিয়া সেইবোৰ সিমান নেভাৱি সি চিপাহীৰ কামত সোমাইছে। সি নষ্ট হৈছে নে নাই তাকেই সামে-সময়ে ভাৱে কিন্তু

একো সিদ্ধান্ত কৰিব নোৱাৰে।

টকাৰ লোভতে সি কামত সোমাইছে। গতিকে সি ভীমক অলপ ভক্তি কৰে। ভীম এতিয়াও লোভত পৰা নাই; কিজানি নপৰিবও।

বাখৰকতো তাৰ ভয়েই লাগে। ভীমৰ গৰাকী, একৰকম বাপেক আৰু গিৰীনৰ দৰে মানুহ এটা থুলন্তৰ ঠিকাদাৰ হৈ গজগজীয়া হৈ বহিল কিন্তু বাখৰ বাবু সেই বাখৰ বাবু হৈয়েই থাকিল। ভীমে বেছি হাজিৰা নলয়, কিন্তু বাখৰ বাবুৰে দেখোন বাকচে বাকচে টকা গোটাব পাৰিলে হেঁতেন। আৰু বোলে স্কুলখন অকলে হলেও চলাব। বাপৰে বাপ!

কিন্তু দুৰ্য্যোধনে অনুভব কৰে, ভয় কৰিলেও সি বাখৰক যথেষ্ট ভক্তি কৰে, বৰ কেৰাণীতকৈ ওখ আসনত থয়। কাৰণ তাক দেখিলেই সি মিচিককৈ হাঁহি মাৰি সোধে, "কি অ যোধন? ভালে আছ? আমাৰ ফালে নহাই হলি দেখোন?" সি যে বাখৰক অমান্য কৰি চিপাহীৰ কামত সোমাইছে, সেই কথা বাখৰে পাহৰি গ'ল নেকি? আৰু বাখৰে যদি তেতিয়া চাহ খাইছিল তেন্তে নবউক ক'ব, "দিয়া কুকি একাপ বীৰ দুৰ্য্যোধনকো দিয়া।" এনে মজাৰ মানুহ দুটা নোলাব খেৰজান বাগিচাত।

বাখৰ কেতিয়াবা সোধে, "যোধন, ফিল্ডত কাম কৰি কেনে লাগিছে?" সি কি ক'ব। ভাল অৱশ্যে লাগিছে। কিন্তু বাখৰ বাবুক ক'লে বেয়া মা পাবনে? দোধোৰমোধৰত পৰি সি উত্তৰ দিয়ে, "কি ৰকম আৰ লাগিব বাবু? কাম কামেই চব একে।"

"নহয় নহয়, কাম এনে জানিছো। পিছে হাজিৰা বহু পোৱা, লৰীত অহা-যোৱা কৰা মিলিটাৰী খানা খোৱা - মানে চাহাবৰ খানা খোৱা এইচব কেনেকুৱা লাগিছে?"

সি মূৰ খজুৱাই উত্তৰ দিলে, "চবে হাল্লা-তাল্লা কৰি কাম কৰোঁ, চবৰে ভাল লাগে আৰু।"

"অ তাকে ক। গোৰাবোৰক কি ৰকম লাগে?"

"ঠিকেই লাগে। চাহেব চবৰ নিচিনা নহয়। চবে লগত কাম কৰে।"

"নিগ্ৰোবোৰ একা।"

"নিগ্ৰো চব বৰ স্ফুৰ্তিবাজ। এঁকে জাগাত এক জাৰা থাকিব নোৱাৰে। কিজানি সেই বাবেই সিহঁত ইমান মস্ত মস্ত পালোৱান।"

বাখৰে মন্তব্য কৰে, তেন্তে সিহঁতৰ দৰে থাকিলে তয়ো পালোৱন হৈ যাবি।” দুৰ্য্যোধন হাঁহে।

গৌৰীও আজি-কালি আন আন ছোৱালীৰ লগত ফিল্ডত শিল ভাঙিবলৈ যায়। ডেকা জুমৰ লৰীত উঠি যায়। মুখত এমুখ তামোল, মূৰত কপালৰ ফালৈ গাঁথি দিয়া ডাঙৰ ৰুমাল, কঁকালত ৰঙা হাঁচতি। চোৱালী মখাই কেতিয়াবা সোনকালে কাম কৰি শেষ কৰি খোজ কাঢ়িয়েই ঘৰলৈ গুছি আহে, পাঁচ বজালৈকে আৰু লৰী হলেও বৈ নাথাকে। মিলিটাৰীলৈ দিনে পোহৰে সিহঁতে সিমান ভয় নকৰে। অৱশ্যে সকলো চিপাহী বদমাচ নহয়। কিছুমান যে আছে, চকু পৰিলেই চকু টিপিয়াই দিয়ে। কিন্তু কিছুমান আছে ইমান ভদ্ৰ, এটা নিগ্ৰো ছাৰ্জেন্ট আছে, ইমান মোলায়েম কথা কয়, ফটো তোলে, ঘৰত কেইজনী ভনীয়েক আছে কয়, গৌৰীহঁতৰ ঘৰৰ কথা সোধে, সপ্তাহত কিমান টকা আৰ্জে সোধে, ফটো তুলিলে পইচা দি গুচি যায়। ইমান ভাল মানুহ থাকিলে চিপাহীত আৰু ভয় কৰিবৰ মন নেযায়, হক লাগিলে চিপাহী যিমানই অঘাইটং।

আৰু এটা কথা, সৰহভাগ চিপাহীয়ে গৌৰীক বেছি মৰম কৰে, প্ৰায়েই মোলায়েম মোলায়েম, ভদ্ৰ ভদ্ৰ কথা কয়, চিগাৰেট যাচে, বকচিচ দিয়ে। তাই জানে সিহঁতে তাইৰ মন পাবলৈ যত্ন কৰে, চায় যাতে তাইৰ খং নুঠে। গতিকে তাই কেইদিন মানৰ ভিতৰতে আগৰে পৰা লাগি থকা ভয়টো ভাঙি পেলায়।

সোনকালে ছুটি হলে তাই খোজকাঢ়ি আহোঁতে কেতিয়াবা বাখৰক বজাৰত দেখে। কিন্তু তাই তলমূৰ কৰি পাৰ হৈ যায়। বাখৰে তাইৰ ফালে চায়, তাইৰ অনুমান হয় যে তাইৰ লগত কথা পাতিব খোজে। কিন্তু সঙ্কোচ হয়, গতিকে বাখৰৰ ফালে নোচোৱাকৈ আঁতৰি যায়গৈ।

গিৰীনক তাই সদায় লগ পায়, সি এবাৰ নহয় এবাৰ তাইৰ ওচৰলৈ যাবই। ফিল্ডৰ মাজত তাক দেখিলে তাইৰ ভাল লাগে। চিপাহীমখাৰ এটা সহায় পোৱাদি পায়। গিৰীন তাইৰ প্ৰেমিক, তাইক ভাল পায়। তাইয়ো তাক ভাল পায়, তাই ভাবে। গিৰীনৰ বাবেইতো তাই ইমান মুকলি মূৰীয়াকৈ দুনীয়াখনত ফুৰিব পাৰিছে। নহ'লে লাইনৰ মাজত আঁকৰী মিনিজনীৰ দৰে তায়ো এদিন মিলিটাৰীৰ ভয়ত পেপুৱা লাগিছিল আৰু দুৰ্য্যোধন আৰু ভীমৰ ছত্ৰছায়াত নিজক ৰক্ষা কৰি আছিল। ভীমৰ কথা তাই

পাহৰি যোৱা নাই। কেনেকৈ পাহৰিব? হাজাৰ হওক তাইৰ মাজৰ গাভৰুজনীক সিয়েইতো প্ৰথমে জগাই তুলিলে। তাক এদিন তাই ভালো পাইছিল। কিন্তু এতিয়া ভীমক তাই ঘৃণা কৰে। দুনিয়াৰ আৰামবোৰ নেওচা দিয়া ভীমটোক তাই কোনো মতে ভাল পাব নোৱাৰে। মাহে তিনি চাৰি কুৰি তাই নিজে উৰ্পাৰ্জন কৰে, বাপেকে সেই কাৰণে তাইক বেছ সন্মান কৰি চলে। ভীমৰ লগত থকা হ'লে জানো ইমান হ'লহেঁতেন? এই সকলোবোৰৰ বাবেই তাই মনে মনে গিৰীনক কৃতজ্ঞতা জনাই থাকে। ভীমে তাইক বিচৰি উলিয়ালে মাত্ৰ গিৰীনৰ মাজেদি আৰামৰ ৰাজ্যলৈ লৈ যাবলৈ; গিৰীনে তাইক এতিয়াও তাৰ কলিয়া পানীৰ ঘৰলৈ মাতি থাকে। অৱশ্যে তাই নেযায়। দিনত যোৱা অসম্ভৱ। ৰাতি লাইনৰ বাহিৰত কেনেকৈ থাকিব, অৱশ্যে গিৰীনৰ কাৰণে তাইৰ মনটো বেয়া লাগে। গিৰীনক মৰম কৰিবৰ মন যায়। কিন্তু সুবিধা যে নাই।

অৱশ্যে এৰাতি ভালেমান সময় তাই গিৰীনৰ ঘৰত আছিল্হি। ডুমডুমাত চিনেমা চাবলৈ তাই জাক ছোৱালীৰ লগত আহিছিল। গিৰীনে দেখি একৰকম জোৰ কৰিয়েই লৈ গ'ল। কিন্তু সদায় তেনে সুযোগ ভাগ্যত নঘটে। তাই তাইৰ অৱস্থাটো গিৰীনক বুজাই দিয়ে। সিও ধৈৰ্য ধৰে। আৰু সুযোগলৈ বাট চায়।

বাখৰে গিৰীনৰ লৰীত গৌৰীহঁতক তুলি লাইনত থৈ অহা কেইবা দিনো দেখিছে। সি গিৰীনক লগ পালেও কথা বতৰা পাতিবলৈ ইচ্ছা নকৰে। গিৰীনৰ প্ৰতি সি মুঠেই শ্ৰদ্ধা ভাব ৰাখিব নোৱাৰে। গিৰীনেও বাখৰ নথকা সময়তহে সিহঁতৰ ঘৰলৈ যায়; অৱশ্যে বাটে-পথে দেখাদেখি হ'লে সিয়েই আগধৰি মাত লগায়।

*************

## পোন্ধৰ

## ১

এদিন আবেলি স্কুলৰ পৰা আহি ঘৰ সোমাওঁতে বাখৰে গিৰীনক ওলাই যোৱা দেখিলে। গিৰীনে মাত্র "এইয়া ককাইদেউ অলপ কামত আহিছিলো" বুলি কৈ বৈ থকা লৰীখনত উঠিছিল। লৰীত বদৰুদ্দিনে অপেক্ষা কৰি আছিল।

সি গম পালে, গিৰীনে শইকীয়াৰ পৰা টকা নিবলৈ আহিছিল। পাঁচ হেজাৰ টকা নিছে। দুই এদিনত সাত হাজাৰমান ঘূৰাই দিব। গিৰীনে এই কাৰবাৰ অনবৰত চলায়েই আছে। তাৰ বনুৱাক সপ্তাহত দৰমহা দিবলৈ কেতিয়াবা টকাৰ নাটনি পৰে, গতিকে শইকীয়াৰ ওচৰ চাপিব লগা হয়। শইকীয়াই পৰাপক্ষত বাখৰক নজনোৱাকৈ ব্যৱসায়ত লাভ কৰি থাকে। দুখ লাগিলেও বাখৰে একো নকয়। সংসাৰ যি পথে চলে সেই পথে দেউতাক যোৱাটোত সি আচৰিত নহয়। মাত্র তাৰ দুখ সেই পথে সি যাব নোৱাৰে, সেই পথ সি ভাল পাব নোৱাৰে।

সি কৈছিল, "কুকি, দেউতায়ো দেখিছো এই বঢ়া বয়সত টকাৰ খক এৰিব পৰা নাই, ক'ত ৰাখা, ৰাখা ৰাখা হৰি, মায়া বাঘে খায়' গাবনে টকাৰ লোভত পৰি 'মুক্তিতো নিস্পৃহ' হৈ পৰিছে।"

গিৰীনে আহি অনুপমাৰ মনটো বেয়া কৰি থৈ গৈছিল। গিৰীনক দেখিলে তাইৰ অন্তৰৰ অভাৱবোৰে হাঁহাকাৰ কৰি উঠে। তাই উত্তৰ দিছিল "আপোনাৰহে চিন্তা নাই, পৰ্টিকোৰ বেঞ্চখন ভাগিল. আপোনাৰ জানো খবৰ আছে?"

**সি প্রথম হাঁহিব বুলিয়ে ভাবিছিল, কাৰণ অনুপমাই ঠাট্টা কৰি তেনেকৈ ক'ব পাৰে আৰু সিও কৌতুকৰ সুৰতে দেউতাকৰ কথা কৈছিল। কিন্তু অনুপমাৰ মাতটোত কৌতুকতাৰ লেশ মাত্র নাছিল। স্বাভাৱিক গহীন সুৰ। সেয়া তেন্তে তাইৰ মনৰ কথা? বেয়া লাগে একো নেমাতি নীৰৱে চাহ খায়। হয়তো অনুপমাৰ মনত দুখ। তাৰ টকা পইচা নাই, তাই সুখত উঠা ছোৱালী, কলেজত বিলাস কৰা গাভৰু। যৌৱনৰ উচ্ছ্বহৰ্ষে কিজানি তাক কেনেবাকৈ ভাল পাই পেলাইছিল। এতিয়া বাঢ়ি অহা জীৱনৰ আলমবোৰ নেপাই অনুতাপ কৰিছে।**

কিন্তু সি মনৰ খুকুৰি মাৰিবলৈ অনুপমাক একো সুধিব নোৱাৰে। তাই মা হ'ব। এই সময়ত মনত দুখ দিয়া ঠিক নহব। তেনে আলোচনা তাই পেটৰ সন্তানৰ অনাগত জীৱনলৈ আহুকাল আনিব পাৰে। কিন্তু যদি ইতিমধ্যেই তাই অশান্তি ভোগ কৰিছে, তেন্তে? তাৰ ভয় লাগে। মনলৈ আহে অশান্তি। দেউতাকে তাৰ নমাত থোৱা বেঙ্কৰ টকাৰ পৰা সি সৰহ কৈ টকা উলিয়াই অনুপমাৰ বাবে ব্লাউজ পিচ, পুষ্টিকৰ আহাৰ, নতুন চেণ্ডেল ইত্যাদি আনে।

তাই তাৰ মনৰ অৱস্থা বুজে। তাৰ সামৰ্থৰ বাহিৰত খৰচ কৰি তাইক সুখী কৰিবলৈ লোৱা বাবে তাই নিজকে ধিক্কাৰ দিয়ে। মনে মনে কান্দে। বাখৰৰ ওচৰত বহুত দেৰি বহি থাকে, সি যি কৰিবলৈ কয় তাকে কৰে। তাৰ মূৰটো আলফুলকৈ ফণিয়াই দিয়ে। সি কিতাপ পঢ়া শুনি থাকে।

তাৰ ভয় হয় মহাসমৰৰ কোবাল সোঁতত তাৰ কুকিও উটি যাব নেকি? গৌৰী গ'ল, গিৰীন গ'ল, দেউতাক গৈছে। অনুপমা আছিল তায়ো যাবগৈ? সি কাৰ লগত থাকিব? মুজুৰা ভীমৰ লগততো সি জীয়াই থাকিব নোৱাৰিব। বিয়াৰ আগৰ ভাল ভীমটোৰেও তাৰ ভালদৰে নচলিব। গৌৰী আহিহে কিছু ৰস সঞ্চাৰ কৰিছিল। সেই ভীম মৰিছে। এতিয়া যদি অনুপমাও যায়গৈ, সি কেনেকৈ জীয়াই থাকিব?

বৰ্তমান বোৱঁতী সুতিত মানুহবোৰ উটি গৈ আছে। ক'লৈ গৈছে নেজানে। হয়তো কোনোবা অশান্ত মহাসাগৰত পৰিবগৈ। কিন্তু সেই কথা কোনেও নেজানে। বোধনে এদিন তাক দেখিও নেমাতিলে। এদিন গাতে গা ঘহাঁই গুচি গ'ল। এদিন তাৰ চকুলৈ চাই চায়েই চিগাৰেট খাই গুচি গ'ল। সি নিগ্ৰো আৰু মাৰ্কিন চিপাহীবোৰৰ লগত জীপত উঠি তিনিচুকীয়া ডিব্ৰুগড় কৰি থাকে। সলসলীয়াকৈ মাৰ্কিন ইংৰাজী কয়।

অথচ বোধন এদিন আছিল স্কুলখনতে তাৰ আচল 'একান্ত বাধ্য ছাত্ৰ, নম্ৰ, চোকা মনোযোগী, উৎসাহী, সিও হেৰাল।

তাৰ অশান্তি বাঢ়ি আহে। সি অকলে ওভোতাপাকে গৈছে। অৱশিষ্ট পৃথিৱীখনেই এফালে গৈছে। গতিকে সি প্ৰায়ে সদায় নিজামৰ ওচৰলৈ যায় নিজামৰ ওচৰলৈ গলে সি লগৰীয়া পায়। কিন্তু নিজাম ব্যস্ত। দোকান চলাব লাগে। সিহঁতৰ একেফালৰ বাটটোত ফল-মূল গোটাবলৈ সি প্ৰায়ে ব্যস্ত থাকিব লাগে। ভীমো আহে তাৰ পাছে পাছে, কিন্তু ভীমো নিষ্প্ৰাণ অনুগামী, বেদনাৰ বোকা গচকি ভালপোৱা মানুহ, ধূষৰ গধূলি সিপাৰৰ চেনাইলৈ চাই চকুলো টুকি টুকি নাও বোৱা নাৱৰীয়া,

'আছে যদি কপালত, বহিমগৈ চোতালত, হাতত ঘটি চেপেনালৈ' গোৱা প্ৰেমিক ব'ৰাগী।

৩

বাখৰৰ অনুমান যিদিনা প্ৰমাণিত হ'ল, সেইদিনা সি বুজিলে, সি অনুপমা সম্বন্ধে অকল অনুমানেই কৰা নাছিল, অনুভৱো কৰিছিল।

গিৰিয়ে সিহঁতৰ তাইৰ জন্মদিন উপলক্ষে নিমন্ত্ৰণ কৰিলে। নিজে আহি জোৰ কৰিলেহি যাবই লাগিব. তাই গাড়ী পঠাই দিব। উপায় নেপায় বাখৰে কথা দিলে। নহলে গিৰিৰ ভেমবোৰ সি মুঠেই ভাল নেপায়।

অনুপমাই কোনো মতেই যাব খোজা নাছিল। কিন্তু বাখৰে বুজাই-বৰাই কোনোমতে মান্তি কৰালে। গাড়ী আহি ৰৈ আছে। কিন্তু গা ভাল লগা নাই বুলি তাই নেযাওঁ বুলি ক'লে। বাখৰে বৰকৈ ধৰাত হে যাবলৈ ওলাল।

ফুল আৰু গছ পাতেৰে নতুন ঘৰটো সজাই থৈছে। দেশৰ মানুহ আহিছে। নৰকান্ত বৰুৱাৰ ডাঙৰ জীয়েকৰ জন্মদিন। গিৰিবালা জীৱনৰ ওঠৰটা বছৰ পাৰ হৈ আহিল, আজি প্ৰথম জন্মদিন পালন কৰিছে। কাৰণ, বোধ হয়, এইবাৰেই তাইৰ পৃথিৱীত জন্ম হৈছে, যিখন পৃথিৱীলৈ তাই সোমাইছে। নৰকান্ত বৰুৱাই কস্মিন কালেও জন্মদিন পতা নাই। বৰুৱানীয়ে এই প্ৰথম শুনিলে, এনে এটা দিন থাকে বুলি। ৰেণুৰ জন্মদিন পতা হবনে নহয় কব নোৱাৰি।

কেবাজনো ওখ খাপৰ মিলিটাৰী অফিচাৰ আহিছে, জয়ন্ত হঠাৎ কৰবাৰ পৰা ওলাইছেহি — গিৰিৰ ভাৱী স্বামী জয়ন্ত। ভাৰতীয় সৈন্য বাহিনীৰ পোছাক পিন্ধা স্বাস্থ্যবান মানুহটো, হটঙা মাৰ্কিন অফিচাৰ সকলৰ লগত কথা পাতি পাতি বাহি আছে। ডেভিদো আহিছে। সি বাখৰক দেখিয়েই বহাৰ পৰা উঠি সাৱট মাৰি ধৰিলে। নৰকান্ত বৰুৱাৰ হব খোজা জোৱাঁয়েকৰ লগত পৰিচয় কৰাই দিলে। গিৰীন আৰু বদৰুদ্দিনো আহিছে; সিহঁতে এখন চোফাত বহি অবিৰাম চিগাৰেট হুপি আছে; মানুহ মৰা চিপাহী, ভেটী দি বিল পাছ কৰা ঠিকাদাৰ, কেলেঙ্কাৰী কৰা ডেকা ল'ৰা, গঙ্গাটোপ ন ধনী এইবোৰ মাজত সোমাই বাখৰে হাঁহি পেলালে। ইমান বেলেগ বেলেগ প্ৰকৃতিৰ মানুহ একেলগে বহি হাঁহি মাতি থাকিব পাৰে, আচৰিত, এৰা মানুহ, সামাজিক জন্তুৱেই জন্তুও-সামাজিকো।

পৰিপাটিকৈ কাপোৰ পিন্ধি গিৰিয়ে সকলোকে মাতি মাতি বহুৱাইছে। তাইৰ ভৰিৰ জোতা চেণ্ডেল একো নাই; ব্লাউজৰ কাপোৰটো জয়ন্তই বৰ কষ্ট কৰি বিলাতৰ পৰা আনি দিছে; ৰেণুৰ ফ্ৰকটোও বিলাতৰ পৰা অনা কাপোৰৰ। গিৰিৰ বিলাতী ভয়েলৰ চাদৰখন ব্লেক মাৰ্কেটত গজে দহ টকা কিনা।

চাহ খাবলৈ বহি অনুপামৰ মনত পৰিল কাঁটা চামুচ ধৰাৰ শিক্ষালৈ তাইৰ বুকুখন চিৰিংকৈ উঠিল। নৱকান্ত বৰুৱাৰ ঘৰ বিলাসৰ সামগ্ৰীবোৰে তাইৰ মাজৰ অশান্ত মানুহজনীক বৰকৈ আলোড়িত কৰি তুলিলে। তাইৰ গাত আছিল আশী নম্বৰী পকোৱা মিহি সূতাৰ ঘৰত বোৱা চাদৰ। গিৰি আৰু ৰেণুৰে গাত খাচ বিলাতৰ পৰা অনা কাপোৰৰ চোলা দেখি তাই অসংযত ভাবে কোঁচ খাই যায়। তাই জোৰ কৰিও হাঁহি নোৱাৰে।

হাতৰ পৰা পিচলি গিৰিৰ চাহৰ কাপটো প্লেটখনৰ ওপৰত পৰি যায়। তাৰি ব্লেক মাৰ্কেটৰ দহটকীয়া গজৰ বিলাতী ভয়েলৰ চাদৰখনত চাহ পৰে। তাই বহাৰ পৰা উঠি 'ইচ,' 'ইচ,' কৈ নাকটো কোচাই পেলাই ভিতৰলৈ যায় আৰু পাচ মিনিটৰ ভিতৰত চাদৰখন ঠিককৈ লবলৈ যত্ন কৰে। তাই অনুপমাৰ ঘৰত বোৱা চেলেংখনৰ ফালে এনেয়ে এবাৰ চায়। কয়, চাহৰ দাগটো কিজানি নুগুচিব।" অনুপমাৰ খং উঠে। কিয় তাইৰ ফালে চাব?

ৰেণুৰে সোধে, "নবউ চাদৰখন ঘৰত বোৱা নহয়?" অনুপমাৰ গাটো কিচকিচাই যায়। মুখত স্পষ্ট বিৰক্তিৰ চিন ফুটি উঠে। গিৰিয়ে বোধহয় অনু মান কৰিব পাৰে। তাই হাঁহি কয়, "এৰা নিজে বৈ কাপোৰ পিন্ধাটোত গৌৰৱ আছে। লাজ লাগে তাত বব নাজানিলো থুপৰী হৈ থাকিলো।"

অনুপমাৰ ভাৱ হ'ল যেন গিৰিৰ কথাবোৰ তাইৰ প্ৰতি কৰা ইতিকিং হে, আন একো নহয়। তাই মৰি যোৱা যেন লাজ পায়, কেতিয়া ঘৰলৈ আহিব পাৰিব তালৈহে তাই অপেক্ষা কৰে! তাই মৰিবলৈ কিয় আহিছিল?

চাহ জলপান খোৱাৰ পিচত, উপহাৰ দি আৰু ধন্যবাদ লৈ শেষ হোৱাৰ পিচত, জাক আলহীৰ সমুখৰ অৰ্গেনত বহি গিৰিয়ে গান এটা গায়। মাজত বহি থকা জয়ন্তলৈ চাই তাই লাজকুৰীয়া ভাৱে হাঁহে, জয়ন্তই মূৰ দুপিয়ায়, ৰেণুৱে নাচে। আৰু মনৰ অশান্তি লৈ অনুপমা বহি থাকে। গিৰিৰ জন্মদিনৰ এই উৎস অৱমাননা কৰিবলৈকে,

তাইক হেঁয় প্ৰতিপন্ন কৰিবলৈকে পতা হৈছে। উৎকৃষ্ট কাৰ্পেটৰ ওপৰত পৰা চোফা, চকী, মেজবোৰত বিয়াগোম তৈলচিত্ৰ, দুৱাৰ হেন খিৰিকিত পাতল পৰ্দা, টিপয়বোৰত আজি ছিঙা ফুল। সকলোৱে যেন তাইক বিদ্ৰূপ কৰিছে, সংযত হ'বলৈ জানিব লাগে। আবেগত অভিভূত হ'ব নেলাগে। তাই মূৰ দাঙি একান্ত মনে ৰেণুৰ নাচ চাবলৈ যত্ন কৰে।

কিন্তু স্বাস্থ্যবান শ্ৰমৰ-দ-ছাপ পৰা বাখৰৰ কঠোৰ আদৰ্শবাদী চেহেৰাটো মলিন হৈ যায়।

৪

বাটত তাই এবাৰো বাখৰৰ লগত কথা নেপাতিলে। ৰাতি শইকীয়াৰ টোপনি অহাৰ পিছত তাই শুবলৈ দুৱাৰ মাৰি দুৱাৰত আউজি ৰুদ্ধ বেদনাক উন্মুক্ত কৰি দিলে। তাই কান্দি পেলালে।

অশান্ত বাখৰ ওচৰ চাপি গ'ল, "কুকি।"

"মোক থৈ আহক গৈ না বহুত দিন ঘৰলৈ যোৱা নাই, বৰকৈ যাবলৈ মন গৈছে।"

সি অবাক হৈ গ'ল। ঘৰলৈ যাবলৈ হ'লে কান্দিব লাগেনে? বিয়াৰ পিচৰ পৰাই ঘৰলৈ নোযোৱাটো অৱশ্যে অন্যায় হৈছে। কিন্তু তাইকতো সি কোনোদিনে বন্দী কৰি থোৱা নাই। চাৰি বেৰৰ মাজত ৰখা দুৰত্বৰ কথা মনেৰেও বন্ধা নাই। অনুপমাক মনৰ স্বাধীনতা সি দিয়েই আহিছে। ভালদৰে কোৱা হ'লে জানো সি বাধা দিলেহেঁতেন? কিয় তাই ইমান উত্তেজিত হৈ পৰিছে? কিয়?

সি ক'লে, "কুকি, ঘৰলৈ যাবলৈ মন গ'লে তুমি কন্দাৰ বাহিৰে মই একো বুজা নাই। মোৰ নিশ্চয় অন্যায় হৈছে, তোমাক বিয়াৰ পৰা ঘৰলৈ এবাৰো যাবলৈ নোকোৱাত। কিন্তু তুমি কিয় ভাৱিছা যে ঘৰলৈ যাবলৈ হ'লে মই তোমাক বাধা দিম?" তাই আঁচলটো চকুলৈ নিয়ে।

সি কয়, "তুমি আজি গিৰিহঁতৰ ঘৰলৈ গৈ, বৰ মন মাৰি আহিছা মই লক্ষ্য কৰিছিলোঁ তুমি বৰ উত্তেজিত হৈ বহি আছিলা।"

তাই কয়, "মই তাত অপমান পাই আহিছোঁ। আজিয়ে অকলে নহয়, আৰু এদিন। ৰেণুহঁতে মোক হীন জ্ঞান কৰে। সিহঁতৰ ভেমে মোক দেই পুৰি মাৰিছে। সিহঁতৰ টকা আছে, গৰ্বও আছে, কিন্তু মোক কিয় হেয় কৰিব? সিহঁতৰ বিলাতৰ পৰা অনা কাপোৰ মোৰ ঘৰত বোৱা কাপোৰৰ লগত ৰিজাই মোক হীন জ্ঞান কৰিছে। আপুনি মোক জুই একুৰাৰ মাজলৈ লৈ হৈছিল।"

বাখৰে নিৰৱে আঁতৰি যায়। তাই উচুপে। ভালমোন পৰৰ মূৰত সি অনুপমাক দুহাতেৰে ধৰি আৰামী চকী এখনত বহুৱাই দি কয়, " বহা কুকি। শান্ত হোৱা। মোৰ মুখলৈ চাই শান্ত হোৱা।"

সি গৈ আন্ধাৰ পৰ্টিকোখনত অকলে বহেগৈ। নিলগৰ পৰা ডাঙৰ তৰা এটালৈ উদাস দৃষ্টিৰে সি চাই থাকে। তাৰ চকুয়েদি পানী ওলাই আহে। গ'ল, কুকিও গ'ল। চেনেহৰ চেঁচনি ঢলা বতাহজাকিও কেনিবা গ'ল।

কিমানপৰ সেইদৰে সি বহি আছিল সি কব নোৱাৰে; ভেজাদি থোৱা দুৱাৰখন মেলাৰ শব্দতহে উভতি চালে। অনুপমা।

তাই তৰা আৰু জোনাকীৰ ক্ষীণ পোহৰত ক্ষন্তেক বাখৰৰ ফালে চাই থাকে। পিছত লাহে লাহে আহি তাৰ সন্মুখত আঁঠুকাঢ়ি বহি তাৰ কোলাত মূৰ গুজি হুক হুকাই কান্দিবলৈ ধৰে। কান্দোনৰ আতিশয্যাত তাই কিবা কব খুজিও একো কব নোৱাৰিলে।

বাখৰে তাইৰ মূৰত হাত বুলাবলৈ ধৰে। উঠা নমা কৰা পিঠিখনত হাত এখন থয়।

"কুকি, ছিঃ নেপায়।"

তাই তাৰ বাওঁ ভৰিটো সাৱটি ধৰি সোঁ গালখন তাৰ আঠুত লগায়।

************

## ষোল

১

অনুপমাক ঘৰত থৈ বাখৰ আৰু ভীম খেৰজানলৈ উভতি আহিল। দুয়ো ৰিক্তহস্ত। শইকীয়াই ক'লে, "কেইমাহমান মাকৰ ঘৰত থাকক।" তেখেতো অকলশৰীয়া হৈ পৰিল। ডাঙৰ ঘৰটোত তিনিও আকৌ আগৰ দৰে থাকিবলৈ ধৰিলে। কিন্তু ভীমে আৰু ভাত নেৰান্ধে, ৰান্ধিনিটো আছে। সিয়েই সিহঁতক সোঁৱৰাই দিয়ে সিহঁতে আগৰ দৰে থকা নাই, মাজৰ গিৰীন, গৌৰী আৰু অনুপমাই সিহঁতক বেজাৰ দি গ'ল।

ভীমে লাইন পহৰা দিবলৈ আৰু নেয়ায় ৰক্ষা কৰিবলগীয়া কোনো মানুহ আৰু লাইনত নাই। সকলোৱে চিপাহীৰ কাম কৰে, সকলো নিৰ্ভীক; কীৰ্তন ঘৰত চাকি নজ্বলে। ভগৱান শ্ৰীকৃষ্ণক সিহঁতে পাহৰি পেলালে। এতিয়া লক্ষ্মীৰ ৰাজত্ব, নাৰায়ণ পলাল। সিপাৰৰ হেঁপাহ এতিয়া নাই, ইপাৰৰ অনন্দত সিহঁত মতলীয়া। সৰগলৈ সিহঁত যাব আৰু নোখোজে, মৰততে কাৰেং সাজিব খোজে।

সকলোকে হেৰুৱায়ো বাখৰে অনুভৱ কৰে, তাৰ ভুল নাই। নহলে ভীম আৰু নিজামৰ মৰম কেতিয়াও নেপালেহেঁতেন। জীৱন দাদালৈ তাৰ মনত পৰে। জীৱন দাদাও জয়ন্তৰ দৰে মিলিটাৰী অফিচাৰ হৈ আফ্ৰিকা, ইউৰোপ ঘূৰিব পাৰিলেহেঁতেন, কিন্তু তেওঁ অসমৰ পৰ্বতে-কন্দৰে সোমাই ফুৰিছে বঙ্গৰ জোক জেলুক ৰঙা পথাৰে ঘূৰি ফুৰিছে, ৰাজপুতনাৰ শুকান মৰুভূমিৰ ওপৰত জয়যাত্ৰা কৰিছে. এই চাৰিটা মানুহ একেলগে ভুল হয় যদিও হওক, একেলগে তেওঁ ফলভোগ কৰিব পাৰিব। আৰু যদিহে ফল পায় আন সকলোকে সিহঁতে তাৰ ভাগ দিব পাৰিব।

২

অনুপমাই আহিবৰ সময়ত তাক চিঠি লিখিবলৈ নক'লে। সিহে উপযাচি ক'লে, "মই গৈয়েই চিঠি লিখিমগৈ কুকি। তুমি নিয়মমতে খবৰ দি থাকিবা আৰু যেন ঠিক সময়ত মোলৈ খবৰ যায়; মই ওচৰত থাকিম।"

দুখ কৰি নেথাকিবলৈ উৎসাহ দি সি চিঠি লিখে। কিন্তু তাৰ চিঠি গতানুগতিক হৈ পৰে, উছাহ উজাৰি নোলায়। তাইৰ চিঠিও নিষ্প্ৰাণ, ভাল বেয়াৰ খবৰ, প্ৰিয়তম নিলিখে, লিখে শ্ৰীচৰণেষু।

বাখৰে ভাৱে কি উপায়েৰে টকা অৰ্জা হয়। সত্তৰ টকীয়া স্কুল-মাষ্টৰীৰে আদৰ্শবাদী পুৰুষ হৈ থাকিলে নিশ্চয় নচলে। শইকীয়াৰ ছত্ৰছায়াত থকাৰ কাপুৰুষালি তাৰ নাই। অনুপমাক প্ৰায় হেৰুৱালে। অৱশ্যে তাইক ঘূৰাই আনিব লাগিব। কিন্তু কেনেকৈ?

নৰকান্ত বৰুৱাই উপদেশ দিয়ে। "বাখৰ, কিবা এটা কৰা, এনেকৈ থাকিলে নচলিব, তুমি স্বীকাৰ কৰিবই লাগিব। যুদ্ধৰ ঠিকা কৰাৰ দিন প্ৰায় শেষ হৈ আহিছে যদিও এতিয়াও সময় আছে। গিৰীনক দেখিছাই কেনেকৈ উন্নতি কাছিে। লাগিলে মই সহায় কৰিম। পাৰ্ছিভাৰেন্স লাগে, অধ্যাৱসায় গিৰীন আৰু বদৰুদ্দিন তাৰ প্ৰমাণ, ময়ো প্ৰমাণ। মই কবলৈ লাজ নকৰোঁ, এসময়ত মই সামান্য চাউল দালিৰ দোকান দিছিলোঁ।" কিন্তু বাখৰে শুনিছিল, তেখেতে কান্ধত চাউলৰ ভাৰ কঢ়িয়াই বাগিচাই বাগিচাই বেচি ফুৰিছিল। নৰকান্ত বৰুৱাই সেইবাৰ কবলৈ লাজ কৰে।

কিবা দোকান এখন পতাৰ কথা সি ভাৱে। কিন্তু তালৈ লাগে মূলধন। তদুপৰি দোকান পতা মানে চিপাহীক বস্তু যোগাৱা। নাই, নোৱাৰে সি সেইবোৰ কৰিব। কিন্তু মূলধন নোহোৱা ব্যৱসায় কি আছে?

কিতাপ লিখা কথা সি ভাৱে। স্কুল কলেজত সি প্ৰবন্ধ-পাতি লিখি ছপাইছিল। কিন্তু উপন্যাস লিখাৰ শক্তি তাৰ নাই।

গধুৰ কিতাপ লিখাৰ সামৰ্থ্যও তাৰ নাই

অনুবাদ? এৰা অনুবাদ কৰিব পৰা যায়। কিন্তু সাধাৰণ মানুহে কিনি তাক দুপইচা দিব পৰা হব লাগিব, তেনে বিদেশী কিতাপহে সি অনুবাদ কৰিব। ডিটেক্‌টিভ উপন্যাসৰ কথা দ-কৈ ভাৱি চায়। ডেভিদৰ পৰা সি এজাপ ডিটেকটিভ নভেল খুজি আনে। এদিন ডিব্ৰুগড়লৈ গৈ কথা সাহিত্য সম্বন্ধে আলোচনা কৰা কিতাপ বিচাৰি আনে। পোন্ধৰ দিনৰ মূৰত শ্বাৰ্লক হোমছ আৰু আগাথা ক্ৰিষ্টিৰ দুখন কিতাপ বাচি লয়। আগাথা ক্ৰিষ্টিৰ 'ইজি টু কিল' খন তাৰ ভাল লাগে। কিন্তু আৰ্থাৰ কোনান ডয়েল সকলোৰে পৰিচিত। সেইবাবে শ্বাৰ্লক হোমছৰে কুৰিপাতমান ভাঙনি কৰি ডিব্ৰুগড়ৰ

প্ৰকাশক এজনৰ ওচৰলৈ গ'ল। বাখৰৰ কিবা সম্বন্ধে লাগে, গুৱাহাটীত ডাঙৰ কিতাপৰ দোকান আছে। কিন্তু তেখেতে ডিব্ৰুগড়ৰ পৰাই কিছুমান কিতাপ প্ৰকাশ কৰিছে। বাখৰক প্ৰকশকে উৎসাহ দিলে। বাখৰে ক'লে, "আপুনি মূল প্ৰকাশৰ পৰা অনুমতি আনক 'ইজি টু কিল'খনৰ বাবে ইতিমধ্যে মই অনুবাদ কৰি শেষ কৰিম, টকা পইচাৰ কথা পিছত আলোচনা কৰিম।" প্ৰকাশকে গাত লয়।

৩

আনন্দ মনেৰে বাখৰে অনুবাদ কৰাত লাগি যায় স্কুলৰ পৰা আহি সি লিখাতে লাগি থাকে। ইমান গভীৰ ভাৱে সি লিখাত মনোযোগ দিছিল যে তাৰ মনৰ দুখ কষ্টৰ কথাও পাহৰি গৈছিল। নিৰৱ সাধনাত তাৰ অন্তৰ স্তব্ধ হৈ যোৱা যেন লাগিল, মনলৈ শান্তি ঘুৰি আহিল। অনুপমাক ওচৰলৈ আনিবলৈ তাৰ অন্তৰ ব্যাকুল হৈ উঠিল। সি টকা ঘটিব, মূলধন নোহোৱা মন, অপবিত্ৰ নকৰা ব্যৱসায় কৰিব। কুকিক সুখী কৰিব, কুকিয়ে তাক আকৌ ভাল পাব। সি সুখী হ'ব।

সি কুকিলৈ লিখিলে, "পৃথিবীত চকুত লগাকৈ একো কৰিব নোৱাৰিলোঁ। কিন্তু তোমাক সুখী কৰিবলৈ মই দৃঢ় সঙ্কল্প কৰিছোঁ। তোমাক মই এৰিব নোৱাৰো। তোমাৰ অশান্তিৰ কাৰণ মই বুজিছো। মোৰ দুৰ্বল (পঙ্গু) আদৰ্শেৰেই মই গৈ থাকিম। কিন্তু উপাৰ্জনৰ পথলৈ ওলাই আহিছোঁ। মই মই হৈ থাকিয়েই উপাৰ্জন কৰিম।"

তাইৰ উত্তৰ আহে, "মোৰ অশান্তিৰ কাৰণ যদি বুজিছে তেন্তে আপুনি সুখী হব নোৱাৰিব। কব নোৱাৰো কিয় এনে হ'লো। মই আশা ৰাখিব পৰা নাই। মোৰ সুপ্ত চেতনাৰ মানুহজনীক আগতে দেখা হ'লে আপোনাক কেতিয়াও আমনি নকৰিলোহেঁতেন। এতিয়া ফিৰাবৰ উপায় নাই। অন্যায় মই কৰিব নোৱাৰোঁ। চিৰদিনৰ কাৰণে আপোনাক অন্তৰত ৰখাই মোৰ ডাঙৰ ন্যায়। কিন্তু খেৰজানত কি কব নোৱাৰো, মোৰ অশান্তি বাঢ়ে।"

নিৰুৎসাহ নহবলৈ সি প্ৰতিজ্ঞা কৰি এমাহতে অনুবাদ শেষ কৰি প্ৰকাশৰ হাতত দিয়ে আৰু আগাথা ক্ৰিষ্টিৰ 'ইজি টু কিল'খন অনুবাদ কৰিবলৈ একে উছাহতে লাগি যায়। প্ৰকাশকে চিঠি লিখে, কিতাপ প্ৰেছলৈ পঠোৱা হ'ল আৰু ছপা শেষ হ'লেই প্ৰথম ছপাৰ কাৰণে তাক পাঁচশ টকা দিব।

৮

ইজি টু কিল'ৰ আধা-আধি অনুবাদ হওতেই এদিন টেলিগ্ৰাফ পালে, "কুকিৰ কন্যা সন্তান হৈছে। সোনকালে আঁহা।" কাকত-পত্ৰ সামৰি সি যোৰহাটলৈ বুলি গাড়ীত উঠেগৈ। কুকিয়ে নিশ্চয় তাক ওচৰত বিচাৰিছে। তাৰ কন্যা সন্তান হৈছে। সি যিহকে ইচ্ছা কৰিছিল তাকে পাইছে। অনুপমাই অন্যায় কৰা নাই।

তৰাজানত অনুপমাহঁতৰ ডাঙৰ ধুনীয়া ঘৰটোৰ সমুখত দুখন মটৰ ৰৈ আছিল, এখন ডাক্তৰৰ আৰু আনখন অনুপমাহঁতৰ। নাৰ্ছ আৰু তিৰোতা মানুহৰ প্ৰতাপত সি অনুপমাৰ ওচৰলৈ গধূলিলৈকে যাবলৈ অনুমতি নেপায়। মাইকী মানুহবোৰে কন্যা সন্তান হোৱাত তিমান সুখী হোৱা নাই, কিন্তু শহুৰেকে হ'লে বৰ আনন্দ পাইছে।

আন্ধাৰ হোৱাৰ পিচত অনুপমাই তাক মাতি পঠায়। কেঁচুৱাক দোলা বিচনা এখনত শুৱাই থৈছে, অবিকল কুকিৰ দৰে, মুখখন বাখৰৰ গঢ়ৰ হৈছে। সি বৰ তৃপ্তিৰে জীয়েকৰ ফালে চায়। উৎসুক অনুপমাৰ ওচৰত বহা মাত্ৰকে তাই থাপ মাৰি তাৰ হাত এখনত ধৰি কন্দনামুৱা হৈ কয়, "ক'ত আছিল ইমান পৰে? মোৰ ইমান কষ্ট গ'ল, আপুনি ওচৰত নাই। আহিছে, বাহিৰত বহি আছে।"

তাৰ হিয়া নাচি উঠে। "কুকি, ইমানবোৰ তিৰোতা মানুহ আহি আছে যে মই তোমাৰ ওচৰলৈ আহিবই পৰা নাই, খং নকৰিবা।"

তাই বিচনাত বহি আউজি আছিল, গাল-মুখত স্পষ্ট ক্লান্তিৰ চিন, বুলি কোচা মেলা। সি তাইৰ মূৰে গালে হাত ফুৰাই মৰম কৰে আৰু নানান কথা সোধে। সি তাইক বুকুৰ মাজলৈ টানি লয়। তাইৰ মুখখন তাৰ বুকুত গুজি কয়, "মই এতিয়াও আপোনাৰ প্ৰতি অন্যায় কৰা নাই। আপোনাক ছোৱালী দিম বুলিছিলো, ঈশ্বৰে মোক সহায় কৰিছে। আপুনি সুখী হবই লাগিব।"

তাই তাক বহুত পৰলৈকে ওচৰত বহুৱাই থয়। সিহঁতৰ ওচৰলৈ কোনো নাহে।

পিছদিনা ৰাতিপুৱা প্ৰসূতি সুস্থ হৈ উঠে, বাখৰৰ প্ৰভাৱত সকলোৱে আচৰিত মানে, তাৰ গৰ্বও হয় লাজো লাগে। তাইৰ গা ধুই মূৰ আচুৰি ওলোৱা-সোমোৱা কৰে, শেঁতা পৰা গাল দুখনলৈ ৰঙচুৱা বোল এটা আহে।

তাৰ উপাৰ্জনৰ কথা সি তাইক আগত কয়, তাই ভাল পাব নোৱাৰে। কিতাপ

অনুপমাৰ চিঠি গতানুগতিক হৈ চাৰি - পাচ শাৰীত ৰৈছেগৈঃ ভাল আছে, নিনি বগাব ধৰিছে।, তাই খেৰজানলৈ নেযায়, ইত্যাদি।

মনত দুখ লাগিব বুলি আৰু দুখ লাগিলে আগুৰাব নোৱৰিব বুলি সি অনুপমাৰ পৰিৱৰ্তনৰ কথা নেভাৱিবলৈ চেষ্টা কৰে। সেই কাৰণে দিনে ৰাতিয়ে লিখে. ৰেণুৱে কেতিয়াবা কয়, “বাইদেৱে মাতি পঠাইছে।” সি উত্তৰ দিলে, “মোৰ সময় নাই।”

এদিন গিৰি আহি স্কুলতে ওলালহি। তেতিয়া স্কুলছুটী হৈছে। বাখৰে চকীদাৰটোক চাহ আনিবলৈ পঠিয়াই কিতাপ কাগজবোৰ মেলি লৈছে।

“বাখৰদা,” তাই অফিচলৈ সোমাই আহে।

সি বিৰক্তি বোধ কৰে, গতিকে একো নেমাতি তাইৰ ফালে চায়। তাই চকী এখনত বহেহি।

“কি হ'ল গিৰি?” সি পাতল হবলৈ যত্ন কৰে।

“আপোনাৰনো কিহৰ সময় নোহোৱা হৈছে চাবলৈ আহিলোঁ।”

পাতল কৰিব খোজা বাখৰৰ মনটো তাই অজানিতে গধুৰ কৰি তোলে। “মোৰ কিমান পঢ়া বুজিবলৈ বাকী আছে। আপুনি কিয় নেযায়, বাখৰদা?”

বাখৰে সংযত হবলৈ চেষ্টা কৰি কয়, “মই কিতাপ এখন অনুবাদ কৰিছোঁ গিৰি। মোৰ মুঠেই সময় নাই।”

“অ' আপুনি এইবোৰত ধৰিছে। সিখন কিতাপ দেখিছিলোঁ। পঢ়া নাই। কিয় এইবোৰ কৰিছে?”

“টকা।”

“কিমান টকা পায় এখনত?”

“কোনো ঠিক নাই। প্ৰকাশকৰ লগত বন্দবস্ত কৰিব লাগে। চাৰিশ, পাঁচশ, ছশ!”

“আপুনি তেনে মোক পঢ়াবলৈ নেযায়?”

“দেখিছাই মই ব্যস্ত।”

“আমাৰ তাতো লিখিব পাৰিব। এই লেতেৰা অফিচ ডালত বহি বহি কিনো ভাল পাইছে?”

“আমাৰ ফেদেলা ঘৰটো বা এই লেতেৰা অফিচটো নহ'লে মই লিখিবই নোৱাৰো গিৰি।”

চকীদাৰটোৱে এই গিলাচ চাহ আৰু দুটা বৰফি আনি টেবুলত দিয়েহি। তাই কোনোমতে নাকটো নোকোচোৱাকৈ কয়ঃ,

"আবেলি আমাৰ ঘৰতে চাহটুপি অনুগ্ৰহকৈ খাই আহিবগৈ পাৰে দেখোন।"

"এই গুৰৰ চাহটুপি নেখালে মোৰ মনত পৰা ভাৱেই যে নোলায়," সি চাহ গিলাচ দাঙি লয়।

তাই অলপ পিচত কয়;"আপোনাৰ হঠাতে টকাৰ ইমান দৰকাৰ কিয় হ'ল বাখৰ দা?"

"কি কৰিবা গিৰি। দেউতাৰ উপাৰ্জন খাই থাকিলেতো নচলে। মই বিয়া কৰালো, সন্তান হ'ল, সিহঁতক পোহপাল দিব লাগিব। মই শিক্ষিত ডেকা ল'ৰা, মোৰ সামৰ্থৰ প্ৰমাণ দিব লাগিবতো।"

"আপুনি মোক পঢ়াবলৈ যাবই লাগিব বাখৰদা। লাগিলে এখন কিতাপৰ দাম ময়েই দিম।"

"মুঠেই এখন কিতাপৰ দাম? দুটকা কি আঢ়ৈ টকা এখনৰ দাম। তাৰেই কিটো হ'ব?"

"নহয়, এখন লিখিলে যিমান পায় সিমান।"

"এ ৰাম, ৰাম, ৰাম। গিৰি, ছিঃ! দেউতাৰাই সেইদিনা যে কৈছিল, বঙালী কেৰাণীক 'ঘোছ' দি মিছাকৈ সৰহ টকাৰ বিল পাছ কৰোৱাৰ কথা মনত আছেনে নাই? আছে? দেউতাৰৰ সেইটো কি? লোভ নহয় নে?" বাখৰে লেনিয়াই ঠাট্টাৰ সুৰত কৈ যায়, "কিতাপত পঢ়িছো নহয় লোভেই পাপ পাপেই মৃত্যু? মোকনো পাপৰ পইচা লবলৈ তুমি ক'ব পোৱানে? তুমি মোৰ ছাত্ৰী, মই তোমাৰ গুৰু সাক্ষাৎ ঈশ্বৰ স্বৰূপ। তুমিনো এনে পাপ কথা গুৰুৰ আগত ক'ব পোৱানে?

তাই লাজত ৰঙা পৰে। কোনোমতে কয়, 'ই থক। আপুনি বৰ কিবা। মই এইবোৰ নবউলৈ লিখি পঠাম ৰ'ব মজা দিব তেতিয়া।"

বাখৰে চায়, গিৰি গাত জয়ন্তই অনা বিলাতী কাপোৰৰ ব্লাউজ, ব্লেক মাৰ্কেটত কিনা দহটকীয়া গজৰ বিলাতী ভয়েলৰ চাদৰ। তাৰ কুকিক তাৰ পৰা আঁতৰাই নিয়াত সহায় কৰা এইবোৰ কাপোৰ। সি একো নেমাতে চকীদাৰক পইচা দিয়ে, দোকানত গিলাচ থৈ চিগাৰেট লৈ আহিবলৈ।

তাই কয়, "তেন্তে মেট্ৰিক দিয়া নহ'ব বাখৰদা?"

তাৰ খং উঠি আহিছিল। তাইৰ মুখত অনুপমাৰ নাম শুনি সি নিজক আৰু সংযত কৰিব পৰা নাছিল। সি সুধিলে, "তোমাৰ মেট্ৰিক দিয়াৰ চখটো ইমানকৈ কিয় হ'ল গিৰি? মেট্ৰিক পাছ নকৰিলে জয়ন্তই বিয়া নকৰাওঁ বুলিছে নেকি?"

'যক, নেলাগে আপুনি পঢ়াব।' তাই ভোৰভোৰাই ওলাই ঘৰলৈ যায়গৈ।

তাৰ আৰু লিখা নহয়। কিতাপ-কাগজ সামৰি সি অফিচৰ পৰা ওলায়। বহুত দেৰিলৈকে থাকিব লাগিব বুলি বিৰক্ত হোৱা চকীদাৰটো তাক ওলাই যোৱা দেখি আচৰিত হৈ যায়।

৬

ৰান্ধনিটো এৰাতি পলাই গ'ল।

দুৰ্যোধনে এদিন খবৰ দিলেহি, সি ৰান্ধনিটোক ফিল্ডত কাম কৰা দেখিছে।

গতিকে ভীমে আকৌ ভাত ৰন্ধা কামটো নিজৰ হাতলৈ তুলি লয়। কিন্তু তাৰ ভুলত বাখৰ আৰু শইকীয়াই হুমুনিয়াহ পেলাবলৈ ধৰিলে। আঞ্জাত লোণ কেতিয়াবা বেছি হয়, কেতিয়াবা একেবাৰেই দিয়া নহয়। শইকীয়াই দোকমোকালিতে উঠি সময়মতে চাহ এটাপা নেপায়, কাহানিবা ভীম ঘৰত নেথাকেই, ৰাতিয়েই মনে মনে লাইনলৈ যায়গৈ, ৰাতিপুৱা বহুত বেলিলৈকে নাহে। বাখৰে ৰাতি খপা টোপনিৰ পৰা অনিচ্ছা সত্বেও উঠি আহি চাহ কৰি দিব লগাত পৰে।

সেইবাবে অনুপমাক আনিবলৈ গৈছিল, কিন্তু তাই নাহিল। নিনিয়ে 'মা' কৰিব পৰা হৈছে, কান্দোনক অস্ত্ৰৰূপে ব্যৱহাৰ কৰিব পৰা হৈছে। কেই মিনিট মানৰ ভিতৰতে দেউতাকৰ লগত বন্ধুত্ব পাতি পেলাইছিল। থিয় দণ্ডা দিছে, খোজ কাঢ়িবলৈ আৰু বেছি দিন নাই।

অনুপমাৰ স্বাস্থ্যৰ বহুত উন্নতি হৈছে। হাঁহি-মাতি ফুৰে, লগৰ ছোৱালীবোৰৰ লগত কেৰম খেলে- চকুত ফুটি উঠিছে জীৱন্ত হৈ মৰা অতীতটো। তাক ফুৰিবলৈ লগ ধৰিছিল, কিন্তু সি নেযাওঁ বোলাত নিনিক লৈ তাই মটৰত উটি অকলেই ফুৰিবলৈ গৈছিল।

৭

"কুকি," সি কৈছিল, "তেন্তে তুমি নোযোৱা।"

"মোৰ এতিয়া মন যোৱা নাই। তদুপৰি গাঁও একেবাৰে ভাল হোৱা নাই।"

"থক বাৰু, নেলাগে এতিয়া যাব।"

"আপুনি মোক নিব বুলিয়েই আহিছিল নেকি?"

"এৰা আমাৰ বৰ কষ্ট হৈছে। ৰান্ধনিটো পলাই গ'লগৈ। ভীমটো কিবা হৈ গ'ল - খোৱা লোৱাত বৰ কষ্ট হৈছে। দেউতাই ৰাতিপুৱা চাহ নোখোৱাকৈ কেতিয়াবা অফিচলৈ যায়গৈ।"

তাই এজনী সম্পূৰ্ণ বেলেগ মানুহৰ দৰে কয়। "অ, মোক তেন্তে ৰান্ধনিটোৰ সলনিহে বিচাৰি আহিছে?"

এনেতে অনুপমাহঁতৰ ৰান্ধনি বাপুৱে বাখৰক চাহ দি যায়হি। সঙ্কোচত বাখৰৰ মূৰৰ পৰা ভৰিলৈকে ভালকৈয়ে সিৰসিৰাই যায়।

"কুকি, তোমাক কথাটো একেবাৰে মিছা নহয়। কিন্তু সেই ধাৰণা লৈ মই অহা নাছিলোঁ। হয়তো মই দুখীয়া মানুহ, সেই কথা তুমি বিয়াৰ আগতে জানিছিলা। আমাৰ বিয়া দেউতাহঁতেই পাতিছিল যদিও আমি দুয়ো দুয়োকে জানিবলৈ সুযোগ পাইছিলোঁ। এতিয়া আমাৰ দুয়োৰে জীৱনৰ সুখদুখবোৰ জানিবলৈ সুযোগ পাইছিলোঁ। এতিয়া আমাৰ দুয়োৰে জীৱনৰ সুখদুখবোৰ সমানে ভগাই লব লাগিব। মই এই ভাৱিহে আহিছিলোঁ।"

তাই একো নেমাতি আঁতৰি গৈছিল।

ৰাতি ভাত খোৱাৰ পিছত তাই ক'লে, "আপোনাৰ বিচনা-পাৰি ঠিককৈ থৈছো দেই।"

তাৰ নিৰ্দিষ্ট বিছনাখনত সি দীঘল দি পৰেগৈ। কোমল তুলিখনত যেন কাঁইটহে আছিল। নিনিক বিচাৰি আনি সি তাইক চুমাৰে ওপচাই দিয়ে। তাই ন-কৈ শিকা 'দে-তা' 'দে-তা' মাতবোৰেৰে তাক ব্যতিব্যস্ত কৰি তোলে। তাইক ভালদৰে শুৱাই সি বাগৰ দিয়ে। কপাহৰ দৰে কোমল তপত গাটো সাৱটি সি সকলো পাহৰি যায়।

অনুপমাই পানী খাই এগিলাচ দিবলৈ আহে। সি বিছনাত উঠি বহে। তাই নিনিক লৈ যাব খোজে। সি বাধা দি কয়, "থক কুকি, তাই আজি মোৰ লগতে শোৱক।"

"ৰাতি মোক বিচাৰি কান্দিব।"

"মই নিচুকাবলৈ চেষ্টা কৰিম।"

"মই ওচৰত নেথাকিলে তাই কাকো নেমানে।"

"চাওঁ মই আজি চেষ্টা কৰি, নহ'লে তোমাক মাতিম।"

সি তাইক গাৰ ওচৰলৈ টানি লব খোজে। অনুপমাই স্পষ্ট বিৰক্তি দেখুৱাই 'চাওঁ শুচক' বুলি বান্ধিব খোজা বাহু দুখন আঁতৰাই দিয়ে। ৰাতি শুই শুই সি ভাৱে, উপচি পৰা নদীৰ এঠাইত ফাট মেলিলে সি ডাঙৰ হৈহে গৈ তাকে আৰু পানীও অবিৰাম গৈহে থাকে সেই ফালে। তাৰ কপালত ঘামৰ টোপালবোৰ ডাঙৰ হৈ পৰে।

৮

গতিকে সি নিৰাশ হৈ উলটি আহে।

মাংৰা আৰু বিকল আহি থাকে, সিহঁতক প্ৰতি মাহে ফিল্ডত কাম লাগেই। গৌৰীৰ কাৰণে বিকলে চিন্তা কৰা নাই। সি শইকীয়াক কৈছিল, "ঠিক আছে বাবু। তাই মোমায়েকৰ ঘৰত থাকি টকা কমাইছে, ভালেই হৈছে। ইয়াৰ পৰা অহা-যোৱা কৰা মুস্কিল, কাহানিবা কাহানিবা লৰী নাহেই। মই গৈ থাকো মাজে মাজে। তাই চব পইচা মোৰ হাতত দিয়ে।"

শইকীয়াই পোন্ধৰ দিন ছুটি লৈ গাঁৱলৈ যায়। তেখেতে চৰকাৰী আলিৰ দাঁতিত মাটি লৈ নতুনকৈ ঘৰ সাজিব খুজিছে। তেখেতৰ বন্ধু এজন গাঁৱৰে মৌজাদাৰ; মৌজাদাৰকে আগৰে পৰা কাঠ কটাবলৈ আৰু ঠিকাদাৰ বন্দবস্ত কৰিবলৈ লিখালিখি কৰি আছিল। এই পোন্ধৰ দিনতে কাম আৰম্ভ কৰাই আহিব; শেষ কৰিব মৌজাদাৰে, তেখেতে সকলো ভাৰ লবলৈ মান্তি হৈছে।

বাখৰে 'ইজি টু কিল'খন কৰাত একান্ত মনে লাগি যায়।

ডেভিদ আহিছিল। তেওঁ ব্ৰোলে অলপতে গয়ালৈ বদলি হৈ যাবগৈ। বাখৰৰ মানসিক দ্বন্দ্বৰ কথা তেওঁ বুজিব পাৰে। তেওঁ অনুপমাৰ কথা সোধে।

বাখৰে কয়, "তেওঁ মাকৰ ঘৰত আছে ডেভি। স্বাস্থ্য বৰ ভাল নহয়, সেইবাবে মই আহিবলৈ হাক দিছো ইয়াত কষ্টহে মিছামিছি।"

"বেবীৰ খবৰ কি?"

"নিনি?' ডাঙৰ হৈছে ডেভি। তাই বৰ ধুনীয়া হৈ উঠিছে। মাত ফুটিছে।"

"নিনিৰ ফটো আছে বাখৰ?"

"নাই।"

"তুমি মোক কথা দিয়া বাকৰ, একপি ফটো মোৰ গয়াৰ ঠিকনালৈ পঠাই দিবা। মই কিজানি অতি অলপ দিনৰ ভিতৰতে আমেৰিকালৈ যামগৈ। মোৰ বৰ দুখ লৈ গ'ল, নিনিক দেখি নগ'লো। আৰু মিছেছ্ শইকীয়াকো মাত দি যাব নোৱাৰিলোঁ।"

ডেভিদ গয়ালৈ যাবগৈ। তেওঁৰ সঙ্গসুখকণ বাখৰে উপভোগ কৰিছিল। তাৰ অন্তৰৰ জুইকুৰা ডেভিদে দেখা নাই, কিন্তু তেওঁৰ সৰল মৰমখিনি বাখৰে আকলুৱাৰ দৰে বুকুত সুমুৱাই থৈছিল।

শেষ বিদায় লোৱাৰ আগতে ডেভিদে মনৰ সন্দেহ প্ৰকাশ কৰিলে, ক'লে "বাখৰ, যোৱাৰ আগতে মোৰ মনৰ খুকুনি এটা মাৰি থৈ যাব খোজো। তোমাক এটা কথা খোলাখুলিকৈ সুধিব খোজো।"

বাখৰে তেওঁৰ চকুলৈ চালে।

"বাখৰ, ভাৰতবৰ্ষত তোমাকেই মই শ্ৰেষ্ঠ বন্ধু হিচাপে পাইছোঁ। সেইবাবে তোমাৰ মনত কিবা হ'লে মই তোমাৰ চকুলৈ চায়েই বুজিব পাৰোঁ। কিন্তু অকল চকুৱে কিয়, তুমি তোমাৰ কাম কাজ, কথা বতৰা সকলোতে তোমাৰ মনত কিবা এটাই তোলপাৰ লগাই থকাটো প্ৰমাণ কৰি দেখুৱাইছা। তুমি হয়তো নিতান্ত ভাল মানুহ কাৰণে আমাৰ আগত কবলৈ বেয়া পাইছা।"

বাখৰে তলমূৰকৈ মনে মনে বহি থাকে।

ডেভিদে ক'লে, "সিবাৰো এইবোৰ কথা উলিয়াওঁতে—কুকি তেতিয়া ইয়াতে আছিল — তুমি যুদ্ধখনৰ কথা উলিয়াই মোৰ দুখত আৰু মোৰ দৰে অনেক দুৰ্ভগীয়াৰ দুখত দুখ প্ৰকাশ কৰিলা। তেতিয়া আৰু এতিয়াৰ মাজত কিবা সম্পৰ্ক আছে নেকি?"

ভালেমান পৰ মনে মনে থাকি বাখৰে ক'লে, 'ডেভি তুমি সৈনিক, তোমাৰ আগত যুদ্ধৰ বিৰুদ্ধে কোৱা ঠিক নহয়। কিন্তু মইভাৱো তুমি মোৰ কাৰণে সৈনিকতকৈ বেছি; তুমি মানুহ, তুনি মোৰ বন্ধু। নেভাবিবা যে মই যুদ্ধখন বেয়া পাইছোঁ। কিন্তু যুদ্ধক মই দৰকাৰী কুগ্ৰহ বুলি বিবেচনা কৰোঁ। তোমালোকৰ প্ৰেচিডেন্ট আব্ৰাহাম লিঙ্কনে জাতিৰ ঐক্য ৰক্ষাৰ কাৰণে আৰু মানুহৰ মুক্তিৰ কাৰণে, স্বজাতিৰ বিৰুদ্ধে চৰকাৰী সৈন্য পঠাই দিছিল; সেইখিনিলৈকে যুদ্ধ লিঙ্কনৰ বাবে দৰকাৰী আছিল; কিন্তু যুদ্ধত প্ৰাণ হেৰুৱা প্ৰত্যেকটো আমেৰিকান সৈন্যৰ বাবে তেওঁ ৰাতি চকুলো টুকিছিল; সেইখিনিতে যুদ্ধ তেওঁৰ বাবে আছিল কুগ্ৰহ।"

ডেভিদ আকৌ একেথৰে বাখৰৰ চকুলৈ চায় থাকিল।

বাখৰে কৈ গ'ল, "ডেভি জাপানৰ বিৰুদ্ধে মোৰ অভিযোগ আছে, তেওঁলোকৰ শক্তি খৰ্ব হোৱাটো ময়ো কামনা কৰো। কিন্তু মোৰ চকুৰ আগতে কিমান যে সুখৰ সংসাৰ ভাগি গৈছে, তাৰ সীমা সংখ্যা নাই। সেইবোৰ দেখি মই কেৱলে কান্দিছোঁ। তুমিও নিশ্চয় সেইবোৰ মন কৰিছাঁ। তুমি হয়তো কবা মই বৰ দুৰ্বল। কিন্তু কি কৰিবা দুৰ্বলমানুহোতো পৃথিৱীত থাকে।"

ডেভিদে ক'লে, "আব্ৰাহাম লিঙ্কন দুৰ্বল নাছিল বাখৰ।"

"মই প্ৰেচিডেন্ট নহওঁ ডেভি। মই এজন শিক্ষকহে।"

"লিঙ্কনৰ মাজৰ প্ৰেছিডেন্টজনেহে যুদ্ধ কৰা নাছিল, যুদ্ধ কৰিছিল আৰু ৰাতি কান্দিছিল তেওঁৰ মাজৰ মানুহজনহে। তোমাৰ কথা মই অস্বীকাৰ কৰিব নোৱাৰো বাখৰ। তুমি যি ভাৱিছা সি সকলোৱে কাৰণে সত্য। মা আৰু এমাই চিঠি লিখিলে সদায় মোৰ কাৰণে প্ৰাৰ্থনা কৰে। তেওঁলোকৰ কি ভয় কি বেদনা মই বুজোঁ। মোৰো কেতিয়াবা বৰ মন যায় তেওঁলোকৰ ওচৰলৈ গুচি যাবলৈ। আমি হয়তো বিপদৰ মাজত পৰি অভিজ্ঞতা লাভ কৰিছোঁ, কিন্তু তুমি দাৰ্শনিকৰ দৰে দেখি দেখিয়েই সেই অভিজ্ঞতা লাভ কৰিছা।"

ডেভিদৰ অভিজ্ঞতাত বাখৰে আকৌ হাঁহে। ডেভিদ গয়ালৈ যায়গৈ।

৯

দুৰ্য্যোধনে এদিন ক'লেহি "বাখৰ বাবু, গৰী একদম ডুবি গ'ল। তাই ইমান পাপী বুলি মই জনাই নাছিলোঁ। তাই আজিকালি মিলিটাৰী গাড়ীত উঠি ঘূৰি ফুৰে।"

বাখৰে তাক গালি পাৰে, "তহঁতে মোক বলীয়া কৰিবি। গৰীৰ কথা মোক কেলৈ? ফিল্ডত কাম কৰিবলৈ পঠাওঁতে সেইটো মনত নপৰিল, এতিয়া মোৰ আগত কবলৈ আহিছ? মৰক না গৌৰী, মোৰ কি লোকচান?"

দুৰ্য্যোধনে তলমূৰকৈ লাইনলৈ যায়গৈ। হঠাতে খং উঠা দেখি বাখৰৰ নিজৰে মনটো তিতা লাগে। অনুপমা নাহিল। তাৰ দুখন চিঠিৰ উত্তৰ এখন পায়। তাতো প্ৰাণ নাই। গিৰীন এতিয়াও আছে, দেউতাকক টকা দি যায়, আকৌ লৈ যায়, আকৌ ঘূৰাই দিয়েহি। কোনামতে অনুবাদ শেষ কৰি সি প্ৰকাশকৰ হাতত দিয়েগৈ। প্ৰকাশকে দুখ কৰি কয়, "বাখৰ তোমাক দিম বোলা সাতশ বোধহয় দিব নোৱাৰিম; পাঁচশহে পাৰিম। কাৰণ শ্বাৰ্লক হোমছত আমাৰ অলপ লোকচান পৰিছে।"

সি প্ৰকাশকৰ ফালে চায়, প্ৰকাশকে তলমূৰ কৰে। সি গুচি আহে। সি বুজিলে, প্ৰকাশকেও বাণিজ্যত যেন তেন প্ৰকাৰে লক্ষ্মীক বসতি কৰাবলৈ যত্ন কৰিছে। সি অৱশ হৈ ঘৰত বহি পৰেহি। তাৰ সকলো শক্তি নাইকীয়া হৈ যোৱা যেন লাগে। তাৰ অনুভৱ হয় সি যেন আৰু কোনো কালেই লিখিব নোৱাৰিব। শিশু সাহিত্যৰ উপযোগীকৈ সত্য ঘটনা কিছুমান গোটাই কিতাপৰ আকাৰত ছপাবলৈ সি এনচাইক্লোপেডিয়া, বুক অৱ নলেজ আৰু বহুতো কিতাপ গোটাই থৈছিল; সেইফালে সি মনটোকে নিব নোৱাৰা হ'ল।

বুক অৱ নলেজ এখন মেলি সি জোৰ কৰি পঢ়িবলৈ যত্ন কৰে। নোৱাৰি কিতাপখন দলিয়াই পেলাই মনতে কৈ উঠে, "কুকি। তুমি পাষাণী!"

*************

## ওঠৰ

১

এনেতে এদিন হঠাৎ গধূলি জীৱন-দাদ ওলায়হি। জীৱন দাদাই এসপ্তাহমান নুখুৰোৱা ডাড়িবোঁৰ ৰাতি লেমৰ পোহৰত খুৰাবলৈ লাগি যায়। লেতেৰা কাপোৰ কানি সোপা নিজে ধোৱে; পিছৰ দিনটো থাকিব, ৰাতি যাবগৈ। কাপোৰ থুকুচি জীৱনদাদাই সোধে, "শইকীয়া, মই কাপোৰ ধুয়েই পোৱা নাই। চাবোনবোৰ দেখোন গৈ শেষেই নহয়। কি কৰা যায়?"

বাখৰে হাঁহে কয়, "ধুই থাকক। আপুনি নিজে ঘৰ্হা চাবোনহে যাবগৈ।

জীৱন দাদাই কয়, "এৰা নিজে কৰা পাপবোৰো ধুই পেলাব পাৰিম তেন্তে।"

"কিনো পাপ কৰিলে?"

"জীৱনবোৰ কিছুমান পাপৰে সমষ্টি দেখোন শইকীয়া। নহলেনো মোৰ এই অৱস্থা হয়নে? নে আপোনাৰো এনে অৱস্থা হয়।"

"মোৰ চোন পাপ কৰা মনত নপৰে?"

"আপোনাৰ দেউতাক আছেনে নাই।"

"কওক নুশুনে।"

"তেখেতে পাপ কৰিছে নহয়। আৰু তেখেতৰ দেউতাকে কৰি থৈ গৈছে। আৰু তেখেতৰো দেউতাকে কৰিছিল। তাৰ ফল আপুনি ভুগিব।"

"তেনেকুৱা হ'লে আমাক অন্যায় কৰা হয়।"

"হ'লেও উপায় নাই। অন্যায় বুলিনো কেনেকৈ কওঁ? আমাৰ দেউতাই বহুত মোন কানি বেচিলে। তাৰে মই এই দেহা গঢ়িলোঁ, তাৰেই জ্ঞান আহৰণ কৰিলোঁ। নজনাকৈ হলেও পাপ কাৰিলোঁ। গতিকে প্ৰায়শ্চিত্ত নকৰি উপায় নাই।"

বাখৰে একো নেমাতে।

ভাত পানী খাই দুয়ো পৰ্টিকোত বহি আকৌ কথা পাতে। অনুপমাৰ কথা ওলাল। ডেভিদৰ কোৱাৰ দৰেই দীৱনদাদাকো বাখৰে কবলৈ চেষ্টা কৰে। কিন্তু দীৱনদাদাৰ যুদ্ধৰ অভিজ্ঞতা ডেভিদকৈ বহুত বেছি. তেওঁ খুচৰি খুচৰি সকলো কথা উলিয়াই পেলালে। বাখৰে সকলো কথা শেষত স্বীকাৰ কৰি পেলালে।

"শইকীয়া", জীৱন দাদাই ক'লে, "পুৰণি উপমা এটা মনত পৰিছে। সংসাৰ সঁচাই এখন থিয়েটাৰ। কিছুমানে ভাও দিয়ে কিছুমানে চায়। ভাৱৰীয়াৰো আনন্দ আৰু দৰ্শকৰো আনন্দ। দুয়োবিধৰ সংমিশ্ৰনতহে থিয়েটাৰ সম্পূৰ্ণ হয়। কিন্তু দৰ্শকৰ ভিতৰত দুভাগ আছে। এভাগে ভাৱৰীয়াৰ লগত কান্দি , হাঁহি, পগলা হৈ তৃপ্তি পায় আৰু আনভাগে চৰিত্ৰৰ উচিত অনুচিত বিচাৰ কৰে। এভাগে তৰ্ক কৰে এনে হোৱা উচিত, এনে হোৱা অনুচিত। তেওঁলোকৰ সংখ্যা তাকৰ। তেওঁলোকক কনেছ্‌চাৰ বোলে। তেওঁলোকে অ লপ আনন্দ পাব পাৰে, তৃপ্তি নেপায়।" বাখৰে একো নকয়।

জীৱনদাদাই কৈ যায়, "আপুনি কনেছ্‌ছাৰ। আপুনি ভাও নিদিয়ে, আপুনি সমালোচক দৰ্শক। ভাল-বেয়া বিচাৰ কৰা আপোনাৰ কাম, আপুনি ভাওনা দোষমুক্ত কৰিবলৈ সমালোচনা কৰে। কিন্তু কাহানিওঔ তৃপ্তি নেপায়। কুকি দৰ্শক, খাটি দৰ্শক, ভাৱৰীয়াৰ লগত তাই কান্দি হাঁহি ভাল পায়, এক্ট্ৰেছৰ অনুকৰণত তাই সচাঁসঁচিকৈ ৰোমান্স' নামৰ অৰ্থহীন পদাৰ্থ বিচাৰে। আপুনি নাওঁৰ গতি নিৰ্ণয় কৰাত আত্মনিয়োগ কৰে। তাই পাৰত ভাল দৃশ্য দেখিলে নামি পৰিব খোজে। ভাৱৰীয়াৰ গৌৰৱ দৰ্শকৰ আনন্দ আপুনি একো নেপায়। পায় ক্ৰিটিকৰ অসন্তুষ্টি।"

পিচদিনা ৰাতিপুৱা দীৱনদাদা যায়গৈ।

বাখৰে ভাৱে সঁচাই সি জীৱনত তৃপ্তি পাব নোৱাৰে। সি কাহানিবা সন্তুষ্ট হ'ব নোৱাৰে। গিৰীনৰ আনন্দ আছে, সি ভাওনাত নিজকে উটাই দিব পাৰিছে। জীৱনদাদাৰ আনন্দ আছে, তেওঁ দৰ্শকে চাব পৰা কিবা এটা ডাঙৰ কাম কৰিছে। অনুপমাৰ আনন্দ আছে তাই ভাওনা চাই আত্মতৃপ্তি পাব পাৰিছে। আৰু সি? ভাল বেয়া, উচিত-অনুচিতৰ বিচাৰ কৰি সকলোকে হেৰুৱাই পেলাইছে। সোণালী ধাননি ৰচা শিল্পী গিৰীনক সি খেদি দিলে। তাৰ জীৱনক জীপাল কৰা কুকিজনীৰ সমালোচনাত তিষ্ঠিব নোৱাৰি আঁতৰি গ'ল। শক্তিহীন দেউতাকে সামান্য দুৱৰীৰ ভাও ললে। অলপ সময় ভাও দিয়ে আৰু বেচিভাগ ভিতৰৰ পৰা ভাও চাব পাৰে। জীৱনদাদা তাৰ জীৱনলৈ আহিব নোৱাৰে।

২

জীৱনদাদাই বাখৰলৈ এখন চিঠি লিখে। শইকীয়া বিয়েয়েকৰ তালৈ গৈছিল;

বহুত দিনৰ মূৰত জীৱন দাদাও ঘৰ ওলাইছিল গৈ। শইকীয়াই হাতত তেওঁ চিঠি পঠাইছেঃ

তেওঁ হেনো অনুপমাক এদিন পুৰা দুঘন্টা ধৰি গালি পাৰিলে। ফল একো নহ'ল। অনুপামই খাটি দৰ্শক। সুযোগ পালে ভাওনা কৰিবলৈ নামেহে। জীৱনদাদাৰ লগত তাই বিৰাট তৰ্ক কৰিলে। তেওঁৰ বোলে মন গৈছিল, তাইক গুলী কৰিবলৈ। বিপ্লবী মানুহৰ তেজ অলপতে গৰম হয়।

"পাম্প কৰা ব্লাডাৰ বৰ কোমল শইকীয়া, জীৱন্ত কিবা এটা যেন লাগে, পিছে কেনেবাকৈ অকণমান ফুটিলে আৰু ৰক্ষা নাই, সকলো বতাহ হুৰহুৰাই ওলাই যায়।"

"অনুপমাক ময়েই চিনি নোপোৱাত-পৰিছো। কলেজৰ ডেকা বন্ধু এজনৰ লগত আজি-কালি খুব ফুৰে। ঘৰৰ ওচৰৰ ল'ৰা। দেউতাকৰ কৰিব খোজা কাৰবাৰৰ অংশীদাৰ আৰু এজন প্ৰধান উদ্যোক্তা। ডেকা দেউতাকৰ বৰ মৰমৰ। মটৰ চলাব জানে, আদ্দিও পিন্ধিব জানে, খাদীও পিন্ধিব জানে। তেওঁৰ নিজৰ নামত এখন বাগিছা আছে।

"জানো আপনি দুখ পাব শইকীয়া। কিন্তু দুখকেই চিৰলগৰীয়া কৰি নলব। দুখৰ পৰশমণিত নিজক ঘহঁাই সোণ কৰি লওক। আপুনি কনেছ্ছাৰ, আমাৰ উট পিয়াখন চেৰ চপাই অনাত সহায় কৰক।"

বাখৰ গাঁৱলৈ যায়। দেউতাকৰ কথামতে সাজিব ধৰা ঘৰটো চাই আহেগৈ। ঘৰৰ কাম মৌজাদাৰে ভালমতেই চলাইছে। অতি কম সময়ৰ ভিতৰতে হৈ উঠিব।

নিজঞ্জাল গাওঁখনত তাৰ মনটো মুকলি মুকলি লাগে। যুদ্ধৰ হাই-উৰুমি নাই। কাচিৎ এখন লৰী বা উৰাজাহাজ ওলালেও গাঁৱৰ মানুহে আগৰ দৰে খেতি-বাতিতে লাগি থাকে, দু ই-এটা ডেকা ল'ৰাই চিপাহীৰ চাকৰি কৰিলেও গধূলি ঢেঁকীৰ শব্দ ঘৰে ঘৰে উঠি থাকে। মৌজাদাৰৰ ঘৰটো বৰ ডাঙৰ। গিৰিনে পকীঘৰ সজাইছে; বাখৰহঁতৰ ঘৰটো চকুত লগা হৈছে। তথাপি মানুহবোৰে নামঘৰত থাপনা পাতি গায়।

"ৰাম নাম নলৈলো, হৰিত নভজিলোঁ।<br>
কি কাম কৰিলোঁ, আহি হে ৰাম-ৰাম।"

জীৱনদাদাৰ আহ্বানত সঁহাৰি দিবলৈ সি মনত বল পায়। সি আশা কৰিব

পাৰে। আছে, এতিয়ালৈ বহুত মানুহ উটি নোযোৱাকৈ আছে। এতিয়াও আজাৰ গছত কুঁহিপাত ওলালে বিহুবলীয়া মানুহৰ মন উৰা মাৰিব খোজে। এতিয়াও এবুকু ওখ শালি ধাননিৰ মাজৰ আলিবাটে আলিবাটে ৰংদৈহঁত পানী শুকুৱা দ পথাৰত বোৱা কৰবলৈ যায়।

যাওঁক, যোৱাবোৰ যাওঁক লগ লব পৰা বহুত মানুহ এতিয়াও আছে। নিজমো আছে। ভীমৰ লগ লব পাৰিব, আৰু পৃথিৱীত কিমানবোৰ গাঁও আছে।

সি শিশু সাহিত্য লিখাত লাগি যায়। লিখাত তাৰ হাত আহিছে। ভাৰ ফুটাই তোলাত বিশেষ আহুকাল নেলাগে।

জীৱনদাদাক সি প্ৰণাম জনায়। জীৱনদাদাই হে আৱিষ্কাৰ কৰিলে, সি নীৰৱ দৰ্শক। ভাওনা কৰিবলৈ তাৰ সাহ নাই। সি পঙ্গু। সি একো কৰিব নোৱাৰে। বেয়াও কৰিব নোৱাৰে, ভালো কৰিব নোৱাৰে। সি কেৱল দুখ কৰিব জানে। অঘাইটং ডকাইত হৈও নাম কৰিব পাৰি আৰু ৰাজনীতিৰ মাজেৰে দেশৰ কাম কৰিও নাম কৰিব পাৰি।

তেন্তে সি সমালোচনাই কৰিব। কনেছুৱাৰ কাম কৰিব। সি লিখিব। সি মানুহৰ মন গঢ়িব। সি উট পিয়া অনাত সহায় কৰিব। সি সম্পূৰ্ণ মানুহ হ'ব।

চি আই-ডি ইন্সপেক্টৰ এজন আহে, জীৱন বৰুৱা আহিছিল নেকি খবৰ কৰিবলৈ। সি কৈ পঠায়, "নাই অহা।"

************

# ঊনৈশ

১

তিনিটা ঘটনা ওচৰাউটৰিকৈ ঘটি নিৰলে জীয়াই থাকিব খোজা বাখৰক বিচলিত কৰি তুলিলে।

পঢ়ি পঢ়ি আৰু লিখি লিখি ভাগৰ লাগিলে বেলি বুৰিবৰ সময়ত সি কেতিয়াবা খালৰ দাঁতিত থিয় হয়গৈ। খালৰ দাঁতিলৈকে জেওৰা দি বাৰী পতা। জেওৰাতে হাত দি সি মাইল মাইল বিয়পা খালৰ মুকলি নিলগলৈ চাই থাকে। দূৰৰ আওগৰীয়া ঠাইৰ সেউজীয়া ঘাঁহনিৰ ওপৰত বাগৰি পৰা সন্ধিয়াৰ ছাঁখিনি চাই তাৰ মনটো জুৰ পৰি যায়। অকলশৰীয়া একো জোপা গছে তাক যেন কিবা এটা সোঁৱৰাই দিব খোজে। সি নিজক বহুত দূৰ পাহৰি থাকিব পৰা হৈছিল। মনৰ শান্তি নেপালেও অন্ততঃ দুশ্চিন্তাই তাক আমনি কৰিব পৰা নাছিল।

কিন্তু অতি সোনকালেই অশান্তি আৰম্ভ হ'ল। এদিন ৰাতিপুৱা গৌৰীৰ মৰা শতো কলীয়াপানীৰ নৈৰ পাৰৰ এজোপা বাঁহৰ তলত আৱিষ্কাৰ কৰা হ'ল। কোনে প্ৰথমে দেখিলে কোনেও নেজানে। কিন্তু ক্ষন্তেকতে মানুহৰ জুম বান্ধি গ'ল। বিকল আৰু তাৰ ঘৈনীয়েক আহি হুৰাও-ৰাৱে কান্দিবলৈ ধৰিলে। মোমায়েক মায়েকেও চকুলো টুকিবলৈ ধৰিলে। পুলিচ আহিল। গিৰীন অবাক হৈ গ'ল। তাৰ বিশ্বাসেই নহ'ল যে আগৰাতি তাৰ ঘৰৰ পৰা ওলাই যোৱা জীয়া মানুহজনী এনে নিজান জয়াল নৈৰ পাৰত বাঁহৰ তলত এইদৰে মৰিব।

দুটা এটা চিপাহীয়েও এই দৃশ্য চাই মুখ বিকটালে।

গৌৰী কাটি হৈ পৰি আছে, চকুত আতঙ্কৰ চাৱনি। বুকুত কাপোৰ আৰু চোলা খোলা; এটা স্তন আৰু গাল এখনত দাঁতৰ চিন আৰু ক্ষতৰ একো চিন নাই. ওঁঠ দুটা ক'লা পৰি আছে।

চিপাহী কেইটাৰ ফালে মানুহবোৰে ঘৃণাৰ চকুৰে চায়। সিহঁত আঁতৰি যায়। সিহঁতে জানে, সিহঁতৰ লগৰে কোনোবাই এই কাম কৰিলে, সিহঁতে নিজে একো অপৰাধ কৰা নাই। কিন্তু, 'জাতি ভাই'ৰ অপৰাধৰ কালিমা সিহঁতৰ গাতো পৰে।

গোটেই ডুমডুমা অঞ্চলতে আতঙ্কৰ ছাঁ এটা পৰি যায়। এনে ভীষণ অপকৰ্ম

আৰু এনে ভয়ঙ্কৰ অপমৃত্যু মানুহে আগতে দেখা মনত পেলাব নোৱাৰিলে।

চিপাহীয়ে ঘৰে বাহিৰে অত্যাচাৰ কৰাটোও অৱশ্যে নতুন কথা। সিও আতঙ্ক। গৌৰীৰ মৃত্যু অভাৱনীয় কাণ্ড। চিপাহীৰ মাজত পশু থাকিলেও ইমান আওপশু ওলাব বুলি কোনেও কল্পনা কৰিব পৰা নাছিল। নিজামে বাখৰক ক'লে, "বাখৰ, বহুত ভয়লগা বস্তু কিজানি আমি দেখাই নাই।"

২

মাংৰা আৰু বিকলে আহি গ'ল শইকীয়া আৰু বাখৰৰ ওচৰলৈ। লগত দুৰ্য্যোধনো আহিছিল। বিকলে বহুত পৰ কান্দি থাকিল। কাৰো বুজনিয়ে তাক সান্ত্বনা দিব নোৱাৰিলে। অভিজ্ঞ শইকীয়াই ক'লে, "বিকল, কান্দিলে কি হ'ব? লড়াইখনে আমাৰ কাৰণে খালি দুখহে আনিছে। চব ফালে কান্দিব লাগিব। কিমান কান্দিবি? কিমান দুখ কৰিবি?"

বাখৰে দেউতাকৰ ফালে আবাক হৈ চায়।

কিমান কান্দিবি? কিমান দুখ কৰিবি?

যাবৰ সময়ত উচুপি উচুপিয়েই বিকলে হৈ গ'ল, "মই বদলা লম, জৰুৰ বদলা লম। মই হিংসা কৰিম। ৰাতি লাইন পহৰা দিম। আহক চিপাহী, মই খুন খাম। বেইমান। জানোৱাৰ।"

ভীমে টেবুলত মূৰ গুজি উচুপি উচুপি আৰু মাজে মাজে হুকহুকাই কান্দে। ওচৰত থিয় হৈ শইকীয়াই, বাখৰ আৰু দুৰ্য্যোধনে সান্ত্বনা দিবলৈ চেষ্টা কৰে। দুৰ্য্যোধনে বন্ধুৰ গাত ধৰি থাকে।

"ভীম," শইকীয়াই কয় "কি কৰিবি? মানুহৰ নছিবত যি লিখা থাকে সেইটো হ'বই। নছিবত বেয়াটো থাকিলে বেয়া হ'বই। সেইদেখি তাৰ কাৰণে কান্দি একো লাভ নাই। নিজে ধৰ্মত থাকিব লাগে। আনক ভাল কৰা ধৰ্মৰ কাম। সেই কাম কৰিবলৈ আমাক বহুত শক্তি লাগে। কান্দিলে আমি সেইবোৰ কৰিব নোৱাৰিম।"

শইকীয়া আঁতৰি গ'লত বাখৰে ক'লে, দেউতাৰ কথাবোৰলৈ অলপ কাণ কৰ। মনত বল বান্ধি আজিকালিৰ পৃথিৱীত জীয়াই থাকিবলৈ বহুত শক্তি লাগে। মোৰ দুখ জানো তই দেখিছ? মই নিজে জোৰ নকৰা হ'লে কিজানি ইমান দিনে মৰিয়ে গ'লোহেঁতেন।

৩

ভীমে দুৰ্য্যোধনৰ সৈতে মৰিশালিলৈ যায়। গৌৰীৰ শটো মাটি দিয়াত আনবোৰৰ লগত সিও সহায় কৰে, নিৰৱে গম্ভীৰভাৱে আৰু তলমূৰকৈ। তাৰ শাহুয়েকে তাক সাৱটি ধৰি গালে-মূৰে হাত বুলাই বুলাই বিনায়, "বেটা, তইহে মোৰ আচল বেটা। মোৰ বেটী বদমাচ আছিল। তোক চিনিব নোৱাৰিলে। তাই ছালীয়ে —থাক, এতিয়া তাই ভূত হৈ গ'ল।"

তিনি চাৰি দিনৰ ভিতৰতে ভীমৰ কাম কাজত শৃঙ্খলা লাগি আহিল। সি আগৰ মানুহৰদৰে বাখৰহঁতৰ আলপৈচান ধৰিবলৈ ল'লে। অৱশ্যে মুখেৰে আগৰ দৰে ৰসাল কথা নকয়, কথা সি এতিয়া খুব কমেই কয়।

তাৰ দুশ্চিন্তাৰ উইঁটো চিৰদিনৰ কাৰণে শুকাই গ'ল। সেইবাবে সি মনত বল বান্ধিব পাৰিছিল। কিন্তু সেই একেটা উইঁহে আছিল তাৰ সুখৰো উইঁ। গতিকে সি আগৰ সম্পূৰ্ণ মানুহটো হ'ব নোৱাৰিলে।

তথাপি সিমানতে বাখৰ আৰু শইকীয়াই অনন্দ পালে। অকল চাহটুপি আৰু ভাতমুঠিৰ কাৰণে শইকীয়া এতিয়া সুখী হৈছিল এনে নহয়; ভীম তেখেতৰ মনত ঘৰৰে এজনৰ দৰে আছিল। বাখৰৰ ভাল লাগে এই কাৰণে যে সি জীৱনৰ বাটত আৰু এজন বাটৰুৱাক লগ পাব।

৪

তাৰ পিছত দ্বিতীয়টো ঘটনা।

এদিন দুৰ্য্যোধনে আহি বাখৰৰ ওচৰত বৰ বেজাৰ মনেৰে বহি পাৰিল। সি বোলে আৰু ফিল্ডত কাম কৰিবলৈ নেযায়, মৰিলেও নেযায়।

"কিয় ?" বাখৰে অবাক হোৱা যেন দেখুৱাই সুধিলে, "ফিল্ডখনেনো কি দায় লগালে , যোধন ?"

"এ নকবি বাবু" স্পষ্ট বিৰক্তিৰে সি ক'লে, "তয়ো ঠিক কৈছিলি। এই গোৰাচৰ বেয়া, একদম বেইমান। এই ফিলচৰত কাম কৰা মহাপাপ।"

বাখৰে কয়, "এই ভাঙিয়ে কচোন কি হ'ল।"

তেতিয়া দুৰ্য্যোধনে কথাটো ভাঙি ক'লে। তাক হেনো বিনা অপৰাধত আমেৰিকান ছাৰ্জেন্ট এটাই আজি চৰিয়ালে আৰু মাটিত বগৰাই খুব ভুকুৱালে। কোৱাৰ্টাৰ

মাষ্টাৰ গুদাম এটালৈ আজি দুৰ্য্যোধনে দিনজান ফিলৰ পৰা বহুত বস্তু আনিছিলগৈ। বস্তুবোৰ থানথিত লগাওঁতে একেলগে বান্ধি থোৱা ছিল্কৰ মোজা কেইযোৰমানৰ বাণ্ডিল এটা কোনেবাকৈ বিচাৰি পোৱা নগ'ল। ছাৰ্জেন্টৰ উঠিল খং—কাৰণ সেইবোৰ মোজা তেওঁ নিজে মনে মনে নিবৰ কাৰণে দুৰ্য্যোধনক থবলৈ কৈছিল। অলপ পিচতে দুপৰীয়াৰ খানা হিচাপে এজন প্ৰাইভেটে সিহঁতক ব্ৰেক্‌ফাষ্ট পেকেট বিলাক দিছিল; সিহঁতে আধা আধি ভোকতে আৰু আধা- আধি ধেমালিতে পেকেটবোৰ ল'বলৈ কঢ়া-আজোৰা লগাইছিল। শেষৰটো পেকেট দুৰ্য্যোধনে এটাৰ পৰা আজোৰা মাৰি নিওঁতেই ছাৰ্জেন্টজন পালেহি। তেওঁকো কেইটামান পেকেট লাগিছিল, কেইজনীমান কাম কৰা বনুৱা গাভৰুৱে তেওঁক খুজিছিল। কিন্তু পেকেটৰ বাকচটো শুদা দেখি আৰু দুৰ্য্যোধনে জলপানৰ পেকেট কাঢ়ি নিয়া দেখি তেওঁৰ খং মূৰৰ চুলি পালেগৈ। কথা-বতৰা নাই, তেওঁ দুৰ্য্যোধনৰ চুলিত ধৰি দুয়োখন গালত দুটা চৰ মাৰি বগৰাই খুব ভুকুৱাবলৈ ধৰিলে।

চাহেববিলাকক দুৰ্য্যোধনে ভয় কৰে। কিন্তু মাৰ খাব বুলি সি কাহানিও ভৱা নাছিল। খেৰজান বাগিছাৰ চাহাবে বহুত বনুৱাক কোবাইছে, চাহবনুৱাই তেওঁলোকক ভূত দেখা দিয়ে। কিন্তু খামীডাঠ থুলন্তৰ ডেকা দুৰ্য্যোধনে কোনো দিনেই চাহেবৰ মাৰ খোৱাৰ আকাঙ্খা কৰা নাছিল। চাহাবেও তাৰ কামত খুত উলিয়াব পৰা নাছিল; সি বৰ 'চিধা' মানুহ।

কিন্তু ছাৰ্জেন্টটোৱে চৰিয়াওঁতে সি বাধা দিব নোৱাৰিলে। ইমানবোৰ গোৰা পল্টনে কি কৰে কোনে জানে? আৰু সিহঁত ৰজাৰ জাত; গাত হাত দিলে কিজানি পুলিচতে দিয়ে।

বাখৰে হাঁহি ক'লে, "সেই বুলিয়েই তই ফিল্ডৰ কাম এৰিবিনে? চাহাবে মাৰিছে দে, একো বেয়া মানুহে মৰা নাই!"

অবাক হৈ দুৰ্য্যোধনে কয়, "কিন্তু বাবু! তয়ে চোন কৈছিলি, আমেৰিকান চব আমাৰ নিচিনাই মানুহ? চাহেববোৰে মোক কিয় মাৰিব?"

ওচৰত থিয় হৈ থকা ভীমে মিচিক মিচিক হাঁহি আছিল' সি ক'লে, "তেন্তে তই কিয় ঘূৰাই নেমাৰিলি?"

বিমোৰ হৈ দুৰ্য্যোধনে ক'লে, "আৰে ইমানচব গোৰা ফিলত আছে, মই অকলে, মোক তবে মাৰিয়েই পেলালেহেঁতেন।" অলপ সি বৈ নিজকে কোৱাৰদৰে কৈ গ'ল,

"বাখৰ বাবুৰে কৈছিল আমেৰিকাত থকা চব গোৰা আদমি আমাৰ ৰকম মানুহ। সেইচব দেশতো আমাৰ ৰকম মানুহ। সেইচব দেশতো আমাৰ ৰকম কুলী আছে। মিচা, মিছা। সিহঁত আমি সমান নহওঁ। সিহঁত বগা, আমি ক'লা। ফিলত দেখিছো নহয়, নিগ্ৰোচবক আমেৰিকান চবে ঘিণ কৰে। বাগানৰ বাবুচবক চাহেবে অলপ ঘিণ কৰেই।"

বাখৰৰে দুখ লাগে। গভীৰ মৰমেৰে সি অপমানিত দুৰ্য্যোধনৰ পিনে চায়। সি লিখা-পঢ়া নেজানে। কিন্তু বৰ ডাঙৰ সত্য এটা ব্যক্তিগত অভিজ্ঞতাৰে সি আজি সংগ্ৰহ কৰি ল'লে। সিহঁত বগা, আমি ক'লা।

বাখৰে দুয়োটকে বহুৰাই লৈ কালা আদমিৰ গল্প কৈ যায়। আব্ৰাহাম লিঙ্কন, আঙ্কল টমুছ কেবিন, কু-ক্লাক্ ছ-ক্লেন, দক্ষিণ আফ্ৰিকাৰ কুলী গান্ধী কাহিনীৰ পিচত কাহিনী সিহঁতে একান্ত মনে শুনি যায়। বাখৰে সিহঁতক ঘৰৰ কথা সোঁৱৰাই দিয়েঃ কোনোৱা পলাই যোৱা বনুৱাক চকীদাৰৰ হতুৱাই ধৰাই আনি আকৌ চকীদাৰৰ হতুৱাই দুয়ো ফালে দুহাতত ধৰাই থাকি বীৰবৰ চাহাবে পলৰীয়াক ডেডাউৰীয়াই অজ্ঞান হৈ যোৱাকৈ ৰাইদাং বেতেৰে কোবোৱাৰ কথা।

কৰুণাত কন্দনমুৱা হবখোজা বাখৰৰ মুখখনলৈ দুৰ্য্যোধনে একেথৰে চাই তাকে। দেৱতা, দেৱতাৰ দৰে মানুহ বাখৰ বাবু।

মৰিলেও ফিল্ডত কান নকৰোঁ বুলি দ্বিতীয়বাৰ শপত খাই লাইনলৈ গধুৰ মনে যায়গৈ।

আৰু তৃতীয়টো ঘটনা।

বাখৰে কল্পনাই কৰিব পৰা নাছিল এনে অঘটন ঘটিব পাৰে বুলি। অমানুষিক কাণ্ডবোৰ দেখি দেখি মানুহবোৰ লাহে লাহে কম আচৰিত হবলৈ ধৰিছিল। বহুতৰে মুখত বাখৰে সংযত ভাৱে বৰ্ণনা কৰা ভয়াবহ কাহিনীটো শুনিলেঃ বাখৰৰ বাধ্য ছাত্ৰ বোধন খেৰজান বাগিছাখনতে অঘাইটং ল'ৰা হৈ উঠিছিল। চিপাহীবোৰৰ অপকৰ্মত সি সকলো ধৰণৰ সহায় কৰি টকা অৰ্জন কৰিছিল। তাৰ ভিতৰত বনুৱা গাভৰুবোৰক টকাৰ লোভেৰে ফুচুলাই চিপাহীৰ লগ লগাই দিয়াটো প্ৰধান।

এৰাতিৰ কথা। পুহমাহৰ কুহকুহীয়া জাৰ, পূৰ্ণিমাৰ শুভ্ৰ জোনাক থাকিলেও ডাঠ কুঁৱলীৰ বাবে সমুখলৈ এনলৰ আঁতৰত একো নেদেখি।

লাইনৰ পৰা ভীম আৰু দুৰ্য্যোধনে মনে মনে ওলাই চাহনিৰ মাজৰ পাত ওজন কৰা ঘৰ এটা ফালে খোজ ল'লে। সিহঁতৰ হাতত কলঘৰৰ তৈয়াৰ কৰা

খুকুৰী। সিহঁতে পাত ওজন কৰা ঘৰটোৰ পৰা অলপ আঁতৰত চাহনিত সোমাই লুকাই জোপ ল'লে।

আৰু দুটা মাৰ্কিন চিপাহী। ডাঙৰ আলিটোত জীপ ৰখাই সিহঁতে সেই ওজন ঘৰটোৰ পিনে খোজ ল'লে। সিহঁতৰ গাত গৰম ট্ৰাউজাৰ্ছ, গৰম কামিজ আৰু গ্ৰেট কোট; গ্ৰেট কোটৰ জেপত ৰামৰ বটল। মুখত ছান হেমলেট। সিহঁতে একোবাৰ চিগাৰেট হোপে আৰু জেপৰ পৰা মদ উলিয়াই মুখত বাকে। সিহঁতে অপেক্ষা কৰে, দূৰৰ মনিব পৰা-নোৱাৰা লাইনটোলৈ চায়, কথা পাতে। (বোধহয় এইদৰে)ঃ

"জনি, বোধন নাহিব নেকি?"

"আহিব জেমি আহিব। বোধন বৰ চিধা ল'ৰা।"

লাইনৰ পৰা চোৰৰ দৰে ওলাই আহে বোধন, তাৰ গাত লংপেন্ট, বুট জোতা আৰু খাকী কেপ। সি ছোৱালী দুজনীক বুজাই অভয় দিয়ে যে ভয় কৰিবৰ কোনো কাৰণ নাই। মাইকী মানুহবোৰে আমেৰিকান মানুহবোৰক যিমান ভয় কৰে তিমান ভয় কৰিবলগীয়া একো নাই। ছোৱালী দুজনীয়ে অৱশ্যে ভয় নেখায়। এজনীয়ে একেবাৰে তৰোৱাল লৈ ঘোঁৰাৰ পিঠিত উঠা বীৰাঙ্গনাৰ দৰে কৈ পেলায়, "নিগ্ৰো চিপাহীকে ভয় কৰা নাই, আমেৰিকান চিপাহী কোন কুটা?"

ভীম আৰু দুৰ্য্যোধন চঞ্চল হৈ উঠে। সিহঁতৰ হাতৰ মুঠি খুকুৰীৰ নালত টান হৈ আহে। হিংসাত সিহঁতে নিজকে পাহৰি পেলায়। বোধনহঁত পাৰ হৈ যোৱাৰ অপল পিছত দুয়ো লুকাই থকাৰ পৰা ওলাই আহি পাছ লয়। দ্বাপৰ যুগত ঘোৰ শত্ৰু ভীম দুৰ্য্যোধন, কলি যুগত পৰম বন্ধু হৈ সিহঁতৰ উমৈহতীয়া শত্ৰুক নাশ কৰাৰ কাৰণে অভিযান চলাইছে।

বোধনহঁতক দেখি চিপাহী দুটাই মহা আনন্দত আগবাঢ়ি যায়। দুয়ো একোজনীক ধৰি উপকাৰী 'জন্তু' বোধনক কেইঅঁৰামান ধন্যবাদ দি পেলায়। বোধন সম্পূৰ্ণ সন্তুষ্ট।

বোধনক পহৰাত থৈ চিপাহী দুটাই ছোৱালী দুজনীক লৈ ওজন ঘৰটোলৈ সোমাই যায়; খোলা ঘৰ, বেৰ দিবৰ আৱশ্যক নাই।

পাপ। ঈশ্বৰৰ দৃষ্টিত মানুহৰ পাপ। তিনিটা পাপ একেলগে একে ঠাইতে, একে সময়তে বোধনৰ পাপ। ভীম দুৰ্য্যোধনৰ পাপ। চিপাহী দুটা আৰু ছোৱালী দুজনীৰ পাপ। পাপ কৰা বৰ সহজ।

দুৰ্য্যোধনৰ খুকুৰীৰ কোৰ মূৰত পৰাত বোধনে আৰ্তনাদ কৰি উঠিল, "মা

গো! মৰ গেলি গো!" বুকুত ভীমৰ খুকুৰীৰ খোচ পৰাত বোধনে মাত মাতিব নোৱাৰি ঠাইতে বাগৰি পৰিল।

ভীম আৰু দুৰ্যোধনে উন্মত্ত পশুৰ দৰে লৰ দি ওজন ঘৰত সোমালগৈ। লৰ মাৰি অহা চিপাহী এটাৰ লগত খুন্দা খাই ভীম পৰি গ'ল। লৰি যোৱা চিপাহীটো তৎক্ষণাত উঠি ভিৰাই লৰ দিলে। সি শুনিলে তাৰ লগৰীয়াই ওজন ঘৰৰ আন্ধাৰত চিঞৰিছে, "জনি জনি! সি ফিল্ডত! জীজাজ ক্ৰাইষ্ট! ক্ৰাইষ্ট!!!" তাৰ পিচত সকলো নিৰৱ। যিশুৰ প্ৰতিশোধ?

ছোৱালী দুজনীয়ে ওজন ঘৰৰ পৰা ওলাই লাইনৰ ফালে লৰ ধৰিলে। সিহঁতৰ খোজ থৰক-বৰক।

তেজলগা খুকুৰীখন হাতত লৈ দুৰ্যোধন ওলাই আহিল। ভীমৰ লগ লাগি কাণ পাতি শুনিলে দূৰৈত জীপ ষ্টাৰ্ট কৰাৰ শব্দ। দুয়ো পৰি থকা বোধনৰ ওচৰলৈ আহিল।

বোধন মৰিল। তাৰ গাৰ ওচৰত এডোঙা জীয়া তেজ।

সিহঁতে ওজন ঘৰৰ ভিতৰলৈ গ'ল। চিপাহীটোও মৰিল। তাৰ গাৰ ওচৰতো এডোঙা জীয়া তেজ।

দুয়ো বাহিৰলৈ আহি গুণা-গথা কৰিবলৈ ধৰিলে, কি কৰা যায়। চিন্তা কৰাৰ লগে লগে সিহঁতৰ মাজলৈ মানুহ দুটা উভতি আহিল। দুয়োৰে ভয় লাগিল। এতিয়া কি হ'ব। সিহঁত ক'ত পলাই সাৰিব?

ভালেমান পৰৰ মূৰত থিয় হ'ল, শ দুটা কঢ়িয়াই নি নৈত পেলাই দিবগৈ। যলৈকে যায় উটি যক।

শ দুটা নি সিহঁতে বেতেৰে মুকামুখিকৈ বান্ধি সোঁতত উটাই দিলে। স্বৰ্গযাত্ৰা নে নৰকগমন, তাৰ বিচাৰ কৰিবলৈ বৈ নেথাকি সিহঁতে খুকুৰীৰ তেজৰ চেকা পানীত ধুই বেগাবেগিকৈ লাইনৰ ফালে গুচি গ'ল।

তাৰ পিছৰ পৰা সিহঁতে খেৰজান বাগিছাত নাই। ৰাতিয়েই ক'লৈ গ'ল কোনেও কব নোৱাৰে। কাকো একো কৈ যোৱা নাই। ঘৰৰ পৰা কোনো এটাই একো বস্তু নিয়া নাই। ওজনৰ ঘৰৰ বাহিৰত এডোঙা তেজ গোট মাৰি পৰি থকা ৰাতিপুৱা দেখা গ'ল।

************

## বিশ

১

এদিন গধূলি হঠাতে জীৱনদাদা ক'ৰবাৰ পৰা আহি অনুপমাৰ কোঠাত সোমালগৈ। তেওঁ চকী এখনত বহি পৰি ক'লে, "কুকি, যাচোন একাপ চাহ আন। বৰ ভাগৰ লাগিছে। বহুত দূৰৰ পৰা আহিলো। একেবাৰে পাছিঘাট।"

অনুপমাক অবাক হৈ যোৱা নেদেখি দীৱনদাদা নিজেই অবাক হৈ গ'ল। তেওঁ নিজৰ ভাগৰলৈ আওকাণ কৰি তাইক নিৰীক্ষণ কৰিবলৈ ধৰিলে.

তাইৰ মুখখন মলিন। কিহবাৰ বেজাৰত চকু দুটা নিষ্প্ৰভ। শৰীৰত অৱসাদৰ চিন। তাই এবাৰ জীৱনদাদাৰ ফালে চাই বহাৰ পৰা উঠি "মই কৈ আহো বাৰু" বুলি দুৱাৰমুখৰ ফাল গ'ল।

জীৱনদাদাই উঠি আহি তাইক ধৰি সুদিলে, "তোৰ কি হৈছে কুকি ?"

"একো হোৱা নাই।" তাই তাৰ হাতখন এৰুৱাব খোজে।

তেওঁ আহি আকৌ বহে। তেওঁ চিন্তিত হৈ পৰে। এবাৰ উঠি, এবাৰ বহি থৰক-বৰককৈ খোজ কাঢ়ি নিনি তাৰ ওচৰলৈ আহিল। কাজলসনা উজ্জ্বল চকুযুৰিৰে তাই তেওঁৰ ফালে দুৱাৰ মুখৰ পৰা চায়।

"নিনি !" তেওঁ একেজাপে নিনিৰ ওচৰ পায়হি। দাঙি লৈ চুমা খাই খাই আকৌ চকীত বহেহি, "নিনি। মামা ! মামা" অতি অলপ সময়ৰ ভিতৰতে তাই মামাক চিনি পায়। ক্ষন্তেকৰ বাবে তেওঁ অনুপমাৰ কথা পাহৰি যায়।

অনুপমাই চাহ একাপ লৈ সোমাই আহে। চাহ খাই খাই জীৱন দাদাই কয়, "কুকি মই আহোতে কালি ৰাতি ডুমডুমাত সোমাই আহিছোঁ। শইকীয়াৰ তাত এঘন্টামান আছিলোঁ। তাত ভীষণ কাণ্ড। গৌৰী নেকি সেইতহঁতৰ চাকৰটোৰ ঘৈণীয়েকজনী মৰিল। বদমাচী কৰি মিলিটাৰীৰ লগত ঘূৰি ফুৰিছিল, মিলিটাৰীয়েই এৰাতি মাৰি পেলালে। তহঁতৰ ভীমচন্দ্ৰই দুৰ্য্যোধন নে কি এটাৰ লগ লাগি আমেৰিকান এটা আৰু লেবাৰৰ ল'ৰা এটা দাৰে কাটি মাৰিলে। সিহঁত পলাল। এতিয়াও বিচাৰি পোৱা নাই।"

তাই যেন উচপ খাই উঠিব খুজি ৰৈ গ'ল। জীৱনদাদাই লক্ষ্য কৰিলে, তাই উদ্বিগ্ন হৈ তেওঁৰ কথা শুনি গৈছে। তেওঁৰ কথা শেষ হ'লত তাই সংযত সুৰত সুধিলে,

"বাকীবোৰৰ ভাল 'দা।"

"ভালেই দেখিলোঁ। কিন্তু কুকি তোৰ মনটো মৰা যেন দেখিছোঁ?"

তাই একো নেমাতে। জীৱনদাদাই চেষ্টা কৰে কথা উলিয়াবলৈ, কিন্তু নোৱাৰে। তাই কেৱল অস্বীকাৰ কৰি যায়। তেওঁৰ মাজৰ বিপ্লৱীটোৱে কাম কৰিব নোৱাৰে; নাৰীৰ দুঃখিনী মূৰ্তিত নিষ্ঠুৰ বিপ্লৱীও কোমল হৈ পৰে।

তেওঁ ঘৰৰ আনবোৰৰ পৰা কাৰণটো উলিয়াবলৈ যত্ন কৰিলে। খুৰীয়েকে ক'লে তাই বোলে দেউতাকৰ লগত কিবা কথাত কাজিয়া কৰিছে। কিবা ব্যৱসায়ৰ কথা লৈ কেইদিন মানৰ পৰা বাপেক জীয়েকৰ মাজত ভীষণ তৰ্ক চলি আছে। এজন চীনা কাঠমিস্ত্ৰী আৰু এজন চীনা অফিচাৰৰ লগত তেখেতে কিবা 'বস্তু' চীন দেশলৈ চালান দিয়ে অনুপমাৰ তাতে খং। কাৰণ বস্তুটো নিষিদ্ধ।

জীৱনদাদাই অনু মান কৰি ক'লে, "কানি।"

তদুপৰি দেউতাকৰ মদ খোৱাৰ মাত্ৰা আজি-কালি চৰি আহিছে। আগতেও ডাক্তৰৰ পৰামৰ্শত স্বাস্থ্যৰ কাৰণে অলপ অলপ মদ খাইছিল। এতিয়া নিয়মিত ভাৱে আৰু সৰহীয়াকৈ খাবলৈ লৈছে।

তৃতীয়তে, অনুপামই আৱিষ্কাৰ কৰিলে, তাইৰ ডেকা বন্ধুও ভীষণ মদপী; চীনা দুজনৰ লগ কাৰবাৰ কৰাত তেৱোঁ আগৰণুৱা আৰু বোধহয় তেওঁ তাইক বৰ বেয়া কথা কৈছে।

২

তাৰ পিছত জীৱনদাদা দাদায়েকৰ ওচৰ পালেগৈ। তেখেতে প্ৰকাণ্ড চিগাৰ এটা কামুৰি কামুৰি ইংৰাজী কাকত পঢ়ি আছিল। জীৱনক বহিবলৈ ক'লে। তেখেতৰ চকু দুটা ৰঙা।

"তাৰ পিছত বিপ্লৱী," তেখেতে হাঁহি ক'লে, "কি খবৰ কোৱাচোন?"

গতানুগতিক প্ৰশ্নবোৰৰ উত্তৰ দি জীৱনদাদাই আচল কথাটো উলিয়ালে! তেখেতে ডাঙৰকৈ হাঁহি ক'লে, "অ" কুকৰি কথা? কমপ্লিট অদৰকাৰী ছোৱালী। বাখৰক দেখি প্ৰেমত পৰিলে — আচলতে প্ৰেমেই নহয়। মোহ ভাগি গ'ল। এতিয়া ঘৰত পচিছে। বাখৰো এটা অপদাৰ্থ। মই ক'লো, কুকি আকৌ বিয়াকে কৰা। তাইৰ ফ্ৰেণ্ডেও প্ৰস্তাৱ কৰিলে বিয়া কৰাওঁ বুলি। তাই অফেণ্ডেড!"

অলপ পৰ টলকা মাৰি থাকি জীৱনদাদাই ক'লে, "কিবা ব্যৱসায় লৈয়ো বোলে কাজিয়া হৈছে শুনিলোঁ।"

"সেইবোৰত হাত দিবলৈ তাই বাৰু কি আৱশ্যক? আমি মতা মানুহে বাহিৰত কি কাৰবাৰ কৰো, তাই সেইবোৰ ভাৱি মৰিব লাগে কিয়?"

"মস্কিল হৈছে আপুনি যে কানি বেচে হ'ব পায়।"

দাদায়েকে তীক্ষ্ণ দৃষ্টিৰে তেওঁৰ ফালে চায়। কিন্তু সংযত ভাবে হাঁহি কয়, কানিয়েই বেচিলো বা কাপোৰৰ কল খুলিলোঁ। তাইৰ মাত মাতিবলৈ কিটো আ?

জীৱনদাদা যাবলৈ উঠে। দাদায়েকে সোধে, "কি, একো মন্তব্য নকৰিলা দেখোন?"

"মোৰ পকেটৰ ৰিভলভাৰ এটা আছে। পিছে ফায়াৰ কৰিলে শব্দ হ'ব। সেইবাবে ক্ষান্ত থাকিলোঁ।"

তেখেতে অলপ থৎমৎ খাই যায়। কিন্তু মনৰ ভয় লুকুৱাই কয়, "ইমান সহজ নহয় ইয়ংমেন। আমাৰ বহুত বল। জানা? মই ইয়াত, কলিকতাত এজন আছে, বোম্বাইত দুজন। সীমান্তত সৈন্য-সামন্ত লৈ স্বয়ং সেনাপতি নৰকান্ত বৰুৱা– চিনি পোৱা কিজানি। নৰকান্ত সমান মানুহ নেপাবা। অল কুৱায়েট অন দি ইষ্টাৰ্ণ ফ্ৰন্ট।"

জীৱনদাদা আকৌ অনুপমাৰ ওচৰলৈ আহে। অলপ আগতে থোৱা অভিজ্ঞতাখিনি প্ৰকাশ কৰি তাইক নানা বুজনি দিয়ে।

তাই কয়, "দা, মই বৰ অশান্তিত দিন নিয়াইছোঁ। যাক বন্ধু বুলি বিশ্বাস কৰিছিলো সি এনে জঘন্য প্ৰস্তাৱ কৰিব বুলি ভৱাই নাছিলোঁ। দেউতাও ইমান তললৈ নামি যাব বুলি ভৱা নাছিলো। তুমি জানা বৈবাহিক জীৱনত সুখী নহওঁ। কিন্তু 'সুখ' বোলা পদাৰ্থটো বিচাৰি মই কি কৰিছো নিজেই বুজিব পৰা নাই। আজি মই বৰ দুৰ্বল, অনুমান হৈছে যি কৰিছা সকলো ভুল। কব নোৱাৰোঁ, পৃথিৱীখনত মানুহ মই দেখি নোপোৱা হৈছোঁ। ময়ো অমানুহ হৈ গ'লো যেন বোধ হৈছে। সেই দিনাৰ পৰা নিনিক সাৰতি কেৱল কান্দি আছোঁ। দেউতাই মদ খাই বহুতো অপকৰ্ম কৰিছে, বহুতৰে চকুত নামি গৈছে। পুলিচৰ হাতত ধৰা পৰিলে যে কি হ'ব কব নোৱাৰোঁ। এনে এখন নৰকৰ মাজত কেনেকৈ থাকিম ভাৱিছোঁ।"

জীৱনদাদাই একো নেমাতে।

৩

এনেতে মাক আহি ফোপাই -জোপাই সোমালহি। তেখেতে ক'লে, "জীৱন, থানাৰ অ'-চি আহিছে। তেখেতে আমাৰ নতুন ৰেডিঅ'টো চাব খুজিছে। ভিতৰলৈ আহিবলৈ কিজানি বুধি লগাইছে।"

অনুপামই লৰালৰিকৈ জীৱনদাদাক পাছ দুৱাৰেদি বাৰীৰ চুকলৈ আন্ধাৰে মুন্ধাৰে লৈ গ'ল। বাৰীৰ চুকেদি পলাই যাব পৰা সৰু বাট এটা আছে। কেইচেকেণ্ড মানৰ ভিতৰতে দুয়ো বটটো পালেগৈ।

জীৱনদাদাই অনমান কৰিছিল, অনুপমাই আকৌ খেৰজানলৈ যাবলৈ মন কৰিব পাৰে। তেওঁৰ একান্ত কামনা বাখৰৰ ওচৰলৈ তাই ঘূৰি যাওক। বাখৰৰ নিচিনা এটুকুৰা মূল্যবান 'বাখৰ' কুকিয়ে নিচিনি ভুল কৰিছে।

সেই কাৰণে অলপ আঘাট দিবৰ মনেৰে তেওঁ যোৱাৰ আগতে কৈ গ'ল, "কুকি মই দুই এদিনতে কিজানি পুলিচৰ হাতত ধৰা দিম। পলাই পলাই আৰু ফুৰিব নোৱাৰোঁ। শাৰীৰিক, মানসিক দুয়োবিধ শক্তি হেৰুৱাই পেলাইছোঁ। আজি তিনিদিন শোৱা নাই।"

অনুপমাৰ বুকুখন কঁপি উঠিল। জীৱনদাদা গ'লগৈ।

নিনিক টোপনি নিয়াই তায়ো বিচনাত পৰে। অ'-চিয়ে ৰেডিঅ' চাবলৈ ভিতৰলৈ আহিছিল নে নাই তাই খবৰ নকৰিলে। জীৱনদাদা সাৰি গৈছে যেতিয়া পুলিচলৈ ভয় কৰিবলগীয়া একো নাই।"

মাকে আহি সুধিলে, "কুকি, তই বোলে ভাত নাখাওঁ বুলিছ? কিয় কি হৈছে?"

তাই বিৰক্তি হৈ ক'লে, "ঠাকুৰক দেখোন ক'লোৱেই ভোক লগা নাই।"

"ভোক নেলাগিবলৈ হৈছেনো কি?"

"ভোগ লাগিবলৈ কি কৰা দেখিছনো তইঁতে?"

"ওঁহ! আমি হ'বলা দিনৰ দিনটো কামহে কৰি আছোঁ। আমাৰনো ভোক কেনেকৈ লাগে?"

তাই একো নেমাতে। মাক গুচি যায়।

তাইৰ টোপানি নাহে। ওপৰলৈ মুৰ কৰি আকাশ-পাতাল ভাবি থাকে।

আজি আবেলিৰ পৰা ডাৱৰীয়া হৈ তকা বতৰটোৰ লগত তাই নিজৰ মনৰ অৱস্থাটো তুলনা কৰি চায়। তাই জীৱনটোকো যেন ভুলৰ বতাহে বলাই অনা দুখৰ ডাৱৰে আৱৰি ধৰিছে। মনৰ মাজৰ সকলো পোহৰ যেন তাইৰ পৰা পলাই গৈছে। উজ্জ্বল সুৰুযদেৱতা বাখৰ ক'ৰবালৈ আঁতৰি গৈছে (আঁতৰি জানো গৈছে? ময়েইতো আঁতৰাই পঠাইছোঁ।) নিনি আছে, উৰি ফুৰা ডাৱৰৰ মাজত ভুমুকি মাৰি আনন্দ দিয়া তৰা এটাৰ দৰেই নিনি আছে।

দ্বিতীয়বাৰ বিয়া কৰোৱাৰ প্ৰস্তাৱটোলৈ মনত পৰিলে গাটোৰ চাৰিওফালে পৰা কাঁইটে ফুটি অহা যেন লাগে। ইমান জঘন্য মানুহৰ মাজলৈ তাই স্বেচ্ছাই সোমাই গৈছিল। কিন্তু কিয় তাই গৈছিল?

বাখৰৰ প্ৰতি তাই অন্যায় নকৰো বুলি কৈছিল কিন্তু আজি অনুমান হৈছে বহুত অন্যায় ইতিমধ্যে হৈ গ'ল। এই অন্যায়ৰ প্ৰতিকাৰ কিজানি নায়েই।

প্ৰতিকাৰ কৰিব বিচাৰিলেও তাই জানো আকৌ খেৰজানলৈ উলটি যাব পাৰিব? গিৰি আৰু ৰেণুৱে তাইক আকৌ অপমান কৰিব। সেই অপমানৰ প্ৰতিশোধ তাইৰ স্বামীয়ে লব নোৱাৰে। আৰু তায়েইবা কোনটো লাজেৰে অভিমান কৰি এৰি থৈ অহা ঘৰখনলৈ উভতি যাব?

*************

ANANDARAM DHEKIAL PHOOKAN COLLEGE LIBRARY
NAGAON
Acc. No.
Date.

## একৈশ

১

বাখৰ আৰু শইকীয়া দুয়ো দুখ মনেৰে বহি তাকে। ভীম আৰু দুৰ্য্যোধনৰ অভাৱনীয় হত্যাকাণ্ডটোৱে দুয়োকে মনত আঘাত দিলে।

শইকীয়াই ভীমক বৰ মৰম কৰিছিল। মৰমৰ পাত্ৰই বেয়া কাম কৰিলে মানুহৰ দুখ লাগেই, শইকীয়াই এই কথা অনুভৱ কৰে। বাখৰে ভাৱিবই নোৱাৰে প্ৰতিহিংসাই ইমান বেয়াকৈ মানুহক বিপথে নিব পাৰে বুলি।

চিপাহী আৰু বোধনৰ মুখামুখিকৈ বন্ধা শ দুটা জাঁজিত লাগি থকা অৱস্থাত পুলিচে আৱিস্কাৰ কৰিলে। সাৰি যোৱা চিপাহীটোক বান্ধি থোৱা হৈছে। সি তাৰ লগৰীয়াৰ সৈতে একেলগে ঘটনাৰ দিনা চাবুৱাৰ পৰা আহিছিল। কিন্তু লগৰীয়া মৰিল, সি জীয়াই থাকিল। সি সামৰিক আদালতৰ আগত সকলো ঘটনা স্বীকাৰ কৰিলে।

গতিকে তদন্ত চলিল।

পুলিচ কৰ্মচাৰী আৰু সামৰিক বিষয়াসকলৰ মাজত আলোচনা চলিল। হত্যাকাণ্ড সম্বন্ধে আলোচনা মানুহৰ মুখে মুখে চাৰিওফালে বিয়পি পৰিছে। গতিকে দুদিনতে পুলিচ আহি খেৰজান বাগিচা পালেহি। বাগিচাৰ মেনেজাৰে পলৰীয়া ভীম আৰু দুৰ্য্যোধনৰ বাতৰি দিলে। পুলিচে ওজন ঘৰত থকা আৰু বাহিৰৰ ৰ'দত কৰ্কৰীয়া মৰা তেজৰ ডাগ পৰীক্ষা কৰিলে। পলৰীয়াহঁতৰ অঙহী বঙহীৰ জবানবন্দী লোৱা হ'ল। ছোৱালী দুজনীক ডিব্ৰুগড়লৈ চালান দিয়া হ'ল। মাংৰা, মিনি, বিকল, ছোৱালী দুজনীৰ মাক বাপেক বহুতে চকুপানী টুকিলে।

ভীমৰ ঘৰটো পুলিছে খানাতালাচ কৰি কিছুমান কাগজ পত্ৰ লৈ যায়। বাখৰ আৰু শইকীয়াক দুটা এটা প্ৰশ্ন কৰে। পুলিচৰ লগতে সেই আগৰ চি-আই ডি ইন্সপেক্টৰজনো আহিছিল।

পুলিচে বাখৰক সোধে, "ভীমে আপোনাৰ ওচৰত পঢ়া - শুনা কৰিছিল নহয়নে?"

"হয় মই তাক নিতৌ শিকাইছিলো।"

"আৰু দুৰ্য্যোধনে?"

"নাই দুৰ্য্যোধন পঢ়িবলৈ অহা নাছিল।"

"আপুনি বাৰু তাক কি কি শিকাইছিল?" প্ৰশ্নটো শুনি বাখৰৰ হাঁহি উঠিল। সি নিশ্চয় চিপাহী মাৰিবলৈ শিকোৱা নাছিল। উত্তৰ দিলে 'ক-খ অ-আৰ পৰা আৰম্ভ কৰি অঙ্ক, ভূগোল, চিঠি লিখালৈকে। অ' আৰু ব্যাকৰণো।"

চি-আই-ডি কৰ্মচাৰীজনে সোধে, দুই-এদিনৰ আগতে জীৱন বৰুৱা আকৌ আহিছিল নেকি? বাখৰে আসৈ মাতি উত্তৰ দিলে, "নাই অহা।" কৰ্মচাৰীজনে কাৰো ফালে নোচোৱাকৈ হাঁহে। বাখৰে তেওঁৰ ফালে চাব নোৱাৰা হয়।

পুলিচে মেনেজাৰৰ লগত আলোচনা কৰে। মেনেজাৰে অফিচৰ বৰ কেৰাণী শইকীয়াক অকলশৰে মাতি নি কয়, "শইকীয়া, পুলিচে সন্দেহ কৰিছে, বাখৰৰ উচটনিতহে ভীমহঁতে চিপাহীক কাটিলে। কাৰণ বাখৰে বহুত সময়ত ভীমহঁতক যুদ্ধৰ কথাবোৰ বেয়াকৈ বুজাই দিছিল।"

শইকীয়া চঞ্চল হৈ উঠে। অসহায় ভাৱে বৰচাহাবৰ মুখৰ ফালে চাই। বৰচাহাবে শইকীয়াৰ গাত হাত দি কয়, "চিন্তা কৰিবৰ একো কাৰণ নাই শইকীয়া। বাখৰৰ একো দোষ নাই, পুলিছে একো কৰিব নোৱাৰে। যক, আপুনি কাম কৰকগৈ।"

২

কিন্তু শইকীয়াই কোনোমতেই মনক বুজাব নোৱাৰে। আনৰ হাতত দিনটোৰ কাম গটাই দি খৰখেদাকৈ ঘৰৰ পিনে খোজ লয়। তেখেতৰ প্ৰাণটোৱে হাহাকাৰ কৰি উঠে। বাখৰক পুলিচে নিব? তেখেতৰ গোটেই জীৱনৰ একমাত্ৰ সম্বল, সংসাৰ পতাৰ একমাত্ৰ স্মৃতি, বাখৰক পুলিচে হাত কেৰেয়া দিব?

পদূলিকোত লাল পাগুৰি আৰু খাকী পোছাক পিন্ধা মানুহবোৰ দেখি তেখেত সৰগ পৰা মানুহৰ দৰে নঙলামুখত থিয় হৈ থাকে। বাখৰে এখন চকীত তলমূৰকৈ বহি আছে। ওচৰত বহি আছে অ'-চি আৰু চি- আই ডি ইন্সপেক্টৰজন। কনিষ্টবল দুজন থিয় হৈ আছে। গিৰীন আৰু খেৰজানৰে কেইজনমান কৰ্মচাৰীও থিয় হৈ আছে।

পুলিচ কৰ্মচাৰী দুজনে শইকীয়াক নমস্কাৰ জনালে, শইকীয়াই কঁপি কঁপি বাখৰৰ হাতত ধৰি ভিতৰ সোমাই গ'ল। পিছে পিছে গিৰীন আৰু আন কেইজন মানুহো সোমাই যায়। পুলিচ কৰ্মচাৰী কেইজনে তলমূৰকৈ থাকে।

শইকীয়াক চকী এখনত বহুৱাই বাখৰে ক'লে, "দেউতা, আপুনি চিন্তা নকৰিব পুলিচে মোক এৰেষ্ট কৰিছে। মই জানো মোৰ একো দোষ নাই। তথাপি সন্দেহ কৰিছে যেতিয়া সন্দেহ ভাঙিবলৈকে মই জেললৈ ওলাইছোঁ। মই আশা কৰো সোনকালেই ঘূৰি আহিব পাৰিম।"

তেকেতে পুতেকৰ হাত এখনত ধৰি একেথৰে চকুলৈ চাই তাকে, শুকান গাল দুখনেদি তপত লোতক বৈ আহে।

বাখৰে ক'লে, "আপুনি আজীৱন মোৰ ওপৰত বিশ্বাস ৰাখি আহিছে। আপোনৰ মনত বল আছে। এতিয়া দুৰ্বলতাক প্ৰশ্ৰয় নিদিব। ময়ো আপোনক এৰি যাবলৈ দুখ পাইছোঁ। কিন্তু মই আশা কৰিব পাৰিছোঁ, আপোনাক দুদিনমানৰ মূৰতে আকৌ আগৰ দৰে লগ পামহি।" বাখৰে দেউতাকৰ ভৰিৰ ওচৰত পৰি সেৱা কৰে। শইকীয়াই পুতেকৰ মূৰত হাত বুলাই দিয়ে।

বাখৰ ওলাই আহে। শইকীয়াই চকু দুটা ৰুমালেৰে মচি উঠিব খোজে। গিৰীনে ধৰি উঠাই দিয়ে। তেখেতে পৰ্টিকোলৈ গম্ভীৰভাৱে ওলাই আহে।

তেখেতে সোধে, "এটা কথা সুধিব খুজিছিলোঁ। এৰেষ্ট কৰাৰ কাৰণটো জনাত কিবা বাধা আছে নেকি?"

অ'-চিয়ে বিনীত ভাৱে উত্তৰ দিয়ে, "নাই, বাধা একো নাই। আপোনাৰ ল'ৰাৰ ওপৰত আমাৰ অলপ সন্দেহহে হৈছে। আমি তেখেতক দোষী কৰা নাই। এখেতৰ লগত ভীমে পঢ়িছিল। যুদ্ধৰ বিপক্ষে এখেতে ভীমক শিকোৱাৰ প্ৰমাণ পোৱা গৈছে। ভীমে লিখি থোৱা কাগজ এখন পাইছো। তাতে সেইবোৰ লিখা আছে। আৰু ভীমে মিলিটাৰীক দেখিব নোৱাৰা কথাটো আটায়ে জানে।"

চি আই-ডি ইন্সপেক্টৰজনে ক'লে, "আৰু এটা কথা। এখেতে বহুদিন চৰকাৰী মানুহক মিছা কথা কৈ আহিছে। জীৱন বৰুৱা নামেৰে এজন টেৰৰিষ্ট আপোনালোকৰ ঘৰলৈ প্ৰায় আহি থাকে, কিন্তু এখেতে আহিছে বুলি এদিনো নকয়, অথচ আহিছিল বুলি গম পাওঁ পিছত। টেৰৰিষ্টক আশ্ৰয় দিয়া বৰ ডাঙৰ অপৰাধ। জীৱন বৰুৱাক কালি ডিব্ৰুগড়ত এৰেষ্ট কৰা হৈছে।"

বাখৰ হতভম্ব হৈ যায়। জীৱনদাদা ধৰা পৰিল।

ইন্সপেক্টৰে হাঁহি ক'লে, "জীৱন বৰুৱা শেষৰবাৰ ইয়ালৈ আঁহোতে আমি অলপৰ কাৰণে তেখেতক ধৰা পেলাব নোৱাৰিলোঁ। কিন্তু আমাৰ মানুহে পিছে পিছে খেদি

একেবাৰে তেখেতৰ ঘৰলৈকে গৈছিলোঁ তাৰ পৰাও পলাই আহি ডিব্ৰুগড় পাইছিলহি। কিন্তু ধৰা পৰিল।"

শইকীয়াই জীৱন বোপাৰ বিষয়ে চিন্তা কৰিছিল। তেখেতে তেওঁক তেনেহলে চিনিব পৰা নাছিল।

অ'-চিয়ে ক'লে, "শইকীয়া ডাঙৰীয়া, আপোনৰ লগত এনে ব্যৱহাৰ কৰিবলৈ পাই বৰ দুখ পাইছোঁ। আমাৰ কৰ্তব্য নকৰিলেও নহয়। আপোনাৰ ল'ৰাক খুব সোনকালে ঘূৰাই আনিব পাৰিলেই মই সুখী হ'ম।"

শইকীয়াই পুতেকৰ মূৰত হাত দি ক'লে, "যা।"

পুলিচে বাখৰক লৈ জীপত উঠিলগৈ।

৩

গিৰীনে ডুমডুমালৈ নগৈ ভাত বন্ধাত লাগেগৈ।

শইকীয়াই পৰ্টিকোতে বহি বহি বাহিৰৰ ফালে একেথৰে চাই থাকে। আন্ধাৰে পৃথিৱীখনক এফালৰ পৰা ঢাকি আনে। তেখেতৰ অনুভৱ হয় যেন তেখেতৰ বুকুৰ ভিতৰখনো আন্ধাৰ হৈ আহিছে।

গধূলি যোৱা গাড়ী এখনতে বাখৰক ডিব্ৰুগড়লৈ নিয়া হ'ব। মহৰী ডেকা শৰ্ম্মাক শইকীয়াৰ ওচৰত থৈ গিৰীনে কিবা এটা বস্তু অনাৰ ছল কৰি ডুমডুমা পালেগৈ। ষ্টেশ্যনত বাখৰক আগুৰি নৰকান্ত বৰুৱা, গিৰি, ৰেণু সহকৰ্মী শিক্ষককেইজন আৰু কেইজনমান ছাত্ৰ ৰৈ আছে। বৰুৱাই অ'-চিৰ সৈতে তৰ্ক কৰিছে, জামিনত কিয় দিব পৰা নহব? গিৰিয়ে বাখৰৰ হাতত ধৰি কিবা কৈছে। ৰেণুৰ মুখখন কন্দনামুৱা। বাখৰে গিৰীনক ক'লে, "গিৰীন তুমি ভাই দেউতাক অলপ চাবা। মাজে মাজে তালৈ যাবা। পাৰা যদি বান্ধনি এটা যোগাৰ কৰি দিবা।"

গিৰীনে ক'লে, "আপুনি চিন্তা নকৰিব ককাইদেউ। মই এতিয়া তাতে থাকিমগৈ। আপুনি চিঠি-পত্ৰ লিখিব।"

বাখৰে গিৰিৰ কথাবোৰৰ একো উত্তৰ নিদিয়ে।

ক'ববাৰ পৰা নিজাম আহি ওলাইহি। বাখৰে নিজামক সাৱটি ধৰি কয়, "আৰে ভাই। যাওঁ দেই।"

নিজামে ভালেমান উৎসাহ দিয়া কথা কয়।

গাড়ী আহি বাখৰক লৈ যায়গৈ।

গিৰীনে গধুৰ মনেৰে খেৰজানলৈ উভতি আহে। বাকী থকা ৰন্ধা -বঢ়াখিনি শেষ কৰিবলৈ ধৰে। শইকীয়াই হাত-মুখ ধুই ভিতৰত মনে মনে বহি থাকে। গিৰীনে কাম কৰি কৰি ভাৱে, বুঢ়া শইকীয়াৰ কি গতি হ'ব। ধৰ্মপত্নী ঢুকাল, জীয়েকক উলিয়াই দিলে, বোৱাৰীয়েক নাহে, ভীম পলাল, বাখৰক লৈ গ'ল। ক্ষুদ্ৰ সংসাৰখনৰ পৰা ইমানবোৰ মানুহ আঁতৰি গ'লে দুৰ্বল এজনে সহিব কেনেকৈ?

সি মনে মনে প্ৰতিজ্ঞা কৰে, সি অকৃতজ্ঞ নহ'ব। অতীতৰ উপকাৰৰ সি কৃজ্ঞতা জনাব। পেহাদেউক সি এই বিপদৰ সময়ত এৰি নেযায়। ইয়াতে থাকি সি ঠিকাৰ কাম চলাই থাকিব। সি অপকৰ্ম বহুত কৰিলে; অমানুহৰ আচৰণ বহুত কৰিলে; কিন্তু তাৰ মজাত এতিয়াও মানুহৰ অৱশিষ্ট আছেগৈ। সেইকণ সি হেৰুৱাই পেলাব নোখোজে।

৪

পিচদিনা শইকীয়া জ্বৰত পৰে। ৰাতি গিৰীনে বৰ চেষ্টা কৰিও ভাত খুৱাব নোৱাৰিলে। বোধহয় ওৰেৰাতি টোপনিও যোৱা নাছিল। ডাক্তৰ আহি দৰৱ পাতিৰ ব্যৱস্থা দি যায়। মেনেজাৰ চাহেব আহি সান্ত্বনা দি যায়। গিৰীনে শুশ্ৰূষা কৰাত লাগি যায়। বৰচাহাবে চাকৰ এটা ঠিক কৰি দিয়ে।

নৰকান্ত বৰুৱা, গিৰি,ৰেণু, বদৰুদ্দিন আৰু নিজাম আহে। গিৰিয়ে গিৰীনৰ ওচৰত ঔষধ আৰু পথ্যৰ খবৰ লয়। তাই ৰেণুক লৈ দিনটোত দুবাৰ আহি যায়।

অৱশ্যে সোনকালেই শইকীয়া ভাল হৈ উঠে। আকৌ নিয়ম মতে কামলৈ যায়। গিৰীনেও দুবেলা ভাত ৰান্ধি ঠিকাৰ কাম কৰি থাকে আৰু ৰান্ধনি এটা বিচাৰে।

শইকীয়াই গিৰীন আৰু গিৰিক বাখৰ সম্বন্ধে বোৱাৰীয়েক আৰু জীয়েকলৈ লিখিবলৈ হাক দিয়ে। বাখৰ সোনকালেই ঘূৰি আহিব পাৰে। মিছামিছি মনত কষ্ট দিয়া উচিত নহয়।

খেৰজানৰ বনুৱাবোৰে খবৰ আনে, সিহঁতক ফিল্ডত আমেৰিকান চিপাহীবোৰে আজিকালি দেখিব নোৱাৰা হৈছে। বিশেষকৈ খেৰজানৰ বোৰক। খেৰজানৰ মানুহ হ'লে কথাই কথাই খেংখেঙাই উঠে।

সাৰি যোৱা চিপাহীটোক বোলে তলখাপলৈ নমাই দিছে। কৰ্পেৰেলৰ পৰা

প্ৰাইভেটলৈ; আৰু দুমাহলৈ ফাটেক দিছে।

এটা চিপাহী বোলে ঘোচা ডাঙি কৈছিল, "মাৰেগা।"

গিৰীনে ভাৱে, মিলিটাৰীয়ে প্ৰতিশোধ ল'বনেকি?

শইকীয়াই গধূলি সদায় কীৰ্তন পঢ়িবলৈ লৈছে; ৰাতি প্ৰায়েই নেখায়। গিৰীনে জোৰ কৰিল হাঁহি কয়, "আমাৰ যাবৰে হ'লচোন আৰু বোপাই। খা তহঁত ডেকাবোৰে খাঁ। আমাৰ নো আৰু কেইদিন?"

গিৰীন চিন্তিত হৈ পৰে। বাখৰৰ পৰাও একো চিঠি-পত্ৰ নাহে।

শইকীয়াই কয়, "গিৰীন্দ্ৰ, ডেকা কালত ধন উপাৰ্জন কৰিছ, অন্যায় কৰিছ, কৰ। বাধা দিবৰ অধিকাৰ মোৰ নাই, মই বুঢ়া বয়সত পাপৰ বোকাত নামিলোঁ। তোক জ্ঞান দিবৰ শক্তি মোৰ নাই, তথাপি মোৰ মনটোৱে কয় পাৰ্থিৱ মোহবোৰ বৰ বেয়া। এইবোৰ জালত সোমালে অশান্তিৰ বাহিৰে একো নেপায়। জীৱনটো মোৰ মোহৰ মাজতে গ'ল। আজি বৰ দেৰিকৈ এই কথা জানিব পাৰিলোঁ। উদ্ধাৰ হ'ব পাৰোনে নোৱাৰোঁ. কিন্তু অজামিলে হলে হৰিনাম লৈয়েই উদ্ধাৰ পালে, অজামিল মহাপাপী আছিল। মোকো যদি ঈশ্বৰে দয়া কৰি কাষলৈ মাতি নিলেহেঁতেন।"

তেখেতে কীৰ্তন পঢ়ি যায়।

গিৰীনৰ মনটো মৰি যায়।

অৱশেষত সঁচাকৈয়ে শইকীয়া উদ্ধাৰ হয়। সিও এটা শোকলগা কাহিনী।

৫

এসপ্তাহলৈকে বাখৰৰ পৰা চিঠি-পত্ৰ নহা কাৰণে এদিন শইকীয়াই ক'লে, "গিৰীন্দ্ৰ, তই এবাৰ ডিব্ৰুগড়ৰ পৰা আহিব পাৰিবিনে? বাখৰৰ পৰাচোন একো খবৰেই নাহে।"

গতিকে গিৰীন এদিন ৰাতিপুৱাই ডিব্ৰুগড়লৈ ওলাই গ'ল; পাৰিলে গধূলিতে ঘূৰি আহিব। ভাত ৰন্ধাৰ ভাৰ ডেকা মহৰী শৰ্মাক দি গ'ল। কিন্তু পিছদিনা সি কোনোমতে ঘূৰিব নোৱাৰিলে। বাখৰৰ একো খবৰ নেপালে, জেইলত খাপ দি দিও কোনোমতে একো বাতৰি নেপালে।

তিনি বজাত ৰাতি অহা গাড়ীত সি উলতি আহিছিল। ওৰে ৰাতি শোৱা ন'হল, কামতো একো ন'হলেই। তাৰ বৰ বিতৃষ্ণা লাগিছিল। ইমান কষ্ট কৰিও খবৰটো

লব নোৱাৰিলে। কি যে জেইলৰ মানুহবোৰ। এনেয়ে নিৰ্দোষী মানুহটোক ধৰি নিছে, অথচ খবৰটোও নিদিয়ে। পেহাদেউক সি কি কবগৈ?

কুঁৱলী ফালি ৰ'দ ওলাই আহোতেই সি খেৰজান পায়হি। কিন্তু বাখৰহঁতৰ ঘৰটো জ্বলি ছাঁই গৈ গৈছে, চালৰ টিনপাতবোৰ পুৰি বেঁকা হৈ গৈছে, খিৰিকি দুৱাৰবোৰ নিঃশেষ হৈ গৈছে। ভীমৰ ঘৰত অকল ছাই আৰু তাৰ ওলোৱা ধোঁৱা, পকী বেৰবোৰ ক'লা হৈ থিয় দি আছে। ওচত কোনো নাই।

সি বলিয়াৰ দৰে "পেহাদেউ" বুলি চিঞৰি ছাল নোহোৱা ঘৰটোলৈ লৰ দি সোমাই গ'ল। বাকীবোৰ লুটি খাই পৰি আছে, বোধহয় ভিতৰত ছাই। চকী মেজৰ কোনো অস্তিত্বই নাই। বাখৰৰ কিতাপবোৰৰ দুই এখিলা পাতহে ইফালে সিফালে পৰি আছে- বোধহয় জুই নুমাবলৈ পানী দিওতে কেনেবাকৈ ৰৈ গ'ল। আধাপোৰা কাপোৰবোৰ পৰি আছে।

সি পৰ্টিকোত থকা ঠাইৰ খটখটিত বহি কান্দিবলৈ ধৰিলে। কেনেকৈ কি হৈ গ'ল সেই বাতৰি লব পৰা শক্তি তাৰ অন্তৰত নেথাকিল।

শৰ্মাই সেইফালেদি যাওঁতে তাক সেই অৱস্থাত দেখি "হাজৰিকা" বুলি ওচৰ চাপি আহিল।

গিৰীন জপিয়াই উঠিল। শৰ্মাৰ গাত দৰি সুধিলে, "শৰ্মা সকলো শেষ হৈ গ'ল?"

শৰ্মাই তলমূৰকৈ ক'লে, "কি ক'ম হাজৰিকা? আহক হাস্পাতাললৈ যাওঁ। তেখেতে তাতে আছে। বাটত সকলো কৈ যাওঁ।"

দুয়ো খোজ ল'লে। শৰ্মাই কৈ গ'লঃ

শৰ্মাই ভাত-পানী ৰান্ধি শইকীয়াক খুৱাই ৰাতি ন মান বজাত নিজৰ থকা ঘৰলৈ গৈছিল। ৰাতি তাতে শুব খুজিছিল, কাৰণ চাকৰটো গধূলিতে সদায় লাইনলৈ যায়গৈ; কিন্তু শইকীয়াই নেলাগে বুলি কৈ জোৰকৈ পঠিয়াই দিলে। শৰ্মা যেতিয়া ওলাই গৈছিল তেতিয়া শইকীয়াই দুটা ট্ৰাঙ্কৰ ওপৰত মাটিৰ চাকি জ্বলাই কীৰ্তন পঢ়িছিল।

এঘন্টা পিছত মানুহৰ হৈ-চৈ শুনি শৰ্মা যেতিয়া ঘক্‌ঘক্‌কৈ ওলাই যায় তেতিয়া শইকীয়াৰ ঘৰত দমদমকৈ জুই জ্বলি আকাশৰ বহুত ওপৰলৈ উঠিছে। বহুত মানুহ গোট খাই ইফাল-সিফাল কৰি জুই নুমাবলৈ চেষ্টা কৰিছে। গোটেই ঘৰটোতে পেট্ৰল

ছুটিয়াই দিয়া হৈছিল, সেইবাবে ইমান কম সময়ৰ ভিতৰতে প্ৰকাণ্ড পকী ঘৰটো জ্বলি উঠিছিল। মেনেজাৰ চাহাব আহি বলিয়াৰ দৰে ঘৰৰ ভিতৰলৈ সোমাই যাব খুজিছিল, কাৰণ শইকীয়া ভিতৰত কি বিপদত পৰিছে কোনে জানে।

ষ্টীৰাপ পাম্প আৰু বালটিৰে পানী অবিৰাম ঢালি থকা হৈছিল, কিন্তু এই জুই নুমাব পৰা বিধৰ নহয়। মানুহবোৰে "ৰাম ৰাম' কৰিবলৈ ধৰিলে।

পৰ্টিকোৰ দুৱাখন মেলি শইকীয়া ওলাই আহিছিল, হঠাৎ জ্বলি থকা কাঠ এডাল খহি তেখেতৰ মূৰতে পৰিল। তেখেতে পৰি গ'ল, মানুহবোৰে চিএঞৰিবলৈ ধৰিলে। বৰচাহাবে একেজাপেই জুইৰ মাজেদি শইকীয়াৰ ওচৰ পালেগৈ। আন কেবাজনো মানুহো তেতিয়াই ওচৰ পালেগৈ। অজ্ঞান শইকীয়াক ধৰাধৰিকৈ উলিয়াই অনা হ'ল।

মূৰত আৰু বুকুত বৰ বেয়াকৈ আঘাত লাগিছিল। দুডাল কামিহাড় ভাগিছিল। তেতিয়াই বৰচাহেবৰ মটৰত হাস্পাতাললৈ পঠিয়াই দিয়া হ'ল। পুৱতি নিশা ঘূৰি অহালৈকে শইকীয়াই জ্ঞান পোৱা নাছিল।

চকুত ৰুমাল দি শইকীয়াই ক'লে, "ডাক্তৰে ক'লে, তেখেতৰ আশা নাই, জ্ঞান নেপাবও পাৰে, পালেও কেইমিনিট মানতকৈ সৰহ পৰ জীয়াই নেথাকে।"

মাজ বাটতে গিৰীনে হুকহুকাই কান্দি পেলালে।

"জুইৰ পোহৰত কলঘৰৰ চকীদাৰ এটাই তিনিটা মাৰ্কিন চিপাহীক জীপত উঠি পলাই যোৱা দেখিছিল," শৰ্মাই ক'লে।

হাস্পাতালৰ বাৰাণ্ডাত খেৰজানৰ কেবাজনো কৰ্মচাৰীক গিৰীনে লগ পালে। বৰচাহাবো আছিল। তেওঁ ক'লে, "হাজৰিকা, মই থানালৈ ফোন কৰিছোঁ বাখৰ ক'ত আছে যেন তেনে খবৰটো আনিবলৈ কৈছোঁ। আপুনি বাখৰৰ স্ত্ৰীলৈ টেলিগ্ৰাম কৰি দিয়ক-এইবোৰ একো কব নালাগে, মাত্ৰ সোনকালে আহিবলৈ কওঁক।"

ন-বজাত শইকীয়াই শেষ নিশ্বাস পেলালে।

মৃত্যুৰ সময়ত তেখেতে মাত্ৰ "বাখৰ", "আই" আৰু "গেৰেলা" এই কেইটা শব্দ উচ্চাৰণ কৰিলে। গিৰীনৰ চকুয়েদি লোতক বৈ গ'ল। গিৰীনে কান্দিলে। বৰচাহাবে ৰুমালেৰে চকু মচিলে। মাংৰা আৰু বিকলে ক্ষীণ শব্দ কৰি বাহিৰত কান্দিলে।

শ দাহ কৰি যেন জীৱনৰ সকলো সম্বল হেৰুৱাই গিৰীন গধূলি ডুমডুমালৈ

গ'লগৈ। থানাত বাখৰৰ খবৰ সুধিলে, কিন্তু অ'-চিয়ে একো খবৰ দিব নোৱাৰিলে। সি বদৰুদ্দিনৰ ওচৰলৈ গৈ ক'লৈ, "তুমি সকলো হিচাপ ঠিক কৰা। মই আৰু ঠিকা নকৰোঁ। পেহাদেউৰ কাম শেষ কৰিব পাৰিলে মই ঘৰলৈ যামগৈ।"

*************

## বাইশ

১

গুৱাহাটী জেইলৰ ভিতৰ ফালে এদিন ৰাতিপুৱা বাখৰে ৰ'দ কাচলিত বহি চেখৱৰ গল্প পঢ়ি আছিল। আজি এসপ্তাহ হ'ল তাক ইয়ালৈ আনিছে। ঘৰৰ পৰা একো চিঠি-পত্ৰ সি পোৱা নাই। সি চিঠি পঠাই আছে। কিন্তু বোধহয় ইখন জেইলৰ পৰা সিখন জেইললৈ স্থানান্তৰ কৰি থকা কাৰণে এখনৰো উত্তৰ পোৱা নাই।

অলপ আঁতৰৰ পৰা এজন বন্দীয়ে ভালেমান পৰৰ পৰা তালৈ একেথৰে চাই আছিল। মানুহজন ওখ, গাটো ক্ষীণ চুলিবোৰ জপৰা, মুখখন নুখুৰোৱা ডাড়ি গোঁফে ভোবোকাৰ। সি আচৰিত হৈছিল, মানুহজনে কিয় ইমানকৈ চাইছিল। প্ৰথমতে সি সিমান মন কৰা নাছিল, কিন্তু শেষত অলপ কৌতুহল হোৱাত ভালদৰে নিৰীক্ষণ কৰিলে।

মানুহজনৰ চকু দুটা?

"দীৱনদাদা!" সি চিঞৰি উঠিল।

বন্দীজনে লৰ মাৰি আহি বহাৰ পৰা জপিয়াই উঠা বাখৰক সাৱটি ধৰিলেহি। তেওঁ ক'লে, "জীৱনদাদা, শইকীয়া, জীৱনদাদা। আপুনি জেইলত মোক অবাক কৰিবহি বুলি সপোনতো ভৱা নাছিলোঁ। আপুনি জেইলত নহয়, মোৰ দৰে বিপ্লৱীও নহয় আৰু আপোনাৰ ভোবোকাৰ মুখখনে মোক বৰ অসুবিধা কৰিলে। চিনো চিনো কৰিছো, ধৰিবও নোৱাৰোঁ।

দুয়ো দুটা শিলত ওচৰা ওচৰিকৈ বহিল।

বাখৰে জেইললৈ অহাৰ কথা বিবৰি ক'লে। জীৱনদাদাই হাঃ হাঃ কৈ পাৰেমানে হাঁহিলে। বাখৰ অবাক হৈ গৈছিল, জীৱনদাদাই কিয় হাঁহিছে? কিন্তু পিছ মুহুৰ্ত্ততে তেওঁ উচুপি উচুপি কান্দিবলৈ ধৰিলে। দ্বিতীয়বাৰ বাখৰ আচৰিত হৈ তেওঁৰ গাত হাত দি মাতিল, "বৰুৱা।"

জীৱনদাদাই লাহে লাহে ক'লে, "শইকীয়া, মই বহুত আগতেই অনুভৱ কৰিব পাৰিছিলোঁ এই কান্দোন মই এদিন কান্দিবই লাগিব। মোৰ কাৰণেই আপুনি আজি জেলত। মই খেৰজানত আশ্ৰয় নোলোৱা হ'লে পুলিচে কেতিয়াও আপোনাক লটি

ঘটি নকৰিলেহেঁতেন।খেৰজানলৈ যাওঁতেই মই জানিছিলোঁ, পুলিচে মোৰ পিছে পিছে ঘূৰিছে; মই জানিছিলোঁ আপুনি বিপদত পৰিব। কিন্তু ধৰা নপৰো বুলিয়েই জানি-শুনি অন্যায় কৰি ফুৰিছিলোঁ। ধ্বংসই যাৰ ধৰ্ম, তাৰ ন্যায় অন্যায় বিচাৰ কম থাকে- উদ্দেশ্যৰ কথা বাদ দি সৰু-সুৰা আৰু সেয়ে ডাঙৰো-তেনে কথাত আমি চকু মুদি থাকো।"

বাখৰে ক'লে, "আপুনি ভুল কৰিছে বৰুৱা। মোৰ বিশ্বাস আছে মই অন্যায় একো কৰা নাই। পুলিচে বিচাৰ কৰিলে মোৰ মুক্তিৰ বাহিৰে একো হ'ব নোৱাৰে। আৰু যদি বিপ্লৱীক আশ্ৰয় দিয়াৰ বাবে মোৰ জেল খাটিব লাগে তেন্তে মই আনন্দহে পাম। মই আপোনাৰ দলৰ অনুগামী নহওঁ কিন্তু আপুনি জানিব খোজা অশান্তিত মই বিশ্বাস কৰোঁ। তেতিয়া হ'লে মোৰ বিশ্বাসৰ কাৰণেই, মোৰ সত্যৰ কাৰণেই মই জেল খাটিম। আপোনাৰ অপৰাধত মহয়।"

জীৱনদাদাই চকুলো মচি বাখৰৰ ফালে চালে। পিচত আনফালে চাই ক'লে, "আপুনি মহান লোক শইকীয়া। সেইবাবেই এইদৰে কৈছে। আমি কুকুৰ-ধূলি মানুহ, নিজৰ দোষ অনুভৱ কৰিছো, সেই কথা লুকাব নেপায় বুলি জানো।"

"বৰুৱা, মোক ডাঙৰ বুলি কৈ সৰু কৰি নিদিব। মই পঙ্গু, মই অথৰ্ব দেশ আৰু সমাজৰ কাৰণেই মই একো কৰিব নোৱাৰিলোঁ, দুৰ্বল মানুহৰ দৰে সুখ- দুখ অনুভৱ কৰিয়েই কটালোঁ। মই মানুহ, কিন্তু সম্পূৰ্ণ মানুহ নহওঁ।"

জীৱনদাদাক অনুপমাৰ কথা উলিয়াব খুজিছিল, কিন্তু বাখৰে তাৰ আগতে ঘৰৰ পৰা একো খা-খবৰ নোপোৱাৰ কথা ক'লে। জীৱনদাদাই অনুপমাৰ কথা এৰি ক'লে, "হয় নেকি? বাৰু মই চেষ্টা কৰি চাম কি কৰিব পাৰোঁ স্মাগল কৰিব লাগিব শইকীয়া, আকৌ অন্যায় কৰিব লাগিব। চোৰাংকৈ খবৰ আনিব লাগিব। আপোনক বিনা অপৰাধে বান্ধি থৈছে, গতিকে ময়ো চোৰাং খবৰ আনিম। আমাৰ সেইটোৱেই নীতি। টম পল জনে ৰাইফল চলালে আমি কমচে কম খজা বন্দুক দাঙি লম।"

তাৰ পিচৰ পৰা জীৱনদাদই খবৰ অনাৰ চিন্তা কৰি গোটেই জেইলতে ঘূৰি ফুৰে। অনবৰত চিন্তা কৰে। দুদিনলৈ বাখৰৰ লগত কথা নেপাতে। বাখৰে আচৰিত হৈ তেওঁৰ ফালে চাই থাকে। এটা চিন্তাত মানুহজনে কেনেদৰে দিন ৰাতি কটাইছে তেওঁ বুজিব নোৱাৰে।

তৃতীয় দিন তেওঁ ক'লে, "বাওঁদাঁতিৰ পায়খানাটোৰ সোঁ-চুকত কাঠৰ আঁৰত

গধূলি বিচাৰি চাব। মোক কিজানি ইয়াৰ পৰা লৈ যাব। মেতৰ জামাদাৰ এটাক ভাৰ দিছো। সি মান্তি হৈছে। ময়ো খবৰ লৈ যাব পাৰিলে ভাল পালোঁহেঁতেন। কিন্তু ছিৰিয়াছ চিন্ত কৰিলেই ইহঁতে মোক অইন ঠাইলৈ লৈ যায়। মৰিয়াই মৰিয়াই ধুনীয়া দেহ নাইকীয়া কৰিলে।”

বাখৰে গধূলি কাগজ এখন লৈ নিৰ্দ্দিষ্ট ঠাইত পালে। তাৰ বুকু কঁপিছিল। সৰুকৈ ভাজ কৰি মুখত ভৰাই সি কাগজখন লৈ আহিল। শুবৰ সময়ত এসোপা ধূলিৰ তলত পুতি থলে। ৰাতিপুৱা এজন আটক বন্দীৰ পৰা খুঁটি এখন আলোচনী আনি তাৰ মাজতে চিঠিখন লৈ ৰ'দ কাচলিত বহিলগৈ। তাত লিখা আছিল।

বাখৰ শইকীয়াক নিয়াৰ পিছত দেউতাক বৰ ম্ৰিয়মান হৈ পৰে। চুকেৰিটিঙৰ চিপাহীবোৰে প্ৰতিশোধ লবলৈ চেষ্টা কৰিছিল। ভীমৰ থকা ঠাইত সিহঁতে বিচাৰি পালে। তিনিটা আমেৰিকান চিপাহীয়ে এদিন মাজনিশা ঘৰটোত পেট্ৰ'ল ছটিয়াই জুই লগাই দিলে। জুই নুমাব পৰা নগ'ল। বাহিৰলৈ ওলাবলৈ লওঁতেই দেউতাকৰ গাত কাঠ এডোখৰ খহি পৰি বেয়াকৈ জখম কৰে। পিছদিনা হস্পিতালত তেখেতৰ মৃত্যু হয়। গিৰীনে তেখেতৰ লগ এৰা নাছিল, কিন্তু তেওঁৰ অনুপস্থিতিত এই ঘটনা হয়।

আৰু একো নাই।

বাখৰে কান্দে। চকুৰে সি এন্ধাৰ দেখে। দেউতাক নাই। সকলো মায়া-মমতা এৰি গ'লগৈ। শেষ সময়ত ওচৰত নেপালে। ডাঙৰ ঘৰটোত অকলে পুৰি মৰিল। সাংসাৰিক মোহবোৰ যে একেবাৰে অলাগতিয়াল তাকে আকৌ এবাৰ তেখেতে প্ৰমাণ কৰি গ'ল। স্ত্ৰী কাহানিবাই গ'ল। গঢ়ি তোলা নতুন ঘৰ পৰি থাকিল। জীয়েকে গমেই নেপালে। পুতেকে খবৰ নেপায়। বোৱাৰীয়েকে খবৰ লবলৈ নাহে।

কপালত হাত দি তলমূৰকৈ কাগজখনলৈ চাই থকা বাখৰৰ ওচৰ চাপি আহে জীৱনদাদা; তেওঁ ওচৰতে বহি আলোচনীখন লৈ কাগজখন পঢ়ে। জ্বলাই অনা চিগাৰেটটোৰে কাগজখন গাৰ আঁৰত পুৰি পুৰি কয়, “মোৰ সেইদিনাৰ চকুলোবোৰ হঠাতে শুকাই গ'ল শইকীয়া। সেইদিনা কান্দিব জানিছিলোঁ, বৰ ভাল লাগিছিল। তেখেতৰ বাবে কেনেকৈ কান্দিব লাগিব মই আজি নজনা হৈ পৰিছোঁ। ভুল ধৰণেৰে কান্দি পেলাব পাৰো, সেই কাৰণে নকন্দাকৈ আছোঁ। প্ৰাৰ্থনা বোলা বস্তুটো আজিকালি অলপ শিকিছোঁ। মই তেখেতৰ বাবে প্ৰাৰ্থনা কৰিম। তেখেতৰ আত্মাই শান্তি লভক।”

বাখৰে পিছদিনা জেইলৰ পৰা মুক্তি পায়। গধুৰ মনেৰে সি জেইলৰ মুখৰ পিনে আগবাঢ়ে। কালি খুৰাবলগীয়া ডাঢ়িবোৰ আজি বেছিকৈ বাঢ়িছে। জীৱনদাদাই হাতত ধৰি ক'লে, "শইকীয়া, আপোনাৰ আগত আজি মিছা কথা নকওঁ। মোৰ আজি হিংসা হৈছে। আপোনাৰ দেউতাকে যি মৰম পাইছে, সেই মৰম পাবলৈ মই ব্যাকুল হৈ উঠিছো। ঘৰত জীৱনক কোনেও দেখিব নোৱাৰে; মই অলাগতিয়াল। মই মৰিলে অনুগ্ৰহ কৰি এটোপা চকুপানী পেলাব। যক।"

বাখৰে কৰুণ চাৱনিৰে জীৱনদাদালৈ এবাৰ চাই ওলাই যায়।

*************

## তেইশ

১

অনুপমাৰ কাৰণে মাক-বাপেকৰ ঘৰ জেৰেঙাৰ পথাৰ হৈ পৰিছে। ঘৰত কোনেও ভাল মাত নিদিয়ে। দেউতাকে যেন ভদ্ৰতাৰ খাতিৰতে নোকোৱাকৈ আছে, "তই মোৰ ঘৰৰ পৰা ওলাই যা।" নিতৌ কাজিয়া কৰা বাবে মাকেও তাইক গালি পাৰিবলৈ ধৰিলে। তাই একোবাৰ ভাবে, খেৰজানলৈকে যাবগৈ। গিৰীনৰ টেলিগ্ৰাম পাওঁতেই যাবগৈ লাগিছিল। কিন্তু ইমান দিনে একো খবৰ-চবৰ তাই লোৱা নাই, কেনেকৈ যাব?

কিন্তু দেউতাকৰ কুৎসিত অত্যাচাৰ আৰু কিমানদিন সহিব? এদিন আবেলি আকৌ দেউতাকে ক'লে, "চা কুকি বুঢ়া মানুহৰ কথা শুন। বাখৰৰ খবৰ আজি এই কেই মাহে একো নাই। তাক বাদ দে। তই সমাজ নেমান, নহ'লে খেৰজানক এৰি নাহিলিহেঁতেন। ময়ো সমাজ নেমানো। তোৰ দ্বিতীয়বাৰ বিবাহ দিবলৈ মই ব্ৰহ্মালৈকো ভয় নকৰো।"

তাই খঙেৰে ক'লে, "মই সমাজ মানো। মই আপোনাক নেমানো। আপুনি মোক জোৰ কৰি বিয়া দিব নোৱাৰে।"

তাই উচাট মাৰি আঁতৰি আহে।

অলপ পিছতে দেউতাকে তাইক মাতে, "কুকি আহচোন, ডুমডুমাৰ পৰা কোনোবাই ফোন কৰিছে। কোনোবা গিৰীন। মোৰ আগত দেখোন একো নকয়। তোকহে বিচাৰে।"

ডুমডুমাৰ পৰা ফোন অহা শুনি তাই দেউতাকৰ ওচৰলৈ ঘূৰি আহি ৰিচিভাৰটো তুলি লয়।

গিৰীনে ফোন কৰিছে, "নবউ! মই গিৰীন। মোৰ টেলিগ্ৰাম পাইছে নে নাই?"

"পাইছোঁ।"

"তেওঁ অহা নাই? আপুনি যে কি নবউ? ইমানবোৰ ঘটনা ঘটি গ'ল, আপুনি কি বুজিব? বাখৰ ককাইদেউ নাই, পেহাদেউ নাই।"

গিৰীনৰ ডিঙিত কথাবোৰ খোকোজা লাগি ধৰে। অনুপমাৰ বুকুখন চিৰিংকৈ উঠে। সোধে, "কি হ'ল গিৰীন, কোৱা?"

"কোনখন মুখেৰে কথা কওঁ নবৌ ?"

কিন্তু গিৰীনে দুই মিনিটমানতে সকলো কথা বিবৰি ক'লে আৰু এতিয়াই আহিবলৈ কাকুতি কৰিলে।

তাইৰ হাতৰ পৰা ৰিচিভাৰটো পৰি গ'ল। বাখৰ জেইলত। দেউতা ঘৰ পুৰি ঢুকাল। তাই চকু দুটা ডাঙৰকৈ মেলি চাই থাকে। তাই কেৱল নিজৰ মনক সোধে, মই মানুহ নে পিশাচী?

অবাক হৈ যোৱা দেউতাকে সোধে, "কি হ'ল কুকি?"

তাই চকুত আঁচল এটা দি কান্দি কান্দি বাউলী হৈ লৰ মাৰি দেউতাকৰ ওচৰৰ পৰা গুচি আহে। নিনিক বিচাৰি আনি নিজৰ কোঠাৰ দুৱাৰ মাৰি জীয়েকক সাৱটি খুব কান্দে। নিনিয়ে কান্দে। দুৱাৰত খুন্দিয়াই খুন্দিয়াই মাক-দেউতাকে তাইক মাতে, কিন্তু তাই সেইফালে মন কান নকৰি নিনিক ভাল কাপোৰ-কানি পিন্ধাই দিয়ে; জোতা মোজা পিন্দাই দিয়ে; মুখখন পাউদাৰ দি মুখটো ভালকৈ ফনিয়াই দিয়ে। ছুটকেছটো খুলি কাপোৰ-কানি ভৰাবলৈ ধৰে।

দুৱাৰত বেছিকৈ খুন্দ পৰাত তাই দুৱাৰখন খুলি দিয়ে। কিন্তু আকৌ কাপোৰ কানি ভৰোৱাত একান্ত মনে লাগেহি। শান্ত হৈ নিনি বিছনাত বহি আছে; কৰবালৈ যাব লাগিব, তাই বুজিছে।

"কুকি,।" দেউতাকে সুধিলে' "তই যাব কলৈ? ফোনত কি খবৰ পালি? কচোন কি হ'ল।"

মাকে সুধিলে, "কি হ'ল কচোন।"

তাই সংযত ভাবে উত্তৰ দিলে, "মই খেৰজানলৈ যাওঁ। তাৰ ঘৰটো মিলিটাৰীয়ে জ্বলাই দিলে। দেউতা পুৰি মৰিল। আৰু তেখেতক আগতে জেইললৈ নিলে। জীৱনদাদাক আশ্ৰয় দিয়া অপৰাধত তেখেতক এৰেষ্ট কৰিছে। মোক মটৰ আৰু ড্ৰাইভাৰ লাগে।"

মাক-দেউতাক অবাক হৈ পৰে। মাকে নাতিনীয়েকক কোলাত তুলি লয়হি। দেউতাকে কয়, "ৰাম ৰাম ৰাম। এই খবৰটো মই নেপাওঁ। বাৰু ৰ। মই চব ঠিক কৰিম। মাৰে মযে যাম তোৰ লগত। তই শান্ত হ অলপ।"

তাই ক'লে, "মই যথেষ্ট শান্ত হৈছোঁ। মোৰ লগত কোনো যাব নেলাগে।

মোৰ স্বামীৰ প্ৰতি যাৰ শ্ৰদ্ধা নাই, তাক মই ভক্তি কৰিব নোৱাৰোঁ, কাৰণ তেতিয়া হ'লে মোৰ প্ৰতি মৰম থকাও নুবুযায়।"

মাক-দেউতাক হতভম্ব হৈ ৰৈ যায়।

অনুপমাই নিনিক লৈ মটৰত উঠেগৈ।

চলি থকা মটৰত বহি তাই বাখৰৰ মূৰ্ত্তি ধ্যান কৰে। কোলাত নিৰৱে বহি থকা নিনিৰ কথাও তাই পাহৰি যায়। মই কৈছিলো আপোনাৰ প্ৰতি মই অন্যায় নকৰোঁ। মই জানো মই বহুত অন্যায় কৰিলোঁ — সি অন্যায়ৰ কোনো ক্ষমা থাকিব নোৱাৰে। মোৰ অন্যায়ৰ বাবেই দেউতাক হেৰুৱালোঁ, নিজে অপমান পালোঁ; আপোনাকো হেৰুৱাম নে? আপোনাৰ সহধৰ্মিনী হৈয়ো আপোনাক চিনিব নোৱাৰিলোঁ। আপোনাক, দেৱতা মোৰ?'দেৱতা মোৰ,' বোলাৰ অধিকাৰ মোৰ আছেনে?

আকাশৰ নিলগলৈ চাই তাই বাখৰৰ কথা ভাবে। চমকা চমকে ডাৱৰবোৰ কোবাল বতাহৰ প্ৰতাপত পূব ফাললৈ উৰি গৈছে। তাৰ মাজে মাজে আকাশী নীলাবোৰে ভুমুকি মাৰিছে। হয়তো ডাৱৰবোৰ একেবাৰে আঁতৰি যাবনে? তাইৰ চকুযুৰি সেমেকি আছে।

মাকৰ সেমেকা চকু আৰু কৰুণ মুখখনলৈ চাই থাকি নিনিৰো মুখখন কন্দনামুৱা হৈ আছে। অনুপমাই তাইক বুকুৰ মাজত হেঁচি ধৰে।

*************

## চৌবিশ

### ১

বাখৰে ডুমডুমাৰ ষ্টেচনত নিজাম আৰু গিৰীনক লগ পালে। তাৰ চেহেৰা দেখি নিজামৰ স্বাভাৱিক হাঁহিটো বন্ধ হৈ গ'ল আৰু গিৰীনৰ প্ৰাণটো কান্দি উঠিল। কিন্তু তাৰ সংযত মাত-কথাবোৰে সিহঁতক আশ্বস্ত কৰিলে। তেতিয়া আবেলি দুইমান বাজিছে। গিৰীন আৰু নিজামে ৰবকৈ ধৰাতো বাখৰে ডুমডুমাত কিবা অলপ খাই লবলৈ মান্তি নহ'ল।

বাটে বাটে বাখৰে দেউতাকৰ খবৰবোৰ ল'লে। সি ইটো সিটো সুধি গোটেইখিনি খবৰচি মাৰি জানি ল'লে। তাৰ ধৈৰ্যত ইদুটা মানুহেও মনত খুব বল পালে।

পোৰা ঘৰটোৰ সমুখত তিনিও থিয় হ'লগৈ। ছাই লাগি ক'লা হোৱা উকা বেৰবোৰ আছে। ওপৰত চাল নাই। ওচৰত মানুহ নাই, মাত্ৰ কিবা বিচাৰি ফুৰা মেকুৰী এজনী ওলাই মানুহ দেখি লৰ মাৰি এফালে পলাই গ'ল। ভীমৰ ঘৰটোৰ ঠাইত বাহ খেৰ জ্বলা ছাইবোৰ পৰি আছে। খালৰ পিনৰ জেওৰাখন ঠিকেই আছে। মাইল মাইল জোৰা খালৰ নিলগখিনিও আগৰ দৰেই আছে। কোৰ মাৰি থোৱা বাৰীখন একেবাৰে মুকলি। খালৰ নিলগ আৰু মুকলি বাৰীখনে বাখৰৰ মনটো উকণ্ঠা কৰি পেলালে। সি কেই ঘন্টামান অকলে থাকিবলৈ বৰ ইচ্ছা কৰিলে।

সেই কাৰণে, গিৰীনে অনুপমালৈ ফোন কৰাৰ কথা কোৱাত সি একৰকম জোৰ কৰিলেই নিজাম আৰু গিৰীনক ডুমডুমালৈ পঠাই দিলে, অনুপমা আহিব পাৰে বুলি। সিহঁতে শৰ্মাৰ তাত সোমাই বাখৰৰ বাবে সকলো সুবিধাকৈ থবলৈ কৈ অনিচ্ছা সত্বেও ডুমডুমালৈ গ'লগৈ।

সি ঘৰটোৰ ফালে এবাৰ চালে তাত একো নাই। বাৰীখনলৈ চালে। তাতো একো নাই। আৰু খালৰ নিলগতো সি একো নেদেখিলে। তথাপি এই 'একো নাই'তে সি থাকিব লাগিব সি আগবাঢ়ি গ'ল। বাৰীৰ কোৰ মৰা চপৰা লাটিবোৰৰ ওপৰেদি

জেওৰাখনৰ দাঁতিত এজোপা অমিতাৰ তলত বহিলগৈ। মাৰ যাব খোজা বেলিটোত ৰ'দবোৰ তাৰ পিঠিত পৰিল।

দূৰত তলেদি বৈ যোৱা নৈ খন আগৰ দৰেই আছে। নিলগৰ গৰাত অকলশৰীয়া গছ কেইজোপাও আছে তাৰ ছাঁবোৰো আছে। নৈৰ পাৰৰ বগা কহুঁৱাবোৰ ফুলিছে। তথাপি ঘৰটোৰ অৱশেষখিনি আছে। তাতে হয়তো সেইটোৰ দৰেই আৰু এটা ঘৰ উঠিব; হয়তো তাতোকৈ ধুনীয়া ঘৰ উঠিব। কিন্তু তাত দেউতাক নেথাকে। সেইবাবে সেই ধুনীয়া ঘৰৰ মূল্যও তাৰ বাবে একো নাই। মৰম নোহোৱা সৰ্বাঙ্গসুন্দৰ তাৰ মনত সুন্দৰ যেনেই নেলাগে।

দুহাতত মূৰটো থৈ সি দেউতাকৰ কথা আৰু অতীতৰ কথা ভাবে। তাৰ চকুৰেদি লোতক বাগৰি আহে। খুদ খুদ মৰমবোৰ কিমান আৱশ্যকীয় সামগ্ৰী, তাকে অনুভৱ কৰে আৰু তাৰে অভাৱত চকুলো টোকে। সেইবোৰৰ মাজত সোমাই সি বৰ আৰামেৰে জীৱন যাত্ৰা কৰি আহিছিল; সেইবোৰ নোহোৱা হ'লে আজিৰ সি মানুহটো নহ'লহেঁতেন। কিন্তু সেইবোৰ আজি হেৰাই গ'ল।

দেউতাক গ'ল। পৃথিৱীত আন কোনেও বিশ্বাস নকৰিলেও দেউতাকে তাৰ ওপৰত বিশ্বাস হেৰুওৱা নাছিল। সকলো আঁতৰি গৈছিল, কিন্তু দেউতাক যোৱা নাছিল।

আনকি অনুপমাও গৈ লুকাই পৰিল। তাৰ যৌৱনৰ পূজিতা দেৱী, তাৰ জীৱনৰ এনাজৰীৰ সিমূৰৰ সঙ্গী। আন কোনো তিৰোতাৰ কথা সি ভাবিব নোৱাৰে। কুকিয়ে এৰি গ'লেও, কুকি মৰি গ'লেও সি তাইক 'মোৰ' বোলাৰ বাহিৰত থব নোৱাৰে।

সি একো হ'ব নোৱাৰিলে। ডুমডুমাৰ বৌৱতী সুঁতিত সি উটি যাব নোৱাৰিলে। নিজৰ ওপৰত তাৰ বিশ্বাস আছিল; কিন্তু কোনো মানুহে তাক স্বীকাৰ নকৰিলে। হয়তো সি ভুলকে কৰিলে। কুকিক সি সুখী কৰিব পাৰিলেহেঁতেন। জীৱনদাদাক আদৰ কৰি ঘৰত সোমাব নিদিয়া হ'লে কিজানি আজি কুকি তাৰ ওচৰত থাকিলেহেঁতেন। সি একো নকৰিলে। সি একো হ'ব নোৱাৰিলে। ভীম, দুৰ্য্যোধন আঁতৰি গ'ল। গিৰীন, বদৰুদ্দিন আঁতৰি গ'ল। কুকি গ'ল। দেউতাক অসুখী হৈ গুচি গ'ল। সি কি ভুল কৰিলে? তাৰ ক'ত খুত বৈ গ'ল?

ঘৰৰ ওচৰত এখন মটৰ ৰ'লহি। সি মূৰ দাঙি নেচালে, চাবৰ তাৰ মন নগ'ল। অনুপমা মটৰৰ পৰা নামিল। পিছে পিছে গিৰীন আৰু নিজাম। নিজামৰ

কোলাত নিনি। তিনিও বাখৰৰ ফালে চাই ৰৈ গ'ল। কাৰো মুখত মাত বোল নাই।

অনুপমাৰ বাগৰি কান্দিবৰ মন গ'ল। তাইৰ অনুভৱ হ'ল অমূল্য ৰত্ন এটুকুৰা, মানুহৰ আঁতৰত, ধুলি-মাকত্তিত লুটি খাই পৰি আছে। তাই পোৰা ঘৰটোৰ পিনে এবাৰ চালে। তাই প্ৰাণটোৱে হাঁহাকাৰ কৰি উঠিল। মনে মনে "দেউতা" বুলি তাইৰ প্ৰাণটোৱে চিএঙৰি উঠিল। তাই সেইফালে চাব নোৱাৰা হ'ল।

তাই বাখৰৰ ফালে লাহে লাহে আগবাঢ়ি গ'ল।

ইমানবোৰ মানুহৰ ইচ্ছা শক্তিয়ে তাক আকৰ্ষণ কৰিলে। সি এবাৰ মূৰ তুলি উলটি চালে। অনুপমাই ৰব নোৱাৰি তাৰ ওচৰলৈ লৰ দিলে। ডাঙৰ মাটি এচপৰাত উজুটি খাই তাই একেবাৰে বাখৰৰ ভৰিৰ ওচৰত আচাৰ খাই পৰি হুকহুকাই কান্দি পেলালে।

বাখৰে তাইক দাঙি ধৰিলে। তাই তাৰ কান্ধত মূৰ থৈ কেৱল কান্দি গ'ল। সেই কান্দোনতে যেন তাইৰ অন্তৰৰ সকলোখিনি কবলগীয়া কথা কৈ পেলালে। তাৰ শুকাব খোজা চকু দুটা আকৌ সেমেকি আহিল;

সি মাতিলে, "কুকি, কুকি, ছিঃ নেপায় কান্দিব।"

তাই মূৰ তুলি বাখৰৰ নুখুৰোৱা ডাড়িৰে ভৰা মুখখনলৈ চায়ো তাই দেখিলে, তাই চাই থকা তাইৰ 'দেৱতাৰ' আন্ধাৰৰ মুখত প্ৰশান্ত হাঁহি। ডাৱৰ লাহে লাহে আঁতৰি যাব ধৰিছেহ্ৰয়। প্ৰাণসঞ্চাৰী সূৰুয দেৱতাই আকৌ উজ্জ্বল কিৰণ ছটিয়াই দিব। তাই আকৌ ৰ'দ কাঁচলিত বহি জীৱনৰ জয়গান গাব পাৰিব। ভাস্কৰ থাকে মানে পৃথিৱীৰ মৰণ নাই।

"মা !" নিনিয়ে নিজামৰ কোলাৰ পৰা চিএঙৰি মাতিলে। গিৰীন আৰু নিজাম আগবাঢ়ি আহিছিল।

ড্ৰাইভাৰটোৱে মটৰৰ পৰা নামি সিহঁতৰ ফালে অবাক হৈ চাই আছিল।

-ঃশেষঃ-

২৪০০৭
2.8.10